বিভিন্নজনৰ দৃষ্টিত

মুনীন বৰকটকী

Call No.

সম্পাদক : উপেন্দ্ৰ বৰকটকী

মুনীন বৰকটকী স্মাৰক ন্যাস
পানবজাৰ, গুৱাহাটী ৭৮১০০৩

Bibhinnajanar Drishtit Munin Barkotoki : A bilingual commemorative volume on the life and work of Munin Barkotoki, a noted writer, journalist and critic of Assam, and published by Dr. M. Bhattacharjee and Dr. A.K. Bhattacharjee on behalf of the Munin Barkotoki Memorial Trust.

First published on 6th November, 1994

Price Rs. Forty only

প্ৰকাশক : মুনীন বৰকটকী স্মাৰক ন্যাসৰ হৈ
ড° মীনাক্ষী ভট্টাচাৰ্য আৰু ড° আশীষ কুমাৰ ভট্টাচাৰ্য,
পঞ্চবটী, গুৱাহাটী ৭৮১০০৩, অসম।

প্ৰথম প্ৰকাশ : ৬ নৱেম্বৰ, ১৯৯৪ চন

দাম : ৪০.০০ টকা মাত্ৰ

পৰিবেশক : (১) লয়াৰ্ছ বুক ষ্টল, পানবজাৰ, গুৱাহাটী ১
(২) শংকৰদেৱ লাইব্ৰেৰী, পঞ্চবটী, গুৱাহাটী ৩

মুদ্ৰক : *বৰ্তিকা প্ৰিণ্টাৰ্ছ*
বৰঠাকুৰ মিল ৰোড, উলুবাৰী, গুৱাহাটী ৭৮১০০৭



৪০-৪২ বছর বয়সে

নিখিলরঞ্জন মুদ্রিত সুনীল চক্রবর্তী ০,৩



৭৫ বছৰ বয়সত

০.৪ চিত্ৰিজনৰ দৃষ্টিত সুনীল চক্ৰৱৰ্তী

সংকলয়িতা-সম্পাদকৰ নিবেদন

অসামান্য প্ৰতিভাৱে অসমৰ বৌদ্ধিক জগতত যশস্যা আৰু খ্যাতি অৰ্জন কৰাসকলৰ ভিতৰত মুনীন বৰকটকী অন্যতম। জ্ঞান অন্বেষণেই তেওঁৰ জীৱনৰ পথ আছিল। ইয়াত সুৰগা চৰাইছিল তেওঁৰ প্ৰতিভাই। প্ৰতিভাৰ জোখাৰে তেওঁৰপৰা আমি যিখিনি পাব লাগিছিল, সেইখিনি নাপালো। কিন্তু তেওঁ যিখিনি দি থৈ গৈছে সেইখিনি আমাৰ জাতীয় সাহিত্য আৰু জাতীয় জীৱনৰ কাৰণে মূল্যবান সম্পদ। তেওঁ দিয়াখিনিৰ ভিতৰত গ্ৰন্থ আকাৰে 'বিস্মৃত ব্যতিক্ৰম'হে ওলাইছে। কিন্তু অসম আৰু অসমৰ বাহিৰৰ কাকত-আলোচনীত প্ৰকাশিত বিভিন্ন লিখনিসমূহ ভাগ ভাগ কৰি উলিয়ালে তেওঁৰ কমেও ১০/১২ খন গ্ৰন্থ হ'ব।* প্ৰশ্ন হয়, এই কাম তেওঁ জীৱিত অৱস্থাতে নকৰিলে কিয়? অনেকে তেওঁৰ লিখনিসমূহ প্ৰকাশ কৰিবৰ কাৰণে আগ্ৰহেৰে আগবাঢ়ি আহিছিল, তেওঁৰ গুণমুগ্ধসকলেও এই কথা লৈ তেওঁক ব্যতিব্যস্ত কৰিছিল। কিন্তু গ্ৰন্থ প্ৰকাশ কৰা সম্পৰ্কীয় কথাত তেওঁ আছিল একেবাৰে নিৰ্বিকাৰ। 'নীৰৱ সাধনা'ই আছিল তেওঁৰ জীৱনৰ আদৰ্শ। সেই সাধনাত তেওঁ সিদ্ধি লাভ কৰিছিল কাৰণে সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত সুনাম

---

* সম্প্ৰতি কেইখনমানৰ কৃতবিদ্য লোকক সম্পাদক হিচাপে লৈ সেই কাম কৰিবলৈ লোৱা হৈছে। —সম্পাদক

অৰ্জন কৰা সকলো তেওঁৰ সান্নিধ্য লাভ কৰি ধন্য হৈছিল, যোগাযোগ পৰাৰ আগলৈকে গুৱাহাটীৰ সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠানসমূহে আমন্ত্ৰণ কৰি নি সন্তোষ পাইছিল, প্ৰথিতযশা লেখক-লেখিকাসকলে তেখেতসকলৰ নতুন কিতাপৰ অভিমত এটিৰ কাৰণে এইগৰাকী তীক্ষ্ণ সমালোচকৰ ওচৰ চাপিছিল। মুনীন বৰকটকী মানুহগৰাকীৰ পাণ্ডিত্য আৰু প্ৰতিভা তেওঁৰ লিখনিত, তেওঁৰ চিন্তাধাৰাত আৰু তেওঁৰ কথা-বতৰাত এনেদৰে প্ৰকাশ পাইছিল যে সকলোকে তেওঁৰ নিজৰ সংস্পৰ্শলৈ অনায়াসে আনিব পাৰিছিল। ইয়াৰ লগতে অৱশ্যে মানুহগৰাকীৰ উদাৰতা আৰু মধুৰ ব্যৱহাৰৰ কথাও ক'ব লাগিব। কিবা কথাত কাৰোবাৰ প্ৰতি অসন্তুষ্টি প্ৰকাশ কৰিব লগা হ'লে তেওঁ সন্মুখতে ক'ব যদিও এনেধৰণে ক'ব, যাতে শুনোঁতাজনে শুনি বেয়া নাপায়। স্বভাৱত ধীৰ-স্থিৰ, স্পষ্টবাদী আৰু স্বাধীন মনৰ মুনীন বৰকটকী মানুহজন প্ৰকৃততে 'ব্যক্তিত্বসম্পন্ন' লোক আছিল।

মুনীন বৰকটকীৰ ব্যক্তিত্ব গঠনত তেওঁৰ পূৰ্বপুৰুষে ভালেখিনি অৰিহণা যোগাইছিল। পিতৃ দুৰ্গাধৰ বৰকটকী ব্ৰিটিছৰ ৰাজত্বকালত অসমৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক আছিল। অসমৰ শিক্ষিত সমাজত দুৰ্গাধৰ বৰকটকীক নজনা মানুহ নাই। গোৱালপাৰাৰ বিদ্যালয়সমূহত অসমীয়া ভাষা প্ৰতিষ্ঠাৰ কাৰণে তেখেতে বহুখিনি কৰিছিল। নিজে গ্ৰন্থ ৰচনা নকৰিলেও অসমীয়া গ্ৰন্থ প্ৰকাশ কৰি উলিওৱাত আগভাগ লৈছিল। পদ্মনাথ গোহাঞিবৰুৱাই সম্পাদনা কৰা 'বিজুলী'ৰ কেইবাটাও সংখ্যাৰ বেটুপাতত দুৰ্গাধৰ বৰকটকীৰ নাম প্ৰকাশক হিচাপে উল্লেখ আছে। মুনীন বৰকটকীৰ মাক হ'ল পদ্মাৱতী দেৱী ফুকননীৰ জীয়ৰী কমলিনী দেৱী। 'সুধৰ্মাৰ উপাখ্যান' — এই পুথিৰ কাৰণে পদ্মাৱতী দেৱী ফুকননীৰ অসমীয়া সাহিত্যত খ্যাতি আছে। পদ্মাৱতী দেৱী ফুকননীৰ দেউতাক আনন্দৰাম ঢেকিয়াল ফুকন সকলোৰে এটি নমস্য নাম। দুৰ্গাধৰ বৰকটকী আৰু কমলিনী দেৱীৰ চাৰিটি সন্তানৰ ভিতৰত পুত্ৰ সন্তান দুগৰাকী হ'ল — সত্যেন বৰকটকী আৰু মুনীন বৰকটকী। কন্যা সন্তান হ'ল — প্ৰেমলতা আৰু প্ৰীতিলতা। যিকেইজন অসমীয়াই প্ৰশাসনীয় ক্ষেত্ৰত দেশৰ ভিতৰত সুনাম অৰ্জন কৰিছিল সেইকেইজনৰ ভিতৰত সত্যেন বৰকটকীও এজন। এগৰাকী খ্যাতিসম্পন্ন লেখক হিচাপেও তেখেতৰ সুখ্যাতি আছে।

পিতৃ-মাতৃৰ কনিষ্ঠ সন্তান মুনীন বৰকটকীৰ জন্ম হয় ১৯১৫ চনৰ কাতি বিহুৰ দিনা যোৰহাটৰ তৰাজানত। যোৰহাট প্ৰেকটিচিং স্কুলত আদি শিক্ষা লোৱাৰ অন্তত দেউতাকৰ সৈতে কলিকতালৈ যায় আৰু তাত থাকি সপ্তমমানলৈকে পঢ়ে। অষ্টমমানৰপৰা যোৰহাট চৰকাৰী হাইস্কুলত পঢ়ি প্ৰৱেশিকা পৰীক্ষা দি প্ৰথম বিভাগত উত্তীৰ্ণ হয়। প্ৰৱেশিকা পৰীক্ষাৰ আগে আগে তেওঁৰ পিতৃ বিয়োগ হয়। সেইকাৰণে যোৰহাটত নতুনকৈ প্ৰতিষ্ঠা কৰা জে-বি

কলেজতে নাম লগায়। সেই কলেজৰপৰা সুখ্যাতিৰে 'ইণ্টাৰমিডিয়েট' পৰীক্ষাত কৃতকাৰ্য হোৱাৰ পাছত কটন কলেজলৈ আহে। ১৯৩৮ চনত 'ডিষ্টিংচন'ত প্ৰথম হৈ কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰভাত কুমাৰ স্বৰ্ণপদক লাভ কৰে। প্ৰভাত কুমাৰ দাস বৰকটকীদেৱৰ অন্তৰংগ বন্ধু আছিল। বি-এ পৰীক্ষা দিয়াৰ আগমুহূৰ্তত দাসে আত্মহত্যা কৰে। প্ৰভাত দাসৰ পিতৃয়ে তেওঁৰ সুযোগ্য পুত্ৰৰ স্মৃতিত এই বঁটা আগবঢ়াইছিল। বৰকটকীয়ে এই বঁটা লাভ কৰি যিদৰে গৌৰৱবোধ কৰিছিল, আনহাতেদি মনত দুখো পাইছিল। পিছে সেই মূল্যবান সোণৰ পদকটিও কোনোবাই চুৰ কৰি নিলে। তেওঁৰ এম.এ. অধ্যয়নো অসম্পূৰ্ণ হৈ থাকিল। ঢাকা বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিছিল যদিও পৰীক্ষাহে দিয়া নহ'ল। বি.এ. পঢ়োঁতে তেওঁ এবা-ৰবাকৈ অৰ্থনীতি, যুক্তি আৰু ইংৰাজী তিনিওটাতে 'সন্মান' (এতিয়া 'প্ৰধান') লৈ পঢ়িছিল, তিনিওটা বিষয়তে বিশেষ নম্বৰো পাইছিল। কিন্তু খেয়ালি (?) মনৰ মানুহজনে 'অনাৰ্ছ' বা সন্মান এৰি দিলে যদিও বি.এ. পৰীক্ষাত কিন্তু কৃতিত্ব ভালদৰেই দেখুৱালে। ইয়াৰদ্বাৰা অনুমান কৰিব পাৰি যে প্ৰণালীবদ্ধভাৱে কাম কৰাৰ তেখেতৰ স্পৃহা নাছিল।

শিক্ষাজীৱন এইদৰে সমাপ্ত হোৱাৰ আগেয়ে তেওঁৰ কৰ্মজীৱন আৰম্ভ হয়। বি.এ. পৰীক্ষা দি যোৰহাটৰ তিনিখন উচ্চ ইংৰাজী বিদ্যালয়ত প্ৰায় দুবছৰমান শিক্ষকতা কৰে। কিছুদিন নগা পাহাৰৰ মোককচাঙতো শিক্ষকতা কৰিছিল। তেতিয়া নগা পাহাৰলৈ যাতায়াতৰ কোনো সু-ব্যৱস্থা নাছিল। গতিকে মোককচাঙলৈ খোজকাঢ়ি যাওঁতে তিনিদিন সময় লাগিছিল। শিক্ষাজীৱনত তেওঁ যিদৰে কৃষ্ণকান্ত সন্দিকৈ, তুলসী নাৰায়ণ শৰ্মা, শ্ৰীবৎসেশ্বৰ শৰ্মা আদি পণ্ডিতৰ সাহচৰ্য লাভ কৰিছিল, সেইদৰে কবি অমূল্য বৰুৱা, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য, অজিতকুমাৰ শৰ্মা, পদুম বৰুৱা, ৰাজেন্দ্ৰ নাথ হাজৰিকা আদিক ছাত্ৰ হিচাপে পাই গৌৰৱ বোধ কৰিছিল।

শিক্ষকতাৰ পাছতে তেওঁ সংবাদপত্ৰৰ লগত ভালদৰে জড়িত হৈ পৰে। ইয়াৰ আগেয়ে অৱশ্যে ১৯৩৫ চনত তেওঁ যোৰহাটৰপৰা প্ৰকাশিত 'দৈনিক বাতৰি'ৰ লগত জড়িত আছিল। ১৯৩৯ চনত মাধৱ বেজবৰুৱা (অগিনী জোঁৱাই) সম্পাদিত 'বাঁহী'ৰ সহযোগী সম্পাদক হিচাপে যোগদান কৰে। ১৯৪৪-৪৬ চনত শ্বিলঙত কেন্দ্ৰীয় সামৰিক বিভাগৰ ত্ৰিভাষিক সাপ্তাহিক এখনৰ সহকাৰী সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰে। কিছুদিন 'দৈনিক অসমীয়া' আৰু 'আসাম ট্ৰিবিউন' কাকতৰো সহকাৰী সম্পাদক হয়। পাছত অসম চৰকাৰৰ গাঁও উন্নয়ন আৰু পৰিকল্পনা বিভাগৰ প্ৰচাৰ বিষয়া হিচাপে যোগ দিয়ে। ১৯৪৮ চনৰপৰা '৫৫ চনলৈকে অসম চৰকাৰৰ প্ৰচাৰ বিভাগৰ ক্ৰমে সম্পাদক আৰু উপ-সঞ্চালক পদত নিয়োজিত হয়। ১৯৫৫ চনৰপৰা '৬৫

চনলৈকে তেওঁ কেন্দ্ৰীয় চৰকাৰৰ তথ্য আৰু প্ৰচাৰ বিভাগৰ উৰ্দ্ধতন বিষয়া হিচাপে যোগ্যতা দেখুৱায়। তেতিয়া তেওঁ দিল্লী আৰু কলিকতাত কেইবাবছৰো আছিল। ১৯৬৫ চনৰপৰা '৭০ চনলৈকে বৰকটকীদেৱে 'প্ৰেছ ইনফৰমেশ্যন ব্যুৰ' আৰু আকাশবাণীৰ বাৰ্তা-সম্পাদক হিচাপে সেৱা আগবঢ়ায়। ১৯৭০ চনত তেওঁ চৰকাৰী চাকৰিৰপৰা অৱসৰ লয়। চৰকাৰী-বেচৰকাৰী বিভিন্ন পদত থকাৰ উপৰি ১৯৭২-৭৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ সাংবাদিকতা বিভাগত তেখেতে অধ্যাপনা কৰিবলগা হৈছিল।

চাকৰিকালৰ ভিতৰতে ১৯৫১ চনত তেওঁ বিবাহপাশত আবদ্ধ হয়। তেওঁৰ পত্নী ৰেণুকা দেৱী বৰকটকীও ছাত্ৰী হিচাপে অতি মেধাবী আছিল। প্ৰৱেশিকা পৰীক্ষাত 'অংক', 'সংস্কৃত' আৰু 'অসমীয়া'ত লেটাৰ লৈ উত্তীৰ্ণ হোৱা ৰেণুকা দেৱী বৰকটকী দীৰ্ঘদিন ধৰি ৰাজনীতি আৰু বিভিন্ন সামাজিক কামত জড়িত আছে। প্ৰাক্তন কেন্দ্ৰীয় শিক্ষামন্ত্ৰী আৰু সংসদ সদস্যা হিচাপে তেওঁ সুখ্যাতি অৰ্জন কৰিছিল। অসম বিধান সভাৰ বিৰোধী দলৰ উপ-দলনেত্ৰী হিচাপেও তেওঁ আলোড়ন তুলিছিল। ৰেণুকা দেৱী বৰকটকী এনে ব্যস্ততাৰ মাজত থাকিলেও স্বামীক কিন্তু কেতিয়াও ঘৰুৱা চিন্তা কৰিবলৈ আৰু বজাৰ-সমাৰ কৰিবলৈ নিদিছিল। তেওঁলোকৰ একমাত্ৰ কন্যা সন্তান মীনাক্ষী বৰকটকীৰ বিশিষ্ট চিকিৎসক আশীষ কুমাৰ ভট্টাচাৰ্য্যৰ সৈতে ১৯৮৪ চনত বিবাহ হয়। গণিতশাস্ত্ৰৰ ছাত্ৰী হ'লেও মীনাক্ষীক দেউতাকে সততে দেশ-বিদেশৰ সাহিত্য অধ্যয়ন কৰিবলৈ প্ৰেৰণা যোগাইছিল।

মুনীন বৰকটকীয়ে স্কুলত পঢ়ি থকা দিনতে ১৯২৯-৩০ চনৰপৰা সাহিত্যসেৱাত মনোনিবেশ কৰে। তেওঁৰ প্ৰথম লেখা 'History of an umbrella' (ইংৰাজীত) যোৰহাট চৰকাৰী হাইস্কুলৰ মুখপত্ৰ 'জেউতি'ত প্ৰকাশ পায়। একে সময়তে শিৱসাগৰৰপৰা কমলালয়া কাকতীৰ সম্পাদনাত ওলোৱা মহিলা আলোচনী 'ঘৰ-জেউতি'ত 'নোমল' নামৰ চুটি গল্পটি প্ৰকাশ পায়। প্ৰৱেশিকা পৰীক্ষা পাছ কৰালৈকে বেজবৰুৱাৰ 'বাঁহী'ত দেশী-বিদেশী ৰাজনীতিক, সাহিত্যিক আৰু শিল্পীসকলৰ জীৱনালেখ্য আৰু যোৰহাটৰপৰা স্বৰ্গীয় বিপিন বৰুৱাৰ সম্পাদনাত ওলোৱা তেতিয়াৰ একমাত্ৰ অসমীয়া গল্প আলোচনী 'গল্প চিত্ৰিকা'ত ধাৰাবাহিকভাৱে গল্প লিখিবলৈ ধৰে। গল্পৰ বাহিৰেও তেওঁ কবিতা, একাংকিকা আদিও ৰচনা কৰিছিল। 'কনফেশ্যনছ' ৰম্য ৰচনা লিখি তেওঁ এফালে যিদৰে অসমীয়া সাহিত্যত বুদ্ধিদীপ্ত হাস্যৰসৰ সূচনা কৰিছিল, আনফালে 'আৱাহন'ত (সপ্তম বছৰ, অষ্টম সংখ্যা) 'জীৱনৰ অৰ্থ কি?' — এনে ধৰণৰ জটিল তথ্যপূৰ্ণ প্ৰবন্ধ লিখি অসমীয়া চিন্তাশীল প্ৰবন্ধৰ সমৃদ্ধি ঘটাইছিল। 'আৱাহন', 'জয়ন্তী' আৰু সেই সময়ৰ কেইবাখনো আলোচনীত নিয়মীয়াকৈ সাহিত্যচৰ্চা কৰা মুনীন্দ্ৰনাথ বৰকটকী বা মুনীন বৰকটকীজন পিছলৈ কঠিন

নীৰৱ হৈ থাকিল। '৬৭-'৬৮ চনমানত তেতিয়াৰ 'অসম বাতৰি' কাকতৰ সম্পাদক শ্ৰীতাৰ মহন্তৰ লেখানেপেৰা অনুৰোধত তেওঁ অগতানুগতিক ধৰণৰ এলানি জীৱনী লিখিবলৈ পুনৰ আৰম্ভ কৰিলে। পাছত সেই জীৱনীসমূহৰ সংকলন হিচাপে বিখ্যাত 'বিস্মৃত ব্যতিক্ৰম' গ্ৰন্থখন উলিওৱা হ'ল।

মুনীন বৰকটকীয়ে দেশৰ বিভিন্ন সমস্যাৰ বিষয়েও প্ৰবন্ধ-পাতি আৰু চিঠিপত্ৰ লিখিছিল। প্ৰত্যেকটো কথাতে যে তেওঁ অতি সচেতন আছিল আৰু তীক্ষ্ণ দৃষ্টি ৰাখিছিল এই লেখাবিলাকেই প্ৰমাণ কৰে। তদুপৰি আগশাৰীৰ আলোচনীসমূহত তেওঁ নিয়মীয়াকৈ পুথি সমালোচনাও কৰিছিল। আকাশবাণী গুৱাহাটী আৰু ডিব্ৰুগড় কেন্দ্ৰই তেওঁৰপৰা ভালেসংখ্যক পুথিৰ সমালোচনা লিখাই প্ৰচাৰ কৰাইছিল। অভিনয় সম্বন্ধীয় বিষয়তো তেওঁৰ বিশেষ ধাপ আছিল আৰু সেই সম্পৰ্কে ভালেমান আলোচনা আগবঢ়াইছিল। ৰবীন্দ্ৰ সংগীতৰ প্ৰতি বিশেষ আকৰ্ষণ থকা মুনীন বৰকটকী এসময়ত গায়কো আছিল।

সাহিত্যচৰ্চাৰ ক্ষেত্ৰত তেওঁক আদিতে বিপিন বৰুৱা, ধ্বনিকবি বিনন্দ চন্দ্ৰ বৰুৱা, বকুল বনৰ কবি আনন্দ চন্দ্ৰ বৰুৱা, সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা আৰু পিছলৈ কলিকতাত বেজবৰুৱা, হলীৰাম ডেকা, মহাদেৱ শৰ্মা, ধৰ্মেশ্বৰী দেৱী বৰুৱানী, ঊষা ভট্টাচাৰ্য প্ৰভৃতিয়ে অনুপ্ৰাণিত আৰু উৎসাহিত কৰিছিল। এইসকলৰ উপৰি তেওঁৰ নিজৰ ভাষাত — "ককা ফুকন, ডেকা ফুকন আৰু লক্ষ্মীনাথ ফুকন এই তিনিগৰাকী ফুকন আৰু অমিয় কুমাৰ দাসৰপৰা অপ্ৰত্যাশিত অনুপ্ৰেৰণা নোপোৱা হ'লে প্ৰৱেশিকা দেওনা পাৰ হোৱাৰ পাছত মই হয়তো সাহিত্য ক্ষেত্ৰৰপৰা দুপতীয়াতে বিদায় লওঁহেঁতেন"।

সাহিত্যৰ দৰেই সংবাদপত্ৰৰ জগতখনৰ লগতো তেওঁৰ হাইস্কুলৰ উচ্চ শ্ৰেণীত থাকোতেই (১৯৩০-৩২) প্ৰথম সম্বন্ধ স্থাপিত হয়। সেই সময়ত যোৰহাটৰ বিষ্ণুৰাম বৰুৱা লাইব্ৰেৰীত তেওঁৰ আটাইতকৈ আকৰ্ষণৰ বস্তু আছিল তেতিয়াৰ 'মাই মেগাজিন', 'ইণ্ডিয়ান ৰিভিউ', 'টাইমছ অৱ আসাম', 'ষ্টেটছমেন', আৰু বঙলা ভাষাৰ 'ভাৰতবৰ্ষ' আৰু 'প্ৰবাসী' নামৰ সংবাদপত্ৰকেইখন। স্কুলত থাকোতে তেওঁ 'মাই মেগাজিন' আৰু 'ইণ্ডিয়ান ৰিভিউ'ত সৰু-সুৰা প্ৰবন্ধ লিখি এবাৰ নে দুবাৰ দহ টকাকৈ 'মাননি'ও পাইছিল। 'টাইমছ অৱ আসাম' আৰু 'ষ্টেটছমেন'ত তেওঁ প্ৰৱেশিকা দিয়াৰ সময়ৰপৰা চিঠি লিখিছিল। পিতৃবিয়োগৰ পাছত তেওঁৰ ঘৰত 'ষ্টেটছমেন' কাকতখন নোলোৱাত তেওঁ নিজে অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতা দেৱেন্দ্ৰ নাথ বেজবৰুৱাৰ ঘৰৰ আগবাৰাণ্ডাত সেইখন কাকত পঢ়াৰ কথা প্ৰায়ে মনত পেলাইছিল। এইজন বেজবৰুৱাই তেওঁক সংবাদজগতৰ তথাকথিত 'মিষ্টেৰিয়াছ' বা ৰহস্যাবোধৰ সৈতে পৰিচয় কৰাই দিছিল।

মুনীন বৰকটকী সংবাদপত্ৰৰ জগতখনৰ লগত প্ৰায় দুকুৰি বছৰ জড়িত

আছিল। অৱশ্যে কবী-সাংবাদিক হিচাপে তেওঁৰ সেৱা তিনিবছৰমানহে হ'ব। দ্বিতীয় মহাযুদ্ধৰ সময়ত তেওঁ 'আজিৰ অসম' নামৰ কাকত এখনৰো সহকাৰী সম্পাদক আছিল। সাংবাদিক বুলি ভাবি গৌৰৱ বোধ কৰা সুনীল বৰকটকীয়ে সাংবাদিকতাৰ ক্ষেত্ৰত লক্ষীনাথ ফুকনক 'গুৰু' হিচাপে মানি লৈছিল। ফুকনদেৱক পিতৃৰ দৰেও জ্ঞান কৰিছিল। এই লেখকজনে দিয়া এখন চিঠিত (২২ এপ্ৰিল '৭৫) লিখিছিল: "ফুকনদাৰ পৰলোকত মই মোৰ পিতৃতুল্য এজনক হেৰুওৱা যেন পাইছোঁ। মোৰ জীৱনত তেখেতৰ প্ৰভাৱ বৰ বেছি আছিল"।

লক্ষীনাথ ফুকনৰ দৰেই বৰকটকীদেৱো অত্যন্ত অনুভূতিপ্ৰৱণ আছিল আৰু মাজে মাজে ওকোন্দ পাতিছিল। ফুকনপ্ৰমুখে অসমৰ গুণী ব্যক্তিসকলৰ উপৰি দেশ-বিদেশৰ মহান লোকসকলৰ জীৱনকাহিনীয়েও তেওঁৰ মনৰ জগতত গভীৰ প্ৰভাৱ পেলাইছিল। বিথোভেন, মিল্টন, নীটচে আদিৰ ব্যক্তিগত জীৱনৰ ঘটনাই তেওঁক সদায় আলোড়িত কৰিছিল। গান্ধীজীৰ হত্যা, সাম্প্ৰদায়িকতাৰ বলী হোৱা অমূল্য বৰুৱা, চিটিবাছৰ চেপাত নিহত হোৱা জীৱনানন্দ দাসৰ ঘটনা তেওঁ কেতিয়াও পাহৰিব নোৱাৰে বুলি কথা প্ৰসংগত এদিন আমাক কৈছিল। দেশ-বিদেশৰ মহান গ্ৰন্থৰাজিৰ লগত তেওঁৰ সম্পৰ্কৰ বিষয়ে অসমৰ বিদ্বান সমাজে ভালদৰে জানে। সেয়ে প্ৰত্যেকটো লিখনিতে তেওঁৰ অধ্যয়নপুষ্ট মনটোৰ পৰিচয় পোৱা যায়। এই প্ৰসংগত অসম সাহিত্য সভাৰ মঙ্গলদৈ অধিৱেশনত (১৯৭৪) আলোচনা চক্ৰৰ সভাপতি হিচাপে 'অসমীয়া সাহিত্যত ঐতিহ্য আৰু আধুনিকতাৰ সমস্যা' — এই বিষয়ে দিয়া ভাষণটিৰ কথাও উল্লেখ কৰিব পাৰি।

সেইবুলি তেওঁ যে অধ্যয়নৰ জগতখনৰ লগতে আবদ্ধ আছিল এনে কথাও নহয়। ১৯৭৫ চনত দেশত জৰুৰী অৱস্থা ঘোষণা কৰাত তেওঁ প্ৰতিবাদ কৰিছিল। শ্ৰী ৰেণুকা দেৱী বৰকটকীক ১৯ মাহ জেলত ৰাখোতে সাহস যোগাইছিল আৰু তেতিয়াৰ ন বছৰীয়া মীনাক্ষীক চোৱা-চিতা কৰিছিল। মীনাক্ষীয়ে তেতিয়াই স্বাৱলম্বী হ'বলৈ শিকিলে। যিহওক, এই ঘটনাই বৰকটকীদেৱক ৰাজনীতিৰ ফালে আকৰ্ষিত কৰিলে। জনতা দলে কেন্দ্ৰত ক্ষমতা দখল কৰাৰ পাছত তেওঁ কেন্দ্ৰীয় নেতৃবৰ্গক অসমৰ মৌলিক সমস্যাসমূহৰ সমাধানৰ কাৰণে অনুৰোধ জনাইছিল। এই প্ৰসংগত উল্লেখ কৰিব পাৰি যে ১৯৪১-৪২ চনত তেওঁ ডিব্ৰুগড়ত থাকোতে বিয়াল্লিছৰ আন্দোলনতো জড়িত হৈ পৰিছিল। ইয়াৰ আগেয়ে কোৱা হৈছে, তেওঁ প্ৰত্যেকটো কথাতে তীক্ষ্ণ দৃষ্টি ৰাখিছিল। কেতিয়াবা সেই কথা ব্যক্তিগত চিঠিপত্ৰত লিখি মনৰ ক্ষোভ পাতলাইছিল। ২২.৮.৮১ তাৰিখে দিল্লীৰপৰা দিয়া চিঠি এখনত এইদৰে লিখিছিল — "সাহিত্যিক পেঞ্চনৰ শ্ৰেণীবিভাগ আৰু বিবেচনাৰ বিভ্ৰান্তি দেখি পুতৌ জন্মিছে। পুৰুষোত্তম দাসে সাহ কৰি সন্মানটো প্ৰত্যাখ্যান কৰাত

মানুহজনৰ প্ৰতি শ্ৰদ্ধা বাঢ়িছে। লেখকায় পাঠকে পোহৰত জল আনিছে।"

চিঠি-পত্ৰবিলাকত সাধাৰণতে সাহিত্য সম্পৰ্কীয় আৰু কেনে বিভিন্ন কথাৰ প্ৰসঙ্গ দিছিল। তেওঁৰ লগত সম্পৰ্ক থকা সকলোৱে খ-খবৰ ল'ব'লৈ পাহৰা নাছিল। অমিয় কুমাৰ দাসৰ বিষয়ে তেওঁ প্ৰবন্ধ এটা লিখাৰ কথা কেইবাখনো চিঠিত উল্লেখ কৰিছিল। পিছে প্ৰবন্ধটো তেওঁ লিখি উলিয়াব নোৱাৰিলে। এবাৰ তেওঁ লিখিছিল: তুমি সম্ভৱ নেজানা যে অলপতে গুৱাহাটীত আকস্মিকভাৱে পৰলোক হোৱা প্ৰবীণ শিল্পী-অভিনেতা নবীন চন্দ্ৰ শৰ্মা মোৰ ভিনদেউ। তেওঁৰ বিষয়ে 'দৈনিক অসম'ত অনিল বৰুৱাই ভালকৈ একলম লিখিছিল বুলি শুনিছিলোঁ। তাৰ cutting এটা সম্ভৱ হয় যদি পঠাবাচোন।' এবাৰ মহিম বৰাৰ 'কাঠনিবাৰী ঘাট'ৰ মাৰাঠী সংস্কৰণটো ক'তো নাপালো বুলি লিখিছিল। এনেকৈ নিজৰ ভাষাৰ দৰে আন ভাষাৰ কাৰণে মৰমো মনৰ কথা দুই-চাৰিবাৰ তেখেতক কৈছিলোঁ। এদিন বেণুধৰ শৰ্মাদেৱৰ কিবা এটা কথাত অসন্তুষ্ট হৈ তেখেতক জনাইছিলোঁ। সেইদিনা মুখেৰে সান্ত্বনা দিয়েই তেখেত ক্ষান্ত নহ'ল। দুদিনমান পাছতে মোলৈ এখন চিঠিত (২.৩.৭১) লিখিলে: 'শ্ৰদ্ধেয় বেণুধৰ শৰ্মাৰ ওচৰলৈ গৈ তুমি ক্ষুণ্ণ হোৱা বুলি জানি বেয়া পাইছোঁ। বয়সৰ দোষ বুলি সেইবিলাক কথা আওকাণ কৰিবা।'

মুনীন বৰকটকী মানুহজনৰ মহত্ত্ব এনে ধৰণৰ বহুতো কথাতেই প্ৰকাশ পাইছিল। শেষ সময়ত দিয়া চিঠি এখন পঢ়ি বৰ দুখ লাগিছিল। চিঠিখনত আছিল — 'আজিকালি খোজ কাঢ়ি দীঘলী পুখুৰীৰ পাৰলৈকো যাব নোৱৰা হলোঁ। লাইব্ৰেৰী এৰিলোঁ।... আজিকালি কোনো আহিবলৈকো এৰিছে। একো এটা লিখি-মেলি দিব নোৱাৰোঁ, সভা এখনলৈ গৈ এষাৰ কথা ক'ব-নোৱাৰোঁ, কোন আহিব?' আৰু দুখ লাগিছিল আন এখন চিঠি পঢ়ি। তাত আছিল: 'ইমান বছৰে কিমান ভাবিলোঁ, কিমান পাণ্ডিলোঁ, কিমান পঢ়িলোঁ। ক'তা, একোটোকেই কৰিব নোৱাৰিলোঁ দেখোন।' তেখেতে কিখিনি কৰিছিল সেই বিষয়ে ইতিমধ্যে আলোচনা হৈছে আৰু হ'ব ধৰিছে। সময়ত তেখেতৰ ৰচনাৰাজিৰো সাৰ্থক মূল্যায়ন হ'ব। প্ৰতিভাশালী লেখকৰ ক্ষেত্ৰত এই কথা প্ৰায়ে খাটে বুলিব পাৰি। মৃত্যুৰ এসপ্তাহ আগেয়ে শেষ দেখা হোৱা মুনীন বৰকটকীৰ প্ৰায়বোৰ কথা মোৰ মনত সজীৱ হৈ আছে।

বিভিন্নজনৰ দৃষ্টিত মুনীন বৰকটকীৰ লেখক-লেখিকাসকলে- প্ৰতিভাধৰ এইগৰাকী ব্যক্তিৰ বিষয়ে নিৰ্মোহভাৱে আলোচনা আগবঢ়াইছে। সেইসকলক আন্তৰিক কৃতজ্ঞতা জনাইছো। প্ৰথম খণ্ডৰ কেইটামান প্ৰবন্ধ ইতিপূৰ্বে প্ৰকাশ পাইছে। সেইকেইটা যথাযথভাৱেই ৰখা হৈছে। এই ক্ষেত্ৰতে সংশ্লিষ্ট কাকত কেইখনৰ সম্পাদকসকলৰ ঋণ স্বীকাৰ কৰিছোঁ।

গ্ৰন্থখনিৰ প্ৰস্তুতিৰ আৰম্ভণিৰেপৰা শেষলৈকে বিভিন্ন প্ৰকাৰে সহায়

পাইছিলোঁ শ্ৰদ্ধেয়া বেণুকা দেৱী বৰকটকী, ড° আশীষ ভট্টাচাৰ্য, ড° মীনাক্ষী ভট্টাচাৰ্য্যদেৱৰ। বন্ধুবৰ হীৰেন্দ্ৰকুমাৰ দত্তকে নানা ব্যস্ততাৰ মাজতো গ্ৰন্থখনিৰ আৰ্হিবোৰ অন্ততেকে আহিঁকাকত চাই সম্পাদনাৰ ক্ষেত্ৰত মোক বহুখিনি সহায় কৰিছে। আনপ্ৰসংগে সহায় পাইছিলো অধ্যাপক যোগেন্দ্ৰনাৰায়ণ ভূঞা, ভগৱান গোস্বামী, মধুকান্ত হাটীমতা আৰু শ্ৰীমান অনিমেষ বৰকটকীদেৱৰ। গুৱাহাটীৰ বণিকা ছপাশালৰ শ্ৰীপ্ৰফুল্ল দত্ত প্ৰমুখ্যে কৰ্মীসকলে গ্ৰন্থখন অতি কম দিনৰ ভিতৰতে উলিয়াই দিছে। এইসকলৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰিছো।

'বুৰঞ্জীবিদ সাহিত্যিক বেণুধৰ শৰ্মা অভিনন্দন গ্ৰন্থ' আৰু 'সাংবাদিক-সাহিত্যিক লক্ষীনাথ ফুকন সোঁৱৰণী গ্ৰন্থ' সম্পাদনা কৰিবলৈ লওঁতে পৰিচয় হোৱা আৰু সেই পৰিচয় এদিন গাঢ়ভাৱত পৰিণত হোৱা অথচ মোৰ তেজ-মঙহৰ একো সম্বন্ধ নোহোৱা শ্ৰদ্ধাভাজন মুনীন বৰকটকীদেৱৰ বিষয়ে এই গ্ৰন্থখন সম্পাদনা কৰিবলৈ পাই নিজে গৌৰৱবোধ কৰিছোঁ আৰু ধন্য মানিছোঁ। গ্ৰন্থখনত অজানিতে কিবা ভুল-দোষ থাকি গ'লে সহৃদয় পাঠকে যেন ক্ষমা কৰে।□

লামডিং কলেজ
লামডিং
২৬ অক্টোবৰ '৯৪

উপেন্দ্ৰ বৰকটকী
সম্পাদক,
বিভিন্নজনৰ দৃষ্টিত মুনীন বৰকটকী

সূচীপত্ৰ

শ্ৰদ্ধাঞ্জলি

১। জাইটিৰ বিষয়ে: সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা ৫
২। মুনীন বৰকটকী: সৰহভাগ নীৰৱতা
অলপ সৰৱতা: ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য ৯
৩। মুনীন বৰকটকীদেৱলৈ শ্ৰদ্ধাঞ্জলি: ড° হীৰেন গোঁহাই.......... ১৭
৪। মুনীন বৰকটকীক সুঁৱৰি: যতীন্দ্ৰনাথ গোস্বামী ২১
৫। মুনীন বৰকটকীৰ বিয়োগত: যোগেন্দ্ৰনাৰায়ণ ভূঞা ২৩
৬। এগৰাকী সৃষ্টিশীল বুদ্ধিজীৱীৰ সোঁৱৰণত: ড° নগেন শইকীয়া.... ২৭
৭। বৰকটকীৰ সান্নিধ্যত: হেমচন্দ্ৰ শৰ্মা.......................... ৩০
৮। মুনীন বৰকটকীক মই যিদৰে জানোঁ: ঈশ্বৰপ্ৰসাদ চৌধুৰী........ ৩৩
৯। সান্ত্বনাৰ ভাষা: সুনীল শৰ্মা.................................. ৩৫
১০। মুনীন বৰকটকী মানুহজন: হিৰণ্ময়ী দেৱী ৩৭
১১। নীৰৱ সাহিত্য-সাধক মুনীন বৰকটকী: বীৰেন্দ্ৰকুমাৰ লহকৰ...... ৪০
১২। ব্যতিক্ৰম ব্যক্তিত্ব: পদ্ম বৰকটকী.............................. ৪৫
১৩। সৰু মামা মুনীন বৰকটকী: ড° শীলা বৰঠাকুৰ................ ৪৮
১৪। শোকবাণী ৫৪

প্ৰতিভা

১। মুনীন বৰকটকী: অবিস্মৃত ব্যতিক্ৰম: তিলক হাজৰিকা ৫৯
২। গদ্যকাৰ মুনীন বৰকটকী: যোগেশ দাস...................... ৬৩
৩। মুনীন বৰকটকী: ব্যক্তিত্বৰ সাঁচ: অতুলানন্দ গোস্বামী ৬৯
৪। মহানাগৰিক মুনীন বৰকটকী: অজিতকুমাৰ শৰ্মা................ ৭৬
৫। মুনীন বৰকটকী:
সমালোচনামূলক সাংবাদিকতা: ৰঞ্জিৎ কুমাৰ দেৱগোস্বামী........ ৮০

৬। মুনীন বৰকটকীৰ 'বিস্তৃত ব্যক্তিত্ব': উপেন্দ্ৰ নাথ শৰ্মা........ ৮৩
৭। বৰকটকী: এক অনন্য প্ৰতিভা: চক্ৰ মহন্ত ৯২
৮। মুনীন বৰকটকী: অসাধাৰণ সাংবাদিক: ৰাধিকামোহন ভাগৱতী ... ৯৯
৯। ব্যতিক্ৰমী ব্যক্তি মুনীন বৰকটকী: ড° শিৱনাথ বৰ্মন.......... ১০৪
১০। সাক্ষাৎকাৰ: চন্দ্ৰপ্ৰসাদ শইকীয়া.......................... ১১০
১১। মুনীন বৰকটকীৰ গদ্যৰ নিদৰ্শন.......................... ১১৭

In Memoriam

1. Some Messages.................................... ১২৩
2. A Tribute to Munin Barkotoki: Maheshwar Neog... ১২৪
3. In Memory of a Cultured Man: Sheelabhadra...... ১২৫
4. A Scholar Passes Away: Ram Goswamee.......... ১২৮
5. Some Memories of My Friend,
Munin: Krishna Bhuyan............................ ১৩০
6. From One Solitude To Another:
Meenaxi Bhattacharjee............................ ১৪০

লেখক-লেখিকাসকলৰ চমু পৰিচয়........................ ১৫৩



ছাত্র হিসাবে পাঠ্য থাকা অবস্থায় সুনীল চক্রবর্তী



বিয়াৰ পাছত মুনীন বৰকটকী আৰু ৰেণুকা দেৱী বৰকটকী



বৰকটকী দেৱে চাকৰিৰপৰা অৱসৰ লোৱাৰ সময়ত

ভাইটিৰ বিষয়ে

সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা

মুনীন বৰকটকী (ভাইটি) চিন্তাশীল শ্ৰেণীৰ (contemplative) মানুহ আছিল। কিন্তু সেইবুলি তেওঁৰ মাতে-কথাই, চকুৱে-মুখে মাধুৰ্য আছিল। কঠোৰতা অলপো নাছিল। সেইবাবে মানুহ তেওঁৰ ফালে আকৃষ্ট হৈছিল, এখন ভাল কিতাপলৈ যিদৰে হয়। তেওঁৰ স্কুলীয়া জীৱনৰ প্ৰায় তিনি বছৰ কাল কলিকতা মহানগৰীত কটাবলগীয়া হৈছিল। তেওঁৰ জিজ্ঞাসা-প্ৰৱণতা আৰু অধ্যয়নশীল স্বভাৱ বহুত পৰিমাণে মহানগৰীৰ পৰিবেশে পুষ্ট কৰিছিল।

ককায়েক সত্যেন বৰকটকী মোৰ প্ৰায় সমবয়সীয়া আছিল, মুনীন মোতকৈ অন্ততঃ ৯ বছৰৰ সৰু হ'ব। মই কলিকতাত পঢ়া সময়ৰপৰাহে মুনীনক ভালকৈ লগ পাওঁ। দেউতাক দুৰ্গাধৰ বৰকটকী জোনাকী যুগৰ কলিকতীয়া ডেকাসকলৰ লগৰ এজন আছিল যদিও তেওঁ অসমীয়া ভাষাত কোনো পুথি-প্ৰবন্ধ লিখা নাছিল। অসম চৰকাৰৰ শিক্ষা বিভাগৰ উচ্চ বিষয়াৰূপে কৃতকাৰ্যতাৰে অৱসৰ লোৱাৰ পাছত তেওঁ অসমৰ প্ৰাচীন সাহিত্য, বিশেষকৈ ৰাম সৰস্বতীৰ মহাভাৰত প্ৰকাশ কৰিবলৈ সংকল্প ল'লে। তেওঁ মোক কৈছিল যে তেওঁ লেখক নহ'লেও প্ৰকাশক, সম্পাদকৰূপে অসমীয়া ভাষা-সাহিত্যৰ সেৱা কৰিব পাৰে। এই উদ্দেশ্যে তেওঁ অৱসৰ গ্ৰহণ কৰাৰ লগে লগে যোৰহাটৰ নিজা ঘৰ ভাড়া দি সপৰিবাৰে কলিকতাত ভাড়াঘৰত থাকিবলৈ ল'লে। কলিকতাত কিতাপ প্ৰকাশ কৰিবলৈ অনেক সুবিধা। তদুপৰি তেওঁৰ ডাঙৰ ল'ৰা সত্যেনে মাক-দেউতাকৰ লগত থাকি কলিকতাৰ প্ৰেছিডেন্সী কলেজত পঢ়িব পাৰিব। সেইমতে কাম হ'ল।

মই ১৯২৭ চনত পূজাৰ পাছত কলিকতাত এম.এ. পঢ়িবলৈ যাওঁ। তাৰ কিছুদিন আগতে মুনীনৰ টাইফয়েড হয়। যোৰহাটৰ আত্মীয়-স্বজনে মানুহৰ হাতত বটলত ভৰাই কুমজেলেকুৱা কেইটামান পঠাই দিলে। অসমীয়া মানুহৰ বিশ্বাস, কুমজেলেকুৱা সিজাই ৰস খুৱালে টাইফয়েড শীঘ্ৰে নিৰাময় হয়। কিন্তু কুমজেলেকুৱা গৈ পোৱাৰ আগতেই বিখ্যাত ডাক্তৰ বিধান ৰায়ৰ চিকিৎসাত ভাইটি শীঘ্ৰে আৰোগ্য হ'ল। মই গৈ দেখোঁতে ভৱিষ্যৎ সাহিত্যিক-সাংবাদিক মুনীন বৰকটকী সম্পূৰ্ণ নিৰাময়। এই কথাটি মই 'সূত্ৰধাৰ' আলোচনীত এবাৰ যেমেলীয়াকৈ লিখিছিলোঁ।*

বৰকটকী ভাণ্ডাৰীয়াৰ দ্বিতীয়া কন্যা বিয়া দিবলগীয়া হোৱাত অসমলৈ আহিছিল। তেওঁৰ গৃহিণী আৰু কন্যা কলিকতালৈ নগ'ল। কলিকতাত তেওঁৰ ভাড়া কৰা তিনিটা কমৰ এটা ভাণ্ডৰ কম খালী হ'ল। সৰু কমটোত সত্যেন, ডাঙৰ এটাত মুনীন আৰু দেউতাক আৰু তৃতীয়টোলৈ কবি বিনন্দ বৰুৱা, হৰীশ গোস্বামী (পিছলৈ অধ্যক্ষ) আৰু শেষতময়ো আহিলোঁ। ঘৰটো বিজ্ঞান কলেজৰ ওচৰত। বৰ্তমান আচাৰ্য প্ৰফুল্ল চন্দ্ৰ ৰায় পথত। বৰকটকীদেৱক পুথিৰ পাণ্ডুলিপি তৈয়াৰ কৰা আৰু ছপা কৰি উলিওৱা কামত বিনন্দ বৰুৱা আৰু মই যথাসাধ্য সাহায্য আগবঢ়াইছিলোঁ। ভাইটিয়ে তেতিয়া এথেনীয়াম নামৰ বিদ্যালয়ত পঢ়ে। শিক্ষাৰ মাধ্যম ইংৰাজী হ'লেও বঙালী বাধ্যতামূলক আছিল। সেইসূত্ৰতে মুনীনৰ বঙালী সাহিত্যৰ লগতো পৰিচয় ঘটে। মুনীনৰ এটা hobby আছিল, ফুৰিবলৈ ওলাই গ'লেই মানুহে বিলাই ফুৰা থিয়েটাৰ, চিনেমাৰ হেণ্ডবিলবিলাক গোটাই লৈ শিশিৰ ভাদুৰী আৰু অহীন্দ্ৰ চৌধুৰীয়ে বা আন অভিনেতা-অভিনেত্ৰীয়ে কোনে ক'ত কি ভূমিকা লৈছে তাৰ খবৰ গোটায়। সেই সময়ত কলিকতালৈ 'টকী' অহা নাছিল, চলচ্চিত্ৰহে — কথাছবি নাই। আমি অহাৰ সময়ত 'মানময়ী গাৰ্লছ স্কুল' বোলা বঙালী কথাছবি এখন কলিকতাত প্ৰথমে ওলায়। কলিকতাত নিশাৰ ভিতৰতে খবৰ কাগজ বিলায়। ভাইটিয়ে ব্ৰহ্মমুহূৰ্ততে উঠি খবৰ কাগজ পঢ়ি আমাক চাহ খাওঁতে গোটেই খবৰ মুখেৰে কৈ দিয়ে। তাৰ বাহিৰেও কলিকতাত ঠায়ে ঠায়ে থকা লাইব্ৰেৰীবিলাকলৈ গৈ বিবিধ কিতাপ পঢ়ি আনন্দ পাইছিল আৰু সেই পঢ়াৰ কথা আনকো কৈছিল।

ইতিমধ্যে বৰকটকীদেৱে ভালেখিনি কিতাপ প্ৰকাশ কৰিলে। তেওঁ অসমলৈ ঘূৰি অহাৰ প্ৰয়োজন হ'ল। মোৰ এম.এ. ক্লাছৰ আৰু দুমাহমান থাকোঁতেই তেওঁ ঘৰটো এৰি দিলে। বিনন্দ বৰুৱাৰ 'ল' পাঠ্য শেষ হ'ল, হৰীশ গোস্বামী অন্য মেছলৈ গ'ল আৰু ড° পৰেশ বৰুৱাই মোক সেইকেইমাহ থকাৰ সুবিধাজনক ঠাই ঠিক কৰি দিলে। ভাইটি অসমলৈ আহি যোৰহাট গৱৰ্ণমেণ্ট হাইস্কুলত ভৰ্তি হ'ল।

১৯২৯ চনত যোৰহাট গৱৰ্ণমেণ্ট হাইস্কুলত ডেৰমাহমান অস্থায়ী শিক্ষকতা কৰোঁতে পুনৰ মুনীন বৰকটকী আৰু দেউতাকক লগ পাওঁ। মুনীন যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ত আই.এ. ক্লাছত মোৰ ছাত্ৰ আছিল। সেই সময়ত মই যিখিনি ছাত্ৰ তাত পাইছিলোঁ, তেনে জিজ্ঞাসু আৰু আগ্ৰহী সবল ছাত্ৰ আন ক'তো পোৱা নাই আৰু বৰ্তমান কালত তেনে ছাত্ৰৰ সংখ্যা শতকৰা দহতকৈয়ো কম। মুনীন তেনে তৎপৰ ছাত্ৰৰ প্ৰতিনিধি।

আমি বহুত কোপোলা বাঁহৰ চুঙাই আজিকালি সমালোচকৰ বৰণীবাত বহিবলৈ বিচাৰোঁ। বিস্তৃত অধ্যয়নৰ উপৰিও এজন সমলোচকৰ গাত উদাৰতা,

নিৰপেক্ষতা আৰু ৰসগ্ৰাহিতা — এই গুণকেইটা থাকিব লাগে। এই গুণবোৰ গছত গুটি লগাদি নালাগে। মুনীন বৰকটকীৰ পিতৃদেৱৰ অসমীয়া সাহিত্যলৈ শ্ৰদ্ধা, সৰুকালত লাভ কৰা মহানগৰীৰ শুভ পৰিবেশ — এই দুয়োটা কথাই মুনীন বৰকটকীক সাহিত্যিক জীৱনত শক্তি দিছিল। অকল পিতৃ-পুৰুষৰ ঐতিহ্য আৰু পৰিবেশেই মানুহৰ প্ৰতিভা সৃষ্টিৰ উপাদান নহয়। ব্যক্তিৰ নিজৰো অন্তৰ্নিহিত ক্ষমতা থাকিব লাগে।

মুনীনে যোৰহাটত থকা কেইবছৰ স্থানীয় বিষ্ণুৰাম হল লাইব্ৰেৰীৰপৰা পাব পৰা গ্ৰন্থ মনোযোগেৰে অধ্যয়ন কৰিছিল। এই সম্পৰ্কে মোৰো পৰামৰ্শ লৈছিল। সেই সময়ত যোৰহাট কলেজৰ লাইব্ৰেৰী টোকোনা আছিল বুলি ক'ব পাৰি। বৰকটকীয়ে মোৰ সৰু সংগ্ৰহৰপৰা ৰবীন্দ্ৰ ৰচনাৱলী, গ্ৰীক ট্ৰেজেডী, টলষ্টয়ৰ গ্ৰন্থ, ইবচেনৰ নাটক, মেথিউ আৰ্নল্ডৰ ৰচনা, ইংৰাজী আৰু বঙালী সাহিত্যিকৰ দুই-চাৰিখন বিখ্যাত গ্ৰন্থ আই.এ. শ্ৰেণীত পঢ়ি থাকোঁতেই অতি মনোযোগেৰে অধ্যয়ন কৰিছিল। তেতিয়া যোৰহাটত বি-এ শ্ৰেণী নথকাত তেওঁ কটন কলেজত ভৰ্তি হয় আৰু বুৰঞ্জীত অনাৰ্ছ লয়। বুৰঞ্জী বিভাগৰ এজন অধ্যাপকে সেই সময়ত মোক লগ পাই কৈছিল, "তোমাৰ ছাত্ৰ মুনীন বৰকটকী অতি শ্ৰদ্ধাবান, তেওঁ ছেমিনাৰত গ্ৰীক নাটক সম্বন্ধে এটি সুন্দৰ প্ৰবন্ধ পঢ়ি আমাক মুগ্ধ কৰিছিল।"

তেওঁৰ কৰ্মজীৱনত মোৰ লগত দেখা-শুনা হোৱাৰ সৰহ সুযোগ হোৱা নাছিল। কিন্তু প্ৰায়ে চিঠি-পত্ৰ লিখিছিল আৰু বৰ্তমানৰ অসমীয়া সাহিত্য সম্পৰ্কে তেওঁৰ সুচিন্তিত নিৰপেক্ষ মত মোক জানিবলৈ দিছিল। মোৰ প্ৰতি তেওঁৰ এক বিশেষ শ্ৰদ্ধা আছিল, আৰু সেই কথা মই আনন্দেৰে সোঁৱৰো। কলিকতা প্ৰেছিডেন্সী কলেজৰ অধ্যাপক প্ৰফুল্ল চন্দ্ৰ ঘোষ সহযোগী পৰিদৰ্শক হিচাপে যাওঁতে অধ্যাপক ঘোষে মোক দেখা মাত্ৰকে সাৱটি লৈছিল, এই কথা তেওঁ কাকতে-পত্ৰয়ো লিখিছিল আৰু মানুহৰ আগত কৈ গৌৰৱ অনুভৱ কৰিছিল।

তেওঁৰ ৰচনা ৰসাল, কিন্তু তাক বুজিবলৈ পাঠকৰ কিছু ক্ষমতাও লাগে। তেওঁ সৰহ প্ৰবন্ধ থৈ যোৱা নাই, কিন্তু যিকেইটা থৈ গৈছে সি শিমলু কাঠৰ নহয় — শাল কাঠৰ। তেওঁৰ অগ্ৰজ সত্যেন বৰকটকীও ধুৰুৱা অসমীয়া লিখাত সিদ্ধহস্ত আছিল।

মুনীন বৰকটকীৰ (ভাইটি) সৰল, উদাৰ আৰু আনন্দময় ব্যক্তিত্ব মই সততে সুঁৱৰি থাকোঁ। তেওঁৰ পিতৃ দুৰ্গাধৰ বৰকটকীৰ মাক আমাৰ মাতামহৰ পৰিয়ালৰ জীয়ৰী আছিল। সেই কথাটো বৰকটকীদেৱে মই যোৰহাটত অধ্যাপক হৈ থকা সময়তহে ভায়েক গংগাধৰ বৰকটকীৰপৰা জানিব পাৰে। এই কথা জনাৰ আগতেই তেওঁ কিন্তু মোক যথেষ্ট স্নেহ কৰিছিল আৰু মোৰ কলিকতীয়া

ছাত্ৰ জীৱন সুগম কৰিবৰ কাৰণে সাধ্য অনুসৰি চেষ্টা কৰিছিল। এই ক্ষেত্ৰত কবি যতীন্দ্ৰ নাথ দুৱৰাও মোৰ এজন অতি হিতাকাঙ্ক্ষী লোক আছিল।□

---

* প্ৰাসংগিক বুলি ভাবি শ্ৰীযুত শৰ্মাদেৱৰ সংশ্লিষ্ট কবিতাটি আমি এইখিনিতে সন্নিবিষ্ট কৰিলোঁ। —সম্পাদক

ভোগদৈৰপৰা ভাগীৰথী

চিন্তাকুল আত্মীয়-স্বজনে গোটেই বালিগাওঁ মৌজা চলাথ কৰি
অৱশেষত দুটি মাত্ৰ পালেগৈ।
খুড়াদেৱে অৱসৰ লৈ দুমাহমান কলিকতাত ঘৰ ভাড়া
কৰি আছিলগৈ।
তাতেই তেওঁৰ সৰু ল'ৰা ভাইটিৰ টাইফইড্ হয়
কুমজেলেকুৰা টাইফয়ডৰ অমোঘ ঔষধ
কলিকতালৈ যাবলৈ ওলোৱা যাত্ৰীৰ হাতত কুমজেলেকুৰা দুটা
সাৱধানে নিৰাপদে নিয়াৰ ব্যৱস্থা কৰা হ'ল।
ইতিমধ্যে কলিকতীয়া ওজা বেজ, বিধান ৰায়ৰ হাতত
ৰোগী ভাললৈ আহিল।
আমাৰ যাত্ৰীসকল আলম বিলম কৰি ভোগদৈৰ পৰা
ভাগীৰথী পাওঁতে
কেইবাদিনো লাগিল।
এই হেত্ৰপীয়েৰীয়ান জীৱ দুটিৰ বাটতে দেহান্তৰ ঘটিল।
সিহঁত বেচেৰা ঔষধতো নালাগিল
গংগা প্ৰাপ্তিও সিহঁতৰ নহ'ল।
ইয়াৰ অলপ দিনৰ পাছতে মই কলিকতালৈ
যাওঁ।
গৈ দেখো ভৱিষ্যৎ বুদ্ধিজীৱী, সাহিত্যিক
শ্ৰীমুনীন বৰকটকীয়ে চকুৱে-মুখে স্বাস্থ্য
পিন্ধি, আপাৰ চাৰকুলাৰ ৰ'ডৰ ফুটপাথত
থিয়েটাৰ বিজ্ঞাপন এসোপা
হাতত লৈ চকু ফুৰাই আছে।□

সূত্ৰধাৰ- ১৬-৩০ জুন/১৯৯০

মুনীন বৰকটকী : সৰহভাগ নীৰৱতা, অলপ সৰৱতা

ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য

অধ্যাপক চন্দ্ৰ নাথ কলিতাই জীৱনৰ সক্ৰিয়া কালত নিজৰ টিয়কৰ ঘৰত গৈ তাতে খেতি-বাতি কৰি দেহা পেলালেগৈ। তেওঁৰ এজন ল'ৰা কিতাপৰ পোক। এদিন ল'ৰাটিয়ে বাপেকক সুধিলে, "দেউতা, আপুনি ইমান জানে, একো নিলিখিলে কিয় ?" কলিতাই টপৰাই উত্তৰ দিলে, "বোপাই, লিখিবলৈ আকনো আছে কি? সকলো দেখোন লিখিলেই!" বৰ্হেছ বোলা লেখকজনৰ কথা ক'বলৈ গৈ আদ্ৰেঁ মাৰোই এটি অদ্ভুত উক্তি কৰিছিল: "Each twentieth century reader involuntarily rewrites in his own words the masterpieces of past centuries." বৰ্হেছে কৈছিল: "সকলো কাল্পনিক সাহিত্যকৰ্মৰে কাহিনী-ৰূপ (plot) এটাই; বিষয়বস্তু পৰিবেশন কৰাৰ ধৰণ সলাই তাক আকৌ বিবিধ কাল্পনিক ৰূপত প্ৰকাশ কৰিব পাৰি।" চন্দ্ৰ কলিতাই কিয় "সকলো দেখোন লিখিলেই" বুলি কৈছিল, তাক এতিয়া জনা টান। গতিকে সেই বিষয়ে কল্পনা-জল্পনা কৰা বৃথা। মুনীন বৰকটকীৰ কথা আৰু জটিল। তেওঁ লিখিছিল, কিন্তু অতি কম। তেওঁৰ জীৱনৰ সৰহ ভাগ নীৰৱতা, অলপহে মাথোন সৰৱতা।

মুনীন বৰকটকী আমাৰ চকুৰ আগতেই কিমান দিন থাকিল! কিন্তু কোনেও তেওঁৰ নীৰৱতাৰ গুৰি কাৰণ কি তাক অনুসন্ধান নকৰিলোঁ। যোৱা ৬ নবেম্বৰ তাৰিখে মানুহজন গ'লেই। এতিয়া অনুসন্ধান কৰা আৰু টান হ'ব। তেওঁৰ লেখা যিখিনি আছে, সেইখিনি একে থুপতে পাবলৈ নাই। কোনোবাই কষ্ট কৰি বিচাৰি উলিয়ালেহে তাৰ সঠিক পৰিমাণ নিৰূপণ কৰিব পৰা যাব। কিন্তু কোনে এই কাম কৰিব? নন্দ তালুকদাৰৰ দৰে মানুহ জানো আছে? মুনীন বৰকটকীয়ে 'আৱাহন'ত আৰু অন্যান্য পত্ৰিকাত লিখা প্ৰবন্ধ, মতামত আৰু গল্পবোৰ সদ্যহতে পোৱাত নাই। এইবোৰ গোটাব নোৱাৰিলে লেখাবোৰৰ বিষয়ে কোৱা টান হ'ব। যোৰহাটত সৰু কালত পঢ়োঁতে ভাব হৈছিল, তেওঁ আধুনিকতাৰ এজন হোতা। যোৰহাটৰ ছাত্ৰ-সাহিত্যিক যতি নাৰায়ণ শৰ্মা আৰু অমূল্য বৰুৱাই মোক প্ৰায়ে মুনীন বৰকটকীৰ কথা

কৈছিল। সাহিত্যৰ সমাজ-তত্ত্ব আৰু ৰূপ তেতিয়া আছিল সন্ধানিৰ পথত। হেম বৰুৱাৰ নামো তেতিয়া অমূল্যহঁতৰ মুখত শুনিছিলোঁ। এই সন্ধানি কৰিবলৈ কোনজন জ্যেষ্ঠ সাহিত্যিকে সাৰ্থকভাৱে উদগনি দিছিল তাৰ এতিয়া কোৱা টান। মুনীন বৰকটকীয়ে এটা কথা আঙুলিয়াই দিছে। সাহিত্য আৰু ৰাজনীতিত লাগিম বুলি হেম বৰুৱাই জীৱনৰ পট পৰিৱৰ্তন- কৰাৰ কাল আনুমানিক ১৯৩৯-৪২ চনৰ বছৰকেইটা। হেম বৰুৱাই অৱশ্যে আধুনিক সাহিত্য সম্পৰ্কে 'আৱাহন'ত এলানি প্ৰবন্ধ লিখি পাশ্চাত্যৰ লেখক আৰু লেখা কিছুমানৰ বিষয়ে আলোচনা কৰিছিল। এইবোৰে আমাৰ দৰে ঘোঁকট গাঁৱত থকা ল'ৰাৰ মনত পশ্চিমৰ সূৰ্যৰ শেহতীয়া কিৰণ বিলাইছিল। কিন্তু মুনীন বৰকটকীয়ে ইতিমধ্যে নিৰীক্ষক আৰু গল্পলেখক হৈ অসমীয়া সাহিত্যৰ বৰঘৰত সোমাই লৈছিল। বুকু ডাঠি ক'ব নোৱাৰিলেও অনুমান হয়, মুনীন বৰকটকী ত্ৰিছৰ দশকৰ এজন সাৰ্থক আধুনিকতাৰ দূত আছিল। ১৯৪৬ চন মানত মই 'দৈনিক অসমীয়া'ত হীৰেন মুখাৰ্জী আৰু আবু সয়ীদ আয়ুবৰদ্বাৰা সম্পাদিত বাংলা কবিতাৰ সংকলনটোৰ এটি চমু আলোচনা কৰিছিলোঁ। বৰকটকীয়ে তাৰ প্ৰশংসা কৰিছিল বুলি শুনিছিলোঁ।

হেম বৰুৱা আৰু মুনীন বৰকটকী সহপাঠী আছিল। অধ্যাপক ৰজনীকান্ত শৰ্মা, জ্ঞানেন্দ্ৰ শৰ্মা (কামাখ্যাৰ দলৈ) আৰু সতীশ চন্দ্ৰ কাকতিয়েও এওঁলোকৰ সৈতে একে শ্ৰেণীতে পঢ়িছিল। হেম বৰুৱা তেতিয়া উজ্জ্বল তৰা নাছিল, উজ্জ্বল তৰা আছিল মুনীন বৰকটকী। পঢ়ায়, পঢ়ে, ৰোৱে পাণ, এই তিনিয়ে নিচিন্তে আন। বৰকটকী মৰাৰ পাছত পঞ্চৱটীৰ ঘৰটোলৈ খবৰ কৰিবলৈ যাওঁতে জ্ঞানেন্দ্ৰ শৰ্মাই এই কথা মোক কৈছিল। মুনীন বৰকটকী আছিল পঢ়াৰ পোক। তেওঁ পিছে জ্ঞান অৰ্জাত যিমান জোৰ দিছিল, ডিগ্ৰী লোৱাত সিমান দিয়া নাছিল। কলিকতা বিশ্ববিদ্যালয়ৰ বি.এ. পৰীক্ষাত বৈশিষ্ট্যৰে উত্তীৰ্ণ হোৱাৰ উপৰিও তেওঁ সেই বছৰত সৰ্বোচ্চ মাৰ্ক লাভ কৰিছিল। পাছত গুৱাহাটী বিশ্ববিদ্যালয়ে তেওঁক সাংবাদিকতা বিভাগৰ অধ্যাপক কৰোঁতে তেওঁৰ এই কৃতিত্বৰ কথা বিশেষভাৱে বিবেচনা কৰিছিল বুলি ড° দেৱপ্ৰসাদ বৰুৱাই মোক কৈছিল। অৱশ্যে এজন গহীন আৰু সৎ সাংবাদিক হিচাপেও তেওঁৰ প্ৰতিষ্ঠা আছিল অনিন্দিত। তেওঁ এনে এজন সাংবাদিক যি অসমৰ তিনিজন ডাঙৰ সম্পাদকৰ লগত কাম কৰিছিল, কিন্তু মতভেদ ঘটাত কাগজ এৰি গুচি আহিছিল।

মুনীন বৰকটকীয়ে পাৰিবাৰিকসূত্ৰেও কিছুমান সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক মূল্যবোধ আহৰণ কৰিছিল। বাপেক দুৰ্গাধৰ বৰকটকী অসমীয়া সাহিত্যৰ আগবঢ়ুৱা প্ৰকাশক, শিক্ষাবিদ, অসমীয়া জাতীয়তাবাদ আৰু ভাৰতীয় জাতীয়তাবাদৰ সম-অনুগামী। ককায়েক সত্যেন্দ্ৰ নাথ বৰকটকী এজন দক্ষ

সাহসী বিষয়া আছিল। কিন্তু তেওঁৰ আটাইতকৈ তাৎপৰ্যপূৰ্ণ চিনাকি আছিল সংস্কাৰমুক্ত বিবাহ কৰাওঁতাৰূপে আৰু সুন্দৰ ভাষাৰে ৰচা সাহিত্যৰ বাবে। এই পৰিয়ালৰে এগৰাকী উল্লেখযোগ্য মহিলা হ'ল অন্নদাদেৱী বৰকটকী। তেখেতৰ 'নামাঞ্জলি' তিৰোতা মানুহৰ নাম সংগ্ৰহৰ অতি উল্লেখযোগ্য চানেকি। সুপ্ৰসিদ্ধ লেখক পদ্ম বৰকটকীও এই পৰিয়ালৰে মানুহ। দুৰ্গাধৰ বৰকটকী আৰু তেওঁৰ পৰিয়ালৰ লোকসকলে স্বাধীনতা আন্দোলনতো ভাগ লৈছিল আৰু শাস্তি খাইছিল। মুনীন বৰকটকীয়ে এই মূল্যবোধবোৰ নিশ্চয় নিজৰ মনৰ পেৰাত সুমুৱাই থৈছিল। কিন্তু এইবোৰ মূল্যবোধ তেওঁ বিনা বিচাৰে গ্ৰহণ কৰা নাছিল। স্বাধীনতা আন্দোলনত তেওঁ শাৰীৰিকভাৱে যোগ দিছিল নে নাই সেই বিষয়ে অৱশ্যে মই একো নাজানো।

মুনীন বৰকটকীয়ে লিখা কিছুমান প্ৰবন্ধ পঢ়ি মোৰ অনুমান হৈছে, আধুনিক সাহিত্যৰ স্বৰূপ বুজাৰ লগতে অসমীয়া সাহিত্যৰ পৰম্পৰাৰ লগত খাপ খুৱাই কেনেকৈ কি ৰূপত এনে সাহিত্যৰ জন্ম হ'ব পাৰে, তাক তেওঁ অনুসন্ধান কৰি বুজিবলৈ চেষ্টা কৰিছিল। তেওঁৰ অধ্যয়ন বৰ বিস্তৃত আৰু গভীৰ আছিল বুলিয়েই ধাৰণা। তদুপৰি অসমীয়া সমাজখনো তেওঁ অহৰহ অনুসন্ধান কৰিছিল যেন লাগে। এই উক্তিবোৰৰ প্ৰমাণ দিয়া অসম্ভৱ। কিন্তু তেওঁৰ মনটো বুজিব পাৰোঁ কিছুমান মন্তব্যৰপৰা। অধ্যয়নৰদ্বাৰা তেওঁ জীৱনী ৰচনাৰ বাবে এটি আধুনিক পশ্চিমীয়া আৰ্হি গ্ৰহণ কৰিছিল। কিন্তু সেই আৰ্হি অসমৰ সমাজত জানো প্ৰযোজ্য?

বৰকটকীয়ে লিখিছে: "মই পোনতে আমাৰ অসমৰ জীৱিত আৰু মৃত কেইগৰাকীমান 'বিশিষ্ট' লোকৰ (বিশিষ্ট ব্যক্তিৰ বাহিৰে আনৰ আত্মজীৱনী হ'ব পাৰিলেও জীৱনী হোৱা মস্কিল) জীৱন-কৰ্মৰ বিষয়ে ব্যক্তিগত দৃষ্টিকোণৰপৰা চৰ্চা কৰিবলৈ লওঁতে আধুনিক অৰ্থাৎ ইংৰাজীত লীটন ষ্ট্ৰেচী, হেৰল্ড নিকলছন, হেছকেথ পিয়াৰছন আদিয়ে প্ৰবৰ্তন কৰা নতুন জীৱনীৰ সূত্ৰ প্ৰয়োগ কৰি আমাৰ বিশিষ্টসকলৰ জীৱন অধ্যয়ন কৰিম বুলিয়েই মনত পাঙিছিলোঁ। কিন্তু নোৱাৰিলোঁ। পূৰ্ব সংস্কাৰেই হওক কিম্বা অন্তৰ্নিহিত শ্ৰেণী-চেতনাৰ দোষতেই হওক, স্বৰ্গীয় বেণুধৰ শৰ্মাৰপৰা স্বৰ্গীয় মাধৱ বেজবৰুৱালৈকে কেইবাগৰাকী ব্যক্তিৰ জীৱন অধ্যয়নত মানুহকিজনৰ দুৰ্বলতা বা গুপুত সত্যবোৰৰ ওপৰত আঙুলি থৈ সমাজক বিঙিয়াই ক'ব নোৱাৰিলোঁ: "এয়া চাওক, আমাৰ আদৰ্শনীয় নায়কসকলৰ ওপৰখিনিহে বা গা-গছডালহে ক'লোচাচৰ লেখীয়া, তলডোখৰ টিলা পলসুৱা মাটিৰে সজা মূৰ্তিৰ নিচিনা দুৰ্বল, অকামিলা।" আমাৰ সমাজত হয়তো বিদেশৰ জীৱনীকাৰৰ কঠোৰ মানদণ্ড আচলতে প্ৰযোজ্যই নহয়। আমাৰনো প্ৰকৃততে 'ডাঙৰ মানুহ' (যি সাধাৰণ লেখৰ ওপৰত) কেইজন? জীৱনী লিখিব পৰাকৈ বিপুল আৰু প্ৰচুৰ অভিজ্ঞতা নাইবা চৰিত্ৰৰ

বৈভৱ-বিবিধতা থকা লোক কিমানজন?" (মহেন্দ্ৰ বৰা)

বহুতে ক'ব, জীৱনী লেখক নিৰ্মম আৰু সত্যানুসন্ধানী হোৱা ভাল। কিন্তু মানুহৰ অস্তিত্বৰ সত্যতকৈ ব্যৱহাৰিক সত্য জানো ডাঙৰ? চন্দ্ৰতো জানো কলংক নাই? আচল কথা অসমীয়াৰ অস্তিত্বৰ সত্যটো ব্যক্তিত্বৰ সত্যৰপৰা বিচ্ছিন্নকৈ চোৱা অকল বৰকটকীৰ পক্ষেই নহয়, আমাৰ বহুতৰে পক্ষে বোধহয় সম্ভৱ নহয়। অৱশ্যে অসমীয়াৰ অস্তিত্বৰ সমস্যাটো এদিন যেতিয়া জাতীয়তাবাদৰ উৰ্ধলৈ নি আমি কেৱল মানৱিকতাৰ বা মনুষ্যত্বৰ সমস্যাকে যাই সমস্যা বুলি ভাবিব পাৰিম, তেতিয়ালৈ কিজানি ৰাষ্ট্ৰ আৰু সেনাবাহিনীও পৃথিৱীত নাথাকে। অকল সেয়ে নহয়, মানৱ চৰিত্ৰও তেতিয়া সংশোধিত হ'ব। বৰকটকীয়ে তেওঁৰ আগৰ আৰু একে সময়ৰ ভালেমান বীৰৰ কথা আমাক কৈ গৈছে। সেইবোৰত তেওঁলোকৰ জীৱনৰ বহুত কথাই পোৱা নাযায়। তেওঁলোকৰ দোষবোৰো দেখা নাপাওঁ। লিখিব খোজাহেঁতেন তেওঁ নিশ্চয় এই বীৰসকলৰ জীৱনৰ স্খলন, দোষণীয় প্ৰবৃত্তি আৰু অসৎ কাম (যদি এইবোৰ সঁচাকৈয়ে আছিল) এইবোৰ উদঙাই দিব পাৰিলেহেঁতেন। কিন্তু তাৰদ্বাৰা সাহিত্যৰ মূল উদ্দেশ্য সাধিত হ'লহেঁতেননে? অভিজ্ঞতাৰপৰা দেখা যায়, সত্যৰ লগত সৌন্দৰ্যৰ মিলন হয় তেতিয়াহে যেতিয়া সত্য শিৱ বা মঙ্গলময় হৈ উঠে। মুনীন বৰকটকীয়ে বীৰসকলক এনেকৈ চিত্ৰিত কৰি গৈছে যাতে তাৰপৰা অসমীয়াৰ মঙ্গল হয়। ব্যক্তিগত দৃষ্টিকোণক জাতীয় দৃষ্টিকোণৰপৰা শেষত বিচ্ছিন্ন কৰা তেওঁৰ পক্ষে সম্ভৱ নহ'লগৈ। মাধৱদেৱে কৈছিল:

"অধমে কেৱল দোষ লৱয় মধ্যমে গুণ
দোষ লৱে কৰিয়া বিচাৰ
উত্তমে কেৱল গুণ লৱয় উত্তমোত্তমে
অল্প গুণ কৰয় বিস্তাৰ।"

এই পৰম্পৰাৰ চিন্তাৰ সূঁতি এটি বোধহয় আমাৰ সাহিত্যত চলিয়েই আহিছে। পশ্চিমীয়া আৰ্হি যে লেখকে নল'ব এনে কথাও বুকু ডাঠি ক'ব নোৱাৰি। আদৰ্শ ৰক্ষাৰ খাতিৰত অপ্ৰিয় সত্য কোৱা লোকৰ সংখ্যা বাঢ়িয়েই আছে। কিন্তু বৰকটকীয়ে বীৰসকলৰ জীৱনী লিখোঁতে অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ বৃহত্তৰ সত্যৰ খাতিৰত তেওঁলোকৰ গুণখিনিহে বখানা দেখা গৈছে। কোনে জানে, এই ক্ষেত্ৰত তেওঁৰ মনত বৈষ্ণৱ ঐতিহ্যই কিজানি অধিক প্ৰভাৱশালী হৈ পৰিছিল।

চৰিত্ৰকাৰ হিচাপে এটি বিষয়ত বৰকটকীৰ সাফল্য বেণুধৰ শৰ্মাৰ সাফল্যৰ লগত তুলনীয়। বেণু শৰ্মাই উনবিংশ শতিকাৰ আৰু কুৰি শতিকাৰ আগ ভাগৰ ভালেমান গুণী মানুহক আমাক ছবি আঁকা দি আঁকি দেখুৱালে। শিলত

কটা বুলিও ক'ব পাৰি। এই চিত্ৰশালা বা ভাস্কৰ্যশালাৰ কাষতে এতিয়া মধ্য কুৰি শতিকাৰ কিছুমান "বিস্মৃত" বীৰৰ চিত্ৰ প্ৰদৰ্শন কৰিবলৈ বৰকটকীয়েও এটি সৰু চিত্ৰশালা সাজি থৈ গ'ল। এই চিত্ৰশালাটোত সোমালেই প্ৰথমতে আমি প্ৰৱেশ-দ্বাৰতে চিত্ৰশালা চোৱাৰ সংকেত-বাক্য কেইটিমান আঁখি থোৱা দেখা পাওঁ। বৰকটকীয়ে লিখিছে: "আমাৰ সমকালীন অগ্ৰজসকলৰ ভিতৰত বেণুধৰ শৰ্মা, অমিয় কুমাৰ দাস, লক্ষ্মীনাথ ফুকন আৰু কৃষ্ণকান্ত সন্দিকৈ এই চাৰিগৰাকী লোকৰ জীৱন-চৰ্যা আৰু চিন্তাকৰ্মই মোৰ মনৰ ওপৰত গভীৰভাৱে ৰেখাপাত কৰিছিল। এওঁলোকৰ বাহিৰেও জ্যোতিপ্ৰসাদ, বস্তুকান্ত বৰকাকতী, বাণীকান্ত কাকতি, সূৰ্য্য কুমাৰ ভূঞা, কেদাৰনাথ গোস্বামী, মহেন্দ্ৰ নাথ ডেকা ফুকন আৰু শ্ৰীযজ্ঞেশ্বৰ শৰ্মাৰ নিচিনা আন কেইজনমান ব্যক্তিৰ প্ৰভাৱ-বৃত্তৰ মাজত যে বাৰকৈয়ে সোমাইছিলোঁ, সেই কথাও উল্লেখ নকৰি নোৱাৰি। তথাপি পিছৰ কেইজনৰ প্ৰভাৱ তৃতীয়-চতুৰ্থ দশকত আমাৰ চাম পুৰুষৰ সৰহভাগৰ ওপৰতে যি পৰিমাণে কেন্দ্ৰীয়ভাৱে পৰিছিল, মোৰ ওপৰত সেই প্ৰভাৱ সিমান কেন্দ্ৰীয় নহৈ কিছুলৈ আংশিক আৰু 'পেৰিফেৰেল' বা প্ৰান্তীয় প্ৰকৃতিৰ হোৱা হেতুকে উল্লেখটো আগৰ চাৰিজনৰ সৈতে একে উশাহে নকৰিলোঁ।"

ত্ৰিছ বা চল্লিছৰ দশকতে বৰকটকীয়ে এইদৰে মনৰ মানুহবোৰ বাছিছিল নে প্ৰবন্ধ লিখাৰ কাললৈকে এই বাছনি কাৰ্য চলি আছিল, তাক জানিবৰ উপায় নাই। সময়ৰ আগ-পিছ ঘটিলেও একো কথা নাই, কাৰণ বাছনিটোহে আচল কথা। উক্ত চাৰিজন মনীষীক সোঁৱৰাৰ কাৰণ কি তাকহে জানিবলৈ মন যায়। কৃষ্ণ সন্দিকৈৰ প্ৰতি তেওঁৰ আকৰ্ষণৰ কাৰণ হ'ল সংস্কৃত সাহিত্য অধ্যয়নৰ ক্ষেত্ৰত মানৱিকী দৃষ্টিভঙ্গী আৰু অক্সফ'ৰ্ডীয় গৱেষণা পদ্ধতিৰ সংযোজন। ইয়াৰ পৰিণত ফল দেখা যায় 'যশস্তিলক' আৰু 'ভাৰতীয় সংস্কৃতি' গ্ৰন্থখনত। এইখন যি পঢ়িছে, তেওঁ তাত ভাৰতীয় সংস্কৃতিৰ বিপুল ৰূপ নিশ্চয় দেখা পাইছে। মুনীন বৰকটকীয়ে বেণুধৰ আৰু লক্ষ্মীনাথ ফুকনৰ বিষয়েও মন-প্ৰাণ ঢালি লিখিছে। তেওঁৰ লেখাৰ এটা ডাঙৰ গুণ হ'ল empathy. তেওঁৰ ষ্টাইলো এক ধৰণৰ। বিষয়বস্তুলৈ দকৈ সোমোৱাৰ আগতে লেখকে অকোৱা-পকোৱা বাটেদি নি এনে এটি বৌদ্ধিক আৰু আনুভূতিক বাতাবৰণ সৃষ্টি কৰে যে তেতিয়া মোৰ প্ৰায়ে অংকীয়া ভাওনাৰ আগত দেখুওৱা গায়ন-বায়নলৈ মনত পৰে। মনটো তেওঁ এনেকৈ সন্দেহমুক্ত কৰি তোলে যে তেওঁ মনৰ মানুহজনৰ জীৱনৰ বিষয়ে যিহকে কয় তাকে বিশ্বাস কৰিবৰ মন যায়। পতিয়ন নিয়াবৰ এই ক্ষমতা উলামূলা ক্ষমতা নহয়। লেখকে ইমান অনুৰাগ আৰু ভাৱস্তিৰে কথাবোৰ কয় যে পঢ়ি থাকিলেও আমনি নালাগে। মাজে মাজে এনে কিছুমান খাজে-খোপে থোৱা উদ্ধৃতি দি মনত

এনেকুৱা একোটি ঝংকাৰ তুলি যায় যে পঢ়াৰ ভাগৰ বা অনিচ্ছা কেনিবা আঁতৰি পলায়।

বৰকটকীয়ে যিকেইজন মানুহৰ ছবি 'বিস্মৃত ব্যতিক্ৰম'ত আঁকিছে, তেওঁলোকক মযো লগ পাইছোঁ; কিন্তু বৰকটকীয়ে অঁকা তেওঁলোকৰ মূৰ্তিবোৰ মই মনত অঁকা মূৰ্তিবোৰৰ সৈতে একে বুলি ক'ব নোৱাৰোঁ। মানুহকেইজনক একে ৰূপত দেখিছোঁ বুলি কোৱা টান। কলাই মানুহক নতুন ৰূপ আৰু নতুন জনম দিয়ে। বৰকটকীয়েও তেওঁৰ মনৰ মানুহকেইজনক ন ৰূপত আঁকিছে।

এটা কথা সহজে চকুত পৰে। তেওঁ যিকেইজন মানুহৰ প্ৰভাৱ-বৃত্তত তালকৈ সোমায়ো পৰিধি অতিক্ৰম কৰি কেন্দ্ৰৰ অভিমুখে গতি নকৰিলে, সেই মানুহকেইজনক কোনো নিৰ্দিষ্ট সাঁচত বা 'খেল'ত পেলাব নোৱাৰি। সেই মানুহকেইজন হ'ল জ্যোতিপ্ৰসাদ, ৰত্ন বৰকাকতী, বাণীকান্ত, সূৰ্য্য কুমাৰ, কেদাৰ নাথ গোস্বামী, মহেন্দ্ৰ ডেকা ফুকন আৰু যজ্ঞেশ্বৰ শৰ্মা। এওঁলোক প্ৰত্যেকজনৰে বিশিষ্ট গুণ আছে, যদিও মহেন্দ্ৰ ডেকা ফুকন আৰু কেদাৰ নাথে বেছি লেখা আমালৈ এৰি থৈ নগ'ল। তেওঁলোক দুয়ো মৌখিক সংস্কৃতিৰ যোগেদিহে সৰহকৈ আত্মপ্ৰকাশ কৰি গ'ল। যজ্ঞেশ্বৰ শৰ্মাৰো লেখা কম। তেওঁৰ কথাবোৰ বৰ ৰসাল। যি কি নহওক, প্ৰথম চাৰিগৰাকীৰ প্ৰতি বৰকটকীৰ প্ৰাণৰ টান যে সৰহ, এই কথা তেওঁৰ লেখাৰপৰাই ধৰিব পাৰি। তেওঁলোকৰ প্ৰত্যেকৰে একোটি অপূৰ্ব বিশিষ্টতাও আছে আৰু নিজ নিজ ক্ষেত্ৰত প্ৰত্যেকজনেই বুজন সফলতাও লাভ কৰিছিল। বৰকটকী এফালে যেনেকৈ শ্ৰেষ্ঠত্বৰ পূজাৰী, আনফালে অসমীয়া জাতীয় বিকাশৰো উপাসক। এই পূজা আৰু উপাসনাৰ সমল সকলো অসমীয়াৰে একে নহয়। বিদ্যায়তনিক আৰু গৱেষণাৰ ক্ষেত্ৰতো তেওঁ মানৱিকতাবাদী। কৰ্ম আৰু ঘটনাৰ নায়ক মানুহজন তেওঁৰ বাবে বিশেষ আৱশ্যকীয়। সেইবাবে চৰিত্ৰ-সৌন্দৰ্যৰ ওপৰত বিশেষ গুৰুত্ব দিছে। তেওঁৰ মানত চৰিত্ৰ-সৌন্দৰ্যই সকলো।

অসমীয়া জাতীয়তাবাদ শব্দ দুটা মই বহুতো লেখাত ব্যৱহাৰ কৰি আহিছোঁ। দেখাত এইটো ৰাজনৈতিক পৰিভাষা। এই শব্দ দুটা সততে ব্যৱহাৰ কৰাৰ বাবে সিহঁতৰ কালিকা নোহোৱাত পৰিছে। মোৰ বোধেৰে শব্দ দুটাই বহুত বিষয়কে সামৰে। বিদ্যায়তনিক দৃষ্টিৰপৰা চালে অম্বিকাগিৰীৰ কবিতা আধিভৌতিক প্ৰেম আৰু দেশপ্ৰেমমূলক কবিতা। তাত সমালোচকে মানৱিকতাও অন্বেষণ কৰে। কিন্তু সমগ্ৰ মানুহজনক চালে 'অসমীয়া জাতীয়তাবাদ' শব্দ দুটা ব্যৱহাৰ নকৰাকৈ নোৱাৰি। বৰকটকীৰ বীৰসকলৰ ভিতৰত ৰাজনৈতিক কৰ্মী, সাংবাদিক, গহীন পণ্ডিত, ইতিহাসবিদ, সাহিত্যিক, শিল্পী আৰু শিক্ষক আদি বিবিধ বৃত্তিৰ লোক আছে। এওঁলোক প্ৰত্যেকেই একোজন ব্যক্তি।

প্ৰত্যেকেই শ্ৰেষ্ঠত্ব অন্বেষণ কৰিছে। তেওঁলোকৰ সৰহভাগেই ৰোমাণ্টিক অথবা বাস্তৱবাদী ধাৰাৰ সাহিত্যত বিশ্বাস কৰিছিল। কৃষ্ণকান্ত সন্দিকৈয়ে ভাৰতীয় পৰম্পৰা আৰু পশ্চিমীয়া আধুনিকতাৰ সুন্দৰ সমন্বয় সাধিছিল। বেণুধৰ শৰ্মাই অসম বুৰঞ্জীক জীৱন্ত ছবিৰ দৰে আমাৰ সমুখলৈ আনি অসমীয়াৰ আধুনিক চেতনাক তাৰ লগত সংযুক্ত কৰিবলৈ সাৰ্থক যত্ন কৰিছিল। অসমীয়া বুৰঞ্জী, সাংবাদিকতা, সামাজিক ৰূপান্তৰ, সাহিত্য আৰু কলা সাধনাক ৰোমাণ্টিক দৃষ্টিভঙ্গীৰে গভীৰভাৱে যিসকলে চাইছিল, সেইসকলৰ চেতনাত আৰু কল্পনাত কেৱল অতীত বা বৰ্তমানৰ অসমখনেই যে আছিল এনে নহয়, নানান Utopia বা ভৱিষ্যতমুখী এখন অসমেও আহি লুকাই-চুৰকৈ বা দেখাদেখিকৈ মানুহৰ অন্তৰত সোমাইছিলহি। কেতিয়াবা চেতনা আৰু কল্পনাই বাস্তৱৰ অভিমুখেও চেকুৰ ধৰিছিল। মুনীন বৰকটকীয়ে সাহিত্য ৰচনা কৰা কালটোত সাহিত্যত অহৰহ বাস্তৱতাৰ আৰু মানৱিকতাৰ অন্বেষণ চলিছিল। এটা আচৰিত কথা চকুত পৰে। মোৰ যিমান দূৰ মনত পৰে, বৰকটকীয়ে 'কনফেশ্যনছ্' বোলা ৰচনাখনত সেই সময়ৰ কবি দেৱকান্ত বৰুৱাৰ কবিতা প্ৰশংসা কৰিছিল যেন বোধ হয় (এইটো অৱশ্যে স্মৃতিৰ ছিগা পাপৰিহে মাথোন)। কিন্তু তেওঁৰ 'বিস্মৃত ব্যতিক্ৰম'ত দেৱ বৰুৱাৰ সমালোচনামূলক উল্লেখ ক'ৰবাত পালেও তেওঁৰ কথা দীঘলীয়াকৈ কোৱা ক'তো পোৱা নাই। এইটোৱে ইঙ্গিত দিয়ে, বৰকটকীয়ে হয়তো পাছৰ চাৰিটা দশকত চিন্তা কৰি কিছু মত সলাইছে। অৱশ্যে এইটো তুলনামূলক অনুসন্ধানৰহে বিষয়। খাটাংকৈ একো কথা এতিয়াই নকওঁ।

মুনীন বৰকটকীৰ বহুত কথা হয়তো তেওঁৰ ডায়েৰীত আছে। কথাই কথাই এদিন তেওঁক কৈছিলোঁ, "আপোনাৰ ডায়েৰীবোৰ প্ৰকাশ কৰিব নোৱাৰিনে?" তেওঁ ক'লে, "বহুত নষ্ট হৈ গ'ল। কিছু আছে। সেইবোৰো ভাল অৱস্থাত নাই। সদ্ব্যৱহাৰ কৰিবলৈও এতিয়া তেওঁৰ দৰে এজন বিবেকী লোক লাগিব। অসমৰ সাংবাদিকতাই এতিয়া বিশুদ্ধ ব্যৱসায়ৰ যুগত প্ৰৱেশ কৰিছে। এই যুগত 'বিবেক' বিচাৰি পোৱা কঠিন। বৰকটকীক এজন ভাল সমালোচকৰূপে তুলি ধৰিবৰ বাবে মই এবাৰ কাকতত দুআষাৰ লিখিছিলোঁ। কিন্তু বাণী কাকতিৰ লগতে তেওঁৰ নাম লোৱাত তেওঁ অগ্নিশৰ্মা হৈ পৰিল। মোৰ কিন্তু খং উঠা নাছিল। অসমীয়া সাহিত্যৰ বুৰঞ্জীত তেওঁক গল্প লেখক আৰু সমালোচকৰূপেও যে উল্লেখ কৰা হৈছে, সেই কথা নুই কৰা টান। 'প্ৰকাশ'ৰ প্ৰধান সম্পাদক থাকোঁতে এটা সংখ্যা জীৱিত সমালোচক কেইজনমানৰ জীৱন-জোৰা কামৰ (তাৰ ভিতৰত দুই-এজনে গল্প আৰু কবিতাও লিখিছিল) পৰিচয় দিয়াৰ বাবে লেখকলৈ মুকলি কৰি দিছিলোঁ। বৰকটকীৰ কথা লিখিছিল শিৱনাথ বৰ্মনে। বৰ্মনে তেওঁৰ জীৱনৰ বহুত কথা হয়তো জানিবলৈ সুযোগ

নাপালে। তথাপি জীৱিতকালত বৰকটকীক শ্ৰদ্ধাঞ্জলি জনোৱাৰ ই আছিল এটি বিৰল সুযোগ। এই সুযোগ তেওঁ ল'লে। মাজে মাজে মোৰ ভাৱ হৈছিল, তেওঁ মৌখিক সাহিত্যৰো মানুহ। এই কথা সঁচা। ৰজনীকান্ত শৰ্মাৰ দৰে তেওঁ কিন্তু সভা-সমিতি বা ৰকৰা বৈঠকতো বৰ সৰৱ নাছিল। চিন্তাশীলতা আৰু সংবেদনশীলতাত তেওঁ ইমান বুৰ গৈ আছিল যে কেতিয়াবা পানীৰপৰা মূৰ বা হাত উলিয়াই সমগ্ৰ মনটোৰ অংশ এটিহে প্ৰকাশ কৰিছিল। কেতিয়াবা তেওঁৰ খং উঠাও দেখিছিলো। কিন্তু তেওঁৰ নীৰৱতাই নিতৌ কৈছিল: 'সত্যং বদিষ্যামি'। □

মুনীন বৰকটকীদেৱলৈ শ্ৰদ্ধাঞ্জলি

ড° হীৰেন গোঁহাই

যেতিয়া মনত পৰে যে নিকৰুণ যন্ত্ৰণা আৰু অশান্তিৰ মাজত মুনীন বৰকটকীদেৱে শেষ নিশ্বাস ত্যাগ কৰিবলগীয়া হ'ল, তেতিয়া নিজৰে মনটো ধৰফৰাই উঠিব খোজে। তেখেতৰ কষ্ট লাঘৱ কৰিবলৈ মই একো নকৰিলোঁ। তেখেতৰপৰা আমি সকলোৱে বহুত পালোঁ, কিন্তু বিনিময়ত তেখেতক কিবা দিয়াৰ কথা ভাবিলোঁনে? কেইমাহমান আগতে তেখেতক কিবা সকামত লগ পাওঁতে স্বাস্থ্যৰ খবৰ লৈছিলোঁ। কৰুণ কণ্ঠে তেখেতে কৈছিল, "মই আৰু এতিয়া কিতাপ পঢ়িব নোৱাৰোঁ। মনোযোগ নাথাকে, কথাবোৰ পাহৰি যাওঁ।" এজন নিভাঁজ গ্ৰন্থানুৰাগীৰ পক্ষে ই কি বিষম শাস্তি, বহলাই কাকো বুজাই দিব নালাগে। মোৰ লগত দুআষাৰ কথা পাতিব খুজিছিল, কিন্তু মোৰ হাতত সময় নাছিল। আকৌ এদিন আহিম বুলি আন্তৰিকতাৰে কথা দিও মই তেখেতৰ তালৈ দুনাই যাব নোৱাৰিলোঁ। অথচ তেখেতৰ নিঃসংগতাৰ বেদনা মই বুজি পাইছিলোঁ।

এটা সময় আছিল যেতিয়া তেখেতৰ বলিষ্ঠ, সৌম্য অথচ অমায়িক ব্যক্তিত্বৰ উপস্থিতি অবিহনে গুৱাহাটীৰ কোনো এটা গহীন অনুষ্ঠানেই সম্পূৰ্ণ যেন লগা নাছিল। আলোচনা চক্ৰ, নাটক উৎসৱ, চিত্ৰ প্ৰদৰ্শনী, বক্তৃতা অনুষ্ঠান — সকলোতে তেখেতৰ উৎসাহী আৰু উৎসাহজনক অংশগ্ৰহণে অনুষ্ঠানৰ আকৰ্ষণ বঢ়াইছিল। বহু সময়ত নিমন্ত্ৰণ নোহোৱাকৈও তেখেত সাংস্কৃতিক অনুষ্ঠানত উপস্থিত হৈছিল। সকলোৱেই তেখেতৰ এই সংস্কৃতি-প্ৰেম আৰু সদিচ্ছাৰ বাবে মনে মনে কৃতজ্ঞ অনুভৱ কৰিছিল। পোনপ্ৰথম সংসাৰৰ সন্মুখীন হোৱা শিল্পীসকলে তেখেতৰপৰা সাহস, প্ৰবীণ শিল্পীসকলে তেখেতৰপৰা সমৰ্থন পাইছিল অকুণ্ঠভাৱে।

১৯৩৮ নে ১৯৩৯ চন। বৰকটকীদেৱ কলিকতাৰপৰা আহি যোৰহাটত আছেহি। তেতিয়া যোৰহাটত ডেকা লেখক-সাহিত্যিকৰ দল এটা সাহিত্যিক পৰীক্ষা-নিৰীক্ষাত আগৰণুৱা আছিল। বৰকটকীদেৱেই তেওঁলোকক জনালে যে ইংলেণ্ডত এ'লিয়ট, অ'ডেন, স্পেণ্ডাৰ আদি কবিয়ে পৰম্পৰাগত কৌশল বাদ দি নতুন আৰ্হিৰ কবিতা লিখিবলৈ লৈছে। বংগ দেশতো বিষ্ণু দে, সুধীন দত্ত, সমৰ সেন আদিয়ে সেই আৰ্হিত বঙলা কবিতা লিখিছে। তেনেকৈয়ে

যোৰহাট তথা অসমত আধুনিক কবিতাৰ চৰ্চা আৰম্ভ হয়। এই ধৰণে তেখেতে সদায় নতুন ধৰণৰ সাহিত্যিক-আদৰ্শ তথা আংগিকত উৎসাহ দিছিল। অসমত নাট্যকলাৰ বিকাশ, নতুন সমালোচনা, অদ্ভুত নাটক, অৱস্থিতিবাদী গল্প-উপন্যাস, সকলোৰে নেপথ্যত তেখেতৰ উৎসাহ-উদ্দীপনা আছিল বুলিলে অত্যুক্তি নহ'ব। তেখেতৰ এই চিৰনতুন মন এক বিস্ময়কৰ অভিজ্ঞতা আছিল মোৰ বাবে।

আৱাহন যুগতে বৰকটকীদেৱ আছিল এটা পৰিচিত নাম। তাহানিৰ নিস্তৰংগ অসমীয়া সমাজত আধুনিক মনন আৰু দৃষ্টিভংগী এটা প্ৰৱৰ্তন কৰিবলৈ তেখেতে তেখেতৰ ৰচনাৰ যোগেদি কম চেষ্টা কৰা নাছিল। তেখেতে 'কনফেশ্যনছ্' আদি ৰচনাৰ জৰিয়তে জড়ীভূত আচাৰ-সংস্কাৰৰ বিৰুদ্ধে মুক্ত ব্যক্তিমনৰ আৰু আত্মপ্ৰত্যয়ৰ বিদ্ৰোহ ঘোষণা কৰিছিল। আধুনিক মন এটা যে কেৱল আধুনিক সাজ পোছাক বা বাহ্যিক লক্ষণৰ ওপৰত নিৰ্ভৰ নকৰে, কিছু কষ্ট কৰিহে যে তেনে মন এটা আয়ত্ত কৰিব পাৰি, শিক্ষিত অসমীয়া সমাজক তেখেতে সেই কথা সদায় সোঁৱৰাই আছিল। শিক্ষিত আৰু অনুভূতিশীল অসমীয়াচামৰ মাজত এইবোৰ ৰচনাই আলোড়ন আনিছিল। অসমৰ স্থানুধৰ্মী সামাজিক পৰিবেশত তেখেতৰ মন সদায় কিছু অশান্ত হৈ আছিল। সেইবাবেই প্ৰথাগত কথাবোৰৰ ব্যতিক্ৰমত তেখেতে আগ্ৰহ প্ৰকাশ কৰিছিল।

অৱশ্যে নতুন কিবা এটা হ'লেই যে তেখেতে তাক অভিনন্দন জনাইছিল, তেনে নহয়। তেখেতৰ সজাগ আৰু সবল মূল্যবোধ এইবোৰ ক্ষেত্ৰত আনৰ বাবেও পথপ্ৰদৰ্শক আছিল। বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'জীৱনৰ বাটত' উপন্যাসেই হওক, মহেশ্বৰ নেওগৰ শ্ৰীশ্ৰীশংকৰদেৱ গ্ৰন্থই হওক, সৌৰভ চলিহাৰ গল্প বা নীলমণি ফুকনৰ কবিতা, তেখেতে মালিন্যহীন উৎসাহেৰে অভিনন্দন জনাইছিল। সেইসকল লেখকৰ মৌলিকতাও পাঠকৰ বাবে ফঁহিয়াই দেখুৱাইছিল। 'আৱাহন'ৰ যুগত তেখেত এগৰাকী আগশাৰীৰ গল্প লেখকো আছিল। কিন্তু গল্পবোৰ মই সকতে পঢ়া, এতিয়া মনত নাই।

এক বহল অধ্যয়নশীল মনৰ পটভূমিৰপৰা সমসাময়িক সাহিত্যৰ প্ৰতি তেখেতে এইদৰে সঁহাৰি জনাইছিল। ইউৰোপীয় আৰু আধুনিক ভাৰতীয় সাহিত্যৰ ৰচনাৰাজিৰ উল্লেখৰ প্ৰাচুৰ্যৰপৰা ধৰিব পাৰি যে সেইবোৰ তেখেতৰ পৰিচিত বিচৰণক্ষেত্ৰ আছিল। তেনে বহল দিগন্তৰপৰাই তেখেতে এক উদাৰ সংস্কাৰমুক্ত মনোভংগী আহৰণ কৰিছিল। কলা-সংস্কৃতিৰ ক্ষেত্ৰত এতিয়া স্বাৰ্থান্ধ মানসিকতা ইমান সুলভ যে তেখেতৰ সেই নিৰ্ভাঁজ সংস্কৃতিপ্ৰেম আচৰিত যেনেই লগা হৈছে।

তেখেত যথেষ্ট পৰিশ্ৰমী আৰু কাকত-আলোচনীত সঘনে আত্মপ্ৰকাশ কৰা লেখক হ'লেও কিতাপৰ আকাৰত ৰচনাসমূহ প্ৰকাশ কৰিবলৈ বিশেষ আগ্ৰহান্বিত নাছিল। এইটো তেখেতৰ নিঃস্বাৰ্থ সংস্কৃতিপ্ৰেমৰ অন্যতম উদাহৰণ

বুলি ল'ব পাৰি। শেষত বন্ধু-বান্ধৱৰ অনুৰোধত লিখা আৰু প্ৰকাশ কৰা প্ৰবন্ধৰ এখন সংকলন 'বিস্মৃত ব্যতিক্ৰম' নামেৰে প্ৰকাশিত হৈছিল। ১৯৮৫ চনত সেইখনে প্ৰকাশন পৰিষদৰ বঁটা পায়। তাৰ বাহিৰে আন কোনো ৰাজহুৱা স্বীকৃতি তেখেতে পোৱা নাই। সাহিত্য সভাই আনকি তেখেতৰ শেষকৃত্যৰ আগতে মালা এধাৰিও নিদিলে। কিন্তু তেখেতৰ মুখত কোনো মানুহ বা অনুষ্ঠানৰ বিৰুদ্ধে কেতিয়াও বিষোদগাৰ বা ক্ষোভৰ প্ৰকাশ শুনা নাছিলোঁ। আচাৰ-আচৰণত তেখেতৰ সৌজন্য, আত্মসংযম, সুৰুচি আৰু সৌম্য সহানুভূতিয়ে মুগ্ধ কৰিছিল সকলোকে।

'বিস্মৃত ব্যতিক্ৰম'ৰ সৰহভাগ ৰচনা মাধৱ বেজবৰুৱা, হলীৰাম ডেকা, লক্ষ্মীনাথ ফুকনৰ দৰে লোকৰ বিষয়ে— আজি যিসকলৰ স্মৃতি অসমত প্ৰবল হৈ থকা নাই, অথচ যিসকলে অসমীয়া জাতীয় জীৱন আৰু সংস্কৃতিত অমূল্য অৱদান যোগাইছিল। ব্যক্তিগত সংস্পৰ্শৰ উমৰ উপৰিও তেওঁলোকৰ ভূমিকাৰ মূল্যায়ন কৰা এক দাৰ্শনিক দৃষ্টিভংগীয়ে ৰচনাসমূহক বৈশিষ্ট্য দান কৰিছে। তেখেতৰ গুণগ্ৰাহী, অধ্যয়নশীল, চিন্তাপ্ৰৱণ মনৰ আভাস ৰচনাকেইখনৰ প্ৰতি অনুচ্ছেদত পোৱা যায়।

তাহানিখনতে প্ৰবল প্ৰতিযোগিতাৰ মাজত ইংৰাজী অনাৰ্ছত কলিকতা বিশ্ববিদ্যালয়ৰ সোণৰ পদক পোৱা এই মেধাবী ব্যক্তিগৰাকীয়ে এনেকৈ অসমৰ সাংস্কৃতিক জীৱনত এক আশাশুধীয়া আৰু নৈষ্ঠিক ভূমিকা লৈ আহিছিল। বিনিময়ত একো বিচৰা নাছিল। আজি দেখা পোৱা প্ৰতাপী ৰাজনৈতিক নেতাৰ অনুগ্ৰহ লাভৰ বাবে শিল্পী-সাহিত্যিকৰ অশোভনীয় হেতা-ওপৰা তেওঁৰ ক্ষেত্ৰত কল্পনাই কৰিব নোৱাৰি। তেখেতৰ প্ৰজন্মৰ লোকসকলৰ নিঃস্বাৰ্থ দেশসেৱাৰ মনোভাৱ তেখেতে সংস্কৃতি-জগতলৈ বহন কৰি আনিছিল।

তেখেতৰ লগত মোৰ ব্যক্তিগত সান্নিধ্য ঘটিছিল ৰাজনৈতিক কাৰণত। তেখেত ৰাজনৈতিক মতবাদত উগ্ৰতাৰ সমৰ্থক নাছিল। গণতান্ত্ৰিক মূল্যবোধত আস্থাৰ বাবে তেখেতে সাম্যবাদৰ প্ৰতিও বিশেষ সম্ভ্ৰম পোষণ কৰা নাছিল। কিন্তু মোৰ চুচুৰীয়া সাংবাদিক জীৱনত গণতান্ত্ৰিক মূল্যবোধ ৰক্ষাৰ বাবে মই কৰা যৎসামান্য প্ৰচেষ্টাই তেখেতৰ আশীৰ্বাদ আৰু উদগনি পাইছিল। বিশেষকৈ ১৯৭৪ চন মানৰপৰা ১৯৭৯ মানলৈ স্বৈৰতন্ত্ৰৰ বিৰুদ্ধে মই কৰা লেখা-মেলাৰ বাবে তেখেতৰ ওচৰ চাপি গৈছিলোঁ। মনত পৰে, জনতা চৰকাৰে সুস্থ-সবল গণতন্ত্ৰ পুনৰ প্ৰতিষ্ঠা কৰিব নোৱৰাত তেখেত গভীৰ নৈৰাশ্যত ভুগিছিল। তেখেতে গণতন্ত্ৰৰ লগতে এক উদাৰ বলিষ্ঠ মানৱতাবাদ অনুসৰণ কৰিছিল। তাৰ পিছৰ ৰাজনীতিত তেখেত সম্পূৰ্ণ একাত্ম হ'ব পৰা নাছিল। কাৰণ, ৰাজনীতিত আদৰ্শৰ অৱক্ষয় হৈছিল। হয়তো তাৰ বাবেও তেখেত মানসিক অন্তৰ্দ্বন্দ্বত ভুগিছিল।

ৰবকটকী ভাওৰীয়া নিঃস্বাৰ্থ সংস্কৃতিপ্ৰেমী ; কিন্তু দায়িত্বশীল নাগৰিকৰ ভূমিকা ল'বলৈ তেখেত সংকুচিত হোৱা নাছিল। ৰাজহুৱা বিষয় লৈ হোৱা বহু সভা-সমিতিত তেখেতে উৎসাহেৰে যোগ দিছিল। তেখেতৰ নৈতিক সমৰ্থনে আমাকো অনুপ্ৰাণিত কৰিছিল।

আত্মাৰ চিৰশান্তিত মই বিশ্বাস নকৰোঁ। আমি যদি তেখেতৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিব খোজোঁ, তেনেহ'লে তেখেতৰ চৰিত্ৰ আৰু আদৰ্শৰ নিষ্ঠাবান অনুসৰণেৰে তেখেতৰ আত্মাৰ গৰিমা অমলিনকৈ ৰাখিবলৈ চেষ্টা কৰিব পাৰোঁ। আশা কৰোঁ, তেখেত আমাৰ বাবে এক প্ৰাতঃস্মৰণীয় ব্যক্তিক্ৰম হৈ থাকিব। □

মুনীন বৰকটকীক সুঁৱৰি

যতীন্দ্ৰনাথ গোস্বামী

মুনীন বৰকটকীৰ নাম উচ্চাৰণ কৰিলেই এজন অধ্যয়নৰত ব্যক্তিৰ কথা মনলৈ আহে। তেওঁক 'কিতাপৰ পোক' বুলিহে ক'ব পাৰি। ৰাতিপুৱা শুই উঠি চাহ একাপ আগত লৈ যেতিয়া নতুন কিতাপ এখন মেলি লয় তেতিয়া চাহটোপাৰ সমান তৃপ্তিৰে একাগ্ৰচিত্তে পুথিখনৰ প্ৰায় আধা-আধি পঢ়ে। যদি সেই সময়ত আন এপিয়লা চাহ যোগান ধৰা হয়, তেতিয়া হ'লে একে আয়াসতে পুথি পঢ়ি শেষ কৰে। এইজনেই আছিল চিন্তাশীল লেখক আৰু গল্পকাৰ মুনীন বৰকটকী।

জীৱন নৈৰ প্ৰবাহত শ্বিলং প্ৰবাস মোৰ পক্ষে এটা কেঁকুৰি। শ্বিলঙৰ লাবানৰ নামনিত 'ষ্ট্ৰিমলেট্ কটেজ্' নামৰ এটা ভাড়াঘৰত তিনিচুকীয়াৰ প্ৰফুল্লচন্দ্ৰ বৰুৱা, মুনীন বৰকটকী আৰু মই আছিলোঁ। ১৯৪৪ চন। প্ৰফুল্লচন্দ্ৰ বৰুৱা এডমণ্ডছ্ কলেজৰ স্নাতক শ্ৰেণীৰ ছাত্ৰ, বৰকটকী চাকৰিয়াল আৰুময়ো এজন কৰ্মচাৰী। বৰকটকীৰ সামগ্ৰীৰ ভিতৰত ক'লা ষ্টিল ট্ৰাঙ্কত খুন্দ খাই থকা দুবাকচ কিতাপ — ইংৰাজী ভাষাৰ বিবিধ কিতাপ। ৰাতি শোৱাৰ আগতে তাৰে দুই-এখন কিতাপ পঢ়ে।

এদিন তেওঁক সুধিলোঁ, "আপুনি অতবোৰ কিতাপ মজুত ৰাখিছে, কিন্তু এম.এ. পৰীক্ষা (ইংৰাজীত) দিয়াৰ কথা ভাবিছে নেকি?" উত্তৰ— "সেইটোৱেই হ'ল প্ৰশ্ন। কি হয় জানো!" তেওঁ অন্য প্ৰসঙ্গৰ অৱতাৰণা কৰে।

শুনামতে তেওঁ কটন কলেজত বি.এ. শ্ৰেণীত দুটামান বিষয়ৰ 'অনাৰ্ছ'ৰ সোৱাদ ল'লে; কিন্তু অনাৰ্ছ পৰীক্ষা দিয়া নহ'ল। তথাপি তেওঁ 'পাছ্ কোৰ্ছ'ৰ স্নাতক পৰীক্ষাত কলিকতা বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ্থীৰ ভিতৰত প্ৰথম হ'ল। এইদৰে এলাহ আৰু উৎসাহৰ অভাৱত তেওঁৰ প্ৰকৃত প্ৰতিভা বিকশিত নহ'ল। ইংৰাজীত এম.এ. পৰীক্ষা দিয়া হ'লে তেওঁ অনায়াসে উত্তীৰ্ণ হ'ব পাৰিলেহেঁতেন।

মুনীন বৰকটকী এজন গল্পকাৰ। 'আৱাহন'ত প্ৰকাশিত 'বিদ্ৰোহী' (২য় বছৰ), 'ছবি' (৩য় বছৰ), 'নিয়মৰ বান্ধ আৰু প্ৰাণৰ টান' (৭ম বছৰ, চতুৰ্থ সংখ্যা) আদি গল্পসমূহ পঢ়ি আশা কৰিছিলো যে বৰকটকী এজন

প্ৰসিদ্ধ গল্পকাৰ হ'ব, কিন্তু সেই আশা পূৰণ নহ'ল। 'কনফেশ্যনছ' প্ৰবন্ধত তেওঁৰ চিন্তা-চৰ্চা প্ৰকাশ পাইছিল। তেওঁ এগৰাকী আগশাৰীৰ বুদ্ধিজীৱী। বুদ্ধিমত্তা আৰু প্ৰজ্ঞাৰ ক্ষেত্ৰত তেওঁ অকলশৰীয়া।

শ্বিলঙত থকা কালত তেওঁ অধ্যাপিকা উষা ভট্টাচাৰ্যৰ ঘৰলৈ গৈছিল। অৰুণ বাবু, বাপুকণ, উষা বাইদেউ আৰু মই বহি মুকলি মনেৰে কথা পাতিছিলোঁ। বৰকটকীয়ে কথাত ভাগ লয় যদিও নিজৰ মন্তব্য চুটি চুটি। অধ্যাপিকা ভট্টাচাৰ্য্যই তেওঁক ওখ খাপৰ প্ৰবন্ধ লিখাৰ কথা ক'লে তেওঁ কয়, 'এৰা, আমাক ওখ খাপৰ প্ৰবন্ধ লাগে।' কিন্তু বৰকটকীৰ কথা সিমানতে শেষ।

মই অসম সাহিত্য সভাৰ সম্পাদক থকা কালত এখন ইংৰাজী উপন্যাস অনুবাদ কৰিবলৈ অনুৰোধ কৰিছিলোঁ। তেওঁ কামটো কৰিম বুলি কথা দিছিল। কিন্তু কামটো হৈ নুঠিল। পাঠাগাৰৰ মাজত সোমাই থাকি শ্ৰেষ্ঠ লেখকসকলৰ গ্ৰন্থসমূহৰ ভাব-চিন্তা আহৰণ কৰা ব্যক্তিজনে কলম হাতত ল'বলৈ সময় উলিয়াব নোৱাৰে। এইজনেই আছিল মুনীন বৰকটকী — গল্পকাৰ, প্ৰবন্ধকাৰ আৰু সমালোচক। এনেবিধৰ আত্মপ্ৰকাশ কৰিবলৈ ইচ্ছা নকৰা ব্যক্তি বৰ কম পোৱা যায়। □

মুনীন বৰকটকীৰ বিয়োগত

যোগেন্দ্ৰনাৰায়ণ ভূঞা

নিজৰ লেখাৰ কেৱল মাত্ৰ এটা সংকলনেৰে অসমীয়া সাহিত্যত প্ৰখ্যাতি আৰু প্ৰতিষ্ঠা লাভ কৰা দুজন ব্যক্তিৰ নামহে মোৰ মনলৈ আহে। এজন দেৱকান্ত বৰুৱা আৰু আনজন মুনীন বৰকটকী। ৰাজনীতিয়ে শ্ৰীদেৱকান্ত বৰুৱাক আমাৰ সাহিত্যক্ষেত্ৰৰপৰা আঁতৰাই নিলে কেতিয়াবাই। তথাপি অসমীয়া সাহিত্যত শ্ৰীদেৱকান্ত বৰুৱাৰ অচলা প্ৰতিষ্ঠা অপৰিৱৰ্তিত হৈ ৰ'ব বহু যুগলৈ। দেৱকান্ত বৰুৱা যি অৰ্থত অসমীয়া সাহিত্যত এতিয়ালৈকে মাথোন এজনেই আৰু বহু যুগলৈকে কেৱল এজন হৈয়েই ৰ'ব, সেই একে অৰ্থতেই একক পৰিচয়েৰে অমৰ হৈ ৰ'ব সৌ সিদিনা আমাৰ মাজৰপৰা চিৰকালৰ বাবে আঁতৰি যোৱা মুনীন বৰকটকীদেৱো।

মৌলিক চিন্তা, বুদ্ধিদীপ্ততা আৰু অননুকৰণীয় ৰচনা-ৰীতিৰে আমাৰ সাংস্কৃতিক, সামাজিকক্ষেত্ৰৰ ব্যক্তি কেইগৰাকীমানৰ যি শব্দচিত্ৰ তেখেতে অংকন কৰি গ'ল, তাৰ বাবেই মুনীন বৰকটকীদেৱৰ নামটোৱে অসমীয়া পঢ়ুৱৈৰ মনত আৰু অসমীয়া সাহিত্যৰ ইতিহাসত সুদৃঢ় আসন এখন লাভ কৰি থাকিব। অসমীয়া জীৱনী-সাহিত্যৰ ইতিহাস-বিশ্লেষকসকলে মুনীন বৰকটকীৰ ৰচনা-ৰীতিৰ অভিনৱত্বৰ কথা মুক্তকণ্ঠে ক'ব লাগিব। লীটন ষ্ট্ৰেচী, হেৰ'ল্ড নিকলছন আদিৰদ্বাৰা প্ৰৱৰ্তিত ৰীতিৰে জীৱনী লিখিব নোৱাৰাৰ কথা বৰকটকীদেৱে নিজে কৈ গ'লেও 'বিস্মৃত ব্যতিক্ৰম' (১৯৮১) নামৰ গ্ৰন্থেৰে অসমীয়া জীৱনী-সাহিত্যক যে তেখেতে এটা নতুন আয়তন দিলে, সক-বৰ নিৰ্বিশেষে আমাৰ সামাজিক-সাংস্কৃতিক ক্ষেত্ৰৰ বৰেণ্য ব্যক্তি একোগৰাকীৰ বাংময় ছবি একোখন অংকন কৰাৰ অভিনৱ পন্থা এটাৰ যে আহিঁ দেখুৱালে, সেই কথা অস্বীকাৰ কৰিব কোনে?

মুনীন বৰকটকী আছিল এজন গল্পকাৰো; প্ৰতিষ্ঠিত গল্পকাৰ। আৱাহন যুগৰ বিকেইগৰাকী গল্পকাৰে অসমীয়া সাহিত্যৰ ইতিহাসত একোখন নিজা আসন লাভ কৰিবলৈ সক্ষম হ'ল, মুনীন বৰকটকীও সেইসকলৰ মাজৰে এজন আছিল, আৰু অসমীয়া গল্পৰ পঢ়ুৱৈ সমাজত নগেন্দ্ৰনাৰায়ণ চৌধুৰী, হলীৰাম ডেকা, ৰমা দাশ, লক্ষ্মীনাথ ফুকন আদি বিকেইটা নাম এতিয়াও পৰিচিত, মুনীন বৰকটকী নামটোও নিশ্চিতভাৱে সেইকেইটাৰ মাজৰে এটা

হ'ব পাৰিলেহেঁতেন। পিছে গল্প ৰচনাতে বৰকটকীদেৱে একাপটীয়াকৈ আত্মনিয়োগ নকৰিলে। তাৰ কাৰণো নোহোৱা নহয়। আৱাহনৰ সমসাময়িক কালছোৱাত ভাৰতৰ ৰাজনৈতিক ক্ষেত্ৰত মহাত্মা গান্ধীৰ নেতৃত্বই তোলপাৰ লগাই আছিল। (আৱাহনৰ এটা সংখ্যাত প্ৰকাশ পোৱা মতে 'নিউজ ক্ৰনিকল্'ৰ বিশিষ্ট সংবাদদাতা ৰবাৰ্ট বাৰ্নেইছে বোলে গান্ধীৰ বিষয়ে প্ৰবন্ধ এটা পাঁচবাৰ লিখি পাঁচবাৰ কাটি পেলাবলগীয়া হৈছিল "গান্ধীৰ ব্যক্তিত্ব আৰু শক্তিৰ স্বৰূপ কাকতত লিখি ভালকৈ বিবৰা অসম্ভৱ" কাৰণেই।) পিছে গান্ধীৰ আদৰ্শৰ প্ৰতি আকৰ্ষণ কৰিব পৰা বা ভাৰতৰ স্বাধীনতা আন্দোলনৰ বাবে জনসাধাৰণক উদ্বুদ্ধ কৰিব পৰা বিষয়বস্তু লৈ গল্প লিখাৰ পথটোও বৰ সুচল নাছিল সেই সময়ত। গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত ছিভিল ছাৰ্জন ডা° হৰিকৃষ্ণ দাসে সেই সময়ত ন-দুৱাৰ ৰায়ত সন্মিলনৰ সভাপতি হিচাপে আপত্তিজনক ভাষণ দিয়াৰ বাবেই অসম চৰকাৰৰ ছিফ ছেক্ৰেটেৰী ডব্লিউ. এ. কচ্‌গ্ৰেভে ডা° দাসৰ পেঞ্চন বন্ধ কৰি দিয়া কথাটো এই প্ৰসংগত উল্লেখ কৰিব পাৰি। মুনীন বৰকটকীৰ সমসাময়িক প্ৰায় তিনিকুৰিজন লেখকে আৱাহনত গল্প লিখিবলৈ লৈছিল। কিন্তু সেইসকলৰ ভিতৰৰ দহজনমানেহে প্ৰকৃতাৰ্থত সুপ্ৰতিষ্ঠা লাভ কৰি এতিয়ালৈকে অসমীয়া গল্পৰ ইতিহাসত নিগাজি আসন একোখন লাভ কৰি আছে। তাৰ ভিতৰতো আকৌ নিজৰ সময় আৰু সমাজক ধৰি ৰাখিবৰ চেষ্টা কৰা গল্পকাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰী, হলীৰাম ডেকা, মহীচন্দ্ৰ বৰা, লক্ষ্মীধৰ শৰ্মা আদি নিচেই কেইজনমানহে। অন্যান্য প্ৰায়সকল গল্পকাৰেই আৱাহনত আত্মপ্ৰকাশ কৰি আছিল বিদেশী গল্পৰ ছাঁ লৈ লিখা বা ভাঙনি কৰা গল্পেৰে। মুনীন বৰকটকীয়ে তেনে কৰা নাছিল।

আৱাহনত মুনীন বৰকটকীয়ে কিকেইটা গল্প লিখিছিল, সেইকেইটাৰ সম্বল আছিল ব্যক্তিগত অভিজ্ঞতা আৰু সমসাময়িক সমাজ-জীৱনৰপৰা সংগৃহীত। ত্ৰৈলোক্যনাথ গোস্বামীয়ে আধুনিক গল্প-সাহিত্যত মুনীন বৰকটকীৰ মাত্ৰ দুটা গল্পৰহে নাম লৈছে। কিন্তু সেই দুটাৰ উপৰি মই জনাত বৰকটকীৰ অতি কমেও দহোটামান গল্প প্ৰকাশ হৈছিল ডা° দীননাথ শৰ্মা সম্পাদিত আৱাহনত। 'বিদ্ৰোহী', 'ছবি', 'অভিশাপ', 'বীণা', 'জয় নে পৰাজয়', 'পাপ নে ভুল' আদি গল্পৰ নামলৈ মই আঙুলিয়াইছোঁ। 'অভিশাপ' আৰু 'বীণা' নামৰ গল্প দুটাৰ উপস্থাপন পদ্ধতি আৰু প্ৰকাশভংগী এনে বাস্তৱসন্মত যে গল্প হিচাপে দুয়োটা লেখা ৰসোত্তীৰ্ণ হোৱাৰ উপৰি দুয়োটা গল্পৰ আখ্যান-বস্তু আৰু চৰিত্ৰৰ মাজত স্বয়ং গল্পকাৰজনকে আৱিষ্কাৰ কৰাৰ আনন্দ পঢ়ুৱৈয়ে লাভ কৰে।

'জয়ন্তী'তো মুনীন বৰকটকীয়ে গল্প লিখিছিল। অনিৰুদ্ধ কটকী ছদ্মনামত লিখা 'তাই আৰু মই' (২য় বছৰ ১৮শ সংখ্যা) নামৰ গল্পটোত লেখকে অসমীয়া গল্পত নতুন ৰীতি এটাৰ (Stream of Consciousness) পৰীক্ষা

চলাইছিল। মন কৰিবলগীয়া যে 'দহ বছৰ মানৰ মূৰে মূৰে আমাৰ গল্পৰ একোটা পৰিবৰ্তন' হোৱাৰ কথা ১৯৭৪ চনত বৰকটকীয়ে এঠাইত কৈছে। (ড° নগেন শইকীয়া সম্পাদিত 'আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ', অসম সাহিত্য সভা, পৃ: ১৯২) তেনে এটা পৰিবৰ্তনৰে সাক্ষী যেন তেখেতৰ এই গল্পটো। বৰকটকীদেৱে নিজৰ গল্পকেইটাৰ সংকলন এটা জীৱনৰ আগবয়সতে প্ৰকাশ কৰিব পাৰিলেহেঁতেন। কিন্তু সেই সময়ত "কোনোবাই কিতাপ ছপা কৰিলে তাক কিনোতা নাই, পঢ়োতা নাই"। তদুপৰি "সাহিত্য চৰ্চা কৰিবৰ যিবিলাক প্ৰলোভন, তাৰ এটাও আমাৰ দেশত নাই। তেওঁ যিবিলাকে অসমীয়া সাহিত্য চৰ্চা কৰে, তেওঁলোকে নিজৰ ভাষাৰ প্ৰতি নিতান্ত অনুৰাগ হেতুকে, অথবা মনৰ ভাবৰ বুৰবুৰণি মাৰ নিয়াব নোৱাৰি এই চৰ্চাত লাগে।" শিক্ষাবিদ আৰু অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক শৰৎ চন্দ্ৰ গোস্বামীয়ে ১৯৩০ চনৰ ২০ এপ্ৰিলত লক্ষীমপুৰ সাহিত্য সন্মিলনৰ সভাপতিৰ আসনৰপৰা কৈছিল এইবাৰ কথা। শৰৎ চন্দ্ৰ গোস্বামীয়ে নিৰ্দেশ কৰা লেখকসকলৰ মাজৰে এজন আছিল মুনীন বৰকটকীও। যি সময়ত বেজবৰুৱাৰ বাহিৰে আন লেখকে গল্পৰ সংকলন উলিয়াবলৈ সাহস কৰা নাছিল, মুনীন বৰকটকী আছিল সেই সময়ৰ এজন গল্পকাৰ। অৱশ্যে যোৱা এবছৰমানৰ পূৰ্বে তেখেতে নিজৰ গল্পকেইটাৰ সংকলন এটা প্ৰকাশ কৰাৰ কথা ভাবিছিল। অনিৰুদ্ধ কটকী ছদ্মনামত জয়ন্তীত প্ৰকাশিত 'ভাই আৰু মই' নামৰ গল্পটো সেই উদ্দেশ্যে তেখেতে বিচৰা বাবে মই যোগান ধৰিছিলোঁ। কিন্তু জীৱনকালত নিজৰ গল্পৰ সংকলিত ৰূপ এটা তেখেতে দেখি যাবলৈ নাপালে।

মুনীন বৰকটকী আছিল এজন সমালোচকো। সৃষ্টিশীল, ৰচনাত্মক সমালোচক। সমালোচক হিচাপে থাকিবলগীয়া বিষয়জ্ঞানৰ বিশালতা, অন্তৰ্দৃষ্টিৰ গভীৰতা, মননৰ তীক্ষ্ণতা, উপলব্ধিৰ পাৰংগমতা — এনে আটাইবোৰ গুণেই বৰকটকীদেৱৰ আছিল। সাময়িক বিভিন্ন পত্ৰ-পত্ৰিকাত প্ৰকাশিত আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ যোগেদি প্ৰচাৰিত বিভিন্ন অসমীয়া গ্ৰন্থৰ পৰিচয়দানৰ মাজত সমালোচক বৰকটকীজন সোমাই আছে। বৰকটকী কেৱল গ্ৰন্থ সমালোচকেই নাছিল, নাট্যাভিনয়, চলচ্চিত্ৰ আৰু চিত্ৰকলাৰ সমালোচনাতো প্ৰবৃত্ত হৈছিল তেখেত।

পাশ্চাত্য সাহিত্য-ক্ষেত্ৰৰ বহুতো চিন্তানায়কৰ লগত অসমীয়া লেখক-পাঠকক পৰিচয় কৰাই দিয়ো বৰকটকীদেৱে আমাৰ লেখক-পাঠকসকলৰ প্ৰতি থকা ডাঙৰ দায়িত্ব এটি পালন কৰি গৈছে। আৱাহনত প্ৰকাশ পোৱা তেখেতৰ 'কনফেশ্যনছ', এ. এন. মিলানৰ 'অন থাৰ্মমিটাৰ', বাঁহীত প্ৰকাশ পোৱা 'চিনক্লেয়াৰ লিৱিছ আৰু মাৰ্কিন সভ্যতা' আদি লেখাৰ কথা এই প্ৰসংগত উল্লেখ কৰিব পাৰি। তেখেতে নিজে কোৱা মতেই তেখেতৰ

লেখক-জীৱনৰ "আগডোখৰৰ আলোচনাসমূহ যাইকে বিদেশী সাহিত্যৰ চিন্তানায়কসকলৰ পৰিচয়মূলক আছিল।" বৰকটকীয়ে এনেকৈও কৈছে, "কণ্টিনেণ্টেল সাহিত্যৰ আৰু সাহিত্যিকৰ পৰিচয় আমাৰ নতুন লেখক-লেখিকাসকলৰ বাবে প্ৰয়োজনীয় বুলি অনুভৱ কৰিছিলোঁ। ইবছেন, কনৰাড, ৰোমাৰোলাঁ, কাৰ্লমাৰ্ক্স, ফ্ৰয়ড, ৰেলহু, শ্ব, ক্ৰোচে, ক'ষ্টাৰ, হাৰ্বাট ৰীড,, ভাৰ্জিনিয়া উলফ্‌, স্পেণ্ডাৰ আদিৰ লগত হোৱা পৰিচয়েহে আমাৰ কূপমণ্ডুকতা আঁতৰাব বুলি ভাব হৈছিল।" (আঃ অঃ সাঃ অভিলেখ, পৃঃ ২৮৬)। এয়া নিসন্দেহে বৰকটকীদেৱৰ অধ্যয়নপুষ্ট মনৰ বিস্তীৰ্ণতাৰ পৰিচায়ক। সমালোচক হিচাপে বৰকটকী পৰিচিত আছিল বাণীকান্ত কাকতি, যজ্ঞেশ্বৰ শৰ্মাৰপৰা মেথ্যু আৰ্ণল্ড, এলিয়টলৈকে, আৰু ৰবীন্দ্ৰনাথ ঠাকুৰ, সুধীন্দ্ৰনাথ দত্তৰপৰা কডৱেল, লুকাছলৈকে প্ৰথিতযশা বিভিন্ন লেখকৰ ৰীতি-প্ৰকৃতিৰ লগত।

মুনীন বৰকটকীৰ চিন্তা, মৌলিকতা, মননৰ গভীৰতা, প্ৰকাশভংগীৰ একককতা, অধ্যয়নৰ বিস্তীৰ্ণতা এইবোৰে যেনেকৈ তেখেতৰ ব্যক্তিগত ঐশ্বৰ্য, আনহাতে নিশ্চয় সেইখিনি ঐশ্বৰ্য অসমীয়া সাহিত্যৰ সমৃদ্ধিৰ কাৰক। পিছে, মোৰ লেখীয়া অসমীয়া সাহিত্যৰ অতি সাধাৰণ ছাত্ৰ এজনৰ দৃষ্টিত মুনীন বৰকটকীদেৱ আৰু এটি মহান সম্পদৰ উদাৰহস্ত অধিকাৰী, যিটো সম্পদত আমাৰ বহুতো প্ৰসিদ্ধ পণ্ডিত, লেখক আৰু বুদ্ধিজীৱী দুখজনকভাৱে দৰিদ্ৰ অথবা কৃপণ। যিটো সম্পদৰ কথা মই ক'ব খুজিছোঁ, সেইটো হৈছে মুনীন বৰকটকীৰ বিৰলপ্ৰায় আন্তৰিক সৰলতা আৰু অকৃত্ৰিম বৌদ্ধিক বদান্যতা। মুনীন বৰকটকীৰ বিয়োগ যথাৰ্থতে অসমৰ সাৰস্বত সমাজৰ বাবে অপূৰণীয় ক্ষতি; কিন্তু মোৰ লেখীয়া সাহিত্যৰ সাধাৰণ ছাত্ৰ এজনৰ বাবে তেখেতৰ মৃত্যু যেন এক গতিশীলা প্ৰেৰণাৰ নিষ্ঠুৰ স্তব্ধতা।

বৰকটকীদেৱৰ বিদেহ আত্মাই চিৰপ্ৰশান্তি লাভ কৰক। □

এগৰাকী সৃষ্টিশীল বুদ্ধিজীৱীৰ সোঁৱৰণত

ড° নগেন শইকীয়া

খবৰটো আছিল আকস্মিক, অপ্ৰত্যাশিত আৰু মোৰ বাবে অতিশয় বেদনাদায়ক। ৮ নবেম্বৰৰ দিনা পুৱা দিল্লীৰ অসম ভৱনত 'হিন্দুস্তান টাইমছ'খন চাই থাকোঁতে মাজৰ পৃষ্ঠা এটাৰ সোঁহাতে বন্ধ কৰি দিয়া চাৰিটা সংবাদৰ ভিতৰত শেহৰটো আছিল 'স্ক্ৰাইব ডেড'। গুৱাহাটীৰ বাতৰি দেখি প্ৰথম শাৰীটো পঢ়িয়েই বৈ গ'লো— মুনীন বৰকটকী আৰু নাই। অসমীয়া সাহিত্যলৈ আধুনিকতাৰ ঢৌ বাগৰি অহিবলৈ বাট কাটি দিওঁতা, এটা আধুনিক মনৰ অধিকাৰী মানুহজন কোনোদিন ঘূৰি নাহিবলৈ গুচি গ'ল। এজন যথাৰ্থ আধুনিক বুদ্ধিজীৱীৰ জীৱনৰ অৱসান ঘটিল।

আধুনিক সাহিত্যৰ ইতিহাসে এই পৰ্যন্ত মুনীন বৰকটকীৰ চিন্তাৰ গভীৰতা আৰু প্ৰতিভাৰ মূল্যায়ন কৰা নাই। অথচ আমাৰ যুদ্ধোত্তৰ সাহিত্যই নিজৰ পথ নিৰ্ণয় কৰাৰ সময়ত বৰকটকীৰ এক নীৰৱ বৌদ্ধিক নেতৃত্ব আছিল প্ৰধান সাৰথি। টি. এছ. এলিয়ট, এজ্ৰা পাউণ্ড, ডব্লিউ. বি. য়েটছ, ভাৰ্জিনিয়া উলফ, জেমছ জয়ছ আদি আধুনিক লেখকসকলৰ লগত বৰকটকীৰ পৰিচয় আছিল সাধাৰণে ভবাতকৈ গভীৰতৰ। কাফ্কা-কামু-বেকেটৰ সম্পৰ্কে তেখেতৰ ধাৰণা আছিল স্পষ্ট। আনহাতে ভাৰতীয় লেখকসকলৰ লগতো প্ৰধানতঃ ধ্ৰুপদী সাহিত্য আৰু ৰবীন্দ্ৰনাথকে ধৰি আধুনিক সাহিত্যৰ লগত আছিল বৰকটকীৰ অন্তৰংগ পৰিচয়। অসমীয়া সাহিত্যৰ ঐতিহ্যৰ প্ৰতিও আছিল গভীৰভাৱে শ্ৰদ্ধাশীল।

উল্লিখিত আটাইবোৰ গুণৰ অধিকাৰী বৰকটকী মানুহজন অযথা আত্মপ্ৰচাৰৰ আছিল বিৰোধী। বৌদ্ধিক জগতক অন্তঃসাৰশূন্য প্ৰচাৰে যে কোনো সহায় কৰিব নোৱাৰে, সেই বিষয়ে তেওঁ আছিল সম্পূৰ্ণ নিশ্চিত। কিন্তু মৌলিক চিন্তা আৰু কল্পনা যে এদিন নহয় এদিন স্বীকৃত হ'বই, সেই বিষয়েও বৰকটকীৰ বিশ্বাস আছিল গভীৰ। প্ৰসংগক্ৰমে তেওঁ কৈছিল- "কালোহয়ং নিৰৱধিৰ্বিপুলাশ্চ পৃথ্বী"... ভৱভূতিৰ এই বাক্যটো সদায় সঁচা হৈ থাকিব।"

বৰকটকীৰ লগত মোৰ প্ৰথম পৰিচয় তেওঁৰ অল্পসংখ্যক গল্পৰ যোগেদিয়েই হৈছিল। তেওঁৰ গল্প সম্পৰ্কেও এই পৰ্যন্ত গভীৰ আলোচনা হোৱাই নাই

বুলিব পাৰি। বৰকটকীৰ গল্পৰ মাজতে তেওঁৰ চিন্তা-ভাবনা-অনুভৱ আৰু কল্পনাৰ প্ৰথম প্ৰকাশ ঘটে। অৱশ্যে তেওঁ গল্প লিখিবলৈ পাছলৈ এৰি দিলে। জীৱিকাৰ বৃত্তিস্বৰূপে আকাশবাণীৰ সংবাদ-সম্পাদক হিচাপে কাম কৰা বৰকটকী আছিল এজন অতিশয় ৰসগ্ৰাহী পঢ়ুৱৈ। তেওঁ বোধকৰোঁ এশমান গ্ৰন্থৰ সমালোচনামূলক আলোচনা কৰি গৈছে, যাৰ মাজত তেওঁৰ ৰসগ্ৰাহী মন আৰু বৌদ্ধিক দৃষ্টিভংগী দুয়োটাই সমানে প্ৰকাশ লাভ কৰিছে। এই ৰচনাসমূহৰ সংকলনে আমাৰ গ্ৰন্থ-সমালোচনাৰ মান নিৰ্ণয়ত বহু পৰিমাণে সহায় কৰিব বুলি ভাবোঁ। তেওঁৰ 'কনফেশ্যনছ্' আৰু অন্যান্য ৰচনাসমূহে বৰকটকীৰ বৌদ্ধিক দৃষ্টিভংগীৰ পৰিচয় ধৰি ৰাখিছে। এই ৰচনাসমূহৰ লগত আমাৰ সাম্প্ৰতিক কালৰ লেখক-সমালোচকসকলৰ পৰিচয় হোৱাটোও বৰ দৰকাৰী বুলি অনুভৱ কৰোঁ।

সমালোচক হিচাপে বৰকটকী আছিল লেখকৰ প্ৰতি সহৃদয় অথচ বস্তুনিষ্ঠ। তদুপৰি তেওঁৰ ঘাই লক্ষ্যই আছিল সমালোচনাৰ বাবে লোৱা গ্ৰন্থৰ বৈশিষ্ট্যসমূহ বাছি উলিওৱা। এনে কৰোঁতে কেতিয়াও কোনো ক্ষেত্ৰতে তেওঁ বয়স বা আদৰ্শ-বা ব্যক্তিগত ভালপোৱা-বেয়া পোৱাক কাষ চাপিবলৈ নিদিছিল। সাম্প্ৰতিক অসমীয়া সাহিত্যৰ সমালোচনাৰ নামত মাজে-সময়ে কোনো কোনোৱে পৰা গালি-শপনিয়ে আমাৰ সমালোচনাৰ মান ক'লৈ লৈ গৈছে সহজেই অনুমেয়। আধুনিক অসমীয়া কবিতাৰ সমালোচনাৰ নামত এগৰাকী সমালোচকে আজিৰপৰা কেইমাহমানৰ আগতে ধাৰাবাহিকভাৱে কৰা সমালোচনাই বৰ্তমানৰ মানদণ্ডৰ ইংগিত দিয়ে। এই পৰিপ্ৰেক্ষিতত বৰকটকীৰ ৰচনাসমূহৰ মূল্যায়ন আমাৰ বৌদ্ধিক জগতৰ বাবে অতিশয় প্ৰয়োজনীয় হৈ পৰিছে।

মোৰ নিজৰ ক্ষেত্ৰতো মই তেওঁৰ ওচৰত ঋণী। মোৰ 'অস্তিত্বৰ শিকলি' আৰু 'বন্ধ কোঠাত ধুমুহা' নামৰ সংকলন দুটা যে তেখেতে পঢ়িছিল, সেই বিষয়ে মোৰ ধাৰণা নাছিল। 'অপাৰ্থিৱ-পাৰ্থিৱ' নামৰ সংকলনটো মই তেওঁলৈ পঠাই দিছিলোঁ। তেওঁ উত্তৰত মোৰ গল্প সম্পৰ্কে কৰা মন্তব্যই মোক যথেষ্ট উৎসাহিত কৰিছিল। তদুপৰি 'তিনিদিনীয়া বাতৰি' নামৰ কাকতত তেওঁ সংকলনটোৰ সম্পৰ্কে কৰা দীঘলীয়া আলোচনাই মোৰ নিজৰো আত্মবিশ্বাস বঢ়াই তুলিছিল ('আন্ধাৰত নিজৰ মুখ' নামৰ সংকলনটোৰ পৰিশিষ্টত সেই সমালোচনাটি তুলি দিয়া আছে)। মোৰ প্ৰথম ভ্ৰমণ কাহিনী 'আমেৰিকাত দহ দিন' পঢ়ি তেখেতে লিখা ইনলেণ্ড কাৰ্ডটোৰ তিনিওটা পিঠি মোৰ বাবে অমূল্য সম্পদস্বৰূপ। কিতাপখন পঢ়ি তেওঁ ইমান ভাল পালে যে তেওঁ কৰা মন্তব্য তুলি দিয়াটোও মোৰ বাবে আত্মশ্লাঘাৰ তুল্য হ'ব বুলি ভাবোঁ।

১৯৭৪ চনত মঙলদৈত বহা অসম সাহিত্য সভাৰ অধিবেশনৰ লগত আয়োজিত আলোচনা চক্ৰৰ সভাপতিত্ব কৰিবলৈ মই যেতিয়া নিমন্ত্ৰণ কৰিবলৈ

ৰাওঁ, তেতিয়া তেওঁ প্ৰথমে ক'লে, "বিষয়টোহে কথা, বিষয়টো কি ৰাখিছা"?

মই ক'লো — "সাহিত্যত ঐতিহ্য আৰু আধুনিকতা।" মই তেখেতৰ কথা মনত ৰাখিয়েই বিষয়টো ৰাখিছিলো। তেওঁ সন্মত হ'ল আৰু সভাপতি হিচাপে দিয়া ভাষণটোৰে তেওঁৰ চিন্তা আৰু অধ্যয়নৰ পৰিসৰৰ পৰিচয় ধৰি ৰাখিছে এতিয়াও। তেওঁৰ প্ৰকাশিত একমাত্ৰ পুথি 'বিস্মৃত ব্যতিক্ৰম'ৰ ৰচনাসমূহৰ মাজত থকা অন্তৰংগ ৰচনাৰ বৈশিষ্ট্যখিনিয়ে বৰকটকীৰ সৃষ্টিশীল মন আৰু পৰ্যবেক্ষকৰ দৃষ্টিভংগী দুয়োটা ধৰি ৰাখিছে। এইগৰাকী সৃষ্টিশীল বুদ্ধিজীৱীৰ স্মৃতিত মই গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিলোঁ। □

বৰকটকীৰ সান্নিধ্যত

হেমচন্দ্ৰ শৰ্মা

আৱাহন যুগৰ গল্পকাৰ আৰু সমালোচক মুনীন্দ্ৰনাথ বৰকটকীয়ে ৭৮ বছৰ বয়সত বিদায় মাগিলে। দীৰ্ঘদিনীয়া অসুখৰ মাজত মাজে-সময়ে দেখা কৰিবলৈ যাওঁতে মোৰ এনে এটা অনুমান হৈছিল — ৰোগে তেওঁক পীড়া দিছিল যদিও চাৰিওফালৰ মানৱীয় মূল্যৰ অৱক্ষয় আৰু যোগ্যজনক ছলে-বলে-কৌশলেৰে পিছ পেলাই অযোগ্য একোজন আগশাৰীলৈ যোৱাৰ ক্ৰমবৰ্দ্ধমান বাতুলতাই যেন পীড়া দিছিল অধিক। বৰকটকীৰ দৰে নীৰৱ প্ৰকৃতিৰ লোকসকলে তাক বাধা দিব নোৱাৰে আৰু অসহায়ভাৱে সেয়েই বৰ্তমানৰ ৰীতি বুলি মৃত্যুৰ ক্ষণ গণে।

কেইবাটাও বিষয়ত প্ৰথম বুলি আখ্যা দিব পৰা যোৰহাট বালিগাঁৱৰ প্ৰখ্যাত বৰকটকী পৰিয়ালত ১৯১৫ চনত জন্ম গ্ৰহণ কৰি মুনীন বৰকটকীয়ে ত্ৰিছৰ দশকত 'আৱাহন'ৰ যোগেদি 'কনফেশ্যনছ্' নামৰ ৰচনা লিখি অসমীয়া সাহিত্যলৈ প্ৰথম ৰম্য ৰচনা বা ব্যক্তিমুখী ৰচনাৰ সূচনা কৰে। তেওঁৰ পিতৃ দুৰ্গাবৰ বৰকটকী আছিল অবিভক্ত আৰু প্ৰাক-স্বাধীনতা কালৰ অসমৰ প্ৰথম শিক্ষাধিকাৰ। সেই পৰিয়ালৰে অন্নদা দেৱীয়ে প্ৰথমে 'আই' নামৰ পুথি ৰচনা কৰে। ককায়েক সত্যেন্দ্ৰনাথ কলিকতা বিশ্ববিদ্যালয়ৰ ইংৰাজী সাহিত্যত উজনি অসমৰ ভিতৰত প্ৰথম শ্ৰেণী লাভ কৰা প্ৰথমজন এম. এ.। তেওঁৰ জীয়ৰী মীনাক্ষী অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰ গণিত বিষয়ৰ ডক্টৰেট ডিগ্ৰী পোৱা প্ৰথম অসমীয়া মহিলা। তেওঁৰ পৰিবাৰ ৰেণুকা দেৱী এগৰাকী প্ৰখ্যাত ৰাজনীতিবিদ আৰু সমাজসেৱিকা, আৰু কেইবাবছৰো ধৰি সংসদ সদস্যা, প্ৰাক্তন কেন্দ্ৰীয় শিক্ষামন্ত্ৰী আৰু বিধান সভাৰ সদস্যা।

মই ভাৰত চৰকাৰৰ প্ৰেছ ইনফৰমেশ্যন ব্যুৰ'ত ১৯৫৬-৬০ চনমানত চাকৰি কৰি থাকোঁতে তাৰ ভাৰপ্ৰাপ্ত বিষয়াৰূপে থকা মুনীন বৰকটকীক অন্তৰঙ্গভাৱে লগ পাওঁ। তেতিয়া তেওঁৰ এটা বিশেষ গুণ লক্ষ্য কৰিছিলোঁ। তলৰ কৰ্মচাৰীসকলৰ গুণাগুণ বিচাৰ কৰোঁতে তেওঁ এজন ব্যক্তিৰ নিৰ্দিষ্ট এটা দুৰ্বলতাৰ বাবে তেওঁৰ সামগ্ৰিক বিচাৰত প্ৰভাৱ পেলাবলৈ নিদিছিল। অৰ্থাৎ এজন ব্যক্তি যদি কামত ভাল কিন্তু উপস্থিতি নিয়মীয়া নহয়, তেওঁ তাৰ বাবে বেয়া বুলি বিবেচিত হৈ যাব নোৱাৰে। এই সামগ্ৰিক আৰু

সূক্ষ্মদৃষ্টিৰ গুণে বৰকটকীক সাহিত্যবিচাৰতো এজন সুদক্ষ সমালোচকৰূপে গঢ় দিছিল।

বৰকটকী দৈহিক আৰু মানসিক দুইফালে আছিল উচ্চ। পুথি অধ্যয়নৰ ক্ষেত্ৰত তেওঁ আছিল ক্ষুধাৰ্ত — নতুন কিতাপ ওলালেই তেওঁ পঢ়িছিল। প্ৰায়বোৰ আলোচনী, সংবাদপত্ৰৰ পাত লুটিয়াই কলা-সাহিত্য, সংগীত-চিত্ৰ, চিনেমা-অভিনয় আদিৰ নতুন ধাৰাৰ প্ৰতি নিজকে অৱগত কৰি ৰাখিছিল বৰকটকীয়ে। তাৰ পৰিচয় তেওঁৰ সমালোচনাৰ শাৰীয়ে শাৰীয়ে পোৱা যায়। তেওঁৰ মন্তব্যবোৰ তীক্ষ্ণ আৰু কেতিয়াবা বিদ্ৰূপসনা, কিন্তু কাৰো প্ৰতি অসূয়া নৰখা। এবাৰ তেওঁ মোক খবৰ দিলে — যোৰহাটৰপৰা তেওঁৰ সম্বন্ধীয় এজন আহিছে। সেইজন আছিল মোৰ সমবয়সীয়া বন্ধু। বহুত দিন তেওঁৰ বা-বাতৰি নাছিল বাবে সুধিলোঁ — তেওঁ আজিকালি কি কৰে? বৰকটকীয়ে টপৰাই উত্তৰ দিলে — "তেওঁনো কি নকৰে?"

আন এদিন অফিচৰ কৰ্মচাৰী কেইজনমানৰ ভিতৰত দিল্লীৰ এটা বাতৰি লৈ তৰ্ক-বিতৰ্ক। এজনে বাৰে বাৰে কৈছে — "সঁচা, আজি মই সেইটো কথা পুৰা মোৰ ৰেডিঅ'টোত শুনিছোঁ।" বৰকটকীয়ে দূৰৰপৰা কথাবোৰ শুনি থাকি এবাৰ মিচিকীয়া হাঁহিৰে কৰ্মচাৰীজনৰ উদ্দেশ্যে ক'লে — "আপুনি ৰেডিঅ' এটা কিনিলে হ'বলা?" (সেই সময়ত নিজৰ এটা ৰেডিঅ' থকাটো আছিল বিলাসিতা) বৰকটকীৰ মন্তব্যবোৰত নিজৰ সম্পত্তিৰ কথা আওপকীয়াকৈ জাহিৰ কৰা আমাৰ অভ্যাসটোৰ প্ৰতি কেনে সূক্ষ্ম বিদ্ৰূপ! আৰু এদিনাৰ কথা। আমাৰ অফিচৰ ওপৰতে থকা গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ এজন কৰ্মচাৰীয়ে বৰকটকীক প্ৰতি মঙলবাৰে দেখা কৰেহি। নানা আলোচনা, হাঁহি-ধেমালিৰ মাজেদি গোটেই দিনটো প্ৰায় পাৰ হয়। এদিন বৰকটকীক সুধিলোঁ — সেই মানুহজন সদায় কেৱল মঙলবাৰে ওলায়হি কিয়? তেওঁ সকৌতুকে হাঁহিলে— মঙলবাৰে তেওঁৰ অফিচ নাথাকে, ছুটী, আৰু সেইবাবে তেওঁ ভাবে— সেইদিনা আনৰো কাম নাথাকে। সঁচা কথা। আমি নিজৰটোহে ভাবোঁ, আনৰ কথা নাভাবোঁ।

মুনীন বৰকটকীৰ অসমীয়া সাহিত্যলৈ বৰঙণি তাকৰ; কিন্তু সেয়ে খাঁটি সোণ যেন। ত্ৰিছৰ দশকত তেওঁ 'আৱাহন' আৰু 'জয়ন্তী'ত কেইটামান আটকধুনীয়া গল্প লিখিছিল। সেই গল্পবোৰত মানুহৰ প্ৰকৃতি আৰু মনৰ অন্তৰ্যুদ্ধৰ সূক্ষ্ম বিশ্লেষণ দেখা যায় আৰু বহুতৰ ধাৰণা 'তাই আৰু মই', 'অপ্ৰকাশৰ বেদনা' আদি কেইটামান গল্পত বৰকটকী কালজয়ী হৈ থাকিব। তেওঁৰ একমাত্ৰ প্ৰকাশিত গ্ৰন্থ 'বিস্মৃত ব্যতিক্ৰম' ১৯৮৫ চনত প্ৰথম প্ৰকাশন পৰিষদৰদ্বাৰা পুৰস্কৃত। গ্ৰন্থখন অসমৰ বৰেণ্য কেইজনমান ব্যক্তিৰ জীৱনী-সংগ্ৰহেই নহয়, ইয়াত সেইসকলৰ কৰ্মৰাজিৰ এটা আধ্যাত্মিক বিশ্লেষণৰ লগতে তেওঁলোকৰ

মনৰ গন্তি-বিধিৰ মাজলৈ ভুমুকি মাৰিবলৈ এটা সাহসী প্ৰচেষ্টা চলোৱা লক্ষ্য কৰিব পাৰি। দুখৰ কথা, বিস্তৃত অধ্যয়ন আৰু অভিজ্ঞতাৰে পুষ্ট হৈয়ো বৰকটকীয়ে কাপ ধৰিবলৈ এৰি দিলে। নতুন ভাবৰ ঢৌ আৰু ৰচনাশৈলীৰে বৰকটকীয়ে নিশ্চয় অসমীয়া সাহিত্য অধিক চহকী কৰিব পাৰিলেহেঁতেন।

বৰকটকীয়ে ১৯৩৮ চনত কলিকতা বিশ্ববিদ্যালয়ৰপৰা বিশেষ পাৰদৰ্শিতাৰে স্নাতক হোৱা পৰীক্ষাৰ্থীসকলৰ ভিতৰত প্ৰথম স্থান পাই সোণৰ পদক লাভ কৰিছিল। তেওঁৰ ইংৰাজী, অসমীয়া আৰু বঙলা ভাষাত আছিল সমান আধিপত্য। এহাতে তেওঁ ইংৰাজী দৈনিক 'আসাম ট্ৰিবিউন'ত সুন্দৰ ভাষাৰে সম্পাদকীয় প্ৰবন্ধ লিখিছিল, আনহাতে জতুৱা ঠাঁচৰ শব্দ লগাই লিখিছিল বিবিধ ৰচনা। এবাৰ যোৰহাটৰ এখন সভাত কেইজনমান অত্যুৎসাহী তৰুণ লেখকে সবুজ, তাত্ক্ষা আদি শব্দ আমদানি কৰি অসমীয়া ভাষা চহকী কৰাৰ পোষকতা কৰিছিল। বৰকটকীয়ে তেনেবোৰ শব্দৰ প্ৰতিশব্দেৰে অসমীয়া ভাষা ইতিমধ্যে চহকী হৈ আছে বুলি তেওঁলোকক এফে আষাৰে স্তব্ধ কৰি দিয়া আজিও মনত পৰে।

যথোপযুক্ত প্ৰত্যুত্তৰেৰে প্ৰতিপক্ষক স্তব্ধ কৰিব পৰাটো আছিল বৰকটকীৰ এটা ডাঙৰ গুণ। এবাৰ দিল্লীৰ 'চৰজাত্তা' বিষয়া এজনে গুৱাহাটীৰ আত্মৰ্ত ভৱনৰপৰা দুশ মিটাৰমান মাত্ৰ দূৰত থকা বৰকটকীৰ কাৰ্যালয়লৈ এইবুলি টেলিফোন কৰিছিল — "বৰকটকী, মই অমুক। দুহেজাৰ মাইল অতিক্ৰম কৰি মই কালি সন্ধিয়া গুৱাহাটী পাইছোঁহি। আচৰিত কথা, ইমান ওচৰতে থাকিও আপুনি মোক দেখা কৰাহি নাই।" বৰকটকীয়ে সমানে উত্তৰ দিলে— "তাতকৈয়ো আচৰিত কথা যে দুহেজাৰ মাইল আহিও দুশ মিটাৰ দূৰত থকা মোৰ কাৰ্যালয়টোত আপুনি পদাৰ্পণ কৰিব পৰাহি নাই।"

এৰা, বৰকটকীয়ে সমুচিত উত্তৰেৰে বহুতকে স্তব্ধ কৰিব পাৰিলে, নোৱাৰিলে মাথোন মৃত্যুক। ☐

মুনীন বৰকটকীক মই যিদৰে জানোঁ

ঈশ্বৰপ্ৰসাদ চৌধুৰী

মুনীন বৰকটকী বয়সত মোতকৈ সৰু আছিল; কিন্তু তেওঁ মোতকৈ আগেয়ে গ'ল। সত্য, শুদ্ধ, নিষ্কলঙ্ক জীৱন যাপন কৰা লোকজনৰ জীৱন-কালৰ শেষৰ পিনে স্বাস্থ্যৰ দ্ৰুত অৱনতি ঘটিবলৈ ধৰিছিল। তেওঁ আছিল মোৰ বহুদিনৰ চিনাকি। এসময়ত তথ্য আৰু প্ৰচাৰ দপ্তৰত তেওঁক মোৰ সহকৰ্মী হিচাপে পাইছিলোঁ। সেই সময়ত তেওঁক বৰ ওচৰৰপৰা নিৰীক্ষণ কৰিবলৈ সুবিধা হৈছিল। অল্পভাষী, নিয়মানুবৰ্তী, কৰ্মকুশল লোকজন মোৰ প্ৰশংসনীয় হৈ পৰিছিল। ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাতে তেওঁৰ অধিকাৰ আছিল শলাগিবলগীয়া।

তেওঁ যথেষ্ট আবেগপ্ৰৱণ লোক আছিল। সেই কাৰণেই হ'বলা তেওঁৰ মাজে-সময়ে দুৰ্বাসা মুনিৰ দৰে খং উঠে; যিটো খং মাৰ যাওঁতে বহু সময় লাগিছিল। অন্যায়, অবিচাৰ, দুৰ্নীতি, দুষ্কৃতিৰ প্ৰতি তেওঁৰ ঘৃণা আছিল অপৰিসীম। জীৱন-কালত তেওঁ কোনেদিনে অপকৰ্ম, অপসংস্কৃতিৰ লগত নিজেও আপোচ কৰিব নোৱাৰিলে, আনে তেনে কৰা দেখিলেও তেওঁ মনত দুখ পাইছিল। প্ৰচাৰ বিভাগত শ্ৰীমতী ৰেণুকা আইদেৱেও কিছুকাল চাকৰি কৰিছিল। গতিকে মই দুয়োজনৰ বিষয়ে সম্ভৱপৰ ধাৰণা এটা ল'বলৈ সুযোগ পাইছিলোঁ। মুনীন বৰকটকী বিবাহ, সংসাৰ-ধৰ্ম পালন আদিৰ বিষয়ে বহু বছৰলৈকে উদাসীন আছিল। তেওঁৰ জীৱন-তৰী ভটীয়নী সোঁতত লক্ষ্যহীনভাৱে সম্পূৰ্ণৰূপে উটি যোৱাৰপৰা ৰক্ষা কৰিবৰ কাৰণেই হ'বলা ৰেণুকা আইদেৱে নাওখনৰ গুৰি ধৰিলেহি। তেওঁলোকৰ বিবাহ সম্পন্ন হোৱাত যিজন লোকে প্ৰভূত পৰিমাণে দিহা-পৰামৰ্শ আগবঢ়াইছিল, তেওঁ হৈছে শ্ৰীপ্ৰমোদ শৰ্মা, যিজনক বৰকটকীয়ে সম্বোধন কৰিছিল 'মিত্ৰ' বুলি — তেওঁলোকৰ কলিকতা-প্ৰবাসৰ দিনৰপৰা।

আমি দুয়ো চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰাৰ পাছত জিলা পুথিভঁৰালৰ 'Reference' বিভাগটোত প্ৰায়ে লগালগি হৈছিলোঁ। তাত আমি পৰস্পৰৰ সুখ-দুখৰ কথাও আলোচনা কৰিছিলোঁ। এদিন আবেলি পুথিভঁৰালত মোক লগ পাই অতিশয় আনন্দ মনেৰে ক'লে, "চৌধুৰী, আপুনি শুনি সুখ পাব যে মোৰ ছোৱালীয়ে অক্সফৰ্ড ইউনিভাৰছিটিৰ ডক্টৰেট ডিগ্ৰী লাভ কৰিছে।"

মই শুনি বৰ আনন্দিত হৈছিলোঁ আৰু হোৱালীৰ দেউতাককে অভিনন্দন জনাইছিলোঁ। তেওঁৰ অধ্যয়নপুষ্ট মনৰ ভঁৰালটো যথেষ্ট ডাঙৰ আছিল। কিতাপ-পত্ৰ আছিল তেওঁৰ একান্ত লগৰীয়া। সেই কাৰণেই হ'বলা তেওঁ লিখা প্ৰবন্ধ, সমালোচনা আদি আছিল উন্নত ধৰণৰ। তেওঁৰ সমকক্ষ সমালোচকৰ সংখ্যা কম। তেওঁ সাৰ পদাৰ্থ নিগৰি উলিওৱাত সিদ্ধহস্ত আছিল। তেওঁ 'আৱাহন' যুগৰ লেখক। তেওঁৰ গল্প বহু ঠাইত সিঁচৰতি হৈ আছে। পাছলৈ তেওঁ প্ৰধানতঃ প্ৰবন্ধকাৰ হৈছিল। কিতাপ প্ৰকাশিত হৈছিল মাত্ৰ এখন— 'বিস্মৃত ব্যতিক্ৰম।'

তেওঁ মোৰ নিচিনা আড্ডাবাজ নাছিল। তেওঁ নিজক লৈয়ে বেছি ভাগ সময় ব্যস্ত আছিল, "আপনাতে আপনি বিকশি" আছিল। দুৰ্গাধৰ বৰকটকীৰ প্ৰথম পুত্ৰ সত্যেন বৰকটকীৰ জীৱন-নিৰ্বাহ প্ৰণালীৰ লগত বৰকটকী ডাঙৰীয়াৰ দ্বিতীয় পুত্ৰ মুনীন বৰকটকীৰ জীৱন-যাপন প্ৰণালী সম্পূৰ্ণ বিপৰীত ধৰণৰ আছিল। এজন আছিল ৰাজসিক, আনজন সাত্বিক। মই মুনীন বৰকটকীক মদ, চিগাৰেট আদি খোৱা দেখা নাছিলোঁ। শুদ্ধ জীৱন যাপনৰ পক্ষপাতী এই লোকজন-আছিল বহু বিষয়তে অনন্য। তেওঁৰ বিয়োগত অসমীয়া সাহিত্যত কৃতিত্বপূৰ্ণ সমালোচনাৰ নিচিনা এটা বিশিষ্ট ক্ষেত্ৰৰ অপূৰণীয় ক্ষতি হ'ল। □

সান্ত্বনাৰ ভাষা

সুনীল শৰ্মা

ক'তো একো হোৱা নাই
এটা গছৰ পাতো অকালতে
বৃন্ত চিঙি সৰি পৰা নাই।
নীৰৱ, নিথৰ প্ৰকৃতি
যেন এইমাত্ৰ হেৰাই গ'ল চিন্তাবিদ মুনীন বৰকটকী।

সমুখৰ বাৰান্দাত ৰ'দ লৈ লৈ
ইজি চেয়াৰত বহি
বাতৰি কাকতত মগ্ন
ক্লান্ত মানুহজন হঠাৎ নোহোৱা হৈ গ'ল।

পুৱাই শয্যা ত্যাগ কৰি
প্ৰাতঃ কৰ্মাদি অন্ত পেলাই
সতেজ সজীৱ হৈ থকা
সাহিত্যৰ পোক,

সংবাদ-পত্ৰত মননশীল প্ৰবন্ধৰে আলোড়ন তোলা
পি.আই.বি.ৰ বাটকটীয়া, সংবাদসেৱীগৰাকী
হঠাৎ নোহোৱা হৈ গ'ল।

একো অস্বাভাৱিকতা নাই
একো বিসংগতিও নাই
শান্তভাৱে এজন ক্লান্ত সৈনিক
এইমাত্ৰ শুই পৰিল প্ৰকৃতিৰ মৰমী কোলাত
জয়ী হৈ সংসাৰ যুঁজত।

এৰি থৈ বন্ধু-পৰিজন
ত্যাগ কৰি সংসাৰৰ মায়া
কন্দুৱাই পত্নী, পুত্ৰী আৰু জ্ঞাতিসহ হাজাৰ সুহৃদ
৬ নৱেম্বৰ (১৩)ৰ গধূলি বেলা
অস্ত গ'ল নিৰ্মোহ শান্ত-শিষ্ট
পৰিপুষ্ট জ্ঞানৰ অধিকাৰী মুনীন বৰকটকী।

তেখেতৰ বিয়োগৰ পৰত
নাই একো দিবলৈ আমাৰ
নাই একো দিবলৈ শোকাভিভূত পৰিয়ালবৰ্গলৈ
আছে মাত্ৰ বিয়োগান্ত নাটৰ বিষাদ বাতৰি
সমবেদনা
সহানুভূতি
আৰু সান্ত্বনাৰ বাণী॥ □

মুনীন বৰকটকী মানুহজন

হিৰণ্ময়ী দেৱী

অসমৰ এজন বিশিষ্ট সাহিত্যিক, সাংবাদিক, সমালোচক মুনীন বৰকটকীদেৱৰ দীৰ্ঘদিনীয়া অসুখৰ ফলত যোৱা ছয় নৱেম্বৰত গুৱাহাটীৰ পঞ্চবটীৰ নিজাঘৰত ৭৮ বছৰ বয়সত মৃত্যু ঘটে। শ্ৰীবৰকটকীদেৱৰ দেহাৱসান অসম আৰু অসমীয়া ভাষা-সাহিত্যৰ এক অপূৰণীয় ক্ষতি। বৰকটকীদেৱৰ জন্ম হৈছিল যোৰহাটত, ১৯১৫ চনত। শিক্ষা-সংস্কৃতিৰ জগতখনৰ সৈতে ওতপ্ৰোতভাৱে জড়িত স্বৰ্গীয় দুৰ্গাধৰ বৰকটকী আৰু পত্নী স্বৰ্গীয়া কমলিনী দেৱীৰ কনিষ্ঠ সন্তান বৰকটকী প্ৰখৰ মেধাৱী আৰু সৰুৰেপৰাই সাহিত্যপ্ৰেমী আছিল। যোৰহাট হাইস্কুলৰপৰা কৃতিত্বেৰে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱা ল'ৰাটিৰ সেই পৰীক্ষা চলি থকাৰ মাজতে পিতৃ-বিয়োগ ঘটিছিল। ইণ্টাৰমিডিয়েট পৰীক্ষা পাছ কৰিয়েই তেওঁ চাকৰিত সোমাইছিল। যোৰহাটৰ মিশ্যন স্কুল, চৰকাৰী হাইস্কুল আৰু নগাপাহাৰৰ এখন স্কুলতো তেওঁ এৰা-ধৰাকৈ কিছুদিন শিক্ষকতা কৰিছিল। ইমান চোকাবুধীয়া আৰু পঢ়া-শুনাত ধাপ থকা ছাত্ৰ এজনৰ সিমানতে শিক্ষা সাং হোৱাৰ শংকা কৰি, সেই সময়ত ঢাকাত চাকৰি কৰি থকা ভিনীহিয়েক নবীন শৰ্মাই তেওঁক নি ঢাকাৰ কলেজত নাম লগাই দিলেগৈ। পাছত কটন কলেজৰপৰা অনিয়মিত ছাত্ৰৰূপে স্নাতক পৰীক্ষা দি তেওঁ কলিকতা বিশ্ববিদ্যালয়ত ডিষ্টিংচন পোৱা ছাত্ৰসকলৰ মাজত প্ৰথম হৈ সোণৰ পদক লাভ কৰে। নিজৰ সাফল্যত উৎসাহিত হৈ তেওঁ কলিকতালৈ গৈ ইংৰাজীত এম. এ. কোৰ্ছ সম্পূৰ্ণ কৰে; কিন্তু অতি দুখৰ কথা, প্ৰথম শ্ৰেণী পোৱাৰ জোখাৰে প্ৰস্তুতি যথেষ্ট নোহোৱাৰ অজুহাতত পিছুৱাই থাকোতে থাকোতে অৱশেষত তেওঁৰ পৰীক্ষা দিয়া হৈ নুঠিল।

অসমলৈ উভতি আহি সেই সময়তে গুৱাহাটীৰপৰা দৈনিক বাতৰি হিচাপে প্ৰকাশ হোৱা 'আসাম ট্ৰিবিউন' কাকতৰ সহকাৰী সম্পাদকৰূপে কামত যোগ দিলেহি। পাছত সেই চাকৰি এৰি শ্বিলঙত অসম চৰকাৰৰ প্ৰচাৰ বিভাগত আৰু শেহতীয়াকৈ গুৱাহাটীত কেন্দ্ৰীয় চৰকাৰৰ "প্ৰেছ ইনফৰমেশ্যন ব্যুৰ'ত প্ৰথমজন তথ্য বিষয়াৰূপে যোগদান কৰে। কিছুকাল তেওঁ আকাশবাণীতো বাৰ্ত্তা-সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৫৯ চনত পৰৱৰ্তী কালৰ কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীমতী ৰেণুকাদেৱীৰ সৈতে বিবাহ পাশত আবদ্ধ হয়। তেওঁলোকৰ

একমাত্র সন্তান সমানে তীক্ষ্ণধী শ্ৰীমতী মীনাক্ষী ভট্টাচাৰ্যই অলপতে অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰপৰা বিশেষ যোগ্যতাৰে ডক্টৰেট ডিগ্ৰী লৈ সম্প্ৰতি গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপনা আৰম্ভ কৰিছে। প্ৰথম অসমীয়া উপন্যাস ৰচয়িত্ৰী পদ্মাৱতী দেৱী ফুকননীৰ বৰ জীয়ৰীৰ সন্তান মুনীন বৰকটকীয়ে সাহিত্যিক প্ৰতিভা উত্তৰাধিকাৰসূত্ৰে পাইছিল। ছাত্ৰ অৱস্থাৰপৰাই তেওঁ আৱাহন আৰু সমকালীন অন্য আলোচনীত ভালেমান গল্প লিখিছিল। তেওঁক অসমীয়া ৰম্য-ৰচনাৰ বাটকটীয়া আখ্যা দিয়া হৈছে। তেওঁৰ কনফেশ্যনছ্ নামৰ নিবন্ধটি, এগৰাকী বিশিষ্ট সমালোচকে "অসমীয়া ভাষাৰ বুদ্ধিদীপ্ত, ব্যক্তিগত নিবন্ধৰ সৰ্বপ্ৰথম আৰু সৰ্বোত্তম নিদৰ্শনবোৰৰ অন্যতম" বুলি মত প্ৰকাশ কৰিছে। আজিৰ পাঠকে অৱশ্যে তেওঁক ভাৱগধুৰ আৰু সমালোচনামূলক প্ৰবন্ধ-পাতিৰ লেখক বুলিয়েই জানে। এসময়ত তেওঁ 'অনিৰুদ্ধ কটকী' ছদ্মনামেৰেও লিখা-মেলা কৰিছিল। আৱাহন যুগৰেপৰা নানা কাকত-আলোচনীৰ পাতত সিঁচৰতি হৈ থকা তেওঁৰ গল্প-প্ৰবন্ধখিনি গোটাই-পিটাই সমগ্ৰ ৰচনা হিচাপে ছপাই উলিয়ালে আজিৰ পঢ়ুৱৈ সমাজ নিশ্চয় বিশেষভাৱে উপকৃত হ'ব।

তেওঁৰ একমাত্ৰ প্ৰকাশিত গ্ৰন্থ বিস্মৃত-ব্যতিক্ৰম এখনি উৎকৃষ্ট মানৰ জীৱন-চৰিত পুথি। চৈধ্যজন "বিশিষ্ট কিন্তু অধুনাবিস্মৃত অসমীয়াৰ চৰিত্ৰ কৰ্মৰ ব্যক্তিমুখী, আপোন ৰেখা-চিত্ৰ একোটাহঁত থকা" এই গ্ৰন্থখনিৰ প্ৰবন্ধ কেইটিত লেখকে ব্যক্তিকেইগৰাকীৰ চৰিত্ৰত বিশেষভাৱে আলোকপাত কৰাৰ উপৰিও আমাৰ সমাজখনৰ গতি-প্ৰকৃতি সম্পৰ্কেও বহু প্ৰণিধানযোগ্য মন্তব্য আগবঢ়াইছে। পুথিখনিৰ ভাষা আৰু দেশ-বিদেশৰ মনীষীসকলৰ বিষয়ে কৰা আলোচনা আৰু উদ্ধৃতিসমূহে গ্ৰন্থকাৰৰ বিশাল অধ্যয়ন, প্ৰগাঢ় জ্ঞানৰ পৰিচয় দাঙি ধৰে। উল্লেখযোগ্য যে এই গ্ৰন্থখনিৰ বাবে তেওঁ ১৯৮৫ চনত অসম প্ৰকাশন পৰিষদৰ পুৰস্কাৰ লাভ কৰে।

পৰিপাটী অথচ অনাড়ম্বৰ স্বদেশী সাজ-পাৰেৰে ওখ-পাখ সৌম্য-সুদৰ্শন চেহেৰা আৰু সহজ-সৰল স্বভাৱৰ বৰকটকীদেৱ এক আকৰ্ষণীয় ব্যক্তিত্বৰ অধিকাৰী আছিল। আজি দুবছৰমানৰ আগলৈকে তেওঁক নিতৌ গুৱাহাটীৰ জিলা পুথিভঁৰালৰ পাঠাগাৰটোত আবেলি কিতাপ-আলোচনীত নিমগ্ন হৈ থকা বাইজে দেখিছিল। সাংসাৰিক দিশটোৰ প্ৰতি একপ্ৰকাৰ নিৰাসক্ত, ভাবুক, অন্তৰ্মুখী পুৰুষজনে পাছৰ কালছোৱা পত্নীৰ ৰাজনৈতিক জীৱনৰ ধামখুমীয়াৰপৰা নিজকে যথাসম্ভৱ আঁতৰাই ৰাখি নিৰলাত বহি কিতাপ-কাগজৰ মাজতে সময় কটাইছিল। গহীন-গম্ভীৰ, মিতভাষী মানুহজনৰ হৈ-চৈ কৰি আনন্দ কৰাৰ বা সকলোৰে লগত সমানে মিলা-মিছা কৰাৰ প্ৰবৃত্তি নাছিল; কিন্তু মনে মিলা আত্মীয়-স্বজন আৰু বন্ধু-বান্ধৱৰ লগত বিশেষ অন্তৰঙ্গতা গঢ়ি তুলিছিল। তেওঁ আছিল স্পৰ্শকাতৰ, কোমল প্ৰাণত দুখীয়া, নিচলা, দুৰ্দশাগ্ৰস্ত মানুহৰ

সমস্যাবোৰে গভীৰভাৱে ৰেখাপাত কৰিছিল। অকল নিজে পঢ়া-শুনা কৰাই নহয়, চিন্তা-চৰ্চা কৰা মানুহ মাত্ৰেই তেওঁৰপৰা মৰম-চেনেহ, উৎসাহ-উদগনি পাইছিল। এদিন 'চেণ্টিনেল' কাকতত এজন স্কুলীয়া ল'ৰাৰ এটি সুন্দৰ লেখা পঢ়িবলৈ পাই আনন্দত অধীৰ হৈ তেওঁ কিবা প্ৰকাৰে ল'ৰাজনৰ ঠিকনা বিচাৰি উলিয়াই ফোনযোগে প্ৰশংসা আৰু শুভেচ্ছা জনাইহে ক্ষান্ত হৈছিল। নিজৰ সন্তানটিৰো মানসিক, বৌদ্ধিক উৎকৰ্ষ সাধনৰ চিন্তাইহে তেওঁক চিন্তিত কৰিছিল, বাকী সমস্ত দায়িত্ব মাকেই চম্ভালিবলগীয়া হৈছিল।

উচ্চাঙ্গ সঙ্গীত আৰু ৰবীন্দ্ৰনাথৰ গীত-কবিতা তেওঁৰ বৰ প্ৰিয় আছিল। নিজে হাৰমনিয়াম বজাই সুন্দৰকৈ ৰবীন্দ্ৰ সঙ্গীত গাইছিল। সৰুতে ঘৰত সঙ্গীত-চৰ্চাৰ পৰিবেশ পোৱা বৰকটকীয়ে হেনো যোৰহাটৰ সাংস্কৃতিক অনুষ্ঠানত বায়েকহঁতৰ সৈতে গীত পৰিবেশন কৰিছিল। তেওঁ চিনে ক্লাবৰ সদস্য আছিল আৰু দেশ-বিদেশৰ কলাত্মক ছবিসমূহ আগ্ৰহেৰে চাইছিল। গুৱাহাটী আৰ্ট গেলাৰীত সততে অনুষ্ঠিত হোৱা চিত্ৰ প্ৰদৰ্শনীসমূহৰ তেওঁ নিয়মীয়া দৰ্শক আছিল। সাহিত্য কানন, গুৱাহাটী আলোচনা চক্ৰ প্ৰমুখ্যে সাহিত্য-সংস্কৃতি-সংবাদসেৱামূলক ভালেমান অনুষ্ঠানৰ সৈতে তেওঁ ঘনিষ্ঠভাৱে জড়িত আছিল।

স্বাভাৱিকতেই আমাৰ মনত এটি প্ৰশ্ন জাগে— অসাধাৰণ প্ৰতিভাশালী, সাগৰ-প্ৰমাণ জ্ঞানৰ অধিকাৰী এই মানুহজনে ইমান কম লিখিলে কিয়। এইপিনৰপৰা চাবলৈ গ'লে তেওঁ নিজেও 'ব্যতিক্ৰমী ব্যক্তিত্ব'ৰ শাৰীতে পৰে। শুনা মতে, মানুহজন অলপ আলসুৱা প্ৰকৃতিৰ আছিল। এম.এ. পৰীক্ষাৰ প্ৰস্তুতি হিচাপে লিখা দ'ম দ'ম টোকাবহী, ভালেমান প্ৰবন্ধ-পাতিৰ কপি আৰু আপুৰুগীয়া কিতাপ, পত্নীৰ সৈতে দিল্লীত কটোৱা বছৰকেইটাত উঁয়ে খাই নষ্ট কৰাত মানুহজন কিছুদিনলৈ মানসিকভাৱে ভাগি পৰিছিল। তেওঁৰ ককায়েক, প্ৰতিভাধৰ সাহিত্যিক আৰু সফল প্ৰশাসনীয় বিষয়া স্বৰ্গীয় সত্যেন বৰকটকীদেৱে হেনো লিখনিৰ মাধ্যমেৰে তেওঁৰ প্ৰগাঢ় জ্ঞান আৰু বিচিত্ৰ অভিজ্ঞতা দহজনৰ মাজত বিলাই দিবলৈ সততে উপদেশ দিছিল। পিছে নিজকে নিজত মজি থাকি আনন্দ পোৱা ভায়েকে হেনো কৈছিল যে তেওঁ যি লিখে নিজৰ তৃপ্তিৰ বাবেহে লিখে। বিস্মৃত ব্যতিক্ৰমৰ এঠাইত তেওঁ লিখিছে, ".... মনীষাই মনীষাই বিজাই চাওঁতে, কোনজনে কিমান বেছি গ্ৰন্থ ৰচনা কৰিলে, নাইবা কিমান সুখ্যাতি আৰু যশস্যা আৰ্জিলে সেইটো মুখ্য প্ৰশ্ন নহয়, মুখ্য প্ৰশ্ন হৈছে, কোনজনৰ বৌদ্ধিক-প্ৰয়াসৰ 'ৰেঞ্জ' বা বিস্তৃতি কেনেকুৱা, পণ্ডিতসুলভ কামনা-বাসনা বা অভিযাত্ৰা আকাংক্ষাৰ উচ্চতা বা গভীৰতা কিমান।" মুনীন বৰকটকীৰ সাহিত্যৰ মূল্যায়ন সেই মাপকাঠিৰেই হোৱাটো বাঞ্ছনীয়। এইক্ষেত্ৰত হয়তো হোমেন বৰগোহাঞিৰ সৈতে কোনো দ্বিমত নহ'ব যে "খুব কম লিখিও তেওঁ অসমীয়া সাহিত্যত স্বকীয় বৈশিষ্ট্যৰ চাপ বহুৱাই যাব পাৰিছে।" ☐

নীৰৱ সাহিত্য-সাধক মুনীন বৰকটকী

বীৰেন্দ্ৰকুমাৰ লহকৰ

ঘৰপৰা ওলায়েই বাঁওফাললৈ এক বিশেষ কোণেৰে চাই পঠালেই বিৰাট লোৰ গেটখনৰ সিপাৰে, গেটখনৰ পোনে পোনে দেখা সৰু অথচ আটোমটোকাৰী কোঠাটোৰ সমুখৰ লোৰ গ্ৰিলেৰে আবৰা সৰু বাৰান্দাখনৰ একমাত্ৰ চকীখনত মানুহজনে আপোন মনে কাকত পঢ়ি থকা চকুত পৰে। ডাঠ ক'লা ফ্ৰেমৰ চছমা পৰিহিত মানুহজনৰ বাঁওফালৰ বেঞ্চখনত আওজাই থোৱা থাকে এডাল কাঠৰ মসৃণ লাঠী, পিন্ধনত কেতিয়াবা লুঙী আৰু খদ্দৰৰ হাতকটা এটা গেঞ্জি বা কেতিয়াবা পাঞ্জাবী, সমুখৰ ঘূৰণীয়া টেবুলখনত এজাপ ইংৰাজী-অসমীয়া স্থানীয় আৰু সৰ্বভাৰতীয় বাতৰিকাকত। গহীন-গম্ভীৰ মানুহজনক তেনে অৱস্থাত দেখিলে, এই সকলোবোৰ মিলি ফুটি উঠা মানুহজনৰ প্ৰখৰ ব্যক্তিত্বৰ উত্তাপত ওচৰলৈ যাবলৈকে বহু সময় চিন্তা কৰিব লগা হয়। সদায় অফিচলৈ যাবৰ সময়ত ঘৰৰপৰা ওলায়েই বাঁওফাললৈ দৃষ্টি পেলাই মানুহজনৰ সেই প্ৰখৰ ব্যক্তিত্ব এবাৰ চাই যোৱাটো মোৰ অভ্যাসতেই পৰিণত হৈছিল।

ঠাণ্ডাই হওক বা গৰমেই হওক, ৰ'দেই থাকক বা বৰষুণেই থাকক, প্ৰতিদিনেই মানুহজনে আবেলি এটা নিৰ্দিষ্ট সময়ত ঘৰৰপৰা বাহিৰলৈ ওলাই ফুটপাথেৰে গহীন-গম্ভীৰ খোজেৰে আগবাঢ়ে দীঘলীপুখুৰীৰ ফাললৈ; দীঘলী পুখুৰীৰ পাৰ পাই মানুহজন অলপ থমকি ৰৈ ব্যস্ত ৰাজপথৰ ইফালে-সিফালে চাই পথটো পাৰ হৈ জিলা পুথিভঁৰালত সোমাই পোনে পোনে অধ্যয়ন-কক্ষত প্ৰৱেশ কৰি অধ্যয়ন-কক্ষত থকা আটাইবোৰ বাতৰিকাকত গোটাই লৈ এঠাইত বহি এখন বেলেগ জগতত সোমাই পৰে। ক'লা ডাঠ ফ্ৰেমৰ চছমা পৰিহিত, হৃষ্টপুষ্ট থুলন্তৰ মানুহজন ছফুটতকৈও বেছি ওখ, কেঁচা-পকা দীঘল চুলিখিনি পিছফাললৈ আঁচোৰা, পিন্ধনত খদ্দৰৰ ধুতী-পাঞ্জাবী, ঠাণ্ডাৰ দিনত এটা হাফ জৱাহৰ কোট আৰু সুন্দৰকৈ জাপি কান্ধত পেলাই লোৱা কাশ্মিৰী শালখনেৰে বিশাল ব্যক্তিত্বৰ মানুহজনে ফুটপাথেৰে গহীন-গম্ভীৰভাৱে খোজ কাঢ়ি গ'লে এই গোটেই পথছোৱাৰ দুয়োফালৰ দোকান-পোহাৰৰ আৰু ৰাস্তাৰ ব্যস্ত মানুহজনেও মানুহজনলৈ এবাৰ উভতি চায়। আবেলি পুথিভঁৰালৰ অধ্যয়ন-কক্ষত সোমাই বাতৰিকাকত-আলোচনী-গ্ৰন্থৰ মাজত ডুব গৈ এখন বেলেগ ৰাজ্যত

বিচৰণ কৰি থকা মানুহজন যেতিয়া সন্ধিয়া চাৰে সাত বজাৰ পাছতো কোনো গ্ৰন্থৰ কোনো প্ৰবন্ধৰ মাজত ডুব গৈ থাকে, তেতিয়া অধ্যয়ন-কক্ষৰ পৰিচালনাৰ দায়িত্বত থকা কৰ্মচাৰীজনে ভয়ে ভয়ে মানুহজনৰ ওচৰ চাপি কওঁ নকওঁকৈ কৈ উঠে — 'ছাৰ, চাৰে সাত বাজি গ'ল, আমাৰ বন্ধ কৰাৰ সময় হ'ল।' কৰ্মচাৰীজনৰ মাতত বাস্তৱলৈ উভতি আহি মানুহজনে স্মিত হাঁহি এটিৰে প্ৰবন্ধৰ মাজৰপৰা ওলাই মূৰ দাঙি কৰ্মচাৰীজনলৈ চাই এবাৰ হাতঘড়ীটোলৈ লক্ষ্য কৰি বহাৰপৰা উঠি অধ্যয়ন-কক্ষৰপৰা ওলাই আহি পুনৰ ফুটপাথেৰে একে গতিৰে খোজ কাঢ়ি আহি ঘৰ সোমায়হি।

মানুহজনৰ নাম মুনীন বৰকটকী।

গুৱাহাটীৰ পঞ্চৱটী আশ্ৰম নিবাসী মুনীন্‌ বৰকটকীৰ জন্ম যোৰহাটত। যোৰহাটৰ বিখ্যাত বৰকটকী বংশৰ ৰায়চাহেব ৺দুৰ্গাধৰ বৰকটকী তেখেতৰ পিতৃ আৰু মাতৃ আছিল কমলিনী দেৱী। ১৯১৫ চনৰ অক্টোবৰৰ ১৬ তাৰিখে জন্মলাভ কৰা বৰকটকীয়ে যোৰহাট গৰ্ণমেণ্ট হাইস্কুলৰপৰা প্ৰৱেশিকা পাছ কৰি কটন কলেজৰপৰা ডিষ্টিংচন লৈ বি.এ. পাছ কৰে। কলিকতা বিশ্ববিদ্যালয়ৰ ভিতৰতে ডিষ্টিংচনত প্ৰথম স্থান লাভ কৰি বৰকটকীয়ে সোণৰ পদকো লাভ কৰিছিল। আৰম্ভণীতে যোৰহাটৰ মিছন হাইস্কুল আৰু নাগালেণ্ডত শিক্ষকতা কৰা বৰকটকীয়ে ১৯৩৪ চনত 'আসাম ট্ৰিবিউন' কাকতত সহকাৰী সম্পাদক হিচাপে সাংবাদিকতাৰ জীৱন আৰম্ভ কৰে। সদায়েই নিজৰ মতত চলিবলৈ বিচৰা বৰকটকীয়ে পাছত অসম চৰকাৰৰ জনসংযোগ, পি.আই.বি. আদিত কাম কৰি শেষত আকাশবাণীৰ বাতৰি-সম্পাদক হিচাপে চাকৰি জীৱনৰ অন্ত পেলায়।

সাংবাদিকতা আৰু সাহিত্যচৰ্চাকে জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰা বৰকটকীয়ে তাহানিতে 'আৱাহন' আৰু 'জয়ন্তী'ত গল্প লিখি জনপ্ৰিয়তা অৰ্জন কৰিছিল যদিও অধ্যয়নপুষ্ট বৰকটকী শেষলৈ প্ৰবন্ধকাৰ আৰু সমালোচক হিচাপে অসমীয়া সাহিত্য জগতত এখনি সুকীয়া আসন লাভ কৰিবলৈ সক্ষম হয়।

লক্ষ্মীনাথ বেজবৰুৱাৰ পাছত 'বাঁহী'খন পুনৰ সৰ্বাংগ সুন্দৰকৈ প্ৰকাশ কৰি উলিওৱাৰ বাবে মাধৱ বেজবৰুৱাই মুনীন বৰকটকীদেৱকো সম্পাদক হিচাপে লৈছিল। 'বাঁহী'ৰ প্ৰথম সংখ্যাত প্ৰকাশৰ বাবে বৰকটকীয়ে 'যুগসন্ধিত লক্ষ্মীনাথ বেজবৰুৱাৰ আদৰ্শ আৰু অবিহণাৰ নৱ-মূল্যায়ন' নামৰ এটি দীঘলীয়া প্ৰবন্ধ লিখিছিল যদিও প্ৰবন্ধটি 'বাঁহী'ত প্ৰকাশ নকৰাত মাধৱ বেজবৰুৱাৰ সতে বৰকটকীৰ মত-পাৰ্থক্যই প্ৰবল ৰূপ ধাৰণ কৰে আৰু লগে লগে তেওঁ 'বাঁহী'ৰপৰা ওলাই আহে।

কোনোদিনে কাৰো সতে আপোচ নকৰা বৰকটকী আছিল নিজৰ

মতত অটল। কোনোদিনে কাকো খাতিৰ নকৰা, কাৰো কৃপা বা পুতৌৰ পাত্ৰ হ'ব নিবিচৰা বৰকটকীৰ সাহিত্য-সেৱা আছিল তেনেই নিঃস্বাৰ্থ। গ্ৰন্থাকাৰে বৰকটকীৰ লেখা প্ৰকাশ হৈ ওলোৱাৰ বহু আগতেই বৰকটকী হৈ পৰিছিল সৎ সাংবাদিক-সাহিত্যিক-শিল্পী-বুদ্ধিজীৱী-সম্পাদক তথা নিষ্ঠাবান সাহিত্যপ্ৰেমীৰ পৰম শ্ৰদ্ধাৰ পাত্ৰ। একাশী চনত বহু চেষ্টাৰ মূৰত প্ৰকাশ হৈ ওলোৱা তেখেতৰ একমাত্ৰ গ্ৰন্থ 'বিস্মৃত ব্যতিক্ৰম' আছিল সঁচা অৰ্থতেই অসমীয়া সাহিত্যৰ ভঁৰাললৈ এক ব্যতিক্ৰম সংযোজন। অসম প্ৰকাশন পৰিষদ বঁটাৰে উক্ত গ্ৰন্থক পুৰস্কৃত কৰি বহুত পলমকৈ হ'লেও তেখেতক সন্মান যাঁচি অসমীয়া সাহিত্য জগত নিজে ধন্য হৈছে।

বৰকটকীৰ ঘৰখন আৰম্ভণীৰেপৰা, আৰু এতিয়াও বহু প্ৰখ্যাত সাংবাদিক-সাহিত্যিক-ৰাজনৈতিক নেতা-সমাজকৰ্মীৰ ভাতঘৰস্বৰূপ। একোৰে অভাৱ নথকা ঘৰ এখনৰ মুৰব্বী হিচাপে বৰকটকীয়ে নিজেই তেওঁৰ সকলো ৰচনা কেতিয়াবাই প্ৰকাশ কৰি উলিয়াব পাৰিলেহেঁতেন। তেখেতৰ সুযোগ্য পত্নী, প্ৰখ্যাত বিৰোধী সদস্যা তথা প্ৰাক্তন কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ৰেণুকাদেৱী বৰকটকী বাইদেউৰ সতে আলোচনা কৰি তেনে এক উদ্যোগ হাতত লোৱাৰ যো-জা কৰিছিলো যদিও বৰকটকী নিজে এই ক্ষেত্ৰত আছিল প্ৰবল বিৰোধী। কোনো স্বাৰ্থ, খ্যাতি বা প্ৰচাৰ বিচাৰিতো মই সাহিত্যচৰ্চা কৰা নাছিলোঁ! সাহিত্যচৰ্চা কৰিছিলো মই মোৰ মনৰ তাগিদাত। ৰাইজে ভাল পালে ৰাইজেই প্ৰকাশ কৰি উলিয়াব — এয়াই আছিল বৰকটকীৰ ব্যক্তিগত মত।

বয়সত সৰু হ'লেও গুণীৰ গুণৰ প্ৰশংসা কৰাত বৰকটকীয়ে কেতিয়াও কাৰ্পণ্য কৰা নাছিল। অৱসৰ গ্ৰহণ কৰাৰ পাছত আৰু দিল্লীৰপৰা একেবাৰে গুৱাহাটীলৈ গুচি অহাৰ পাছত স্বাস্থ্যজনিত কাৰণত বৰকটকীৰ জিলা পুথিভঁৰাললৈ যোৱা পাতলি আহিছিল যদিও শেহতীয়া আলোচনী, গ্ৰন্থ, বাতৰিকাকত আদিৰ পাত লুটিয়াই অসমীয়া সাহিত্যৰ শেহতীয়া ধাৰাৰ উমান ল'বলৈ প্ৰয়াস কৰিছিল, অচিনাকি নতুন লেখক-লেখিকাসকলৰ বিষয়ে প্ৰায়েই মোৰ লগত কথা পাতি সম্ভাৱনাপূৰ্ণ নবীন লেখকসকলৰ লেখাৰ আলোচনাও কৰিছিল।

মুনীন বৰকটকীক মই বহুদিনৰপৰাই পাইছো। কেতিয়াবা ঘৰত ঘৰুৱা পৰিবেশত, কেতিয়াবা সাহিত্য সম্পৰ্কীয় সভাত, কেতিয়াবা চিত্ৰ প্ৰদৰ্শনীত, কেতিয়াবা কোনো শোক সভাত, কেতিয়াবা নাটঘৰত অথবা কেতিয়াবা কোনো বাতৰিকাকতৰ সম্পাদকৰ সতে আলোচনা কৰি থকা সময়ত নিজৰ ঘৰৰ বহা কোঠাত।

বহুদিনীয়া পুৰণি দৃশ্য এটা মোৰ মনৰ মাজত আজিও সজীৱ হৈ আছে। অধুনালুপ্ত 'অসম বাতৰি' কাকতৰ সম্পাদক হৈ থকা সময়ত শ্ৰদ্ধাস্পদ চাৰু মহন্তই প্ৰায়েই ৰাতিপুৱা আহি বৰকটকীক লগ ধৰি একে লেখাৰিয়ে

কেইবামাহো ঘৰৰ সমুখৰ বাৰান্দাত বহি দুয়ো একান্তমনে তিনি ঘণ্টামান আলোচনাত ব্যস্ত আছিল আৰু বৰকটকীয়ে কৈ যোৱা কথাবোৰ চাৰু মহন্তই লিখি গৈছিল। মহন্তৰ সেই তাগিদাৰ ফলস্বৰূপেই 'অসম বাতৰি'ৰ পাততেই প্ৰকাশ পাইছিল মুনীন বৰকটকীৰ মূল্যবান এলানি প্ৰবন্ধ। চৈধ্যগৰাকী প্ৰাতঃস্মৰণীয় অসমীয়াৰ জীৱনভিত্তিক উক্ত প্ৰবন্ধলানিৰ একত্ৰ সংকলনেই হ'ল বৰকটকীৰ প্ৰখৰ পাণ্ডিত্য আৰু প্ৰতিভাৰ একমাত্ৰ স্বাক্ষৰ 'বিস্মৃত ব্যতিক্ৰম'। 'আৱাহন'ৰ পাততে বৰকটকীয়ে অনিৰুদ্ধ কটকী ছদ্মনামেৰে 'কনফেশ্যনছ' শিৰোনামাৰে এলানি ব্যংগ ৰচনাও লিখিছিল। 'আৱাহন'ৰ পাতত চিত্ৰসেন যখৰীযা ছদ্মনামত তীক্ষ্ণ ব্যংগৰ আঘাত সনা ৰসজ্ঞ লেখকজননো কোন উলিযাবৰ কাৰণেই বৰকটকীয়ে অনিৰুদ্ধ কটকী ছদ্মনামেৰে 'কনফেশ্যনছ' শিতানত ব্যংগ ৰচনা এলানি লিখিবলৈ কাপ হাতত লৈছিল। বৰকটকীয়ে অনুমান কৰাৰ দৰেই 'কনফেশ্যনছ' প্ৰকাশ পোৱাৰ পাছতেই হলীৰাম ডেকাই 'কেনেবা কেনেবা যেন লগা, বুকুলৈকে বিন্ধি যোৱা হাঁহিটো মাৰি' এদিন বৰকটকীক কৈছিল — 'তুমি দেখোন হেৰডকো আউট হেৰড কৰিবলৈ ওলালাহে!' তেতিয়াৰ দিনত লেখকসকলৰ ইজনৰ প্ৰতি সিজনৰ থকা অপৰিসীম শ্ৰদ্ধা আৰু মধুৰ সম্পৰ্কৰ ই আছিল এক উজ্জ্বল নিদৰ্শন।

'আৱাহন' যুগৰ প্ৰসিদ্ধ গল্পকাৰ, আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ এসময়ৰ বাতৰি সম্পাদক, অসমীয়া আৰু ইংৰাজী উভয় ভাষাতে সমান দখল থকা এগৰাকী বিদগ্ধ পণ্ডিত আৰু প্ৰখ্যাত সমালোচক, প্ৰাবন্ধিক, এজন সচেতন পঢ়ুৱৈ আৰু সচেতন নাগৰিক হিচাপে বিভিন্ন সময়ত সমাজৰ বিভিন্ন সমস্যাৰ বিষয়ে বিশ্লেষণাত্মক চিঠি লিখি সততে পৰামৰ্শ দি অহা, গুৱাহাটীত অনুষ্ঠিত সাহিত্য-সংস্কৃতি-কলা বিষয়ক সকলোবোৰ সভাতে উপস্থিত থাকি নিজ বক্তব্য-সমালোচনা-পৰামৰ্শেৰে উপস্থিত সমজুৱাক উপকৃত কৰা, জিলা পুথিভঁৰালৰ এসময়ৰ এগৰাকী নিযমীয়া পঢ়ুৱৈ, সভা-শুৱনী পুৰুষ মুনীন বৰকটকী বয়স নামৰ অসুৰৰ নিষ্ঠুৰ আঁচোৰৰ বলি হৈ কিছু বছৰ অনিচ্ছা সত্ত্বেও নিজকে সামাজিক প্ৰেক্ষাপটৰপৰা আঁতৰাই আনি নিজৰ কোঠাৰ ভিতৰতে নিজকে আবদ্ধ কৰি ৰাখি ব্যক্তিগত পুথিভঁৰালৰ অজস্ৰ গ্ৰন্থ-আলোচনী বাতৰিকাকতকে নিঃসংগ মুহূৰ্তৰ একমাত্ৰ সংগী কৰি লৈ শয্যা আৰু চকী-মেজৰ লগতেই জীৱনৰ শেহছোৱা সময় মিতিৰালি পাতি কটাইছিল। মৃত্যুৰ আগদিনালৈকে তেখেতে ইংৰাজী-অসমীয়া আটাইবোৰ বাতৰিকাকত নিয়মিত খৰচি মাৰি পঢ়িছিল, অসমীয়া সাহিত্যৰ শেহতীয়া খবৰো তেখেতে ৰাখিছিল, আনকি দুদিন আগতে তেখেতে শেহতীয়া অসমীয়া আলোচনী 'গৰীয়সী'ৰ প্ৰথম সংখ্যাটোও মোৰপৰা নি পঢ়ি চাইছিল।

একমাত্ৰ প্ৰকাশিত গ্ৰন্থ 'বিস্মৃত ব্যতিক্ৰম'ৰ বাহিৰে আন কোনো গ্ৰন্থ

নথকা সত্ত্বেও নিজস্ব ষ্টাইল, নিজস্ব প্ৰতিভা আৰু স্বকীয় ব্যক্তিত্বৰ গুণত সেই 'আৱাহন' যুগতেই আৰম্ভ কৰি, ক'বলৈ গ'লে তেতিয়াই সাহিত্যিক জীৱনৰ সামৰণি পেলোৱা বৰকটকীয়ে অসমীয়া সাহিত্যিক-সমালোচক সাংবাদিক-বুদ্ধিজীৱীৰ হৃদয়ত এক বিশিষ্ট আসন লাভ কৰিবলৈ সক্ষম হৈছিল। মৃত্যুৰ পাছতো বৰকটকী সেই আসনৰপৰা স্খলিত নহয় কোনোদিনে। সেই কথা নিশ্চয় তেওঁক জনা প্ৰতিজনে স্বীকাৰ কৰিব। □

ব্যতিক্ৰম ব্যক্তিত্ব: মুনীন বৰকটকী

পদ্ম বৰকটকী

বহু অন্তৰ্মুখী ব্যক্তিত্ব ধানপুৰীয়া কঠাল পাতৰ তলত লুকাই থকাৰ নিচিনা হয়। কিবা বাস্তৱ পৰিস্থিতিৰ অভাৱ বা প্ৰভাৱৰ ফলত তেওঁলোকৰ বহুতৰে আত্মগোপন বাঢ়ি গৈ থাকে। কিন্তু গ্ৰেছিয়াৰৰ সামান্য মূৰটোৱে ভাসমান বৰফ-পৰ্বতৰ অদৃশ্য বিশালতাৰ ইংগিত দিয়ে। মুনীন বৰকটকী (১৯১৫-৯৩) সেইবিধৰ এজন অন্তৰ্মুখী সাহিত্যিক, যাৰ চিন্তাৰ গভীৰতা, জ্ঞানৰ বিশালতা আৰু প্ৰকাশ-শৈলীৰ ওপৰত দখলৰ দক্ষতা কেৱল আন্তৰিক সুহৃদৰ বাহিৰে আনে উমান পোৱাৰ উপায় নাছিল; আৰু তেনে সুহৃদৰ সংখ্যাও আছিল অতিপাত সীমিত। অধ্যয়নপুষ্ট বিচাৰ-বুদ্ধিৰে তেওঁ অসমীয়া সাহিত্যত একো অনাচাৰকে সহ্য নকৰিছিল, যদিও সেইবোৰক চোকা ভাষাৰে সমালোচনা কৰি লিখাৰ স্তৰলৈকে তেওঁ সাধাৰণতে আগুৱাই নগৈছিল। অনৰ্থক উপকৰা কথা বেলবেলোৱা মানুহৰ ওপৰত তেওঁ বিৰক্ত হৈছিল; কাম নাই যদি পঢ়ি শুনি শিকা, বেলবেলাবা কেলেই। তেওঁৰ সুযোগ্যা পত্নী শ্ৰীমতী ৰেণুকা বৰকটকীয়ে স্বীকাৰ কৰিছে: যাকে-তাকে খিংখিঙাই অপ্ৰস্তুত কৰা মানুহজনৰ মৃত্যুৰ দিনা মানুহ নাহিব বুলি মোৰ সন্দেহ আছিল; ইমান গণ্যমান্য ব্যক্তিৰে মৃতকৰ ঘৰ পদূলিলৈকে ভৰি পৰা দেখিহে মই গম পাইছিলো, তেওঁক বহুতে ভাল পাইছিল, অৰ্থাৎ তেওঁৰ লিখা আৰু সমালোচনাক বহুতে ভাল পাইছিল।

এলাহৰ কাৰণেই হওক অথবা প্ৰতিযোগিতাবিমুখ কাৰণেই হওক, অথবা আন যিকোনো কাৰণতে নহওক, মুনীন বৰকটকীৰ প্ৰাণ-চঞ্চল উৎসাহ-মত্তলীয়া চৰিত্ৰ এটা কোনেও কেতিয়াবা দেখা বুলি ক'ব নোৱাৰে। সদায়ে তেওঁ ধীৰ, স্থিৰ, গম্ভীৰ আৰু আপোন চিন্তাত আৰামেৰে নিমগ্ন। তেওঁ পঢ়ে, উৰাই-ঘূৰাই পঢ়ে, মনে মিলা মানুহ পালে আলোচনা কৰে, ভূ-ভাৰতৰ সকলো দৃষ্টিকোণৰ খবৰৰ কাৰণে ঘণ্টাৰ পাছত ঘণ্টাকৈ জিলা গ্ৰন্থাগাৰত বহি দিনৌ সকলো কাকত পঢ়ে আৰু নিতৌ দিনপঞ্জী লিখে। সেই দিনপঞ্জীত তেওঁ কিবা অৱদান অসমীয়া সাহিত্যৰ কাৰণে থৈ গৈছে নে নাই, এতিয়াই কোৱা টান। প্ৰায় সদায়ে ইংৰাজীত অতি সৰু সৰু পকোৱা আখৰেৰে লিখা সেই দিনপঞ্জীৰ ঘৰুৱা খুটি-নাটি বাদ দি সাহিত্য উদ্ধাৰ কৰিবলৈ

সময় লাগিব। শ্ৰীমতী বৰকটকীয়ে নিশ্চয় যোগ্যজনক সেই দায়িত্ব দিব।

মুনীন বৰকটকীৰ প্ৰকাশিত লিখাৰ সংখ্যা ইমান তাকৰ যে তাৰে সাহিত্যিক মূল্যায়ন সহজ নহয়। তেওঁৰ সুহৃদৰ মতে, বৰকটকীয়ে চিন্তাৰে মথি মথি ক্ষীৰ উলিয়ায়েই ক্ষান্ত নহয়, তাক মাখনৰপৰা ঘিঁ কৰিহে যি এফোঁট হয়গৈ, তাকে উলিয়াই দিয়ে। আৰু সেয়ে তেওঁৰ প্ৰকাশিত লিখা তাকৰ। গ্ৰন্থাকাৰে প্ৰকাশিত তেওঁৰ কিতাপ মাত্ৰ এখনেই, বিস্মৃত ব্যতিক্ৰম। সমাজত ব্যতিক্ৰম হোৱা ব্যক্তি কেইজনমানৰ জীৱনীমূলক প্ৰবন্ধৰ সংকলন। সেই ক্ষুদ্ৰ পৰিধিতে তেওঁ বিভিন্ন ব্যক্তিৰ জীৱনীৰ আধাৰত, নিজৰ অধ্যয়নপুষ্ট মন আৰু সাহিত্যসৃষ্টি, সমাজ, ৰাজনীতি আদিৰ সমসাময়িক গতিবিধিৰ সম্যক জ্ঞান আৰু বিচাৰ-বুদ্ধিৰ অনন্য চানেকি ৰাখি থৈ গৈছে। অসমীয়া সাহিত্যত বেল্-লেটৰ বা ৰম্য ৰচনাৰ প্ৰচলনৰ প্ৰথম বাটকটীয়া। সেই আৱাহনৰ যুগত মুনীন বৰকটকী আৰু তেওঁৰ সুহৃদ শ্ৰীকৃষ্ণ ভূঞাৰ গল্প আছিল আধুনিকতাত অগ্ৰণী আৰু গল্প হিচাপে শ্ৰেষ্ঠ। আৱাহনত তাই আৰু মই, অপ্ৰকাশৰ বেদনা, বীণা, জয় নে পৰাজয় আদি গল্পৰ নামকৰণেই তেওঁৰ যৌৱনৰ দুৰ্বাৰডলিত জীৱনৰ আবেগানুভূতিৰ এটি আভাস দিয়ে। সিও অতি সংযত আৰু সংক্ষিপ্তকৃত। তেওঁৰ প্ৰথম ৰম্য ৰচনা "কনফেশ্যনছ" অসমীয়া ভাষাৰ বুদ্ধিদীপ্ত ব্যক্তিগত নিবন্ধৰ সৰ্বপ্ৰথম আৰু সৰ্বোত্তম নিদৰ্শন বুলি তৎকালীন সমালোচকে স্বীকৃতি দি গৈছে।

'আসাম ট্ৰিবিউন' আদি কাকতৰ লগত জড়িত হৈ তেওঁ লিখা সম্পাদকলৈ চিঠিও অসমীয়া সাহিত্যত বিশিষ্ট স্থানত এতিয়াও আছে। আচৰিত কথা যে সংবাদপত্ৰ, অসম আৰু কেন্দ্ৰীয় চৰকাৰৰ তথ্য আৰু প্ৰচাৰ বিভাগ, অল্ ইণ্ডিয়া ৰেডিঅ' আদি সকলো প্ৰচাৰ-মাধ্যমত বিষয়া স্তৰত চাকৰি কৰিও তেওঁ সদায়ে প্ৰচাৰবিমুখ হৈ থাকিল। আনকি, প্ৰথম কেইবছৰমান নিজৰ লিখাৰে সাহিত্য জগতত বিশিষ্ট স্থান অধিকাৰ কৰাৰ পাছতে, হঠাৎ বহু বছৰলৈ তেওঁৰ কলম বৈ গ'ল।

আজি "মন্দ কবি যশ প্ৰাৰ্থী"য়ে উখল-মাখলেৰে স্বীকৃতি আৰু বঁটা পুৰস্কাৰ বিচাৰি আত্মশ্লাঘাৰে কোলাহল কৰাৰ দিনত মুনীন বৰকটকী এক আচৰিত ব্যতিক্ৰম। কোনো স্বীকৃতি তেওঁ কেতিয়াও নিবিচাৰিলে; আনকি চাকৰিয়াল হিচাপেও প্ৰভুক সন্তুষ্ট কৰি পদোন্নতিৰ বাবে হাবিয়াস নেদেখুৱালে। ব্যক্তিগত জীৱনত তেওঁ সাংসাৰিক মানদণ্ডেৰে সুখী। তেওঁৰ পত্নী শ্ৰীমতী ৰেণুকা বৰকটকী ৰাজনীতিত স্বনামধন্যা নেত্ৰী, কেন্দ্ৰীয় মন্ত্ৰীসভাত মন্ত্ৰী হোৱালৈকে সৰ্বভাৰতীয় নেত্ৰী। তেওঁৰ একমাত্ৰ কন্যা শ্ৰীমতী মীনাক্ষী একাডেমিক জগতত অসমত অনন্যা আৰু স্বামী-সন্তানেৰে ভৰপূৰ দাম্পত্য জীৱন। ইয়াৰ মাজতো তেওঁ কিন্তু নিজৰ চিন্তা-জগতত সদায় অকলশৰীয়াৰ দৰে— যেন কিবা

সাধনাত লিপ্ত অথবা কিবা প্ৰতিবাদত যেন নিজক নিজৰ মাজতে সংকুচিত কৰি ৰখাত আক্ৰোহী।

তেওঁৰ মৃত্যুৰ পাছত এজন সাহিত্যিকে এই অধমকো সাহিত্যিক বুলি ধৰি কৈছিল যে অসমীয়া সাহিত্যত একে বংশৰে আন দুজন একে সময়ৰ লেখক হ'ল সত্যেন বৰকটকী আৰু মুনীন বৰকটকী। কিন্তু ৰচনা, বিষয়বস্তু, প্ৰকাশভংগী আদি একোতে এজনৰ লগতো আন এজনৰ মিল নাই। কাৰো প্ৰভাৱ কাৰো ওপৰত পৰা নাই। কিন্তু অধ্যয়নপুষ্টি, গভীৰতা আৰু অন্তৰ্মুখিতাত মুনীন বৰকটকীৰ দ্বিতীয় নাই। বোধকৰো সেই কাৰণেই তেওঁ পণ্ডিতপ্ৰবৰ কৃষ্ণকান্ত সন্দিকৈৰ দৰে ব্যতিক্ৰম ব্যক্তিক শ্ৰদ্ধা কৰে। আমাৰ "ভাইটিদাদা" কিন্তু আমাৰ কাৰণে আছিল চিন্তা আৰু জীৱন নিৰ্বাহত পৰিপাটি আৰু নিয়মানুবৰ্তিতাৰ আদৰ্শপুৰুষ।

কোনোবা এক সাহিত্যিকে তেওঁক কৈছিল, সেইজনে নিজৰ লিখা অসমীয়া কিতাপৰ ইংৰাজী অনুবাদ কৰিব খুজিছে বুলি। তেওঁ মোক কৈছিল: সেইজনে যিখন কিতাপ অনুবাদ কৰি আন্তৰ্জাতিক খ্যাতি লভাৰ সপোন দেখিছে, সেইখনৰ বেছিভাগেই অমুক অমুক ইংৰাজী কিতাপৰপৰা লোৱা। এতিয়া সেইখন ইংৰাজীত প্ৰকাশ হ'লে বাহিৰৰ মানুহে আমাক কি বুলিব? বুজিছ, অসমত কাণ্ডজ্ঞানৰ মানদণ্ড এইটোৱেই। এনেকুৱাই আছিল তেওঁৰ ক্ষুৰধাৰ কথা। □

সৰু মামা মুনীন বৰকটকী

ড° শীলা বৰঠাকুৰ

আমাৰ সৰু মামা স্বৰ্গীয় মুনীন বৰকটকীৰ প্ৰথম স্মৃতিবাৰ্ষিকীৰ এই পবিত্ৰক্ষণত শ্ৰদ্ধাঞ্জলি হিচাপে এই লিখনিত লিখিব খুজিছো সেইগৰাকী ব্যক্তিৰ সান্নিধ্যত থাকি ভাল লগা কেইটামান ঘৰুৱা কথা। তেওঁৰ দীঘলীয়া জীৱনৰ ঘটনাবোৰৰ কথা, তেওঁৰ বিশাল ব্যক্তিত্বৰ কথা, তেওঁৰ প্ৰজ্ঞা-সুন্দৰ মনৰ বিচাৰ-বিশ্লেষণ, সাহিত্য সাধনা আৰু সাংবাদিকতা বা আন গভীৰ দিশবোৰত প্ৰৱেশ কৰি তথ্যগধুৰ প্ৰবন্ধ লিখাৰ ধৃষ্টতা দেখুৱাব খোজা নাই। সেইখিনি চুব পৰাৰ ক্ষমতাও মোৰ নাই।

শৈশৱ আৰু কিশোৰী কালত আমি সৰু মামাৰ লগত বহুত দিন কটাইছো। সেই সময়ত জনা কিছুমান সৰু সৰু কথা এতিয়াও মোৰ মনৰ কোঠাত স্থিতি লৈ আছে, যিবোৰ সুঁৱৰি আজিও মোৰ বৰ ভাল লাগে আৰু সেইবোৰ কথাকে এতিয়া আনৰ আগত ব্যক্ত কৰিবলৈ লৈ আনন্দ অনুভৱ কৰিছো। এইযা হয়তো হ'ব তেওঁৰ জীৱনৰ আন এটা দিশ, অলপ ঘৰুৱা আৰু লঘু দিশ, আনকথাত তেওঁৰ অন্য এক পৰিচয়। লিখাৰ পৰত অনুভৱ কৰিছো, যেন সুখৰ এই স্মৃতিবোৰৰ মাজতো কৰুণ সুৰেই ধ্বনিত হৈছে।

ডেকাকালত সৰু মামা আছিল যেন হাঁহিৰ এটা বৃহৎ সঁফুৰা। ঢাকনিখন মুকলি কৰি দিলে হাঁহিবোৰ যেনি-তেনি বিয়পি পৰে। কোনেও ইয়াৰপৰা হাত সাৰিব নোৱাৰে আৰু হাঁহি হাঁহি বাগৰি পৰে। অতি সাধাৰণ কথা এটাকে লৈ তেওঁ নিজেও স্ফূৰ্তি কৰে আৰু আনকো আনন্দ দিব পৰা এটা অতি আচৰিত শক্তি আছিল তেওঁৰ।

আজি মোৰ বহুত বছৰৰ আগৰ কথা এটালৈ মনত পৰিছে। অৱশ্যে তেতিয়া নিচেই সৰু আছিলো বাবে টুকুৰা ছবি এখনহে দিব পাৰিম। অনুমান, সেইয়া আছিল চল্লিছৰ দশকৰ প্ৰথম ভাগ। আমি ঢাকাত আছিলো। তাত আমাৰ পিতৃ ৺নবীন চন্দ্ৰ শৰ্মা ইণ্ডিয়ান 'টি মাৰ্কেট এক্সপানশ্বন ব'ৰ্ড'ৰ ইন্সপেক্টৰ আছিল। সৰু মামাও আমাৰ লগত আছিলগৈ। শ্ৰীহেৰম্ব কান্ত বৰপূজাৰী, শ্ৰীগোপাল শৰ্মা (প্ৰাক্তন শিক্ষাধিকাৰ) আদিকে ধৰি কেইবাগৰাকীও অসমীয়া ছাত্ৰই তেতিয়া ঢাকা বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি আছিল। সৰু

মামাও পঢ়িবলৈকে গৈছিল। তেওঁৰ এটা অভ্যাস আছিল যে সন্ধিয়া ফুৰি-চাকি ঘৰলৈ আহোতে তেওঁ যথেষ্ট পলম কৰে। আমি তেতিয়ালৈ সাধাৰণতে শুই পৰোঁ। এনেকৈ এদিন ৰাতি ঘৰলৈ ঘূৰি অহাৰ পাছত মায়ে গহীনকৈ ক'লে 'আজি খিচিবিহে খাব লাগিব, ঘৰত একো নাই, বজাৰ কৰিবলৈ কাকো নাপালোঁ।' সৰু মামাই হয়তো নিজৰ গাতেই দোষ পৰা যেন অনুভৱ কৰিলে। কিন্তু অলপ পাছতে দেখা গ'ল, ৰঙা কাগজ কিছুমান আনি তেওঁ জ্বলি থকা লাইটবোৰত বান্ধি দিছে আৰু হাঁহি হাঁহি কৈছে— 'লাল বাতি জ্বলিল, লাল বাতি জ্বলিল।' আমি দেখিলো, কোঠাৰ ভিতৰৰ পোহৰবোৰ ৰঙা হৈ পৰিছে। আটাইবোৰে হাঁহিবলৈ ধৰিলে। লাল বাতি জ্বলাৰ অৰ্থ তেতিয়া বুজি নাপাওঁ যদিও আনবোৰক হঁহা দেখি আমিও হাঁহিবলৈ ধৰিলো। ভাবিলো, সৰু মামাই আজি কিবা এটা বৰ ডাঙৰ কাম কৰিছে। নহ'লে মানুহবোৰে ইমান হাঁহিব কিয়? এনেকুৱা কামবোৰ তেওঁ প্ৰায়েই কৰি থাকে আৰু সেইবাবে আমি তেওঁক বৰ ভাল পাওঁ, লগে লগে আৰু পিছে পিছে ঘূৰি ফুৰো।

ঘৰৰ ল'ৰা-ছোৱালী, কাম কৰা মানুহ, আনকি দুদিনলৈ অহা আলহীৰ লগতো সৰু মামাৰ বন্ধুত্ব হয়। নানাৰকম ভাও-ভেঙুচালি কৰি মানুহবোৰক জোকাই থাকি তেওঁ ভাল পায়। আটাইবোৰকে নিজে তৈয়াৰ কৰা বেলেগ বেলেগ নাম দি মাতে আৰু ফুচুৰি কথা কৈ হঁহুৱাই থাকে। সন্ধিয়া ফুৰি-চাকি ঘৰলৈ আহোতে তেওঁৰ প্ৰায়েই পলম হয়। কেতিয়াবা পদূলিৰপৰাই ৰিঙিয়াই আহে — 'ফুট গধূলিতে শুলিয়েই নেকি অ' মুনু (মোৰ মা)'। তেওঁৰ হাতত সদায় এটা ভুজিয়া বা চানাচুৰৰ টোপোলা থাকেই। ইয়াৰ বাবে আমি কেউটাই বাট চাই থাকো আৰু তেওঁ আহিলে তেওঁক বেৰি-কুৰি লৈ বহি লওঁ। চাহৰ মেল চলে আৰু সেই সময়তে তেওঁ বাহিৰত জানি অহা কথাবোৰ কয়।

দ্বিতীয় মহাযুদ্ধ আৰু '৪২ৰ আন্দোলনৰ সময়ত আমি যেতিয়া সৰু সৰু আছিলো, সৰু মামাই বাবাৰ (দেউতা) সৈতে সেইবোৰ কথা আলোচনা কৰিছিল আৰু আমি বুজাই-নুবুজাই বৰ মন দি কথাবোৰ শুনিছিলো। 'ব্লেক আউট' থকাৰ কাৰণেই হ'বলা আমাৰ বৰ ভয় লাগিছিল। আকাশেদি এৰোপ্লেন গ'লেও বোমা পেলায় বুলি ভয় খাইছিলো। কিন্তু সৰু মামাৰ লগে লগে থাকিলে যেন ভয়টো কমে, আমাৰ তেনেকুৱা ভাব হৈছিল। যুদ্ধ আদিৰ কথাবোৰ পাতি থাকোতে সৰু মামাক বৰ গহীন যেন লাগিছিল। বিশেষকৈ কুশল কোঁৱৰৰ ফাঁচী হোৱাৰ দিনা আৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ মৃত্যুৰ খবৰ পোৱাৰ দিনা সৰু মামাই বৰ শোক পাইছিল। তেওঁ ভয়ানকভাৱে গম্ভীৰ হৈ পৰিছিল।

প্ৰতি দেওবাৰে ৰাতিপুৱাৰেপৰা সৰু মামাই এটা মহা যজ্ঞৰ আয়োজন কৰে। সেইদিনা তেওঁ শুই উঠে পলমকৈ। তাৰ পাছত এপাক ফুৰিবলৈ ওলাই যায়। ঘূৰি আহি চাফাই কামত লাগি যায়হি। চুলি কটা, নখ কটাৰেপৰা আৰম্ভ কৰি, চেণ্ডেল পালিচ কৰা, কোঠাটোৰ মকৰাজাল সৰা, বাকচ, কিতাপৰ ৰেক আদি চাফা কৰা — গোটেইবোৰ কাম উলিয়াই লয় আৰু দিনটো কৰি থাকে। লগে লগে আমিও দৌৰা-দৌৰি কৰিব লাগে। সেই সময়খিনিত তেওঁ পাঁচ/ছয় কাপমান চাহ খায় আৰু গা-পা ধুই আহি দুপৰীয়াৰ ভাতসাজ খাওঁতে আবেলি হয়গৈ।

এনেকৈ ঘৰ চাফা কৰি থাকোতে এদিন বাপুকণ নামৰ কাম কৰা ল'ৰা এটাৰ হাতৰপৰা বেৰত বৰ যতনেৰে আঁৰি থোৱা গান্ধীৰ ফটোখন মাটিত পৰি চূৰমাৰ হৈ গ'ল। 'তই মোৰ মূৰত ৰামটাঙোন মাৰিলি ঔ'— বুলি ল'ৰাটোক ধমক এটা দি তেওঁ লগে লগেই বজাৰলৈ ওলাই গ'ল, ফ'টোখন বন্ধাই আনিলে আৰু আগৰ ঠাইত আঁৰি থলেহি। তাৰ পাছতহে তেওঁ খাবলৈ গ'ল। সেই ঘটনাৰ পাছত সৰু মামাই সেই ল'ৰাটোৰ নাম দিলে 'ৰামটাঙোন।' উঠোঁতে-বহোঁতে তেওঁৰ মুখত মাত্ৰ 'ৰামটাঙোন'। তাৰ আচল নামটো কেনিবা লুকাই পৰিল।

চাহটোপা সৰু মামাৰ বৰ প্ৰিয় আছিল। সময়মতে নাপালে তেওঁ নিজেই কৰি খাইছিল। চাহ কৰাবো অৱশ্যে এটা অভিনৱ পন্থা আছিল তেওঁৰ— যিটোৱে আমাক বৰকৈ আকৰ্ষণ কৰিছিল।

জুই জ্বলাবলৈ তেওঁ এলাহ কৰে। সেইবাবে পুৰণি খবৰ কাগজ কিছুমান তেওঁ গোটাই থয়। কেটলিটোত একাপ চাহৰ জোখাৰে পানী দি বাঁওহাতেৰে তুলি ধৰি থাকে আৰু তলত কাগজ জ্বলাই দিয়ে। এনেকৈয়ে পানী গৰম কৰি তেওঁ চাহ খায়। এই কামটো চাই আমি বৰ আমোদ পাওঁ আৰু আনকো কৈ ৰগৰ কৰো।

সৰু মামাৰ চুলি আঁচোৰা ধৰণটোও আমাৰ ভাল লাগিছিল। তেওঁৰ চুলিকোচা আছিল ঘন, ক'লা আৰু যথেষ্ট দীঘল। তেওঁ বেকব্ৰাছ কৰি ভাল পাইছিল। ঘনাই ঘনাই ফণীখন চুলিখিনিৰ ওপৰত চলাই থকা আৰু মুখখন ঘূৰাই ঘূৰাই আয়নাখনত চাই থকা দৃশ্যটো বৰ আকৰ্ষণীয় আছিল।

সৰু মামা দেখিবলৈও বৰ সুন্দৰ আছিল। তেওঁক আমি কেতিয়াও পেণ্ট পিন্ধা দেখা নাই। ঘৰত তেওঁ সদায় লুঙী পিন্ধে; কিন্তু বাহিৰলৈ ওলালে ডেকা কালতো তেওঁ মোটা খদ্দৰৰ চুৰিয়া আৰু খদ্দৰৰে দীঘল পাঞ্জাবীহে পিন্ধে। ভৰিত দগধা চেণ্ডেল, যথেষ্ট ডাঙৰ। এই পোছাকটোৱে তেওঁক বৰ শুৱাইছিল আৰু দীঘল দীঘল খোজ দি যেতিয়া তেওঁ ওলাই যায় আমি দূৰৈৰপৰা চাইছিলো আৰু তেওঁৰ ব্যক্তিত্বক সম্ভ্ৰম কৰিছিলো।

আমাৰ বন্ধু সৰু মামা আৰু সাহিত্যিক-শিক্ষক সৰু মামাৰ মাজৰ পাৰ্থক্য আমি সকলোৱেপৰাই বুজিব পাৰিছিলো। অৰ্থাৎ সৰু মামাৰ লগত কেতিয়া ধেমালি কৰিব লাগে আৰু কেতিয়া নালাগে জানিছিলো।

পঢ়া-শুনা কৰিবলৈ বহিলে আমাৰ সৰু মামাক এজন বেলেগ মানুহ যেন দেখি। যেন শান্ত-সমাহিত, স্থিতপ্ৰজ্ঞ, গভীৰ তপস্যাত তেওঁ মগ্ন। সেই সময়ত হাঁহি-ধেমালি কৰাতো দূৰৰে কথা তেওঁৰ কোঠাটোত সোমাবলৈও সাৱধান হ'ব লাগে। যোৰহাটৰ মিছন স্কুলখনত শিক্ষকতা কৰাৰ সময়ত নগা ছাত্ৰবোৰে তেওঁক 'মিছন্ মাষ্টাৰ' বুলি মাতিছিল। এই ছাত্ৰবোৰ দলে দলে তেওঁক লগ পাবলৈ আহিছিল। পঢ়া-শুনাৰ বিষয়ে ল'ৰাবোৰৰ লগত তেওঁ দীঘলীয়া কথা পাতিছিল আৰু কেতিয়াবা ঘৰতে বহুৱাই লৈ পঢ়াইছিলো। মোৰ বাইদেউ ইলাকো হাইস্কুলৰ ওপৰৰ শ্ৰেণীত পঢ়োতে মাজে মাজে সৰু মামাই ইংৰাজী শিকাইছিল। মই নিজে অৱশ্যে বৰকৈ তেওঁৰ ওচৰত পঢ়িবলৈ যোৱা নাছিলো। কিন্তু এদিনৰ কথা মোৰ বৰ ভালকৈ মনত আছে।

মই তেতিয়া যোৰহাট ছোৱালী হাইস্কুলৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী। এদিন ইংৰাজী কিতাপখন হাতত লৈ সৰু মামাৰ ওচৰ চাপিলো। চাৰিটা 'ষ্টেঞ্জা' থকা ইংৰাজী কবিতা এটা উলিয়াই অৰ্থখিনি কৈ দিবলৈ ক'লো। কবিতাটোৰ নাম অৱশ্যে এতিয়া মনত নাই। তেওঁ কোনোবাফালে যাবলৈ ওলাইছিল। তথাপিও প্ৰথম দুটা 'ষ্টেঞ্জা'ৰ অৰ্থ কৈ দিলে আৰু মই লিখি ললো। সেইখিনিকে পিছদিনা ক্লাছত ক'লোগৈ। ক্লাছৰ বাইদেউগৰাকী আচৰিত হ'ল। তেওঁ ক'লে, 'ইমান সুন্দৰ অনুবাদ! পঢ়ি যোৱা, পিছৰকেইটাও পঢ়ি যোৱা।' কিন্তু মইতো পিছৰখিনি নাজানো। ক্লাছৰ আটাইবোৰে গিৰ্জনি মাৰি হাঁহিবলৈ ধৰিলে। মই লাজ পাই লগে লগেই আচল কথাটো কৈ দিলো আৰু বাইদেউগৰাকীয়ে কবিতাটোৰ বাকীখিনি পিছদিনা শিকি আহিবলৈ ক'লে।

সৰু মামাই প্ৰতিদিনৰ 'ষ্টেটছ্‌মেন' কাগজখন উধৰপৰা মূৰলৈ পঢ়ে। ইমান মন দি পঢ়ে যেন তেওঁ এইমাত্ৰ পৰীক্ষা এটা দিবলৈহে যাব। অকল পঢ়াই নহয়, ওচৰতে তেওঁ ব্লেড এখনো ৰাখে আৰু দৰকাৰী অংশবোৰ কাগজৰপৰা কাটি থয়। আমি দেখিছিলো, সেইবোৰ তেওঁ বৰ যতনেৰে টিনৰ ট্ৰাঙ্কত ভৰাই থয়, মাজে মাজে উলিয়াই চায়, ৰ'দত দিয়ে, আকৌ সামৰি থয়। এসময়ত কেইবাটাও বাকচ এনেকুৱা টুকুৰা কাগজেৰে ভৰি পৰিছিল। বোধকৰো পিছৰ বয়সতো তেওঁৰ এইদৰে কাগজ কাটি ৰখাৰ অভ্যাসটো আছিল। কাৰণ এনেকুৱা বাকচ কেইটামান এতিয়াও তেওঁৰ ঘৰত আছে বুলি শুনিছো। কিন্তু তাৰ ভিতৰত কি আছে সোধাৰ বা চোৱাৰ আগ্ৰহ কোনোদিনে দেখুৱাব নোৱাৰিলো।

পঢ়া-শুনাত সৰু মামা বৰ চোকা আছিল বুলি সদায় বৰ মামাৰ

(৺সত্যেন্দ্ৰনাথ বৰকটকী) মুখে শুনি আছিলো। বৰ মামাই নিজমুখেই কৈছিল, 'মোতকৈ ভাইটি (সৰু মামা) বহুত বেছি চোকা।' তেওঁ আমাক যুগৰ প্ৰসিদ্ধ লেখক, 'জয়ন্তী'ৰ গল্পকাৰ, বিজ্ঞ সমালোচক আদি কথাবোৰো জানিছিলো। এই সংক্ৰান্ততে হয়তো তেওঁৰ ওচৰলৈ আমি চিনি পোৱা-নোপোৱা বহুত মানুহ আহিছিল। সেইসকলৰ ভিতৰত যিকেইগৰাকীক বেছিকৈ দেখিছিলো সেইসকল হ'ল আমাৰ ঘৰৰ নিচেই ওচৰতে থকা লেখক, গীতিকাৰ শ্ৰীৰাজেন্দ্ৰ নাথ হাজৰিকা, নাট্যকাৰ কুমুদ বৰুৱা, বকুল বনৰ কবি আনন্দ চন্দ্ৰ বৰুৱা, সাহিত্যিক বিপিন চন্দ্ৰ বৰুৱা, আৰু আন এগৰাকী নাট্যকাৰ কৰুণাধৰ বৰুৱা।

সৰু মামা যে এজন ভাল গায়কো আছিল সেই কথা বহুতে নাজানে। গ্ৰামোফোনত ৰেকৰ্ড লগায়ো প্ৰায়েই তেওঁ গান শুনিছিল। গা ধোৱাৰ সময়ত আৰু নিজৰ কোঠাত সোমাই কাম কৰাৰ সময়ত সৰু মামাই ভৰা গলাৰে প্ৰাণখুলি গান গাইছিল। তেওঁৰ প্ৰিয় গান কেইটা আছিল—

'ওগ' সুন্দৰ, মনেৰ গহনে তোমাৰ মূৰতি খানি
ভেঙে ভেঙে যায় মুছে যায় বাৰে বাৰে
বাহিৰ বিশ্বে তাইত তোমাৰে টানি'...

* * *

'যদি আপনাৰ মনে মাধুৰী মিশায়ে
এঁকে থাক কাৰ ছবি...'।

* * *

'এমনি শাৰদ ৰাতে...
সাতটি বছৰ পৰে'।

* * *

আৰু এটা গান তেওঁ প্ৰায়েই গোৱা শুনিছিলো—
'আবেগে লুকালে হিয়াৰ সাঁচনি
বুঝালে লোতকে আজলি'...।

তেওঁৰপৰা শুনি শুনি এই গানবোৰ মযো শিকি পেলাইছিলো। শব্দৰ ভুল প্ৰয়োগ কৰিলে কিন্তু তেওঁ তৎক্ষণাৎ শুধৰাই দিছিল।

সৰু মামাই মাজে-সময়ে আমি কৰা নাচ-গান-থিয়েটাৰ আদি চাবলৈও গৈছিল। এবাৰ মই 'আৱৰ্ত্তন' নামৰ এখন নাটকত 'মলয়া ভনীটিৰ' ৰূপ দিছিলো। সৰু মামাই নাটকখন চাই অহাৰ পাছত কেইবাদিনলৈকে মোক 'মলয়া ভনীটি' বুলি মাতিছিল।

এয়াই আছিল আমি সকতে পোৱা সৰু মামা, মৰমিয়াল সৰু মামা, আমাৰ বন্ধু আৰু শুভচিন্তক সৰু মামা। ডাঙৰ হোৱাৰ পাছত তেওঁক বৰকৈ

পোৱা নাছিলো যদিও পক্ষাঘাতত থকা তেওঁৰ ঘৰলৈ বহুবাৰ গৈছো। তেৱোঁ আমাৰ তেজপুৰৰ ঘৰলৈ আহিছে। কেইবছৰমানৰ আগতে তেওঁৰ ঘৰলৈ গৈ কিতাপ (লেখিকাৰ জীৱনী) এখন হাতত দি তাৰ সমালোচনা এটা লিখি দিবলৈ ক'লো। ঘৰলৈ ঘূৰি আহি কেইদিনমানৰ পাছত তেওঁৰপৰা চিঠি এখন পালো। লিখিছে — 'তই দি যোৱা কিতাপখন বিচাৰি পোৱা নাই। কি হবলুকি হ'ল নেজানো। অইন এখন পঠাই দিবি।' মই কিতাপ পঠাবলৈ নহ'ল। কিন্তু 'প্ৰকাশ' নামৰ আলোচনীখনত সমালোচনাটো ওলাল। মই বুজিলো, তেওঁ কিতাপখন বিচাৰি পালে। সেইটোৱেই তেওঁৰ শেষ লেখা আছিল যদিও মই অৱশ্যে নেজানো।

, পক্ষাঘাতত অসুস্থ হৈ থকাৰ সময়তো তেওঁক চাই আহিছো। কিন্তু শেষ হৈ যোৱাৰ আগতে তেওঁক দেখা নাপালো।

তেওঁ যেন বৈকুণ্ঠত বাস কৰে। এয়ে আমাৰ প্ৰাৰ্থনা।□

শোকবাণী

তেওঁ অসুস্থতাৰ কাৰণে জীৱনত বহুত কষ্ট পালে। কিন্তু তাৰ মাজতো তেওঁ দিয়া অৱদান বিশেষভাৱে লেখত ল'বলগীয়া। তেওঁৰ এই অৱদানৰ কাৰণে তেওঁ সদায় জীয়াই থাকিব।

মুনীনালৈ মোৰ সদায় এজন সৰু ভাইৰ দৰে ভাব আছিল। তেওঁৰ পৰলোকৰ পৰা যে কিমান ডাঙৰ ক্ষতি হ'ল তাৰ হিচাপ লোৱা টান। ...তেওঁ সাহিত্যৰ ক্ষেত্ৰত আপুৰুগীয়া সম্পদ ৰাখি গৈছে, যি তোমালোকৰ উপৰিও দেশৰে সম্পত্তি।...

বিজয় চন্দ্ৰ ভাগৱতী
তেজপুৰ।

তেখেতৰ পৰলোকপ্ৰাপ্তিৰ বাতৰিটোৱে মোক এজন অতি ঘনিষ্ঠ শুভাকাঙ্ক্ষী আত্মীয়ৰ বিয়োগৰ দৰে গভীৰ আঘাত দিছে। তেখেত বহুতদিন অসুস্থ হৈ থাকিলেও তেখেতৰ অদৃশ্য প্ৰভাৱ সাহিত্যৰ জগতত সততে অনুভৱ কৰি থকাসকলৰ ভিতৰত ময়ো এজন। ব্যক্তিগতভাৱে তেখেতৰপৰা মই সাহিত্যক্ষেত্ৰত উৎসাহ-উদ্গনি পোৱাৰ কথা মোৰ জীৱিতকালত পাহৰিব নোৱাৰিম।

মহিম বৰা
প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা, নগাঁও।

মোৰ অতি মৰমৰ কলিকতীয়া বন্ধু আৰু মন-প্ৰাণ খুলি ইজনে সিজনে কোৱা কথাবোৰৰ মহান ব্যক্তিগৰাকীকো অৱশেষত হেৰুৱালো। মই অকলশৰীয়া হৈ পৰিলোঁ।

শিৱপ্ৰসাদ বৰুৱা
গুৱাহাটী।

.... তিনদেউৰ নিচিনা এনে সবল ব্যক্তিত্বপূৰ্ণ সুপুৰুষ সমাজত পাবলৈ খুব কম। প্ৰচাৰবিমুখী এনে বলিষ্ঠ লেখক আৰু সমালোচকৰ আদৰ্শ সমাজত সদায় আদৰণীয় হৈ ৰ'ব।

প্ৰফেছৰ ৰেণু দেৱী।

তেখেতক যোৰহাটত পঢ়ি থকা দিনৰপৰাই জানো। আমাক নিজৰ ভাইৰ নিচিনা মৰম কৰিছিল। অসমে এজন কৃতি আৰু সুসন্তান হেৰুৱালে।

অজিতকুমাৰ শৰ্মা
জনমভূমি, যোৰহাট।

পৰলোকগত মুনীন মোৰ বন্ধু আৰু ছাত্ৰস্থানীয় আছিল আৰু তেওঁ কেইমাহমানৰ পূৰ্বে সুস্থ হৈ থকাত মোলৈ চিঠিও লিখিছিল। তেওঁৰ মধুৰ স্মৃতি পাহৰিব নোৱাৰি।

ব্ৰজবালা দেৱী
নগাঁও।

বৰকটকীৰ মৃত্যুৰ লগে লগে অসমীয়া সমাজৰ এজন শান্ত-সমাহিত, অমায়িক-অম্লান চৰিত্ৰৰ, গভীৰ অধ্যয়নপুষ্ট, নিৰহঙ্কাৰী, সূক্ষ্ম সমালোচক জিতেন্দ্ৰিয় পুৰুষৰ বিলুপ্তি ঘটিল।

...বৰকটকী আজি আমাৰ মাজত সশৰীৰে নাই; কিন্তু তেওঁৰ লগত থকা আমাৰ আত্মিক সম্পৰ্ক বিস্মৃতিৰ গৰ্ভত কোনোদিনেই মাৰ নাযায়।

কনক চন্দ্ৰ ডেকা
গুৱাহাটী।

মোৰ সৰুৰেপৰা অতি বিদ্বান, অমায়িক, নিৰহঙ্কাৰী এই মেধাবী মানুহজনৰ প্ৰতি গভীৰ শ্ৰদ্ধা আছিল। সিদিনা আপোনাৰ তালৈ যাওঁতে বৰ্তমান পুৰুষে মনত নৰখা ডেকা বেজ মাধৱ বেজবৰুৱাৰ কথা মই বহুসময় ধৰি তেখেতৰ লগত পাতিছিলো। গভীৰ অধ্যয়নপুষ্ট তেখেতৰ প্ৰবন্ধবিলাকৰ পুনৰ প্ৰকাশৰ দিহা কৰিব লাগে।

প্ৰবীণ গোস্বামী

প্ৰকৃতাৰ্থত এজন গুণী, জ্ঞানী, খাটি ভদ্ৰলোকে আমাৰ মাজৰপৰা বিদায় ল'লে। ভাল মানুহৰ তালিকা যেন আৰু চুটি হ'ল।

সতীশ চন্দ্ৰ শৰ্মা
বৰপেটা।

১৯৩২-৩৪ চনমানত তেখেত যোৰহাট কলেজত পঢ়োতেময়ো তেখেতৰ সহপাঠী আছিলো।

তাৰ পাছত বহু বছৰৰ মূৰত লগ পাওঁতে আগৰ দিনৰ বহু কথা—যেনে বিদগ্ধ পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ, শিক্ষাবিদ তুলসী নাৰায়ণ শৰ্মা আদি গুণী-জ্ঞানী পণ্ডিতসকলৰ নিঃস্বাৰ্থ শিক্ষাদানৰ বিষয়ে আলোচনা কৰিছিলোঁ।

তোমাৰ দেউতাৰ বিয়োগত কেৱল তোমোলোকৰে যে অপূৰণীয় ক্ষতি হ'ল এনে নহয়, বৰং সমগ্ৰ অসমে এজন সু-সাহিত্যিক, সমালোচক আদি বহু গুণৰ ব্যক্তিক হেৰুৱাৰ লগা হোৱাত সকলোৱেই দুঃখিত।

লক্ষেশ্বৰ ভট্টাচাৰ্য
নগাঁও।

মই স্কুলত পঢ়ি থকাৰেপৰা তেখেতক পাইছোঁ। মোক লগত লৈ কামাখ্যাৰ পাহাৰ বগোৱা আৰু ছিলঙত ফুৰা কথা সজীৱ হৈ আছে। তদুপৰি তেখেতে মোক নানান কিতাপ পঢ়িবলৈ দিছিল আৰু কি কি পঢ়ো আৰু পঢ়া উচিত তাৰো guidance দিছিল।...

সুনীলকুমাৰ বৰঠাকুৰ
প্ৰাক্তন অধ্যক্ষ, কানৈ কলেজ, ডিব্ৰুগড়।

.... কৃতজ্ঞতাৰে স্মৰণ কৰিছোঁ বৰকটকীদেৱৰ অনুপ্ৰেৰণাদায়ক সান্নিধ্যৰ কথা; আপোনালোকৰ বাসভৱনত গৈ একাধিকবাৰ মই তেখেতক সাক্ষাৎ কৰি ধন্য হোৱাৰ সৌভাগ্যৰ কথা; মই লিখা 'ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ' নামৰ পুথিখনৰ এটি appreciative criticism লিখি 'প্ৰকাশ' আলোচনীত প্ৰকাশ কৰাৰ কথা।...

অক্ষয় কুমাৰ মিশ্ৰ
বৰপেটা।

... ৰেডিঅ'ত কাম কৰা দিনতে তেখেতৰ বিশাল প্ৰতিভাৰ লগত পৰিচিত হৈছিলো। যদিও তেখেত সদায়েই প্ৰচাৰবিমুখ আৰু নীৰৱ সাধক আছিল, তেখেতৰ ওচৰ-সান্নিধ্যলৈ অহা সকলৰ আগত তেখেতৰ গভীৰ জ্ঞান আৰু সাৱলীল প্ৰকাশভঙ্গী গোপন হৈ থকা নাছিল। অসমৰে দুৰ্ভাগ্য যে তেখেতৰ প্ৰতিভাৰ পূৰ্ণ প্ৰকাশ নঘটিল।

ৰবীন বৰঠাকুৰ
লাহোৱাল।



কেচুৱা কালৰ মীনাক্ষী (পুপী)ৰ সৈতে



নাতিনীয়েক অম্লানৰ সৈতে



গুৱাহাটীৰ এটা অনুষ্ঠানত ভাষণ দি থকা অৱস্থাত
ছবিত থকা আন দুগৰাকী হ'ল
ড° মহেশ্বৰ নেওগ আৰু ড° নগেন শইকীয়া

মহীশূৰত থকা ভাৰতীয় ভাষাসমূহৰ গৱেষণা কেন্দ্ৰৰ সঞ্চালক
ড° দেবীপ্ৰসাদ পট্টনায়কৰ সৈতে

মুনীন বৰকটকী : অবিস্মৃত ব্যতিক্ৰম

তিলক হাজৰিকা

বুদ্ধিজীৱী এজন সাহিত্যিক নহ'বও পাৰে: কিন্তু সাহিত্যিক মাত্ৰেই—বুদ্ধিজীৱী নহয়, বিশেষকৈ সকলো সাহিত্যিক। কথাটো মনলৈ আহে মন্দ কবি যশঃপ্ৰাৰ্থীসকলৰ খমদ্‌মনিত। এইসকল হৈছে prolific writer, যাৰ শোৱা পাটীবোৰ দাঙি ধৰিলেই বিচৰামতে সকলো ধৰণৰ লেখা একোটা পাই যাব পাৰি। বুদ্ধিজীৱীৰ সংজ্ঞাটো যদি চমু কৰি পেলোৱা নহয়, তেনেহ'লে একাধাৰে বুদ্ধিজীৱী আৰু সাহিত্যিক বুলি ক'ব পৰা কৃতি লোক কমেইহে ওলাব পাৰে। মুনীন বৰকটকীও আছিল তেনে এজন লোক। কিন্তু তেওঁ তেওঁৰপৰা আশা কৰা মতে লিখি নগ'ল। পঢ়াৰ প্ৰতি তেওঁ আছিল যিমান লোভী, লেখাৰ প্ৰতি আছিল ততোধিক কৃপণ। অধ্যয়ন আৰু বৈদগ্ধৰ অফুৰন্ত ঐশ্বৰ্য অকলেই আত্মসাৎ কৰি ৰখাৰ অভিযোগত তেওঁ তেওঁৰ গুণমুগ্ধসকলৰ ওচৰত অভিযুক্ত হৈ ৰ'ল।

মোৰ ব্যক্তিগত বিবেচনাত বৰকটকী আছিল মৌলিক গুণত এজন বিশিষ্ট পৰ্যায়ৰ সাংবাদিক বুদ্ধিজীৱী। যিহেতু সকলো সাংবাদিকেই বুদ্ধিজীৱীৰ শ্ৰেণীত নপৰেগৈ আৰু যিহেতু বৃত্তিগত বিভিন্ন সীমাবদ্ধতাই অধিকাংশ সাংবাদিকক কৰণিক (কেৰাণী) কৰিহে ৰাখিব পাৰে, সেই হেতুকেই মই এই গুণভেদ কৰাৰ প্ৰয়াস কৰিছোঁ। প্ৰায় অৰ্দ্ধশতিকা কাল এই বৃত্তিৰ ঘূটিত এবাৰ দিয়া গৰুৰ দৰে বান্ধ খাই থাকি লাভ কৰা অভিজ্ঞতাৰপৰাই এইদৰে গুণভেদ কৰাৰ সাহস কৰিছোঁ। ধৃষ্টতা মাৰ্জনীয়। বৰকটকী বৃত্তিজীৱী হিচাপেও আছিল এজন সাংবাদিক। তেওঁ ৰাজ্যিক চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ সংবাদ-সেৱাৰ লগত সুদীৰ্ঘকাল জড়িত থাকি অৱসৰ গ্ৰহণ কৰিছিল। কিন্তু সি আছিল তেওঁৰ জীৱিকাৰ্জন। এই পৰিসীমাৰ বাহিৰতো আন এজন মুক্ত আৰু প্ৰবুদ্ধ মুনীন বৰকটকী সদায় আছিল আৰু সেইজনেই হৈছে সাংবাদিক বুদ্ধিজীৱীজন। এইজনকেই সকলোৱে চকুত পৰিছিল আৰু চকুত পৰিছিল সদায় ব'দ-বৰষুণলৈকো পিঠি দি জিলা পুথিভঁৰালত এটা নিৰ্দিষ্ট সময়ত অহা-যোৱা কৰা আৰু তাত বহি সকলো প্ৰকাৰৰ সংবাদ-পত্ৰ আৰু সাহিত্য আলোচনী পঢ়ি নিত্য-নিয়ত সংবাদ অধ্যয়নৰ যোগেদি সমসাময়িকতাৰ ৰাকিপ ৰখা। নিৰ্বিশেষে সকলো ধৰণৰ সংবাদ অধ্যয়নৰ অবিহনে যে প্ৰকৃত মানৱ-সংবাদ আৰু জগত-সংবাদৰ

অন্তৰ্দৰ্শন কৰাটো সহজসাধ্য নহয়, সেই কথাৰ মৰ্ম এজন সাংবাদিক বুদ্ধিজীৱীৰ বাহিৰে আনে উপলব্ধি কৰাটো কিছু কঠিন। সাংবাদিক বুদ্ধিজীৱী মুনীন বৰকটকীয়ে তেওঁৰ জীৱন-দৰ্শনেৰে সেই কথা আমাক বুজাই দিছিল। এই বুদ্ধিজীৱীসকলেই হৈছে সকলোৰে বাবে প্ৰয়োজনীয় হোৱা বুদ্ধিজীৱীজন। এজন অন্তৰ্দৰ্শী সাংবাদিক বুদ্ধিজীৱীৰ একান্ত দুৰ্লভ বস্তুটো হৈছে তেওঁৰ sound sense বা অন্তৰ্জ্ঞান। অসম আন্দোলনৰপৰা আৰম্ভ হোৱা সাম্প্ৰতিক সময়বোৰত পৰিস্থিতিৰ মূল্যায়ন কৰা তেওঁৰ বাস্তৱ অভিমতসমূহলৈ এই ক্ষেত্ৰত মনত পেলাব পাৰি। প্ৰবল আৱেগ-অনুভূতিৰ সোঁতত উটি যাব খোজা এটা জাতীয় উন্মাদনাক সুস্থিৰভাৱে বাট দেখুৱাই দিবৰ বাবে কেতবোৰ সাংবাদিক বুদ্ধিজীৱীৰ ইতিহাসৰ তাগিদাতেই প্ৰয়োজন হয়। এই ক্ষেত্ৰত বৰকটকীৰ বক্তব্যসমূহ আছিল নিশ্চয় স্মৰণীয়। চিন্তাশীলতা আৰু নিৰপেক্ষ বা নিৰ্মোহ সিদ্ধান্ত এজন সাংবাদিক বুদ্ধিজীৱীৰ বাবে আটাইতকৈ প্ৰয়োজনীয় কথা, যিটো বৰকটকীৰ আছিল। বহুতেই নাজানে চাগে, স্বাধীনতাৰ আগে আগে প্ৰকাশিত হোৱা প্ৰথমখন অসমীয়া দৈনিক বাতৰিকাকত 'দৈনিক অসমীয়া'ৰ তেওঁ আছিল প্ৰধান সহকাৰী সম্পাদক। সম্পাদক আছিল শ্ৰীদেৱকান্ত বৰুৱা। কিন্তু সাংবাদিকতাৰ নীতি-নিষ্ঠতাৰ কিবা এটা কথাত খেদ কৰি মুহূৰ্ত মাত্ৰ পলম নকৰি তেওঁ তাৰপৰা আঁতৰি গুচি আহিছিল। সেই কাহিনীৰ ইয়াত মই বৰ্ণনা নকৰোঁ। কিন্তু তেওঁ আছিল নীতি-নিষ্ঠতাত এজন জেদী মানুহ।

বৰকটকীক এজন চিৰিয়াছ পঢ়ুৱৈ হিচাপে সকলোৱেই জানে। সাহিত্যৰ জগতত তেওঁৰ সম্পৰ্ক তেওঁৰ বৌদ্ধিক জীৱনৰ এঁৱা সূতাৰেই গঁথা আছিল—ইংৰাজী সাহিত্যৰ এজন ছাত্ৰ হিচাপে আৰু বাংলা আৰু অসমীয়া সাহিত্যৰ এজন ৰসগ্ৰাহী হিচাপে। ক্লাছিকেল ইংৰাজী সাহিত্যৰো তেওঁৰ অধ্যয়ন আছিল বিস্তৃত। কিন্তু তেওঁৰ সেই সমস্ত অধ্যয়নৰ অনুভূতিক তেওঁ কৰি ৰাখিছিল নিতান্তই একান্ত। আমাৰ বাবে আক্ষেপ এইটোৱেই যে তেওঁ লব্ধ বিপুল ৰসাস্বাদন নিজৰ কাৰণেই ৰাখি থৈছিল, বিপুল পাঠকৰ অসমীয়া সাহিত্যৰ জগতখনলৈও সেইবোৰ উদাৰভাৱে ছটিয়াই দিয়াৰ আহৰি তেওঁৰ নাছিল। তেওঁ ইমানেই আছিল নিজৰ অধ্যয়নৰ জগতখনত নিমগ্ন। সেই অনুপাতে তেওঁ লিখিছিল সামান্য। আৰু তাৰ ভিতৰত সমালোচনামূলক প্ৰবন্ধ লিখোতে তেওঁৰ বৈদগ্ধ উন্মোচিত হৈছিল বেছিকৈ।

তেওঁৰ লেখাত ইংৰাজী শব্দৰ প্ৰচুৰ ব্যৱহাৰো মন কৰিবলগীয়া। সেইবোৰ তেওঁ লেখাবোৰৰ এনে একোটা সময়ত ব্যৱহাৰ কৰি গৈছিল, য'ত বিশেষকৈ ইংৰাজী ভাষাৰ লগত সম্পৰ্ক থকা পাঠকৰ মনোজগতত ঠিক সেইকেইটা শব্দইহে সঠিক একোটা ব্যঞ্জনাৰ সৃষ্টি কৰিব পাৰে, বিকল্প আন এটা শব্দই হয়তো সিমানখিনি নকৰিবও পাৰে। কিন্তু তেওঁ আকৌ সেইখিনি কথাকে

বৰুৱা প্ৰতিশব্দেৰেও দুনাই মুকলিকৈ লিখিবলৈ কাৰ্পণ্য কৰা নাছিল। ইয়াৰ বাহে তেওঁ সততে কৰা আলোচনা-বিলোচনা বা সমালোচনামূলক নিবীক্ষাবোৰ কেতিয়াবা ছিকস্তিত পৰিণত হোৱা যেন লাগিলেও সেইবোৰ হৈ পৰিছিল মুকলি। তেওঁৰ বাক্যবোৰ কেতিয়াবা দীঘলীয়া, যুগ্ম আৰু হয়তো কেতিয়াবা পাক লগা ধৰণৰ হৈ পৰিছিল, যদিও সেইবোৰ আছিল জ্ঞানগৰ্ভ আৰু অন্তৰনিৰ্দেশী। তেওঁ বি ক'ব খুজিছিল, তাক ক'বলৈ চেষ্টা কৰিছিল প্ৰত্যয়েৰে। তেওঁৰ এটা নিৰপেক্ষ দৃষ্টিভঙ্গী আছিল; কিন্তু দৃষ্টিকোণ নিৰ্বিৰোধ নাছিল। তেওঁ আচলতেই আছিল এজন শুদ্ধ সমালোচক আৰু চমজদাৰ — critic and connoisseur.

সাহিত্যৰ ক্ষেত্ৰত সাংবাদিক বুদ্ধিজীৱীসকলে কিছু পৰম্পৰা ভঙ্গ কৰাৰ অথবা সৃষ্টি কৰাৰ নজিৰ আছে। এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি বিশেষকৈ ইংৰাজী সাহিত্যৰ কথাই। ক'বলৈ গ'লে, উনৈশ শতিকালৈকে ইংৰাজী সাহিত্যত দুটা শ্ৰেণীয়েই বৰ্তি আছিল — এটাক যদি কোৱা হয় নাম লগোৱা বুলি আনটোক ক'ব পৰা হয় ভকতৰ শ্ৰেণী বুলি। অৰ্থাৎ লেখকৰ ক্ষুদ্ৰ শ্ৰেণী এটাৰ হাততে আছিল সাহিত্য নিৰ্মাণ বা সৃষ্টি কৰি যোৱাৰ পৰম্পৰাটো। বাকী শ্ৰেণীটোৱে মাত্ৰ পঢ়িছিলহে। সাংবাদিকতাৰ বিপ্লৱে পঢ়ুৱৈৰ সমাজ বৃদ্ধি কৰি এই শ্ৰেণীভঙ্গ কৰাৰ লগতে লেখকৰ সমাজো বৃদ্ধি কৰিছিল। আন এটা কথা আছিল এই বিপ্লৱে সাহিত্যৰ ৰীতিৰো বৃত্ত ভঙাটো। ইয়াতেই জন্ম হৈছিল এদল লেখকৰ, যিসকল আছিল নতুন ৰীতিৰ স্ৰষ্টা — creator of style. ফলত জন্ম হৈছিল এবিধ সাংবাদিক সাহিত্যৰ। সাংবাদিক ৰচনা বোলা অভিধাটোৱে স্বাভাৱিকতে এটা মুকলি আৰু উপকৰা লঘু চেতনাৰ' কথাকে মনলৈ আনি দিয়ে যদিও তাত কোনো ফৰ্মূলা আৰোপ কৰাৰ স্থল নাই। ইংৰাজী সাহিত্যত স্থান পোৱা এনে ৰচনাৰ সংবাদ মুনীন বৰকটকীৰ ৰচনাতেই পোৱা গৈছিল বুলিলে বঢ়াই কোৱা নহয়। তেওঁ মাত্ৰ এবাৰেই আৰু এখনেই এনেকুৱা ৰচনা লিখিলে আৰু সেইখনৰ শিৰোনামা আছিল 'কনফেশ্যনছ'। আধা শতিকা আয়ুস হ'ল সেইখন ৰচনাৰ; এতিয়া মূৰৰ চুলি আঁজুৰিও তাৰ কথাবোৰ মনলৈ অনা কঠিন হৈ পৰিছে। আৰু এই লেখা লিখিবৰ সময়ত তাহানিৰ 'আৱাহন'ৰ উঁহ উলিওৱাটোও একপ্ৰকাৰ পুৰাতত্ত্ব খন্দাৰ দৰে কাম হয়। তথাপিও মনত পেলাব পাৰি যে মাত্ৰ সেইখনেই অসমীয়া ৰচনা-সাহিত্যৰ এক ব্যতিক্ৰমধৰ্মী ৰচনা আছিল। আৰু সেই ৰচনাখনেৰেই বোধহয় ইংৰাজী সাহিত্যৰ পৰম্পৰা ভঙ্গকাৰী Charles Lamb, Leigh Hunt প্ৰমুখ্যে লেখকসকলৰ এক ব্যতিক্ৰমধৰ্মী সাংবাদিক ৰচনাৰ সংবাদ অসমীয়া সাহিত্যতো প্ৰতিধ্বনিত হৈছিল।

অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মা ছাৰে তাহানি বিৰিঞ্চিকুমাৰ বৰুৱাৰ 'কাউৰী'

ৰচনাখন পঢ়াওঁতে সেইজাতীয় ৰচনাক belles-lettres বুলি কৈছিল। [এই ৰচনাখনৰে কাউৰীজনীক মই পাইছো Mark Twain-অৰ ভ্ৰমণ বৃত্তান্ত পঢ়োঁতে আবিষ্কাৰ কৰিছিলোঁ]। 'বিল-লেট'ৰ পম খেদি গ'লে অসমীয়া সাহিত্যত বেজবৰুৱাৰ দিনো পাবগৈ পৰা যায় যদিও তাৰ গুণভেদৰ স্থল আছে। 'বিল-লেট'ক হয়তো বেজবৰুৱাৰ ভাষাতে 'ভাবৰ বুৰবুৰণি' বুলি ক'ব পৰা যায়; কিন্তু বুদ্ধিৰ ৰসত তিওৱা এই আমেদী ৰচনা বোধহয় অন্তৰঙ্গ আলাপ-সাহিত্যৰ পৰ্যায়ত পৰে। অকল সেই বিচাৰতেই 'কনফেশ্যনছ' আৰু 'কাউৰী'ক অসমীয়া আধুনিক ৰম্য-ৰচনাৰ বাটকটীয়াৰ শাৰীত পেলোৱা হৈছে। কিন্তু যিদৰে সকলো আমেদী ৰচনাই ভাববাদী পৰ্যায়লৈ নুঠে, সেইদৰেই সকলো ভাববাদী ৰচনাই দাৰ্শনিক পৰ্যায়ো নাপায়গৈ। আৰু এই দুয়োটা ৰসত সিজিলেও কোনো ৰচনা ৰমনীয় হৈ নুঠিবও পাৰে। মোৰ বিমানখিনিলৈকে চকামকাকৈ মনত আছে, বৰকটকীৰ সেই ৰচনাখন আছিল মোৰ বিবেচনাত এখন ৰম্য গুণৰ ৰচনা— Lamb-অৰ দৰে অন্তৰঙ্গ আৰু Hunt-অৰ দৰে গহীন আত্মপ্ৰত্যয়ী, প্ৰকৃততেই ৰমনীয়। কিন্তু তেনে দ্বিতীয় এখন ৰচনা তেওঁ আৰু পঢ়িবলৈ নিদিলে। □

গল্পকাৰ মুনীন বৰকটকী

যোগেশ দাস

মুনীন বৰকটকীদেৱে যে এসময়ত গল্প লিখিছিল এই কথা আজিৰ চাম পাঠক-পাঠিকাই নাজানেই। তাৰ কাৰণ তেওঁৰ গল্পবিলাক সংকলিত হৈ ওলোৱা নাই। তদুপৰি তেওঁ মাত্র দহ-বাৰটামানহে গল্প লিখি পাছলৈ এৰি দিছিল। তেওঁৰ সমসাময়িক আৰু সতীর্থ গল্প লেখক কৃষ্ণ ভূঞাই কিন্তু মাজতে গল্প লিখিবলৈ এৰি দিলেও পাছত ৰামধেনু যুগত আকৌ লিখিবলৈ লৈ তেওঁৰ গল্পবিলাক পুথিৰ আকাৰত প্রকাশ কৰাত বৰকটকীৰ দৰে ভূঞাদেৱ বিস্মৃত হৈ নগ'ল। আমাৰ নিচিনা পাঠকসকলে ডেকা বয়সত তেতিয়াৰ জনপ্রিয় আৱাহন কাকতত বৰকটকী আৰু ভূঞা দুয়োজনৰে গল্প পঢ়ি মুগ্ধ হোৱাৰ কথা স্মৰণ কৰে। মুনীন বৰকটকীয়ে গল্প লিখাৰ দৰেই "বেলে লেটাৰ"ধর্মী এসময়ৰ জনপ্রিয় ৰচনা সম্বন্ধে আৱাহনৰ পাততে যে 'এক্সপেৰিমেন্ট' কৰিছিল সেই কথাও কিজানি আজি বহুতে পাহৰিছে। তেওঁ চিন্তা-চর্চা যিমান কৰিছিল, সেই অনুপাতে পুথি প্রকাশ কৰা নাছিল। তেওঁৰ একমাত্র গ্রন্থ 'বিস্মৃত ব্যতিক্রম'ত কেইবাগৰাকীও পণ্ডিতৰ ব্যক্তিত্বৰ বৈচিত্র্যৰ সম্বন্ধে নতুন ধৰণৰ পর্যালোচনা আগবঢোৱা হৈছে। এই একেখন গ্রন্থই তেওঁলৈ কঢ়িয়াই আনিছিল প্রকাশন পৰিষদৰ বঁটাৰ নিচিনা সন্মান। কিন্তু গল্প আৰু অন্যান্য ক্ষেত্রত প্রকাশৰ অভাৱ হোৱা বাবে তেওঁ নিজেই এজন বিস্মৃত ব্যতিক্রম হৈ থাকিল। অসমীয়া গল্প-সাহিত্যৰ একমাত্র ইতিবৃত্ত স্বৰূপ — ত্রৈলোক্য নাথ গোস্বামীৰ 'আধুনিক গল্প-সাহিত্য' গ্রন্থত বৰকটকীদেৱৰ মাত্র দুটা গল্প সম্বন্ধে আলোচনা কৰা হৈছে। তেওঁৰ গল্পবিলাক পাবলৈ নাই কাৰণেই সেই সম্বন্ধে বিশেষ কোনো আলোচনা-বিলোচনা ওলোৱা নাই।

মুনীন বৰকটকীদেৱে আৱাহনৰ পাততে ঘাইকৈ গল্প লিখিছিল। আৱাহন যুগতে অসমীয়া গল্প-সাহিত্যই বিশেষভাৱে বিকাশ লাভ কৰে। ইয়াৰ আগতে জোনাকী-বাঁহীৰ কালত অসমীয়া গল্পৰ পাতনি মেলা হৈছিল। তেতিয়া স্বাভাবিকতে পাশ্চাত্য সাহিত্যৰ আহিঁত আৰম্ভ কৰা এইশ্রেণী সাহিত্যৰ মাজত কিছু কিছু দুর্বলতা দেখা গৈছে। কিন্তু আৱাহন যুগত অসমীয়া গল্পই সকলো দুর্বলতা দলিয়াই পেলাই ৰচনা-শৈলী, বিচিত্র বিষয়বস্তু, সমৃদ্ধ ভাষা আদিৰে এটা উৎকৃষ্ট ৰূপ ধাৰণ কৰে। অসমীয়া সাহিত্যৰ বুৰঞ্জীকাৰ ড° সত্যেন্দ্রনাথ

শৰ্মাৰ ভাষাত '১৯২৯ চনত কলিকতাবপৰা আৱাহন ওলোৱাৰ লগে লগে অসমীয়া গল্প-সাহিত্যয়ো এটা নতুন স্তৰত ভৰি দিয়ে। ৰোমাণ্টিক ভাব বিলাসৰ উন্মাদনা, কল্পনাৰ মুক্ত গতি, ভাষাৰ সূক্ষ্ম ব্যঞ্জনা, মনস্তাত্ত্বিক বিশ্লেষণ আৰু প্ৰগতিশীল ৰীতি আৱাহনৰ গল্পকাৰসকলৰ ৰচনাত দেখা যায়। আগৰ— জোনাকী-বাঁহীৰ গল্প-শিল্পীসকলৰ গাৱঁলীয়া বা চহা জীৱনৰ পৰিবৰ্তে শিক্ষিত আৰু নাগৰিক জীৱনত আত্মমুক্তিৰ প্ৰচেষ্টা আৰু লাহ-বিলাহ এই নতুন লেখকসকলৰ বিষয়বস্তু হৈ পৰিল। ফ্ৰয়েড, য়ুং, এড্লাৰ আদিৰ, বিশেষকৈ প্ৰথমজনৰ যৌন মনস্তত্ত্বই কোনো কোনো লেখকক প্ৰভাৱিত কৰে। বহুতো গল্পত যৌন-ক্ষুধা বা ৰতি বাসনাই সামাজিক বন্ধন চিঙি যোৱাৰ প্ৰচেষ্টাও দেখা যায়; কিন্তু ৰচনাভঙ্গীৰ মাধুৰ্য্যই আৰু গল্প-গাঁথনিৰ কাৰুকাৰ্যই শিল্প সুলভ সৌন্দৰ্য দান কৰি সুখপাঠ্য কৰি তুলিছে। ড° শৰ্মাই এই প্ৰসংগত মুনীন বৰকটকীৰ নামো উল্লেখ কৰিছে।

বৰকটকীদেৱে 'মুনীন্দ্ৰ চন্দ্ৰ বৰকটকী' আৰু 'মুনীন্দ্ৰনাথ বৰকটকী' এই দুটা নামেৰে আৱাহন, বৰদৈচিলা আদি আলোচনীত তেওঁৰ গল্পবিলাক লিখিছিল। তেওঁৰ লিখাঁৰ সময় আছিল ৪০ৰ দশক আৰু সেই সময়তে আৱাহন যুগৰ গল্প-সাহিত্যৰ বিশেষ উন্নতি হৈছিল। আমি তেওঁৰ নিম্নলিখিত গল্পবিলাক সম্প্ৰতি আকৌ পঢ়াৰ সুযোগ পালো। (১) বীণা — ডেকা পলাশ আৰু গাভৰু বীণাৰ মাজত গঢ় লৈ উঠা মধুৰ সম্পৰ্কই ইয়াৰ বিষয়বস্তু। কিন্তু এই সম্পৰ্কটো ককায়েক-ভনীয়েকৰ নে প্ৰেমিক-প্ৰেমিকাৰ সেই কথা অস্পষ্ট আৰু অব্যক্ত হৈয়ে থাকিল। সেইবাবে কাহিনীৰ শেষত যেতিয়া বীণাৰ মৃত্যু হ'ল তেতিয়া পলাশৰ মনৰ মাজত এটা ভয়ানক দ্বন্দ্ব উপস্থিত হ'ল। মাত্ৰ দুই পৃষ্ঠাৰ এই গল্পটোত এটা অন্তৰ্দ্বন্দ্বকে মাথোন দেখুৱা হৈছে। (২) বিদ্ৰোহী — মফিজ আৰু মনচুৰ দুয়ো দেশপ্ৰেমিক বিদ্ৰোহী। তেওঁলোকে ফঁচীকাঠত ওলমি জীৱন দিব লাগিব। জেলৰ ভিতৰত আন্ধাৰ, নিস্তব্ধতাত তেওঁলোকে এইবিলাক কথাকে আলোচনা কৰে। ইহসংসাৰ এৰি থৈ যাবলৈ মফিজ আৰু মনচুৰৰ মনত বৰ দুখ; কিন্তু আনহাতে দেশৰ কাৰণে যি আত্মত্যাগ কৰিবলৈ ওলাইছে তাৰ কাৰণে তেওঁলোক গৌৰৱান্বিত। মৃত্যুৰ আগে আগে এই দুয়োটা ভাবেই পৰস্পৰক টনা-আঁজোৰা কৰি দুয়োকে বিহ্বল কৰি তুলিছে। এইটো গল্পও বৰ চুটি, মাত্ৰ ১ পৃষ্ঠা জোৰাহে। (৩) ছবি — এইটো গল্প এজন চিত্ৰশিল্পীৰ বিষয়ে লিখা। শিল্পীয়ে মানুহৰ বিচিত্ৰ ভাব-অনুভূতি বিবিধ ছবিত ফুটাই তোলে। লীলা নামৰ এজনী সৰু ছোৱালীৰ লগত শিল্পীৰ পৰিচয় আৰু ঘনিষ্ঠতা হয়। লাহে লাহে লীলা ডাঙৰ হৈ আহে। তেতিয়া শিল্পীয়ে লীলাৰ ছবি এখন আঁকিবলৈ ধৰে। তেওঁৰ হেঁপাহ, ছবিখন অবিকল লীলাৰ নিচিনা হ'ব লাগিব। সেইবাবে আঁকি থাকোতে লীলাক চাবলৈ নিদিয়ে;

সম্পূৰ্ণ হ'লেহে দেখুৱাব। কিন্তু এনেতে অসুখ হৈ লীলাই ইহলীলা সম্বৰণ কৰিলে। শিল্পীয়ে মৰ্মান্তিক আঘাত পালে, কাৰণ তেওঁৰ ছবিখনত সৃষ্টিৰ সকলো সৌন্দৰ্য থূপ খাইছিল। (৪) অভিশাপ — ইয়াত গল্পকাৰজনেই কাহিনীৰ নায়ক আৰু তেওঁ এজন কেৰাণী। তেওঁ থকা ঘৰটোৰ ওচৰৰে এটা ধনী পৰিয়ালৰ ছোৱালী বীণাক নায়িকাৰূপে কল্পনা কৰি গল্প লিখে। বীণা ইমান ভাল আৰু সৰল ছোৱালী যে তেওঁৰ ঘৰলৈ আহি ঘৰুৱা যাৱতীয় কাম কৰি দিয়ে। দুয়ো হয়তো পৰস্পৰক বিচাৰে; কিন্তু কোনোদিনে কোনেও কথাটো ব্যক্ত নকৰিলে। ধনী ঘৰৰ ল'ৰা পৰেশৰ লগত বীণাৰ বিয়া ঠিক হ'ল। এনেতে এদিন বীণাই চিপজৰী লৈ আত্মহত্যা কৰিলে। নায়কে ভাবি ল'লে যে তেওঁৰ কাৰণেই বীণাই এনেকৈ নিজৰ প্ৰাণ ল'লে। (৫) নিয়মৰ বান্ধ আৰু প্ৰাণৰ টান — মাখনৰ লগত ৰেণুৰ বিয়া হৈছিল নিতান্ত সামাজিকভাৱে, বিযাত মাখনৰ মত নাছিল। ৰেণুক ভাল পাব নোৱাৰি মাখন আঁতৰি গ'ল। অৱহেলা সহ্য কৰিব নোৱাৰি ৰেণুৱে আত্মহত্যা কৰিলে। ইপিনে মাখনে ভাল পাইছিল মুনুক। কিন্তু কিবা কাৰণত তাইক বিয়া কৰোৱা নাছিল। তাতে মুনু ৰুগীয়া। যৌৱনৰ তাড়নাত মাখনে ৰেণুৰ প্ৰতি অন্যায় কৰিলে নেকি বুলি দ্বিধা আৰু দ্বন্দ্বত মনোকষ্ট পাবলৈ ধৰে। (৬) সপোন সুধা — চিৰাজ নগৰৰ সৌন্দৰ্যত কবি হাফেজ মুগ্ধ। এদিন তেওঁ ফুলনিৰ মাজত বহি থাকোঁতে অনুভৱ কৰিলে যেন এজন জীনে আহি কান্ধত তুলি তেওঁক ক'ৰবালৈ লৈ গ'ল। জীনে কবিক গোলাপৰাণীৰ ৰাজ্যলৈ লৈ গ'ল। সৃষ্টিকৰ্তাৰ সৌন্দৰ্য-সৃষ্টিৰে অপূৰ্ব সেই দেশ। অপৰূপা সুন্দৰী গোলাপৰাণীৰ সহচৰী পৰীবিলাকো একোপাহ ফুলৰ নিচিনা। ৰাণীৰে সৈতে সৌন্দৰ্য সম্বন্ধে কবিৰ কথা-বতৰা হ'ল। ৰাণীযে জনালে যে যিসকল কবি আৰু পক্ষী তেওঁৰ স্তাৱক, তেওঁলোক সকলোৱে মাত্ৰ তেওঁৰ বাহ্যিক সৌন্দৰ্যৰহে উপাসনা কৰে। কিন্তু কবিৰ কথাৰপৰা বুজা গ'ল যে অকল তেওঁহে অন্তৰৰ সত্যৰ সন্ধান কৰে। শেহত হাফেজে দেখিলে, তেওঁ য'ত বহিছিল তাতেই আছে। তেওঁ মাত্ৰ এটা সপোনহে দেখিছিল। (৭) জয় নে পৰাজয় — অনন্ত এজন প্ৰফেছৰ। পত্নী লিলিক লৈ তেওঁ কবি-কল্পনাত বুৰ মাৰি থাকিব খুজিছিল। কিন্তু লিলিয়ে সেইবিলাক বুজি নাপালে। এনেতে লিলি বলিয়া হৈ তেজপুৰলৈ যাব লগা হ'ল। ইপিনে অনন্তই চাৰুক ওচৰ চপাই ল'লে আৰু পুনৰ কল্পনাৰ আকাশত উৰিবলৈ ধৰিলে। এইবাৰ তেওঁ ব্যৰ্থ হ'ল; চাৰুৰ মাজত প্ৰফেছৰে আকৌ লিলিক দেখিবলৈ পালে — দোধোৰমোধোৰ অৱস্থাত অনন্ত অচেতন হৈ পৰিল। মানসিক চিকিৎসালয়ত অলপ সুস্থ হৈ উঠা লিলিয়ে সকলো কথা শুনিবলৈ পালে আৰু এখন চিঠিত অনন্তলৈ লিখিলে— আপুনি ভালেই কৰিছে, সংসাৰত পুৰুষে কেৱল ভোগেই কৰে

আৰু নাৰীৰ কাম হ'ল কেৱল দান দি যোৱা। (৮) 'পাপ নে ভুল' — তপন কাকতিয়ে পত্নী পুতলী আৰু মাকক লৈ পুৰীলৈ ফুৰিবলৈ গৈছে। সদ্যবিবাহিত তপনে বিচাৰে পুতলী যেন তেওঁৰ ওচৰে ওচৰে থাকিব, দিনে-ৰাতিয়ে ঘৰৰ ভিতৰত শাহুৱেকৰ লগত কেৱল কামকে কৰি নাথাকে। কিন্তু পুতলী তেওঁৰ ওচৰলৈ নাহে। তাতে তপনৰ খং। আনহাতে ওচৰ-চুবুৰীয়া বঙালী ভদ্ৰলোক চৌধুৰীৰ বিধবা কন্যা ৰেবাৰ প্ৰতি তপন কাকতি আকৃষ্ট। ৰেবা সুন্দৰী, শিক্ষিতা, গায়িকা আৰু সৰ্বোপৰি স্নেহশীলা। কাকতিয়ে ৰেবাৰ ওচৰলৈ গৈ তেওঁৰ গান শুনি আৰু তেওঁ ৰন্ধা ভাত খাই পৰম তৃপ্তি লাভ কৰে। এইবিলাক কথা গম পাই পুতলীয়ে অভিমান কৰে। তেওঁৰ প্ৰতি অন্যায় কৰা হৈছে বুলি কাকতিয়ে উপলব্ধি কৰে। এদিন তেওঁ গধূলি চৌধুৰীহঁতৰ ঘৰলৈ নাযাওঁ বুলি কৈয়ো ফুৰিবলৈ ওলাই গৈ ৰেবাৰ নতুন ফুলনিখন চাবলৈ সেইখিনি পালেগৈ। ৰেবা আৰু তপন পাহুত ভিতৰলৈ যায় আৰু তাতে আন্ধাৰত তপনে ৰেবাক সাৱটি ধৰে — ৰেবায়ো বাধা দিবলৈ গৈ কিবা কাৰণত বাধা নিদিলে। হয়তো দুয়ো দুয়োৰে প্ৰতি যৌৱনৰ উন্মাদনা অনুভৱ কৰিছিল। কিন্তু ঠিক সেই সময়তে ফুৰিবলৈ আহি পুতলী আৰু মাক স্বয়ং চৌধুৰীৰ সৈতে আহি তেওঁলোকৰ আগত ওলাল। ৰেবা আৰু তপন দুয়ো দুফালে গুচি গ'ল। (৯) 'অপ্ৰকাশৰ বেদনা' — তৰুণ এজন শিক্ষক। লিলিহঁতৰ এটা ঘৰতে তেওঁ থাকে। লিলিক নিচেই সৰুৰেপৰা দেখি আহিছে। লিলিয়ে তেওঁৰ ওচৰলৈ আহি দাদা, দাদা কৰি নানান কথা কয় আৰু কাম-বন কৰে। ক্ৰমে ডাঙৰ হৈ অহা লিলিৰ প্ৰতি তৰুণ আকৃষ্ট হয়। উদ্দাম যৌৱনৰ তাড়নাত তৰুণে এদিন লিলিৰ ওচৰত প্ৰেম নিবেদন কৰে। কিন্তু লিলিয়ে তাক অগ্ৰাহ্য কৰে। গুৱাহাটীৰপৰা তৰুণ তেজপুৰলৈ যায়। তাতে এদিন লিলিৰ বিয়াৰ নিমন্ত্ৰণী পত্ৰ পায় — বিলাত ফেৰৎ দেবীৰ লগত। তৰুণে অৰুণিক বিয়া কৰায়। অৰুণিৰ প্ৰতি তেওঁৰ কোনো প্ৰেমভাব নাছিল। যক্ষ্মাত আক্ৰান্ত হৈ নিৰনুৱা তৰুণ ল'ৰা-তিৰোতা লৈ দাৰিদ্ৰ্যৰ কৰালগ্ৰাসত পৰে। মৰণপথৰ যাত্ৰী তৰুণে অৰুণিৰ অকাতৰ দানৰ মাজত এনে মহত্ত্ব আৱিষ্কাৰ কৰিলে, যিটো সম্পদ স্বাৰ্থপৰ লিলিৰ মাজত নাছিল, অৰুণিৰ প্ৰতি তৰুণ কৃতজ্ঞ হয়। শেষত এদিন লিলি আৰু দেবী আহি ওলায়। খবৰ নিদিয়া কাৰণে তেওঁলোকে খং কৰে। লিলিৰ অন্তৰতো অনুশোচনা জাগি উঠে। কিন্তু তেতিয়া কৰিব পৰা একো নাছিল।

এইবিলাক গল্পৰ উপৰি মুনীন বৰকটকীৰ আৰু কেইটামান গল্প আছে বুলি জানিব পাৰিছোঁ। কিন্তু সেইকেইটা হাতত নপৰা কাৰণে সেইকেইটাৰ বিষয়ে বিশেষ একো ক'ব পৰা নহ'ল।

ওপৰৰ চমু বিৱৰণৰপৰা দেখা যায় যে বৰকটকীৰ গল্পবিলাকত আৱাহন

যুগৰ বিকাশপ্ৰাপ্ত অসমীয়া গল্পৰ সাধাৰণ লক্ষণবিলাক প্ৰকাশ পাইছে। যেনে প্ৰেম-প্ৰণয়ৰ ক্ষেত্ৰত মুক্ত কল্পনা, ভাব-বিলাসিতা, মানসিক বিশ্লেষণ, প্ৰগতিশীল দৃষ্টিভঙ্গী ইত্যাদি লক্ষণ গল্পবিলাকত আছে। দুটামান গল্পত, যেনে ছবি, সপোন সুধা, ইত্যাদি গল্পত কাব্যিক কল্পনাই ডেউকা কোবাই বহু ওপৰলৈকে উৰা মাৰিছে। কবি হাফেজক একজন জীনে কান্ধত লৈ এখন পৰীৰ ৰাজ্যলৈ লৈ যোৱাটোত হয়তো আৰব্য উপন্যাসৰ কিছু প্ৰভাৱ পৰিছে। ছবি নামৰ গল্পটোতো একজন শিল্পীৰ প্ৰচুৰ ভাব-বিলাসিতা আছে। গল্পবিলাকত থকা প্ৰেম-প্ৰণয়ৰ ক্ষেত্ৰত এটা কথা লক্ষ্য কৰা যায় যে প্ৰায়েই নায়ক-নায়িকাৰ মাজত হয় ভুল ধাৰণা বৈ যোৱা নাইবা মনৰ ভাব অপ্ৰকাশিত হৈ থকা এনে — সংঘাটৰ অৱতাৰণা কৰা হৈছে। বীণা আৰু পলাশৰ মনৰ প্ৰকৃত ভাব কাহানিও প্ৰকাশিত নহ'ল (বীণা)। অভিশাপ গল্পত নায়িকা বীণাই কোনোদিনে গল্পকাৰ নায়কৰ আগত মনৰ কথা প্ৰকাশ নকৰিলে। গল্পকাৰেও একো নক'লে। ফলত আনৰ লগত বিয়া ঠিক হোৱাত বীণাই আত্মহত্যা কৰিলে। আমি বহুদিন ধৰি কৈ আহিছোঁ যে মুনীন বৰকটকী আৰু কৃষ্ণ ভূঞাই আৱাহনৰ গল্প-সাহিত্যত মনোবিশ্লেষণধৰ্মী কাহিনীৰ অৱতাৰণা কৰি এটা নতুন পথ মুকলি কৰে। এই কথা অন্যান্য একাধিক লেখকেও লক্ষ্য কৰি আহিছে — যেনে ড° সত্যেন্দ্ৰনাথ শৰ্মা, (অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত), ড° নিৰ্মলপ্ৰভা বৰদলৈ (অসমীয়া গল্প সঙ্কলন), ড° নমিতা ডেকা (আৱাহনৰ গল্প, প্ৰথম খণ্ড) ইত্যাদিয়ে এই কথা কৈ গৈছে। বৰকটকীদেৱে কেইটামান গল্পত আন এক ধৰণৰ অন্তৰ্দ্বন্দ্ব বিশ্লেষণ কৰিছে। মাখনে ৰেণুক বিয়া কৰাইছিল কিন্তু ভাল পাব নোৱাৰি আঁতৰি গৈছিল। তথাপি তেওঁ মুনুক ভাল পাবলৈ লৈ ৰেণুৰ প্ৰতি অন্যায় কৰিলে বুলি দ্বিধাগ্ৰস্ত হৈছিল (নিয়মৰ বান্ধ)। ঠিক একে ধৰণে 'জয় নে পৰাজয়' গল্পত অনন্তই পত্নী লিলিক পাগলা ফাটেকলৈ পঠিয়াই চাকৰ ওচৰ চপাই লৈ কল্পনাৰ জগতত বুৰ গৈ থাকিবলৈ যত্ন কৰিছিল। কিন্তু সুস্থ হৈ অহা লিলিৰ চিঠিয়ে অনন্তক দ্বিধাগ্ৰস্ত কৰি তোলে। 'পাপ নে ভুল'ত তপন কাকতিয়ে পুতলীক এৰি বিধবা ৰেবা চৌধুৰীৰ প্ৰতি আকৃষ্ট হোৱা দেখুৱাইছে। কিন্তু পুতলীৰ অভিমানৰ আগত তপনে অন্যায়টো উপলব্ধি কৰিছে। 'অপ্ৰকাশৰ বেদনা' বৰকটকীদেৱৰ এটা উল্লেখযোগ্য গল্প। ইয়াত ডেকা শিক্ষক তৰুণ সকৰেপৰা দেখি অহা লিলিৰ প্ৰতি আকৃষ্ট হৈছিল। কিন্তু লিলিয়ে তেওঁৰ প্ৰেম প্ৰত্যাখ্যান কৰাত তেওঁ প্ৰেমহীনভাৱেই অকণিক বিয়া কৰাইছে। ৰোগত পৰি মৰিবলৈ ওলাই তৰুণে অকণিৰ অকাতৰ দানৰ মাজত এটা মহত্ব দেখিবলৈ পাইছে আৰু উপলব্ধি কৰিছে যে লিলি আচলতে আছিল স্বাৰ্থপৰ। এইবিলাক মানসিক দ্বন্দ্বৰ বিশ্লেষণ আৱাহন যুগৰ গল্পৰ এটা বিশেষত্ব। ৰমা দাস আৱাহন যুগৰ

গল্পকাৰৰ ভিতৰত সৰ্বাধিক জনপ্ৰিয়। শিক্ষিত ডেকা-গাভৰুৰ মুক্তপ্ৰেমৰ বিশেষ প্ৰকাশ, তাৰ বৰ্ণনা কৰাৰ সাবলীল আৰু সুমধুৰ ভাষা ইত্যাদিৰ কাৰণে বমা দাশ বিশেষ সমাদৃত হৈছিল। কিন্তু মুনীন বৰকটকীয়ে মনোবিশ্লেষণৰ ধাৰা মুকলি কৰি এটা অভিনৱত্ব আনি দিয়ে। পাছত লক্ষ্মীধৰ শৰ্মাই সামাজিক চেতনা আৰু মনোবিশ্লেষণ দুয়োটাকে একেলগে গ্ৰথিত কৰি অসমীয়া গল্পৰ এটা নতুন ছেদ আৰম্ভ কৰে। বাস্তৱবাদৰ প্ৰভাৱ আৱাহন যুগত পৰিবলৈ ধৰে। ত্ৰৈলোক্যনাথ গোস্বামীয়ে এই ক্ষেত্ৰত বিশেষভাৱে প্ৰচেষ্টা চলায়। ঠিক এই দিশত নহ'লেও স্বাধীনতা-সংগ্ৰামৰ প্ৰভাৱৰ প্ৰতিফলন দেখুৱাই মুনীন বৰকটকীয়ে 'বিদ্ৰোহী' গল্পত মফিজ আৰু মনচুৰৰ জেলত হোৱা উপলব্ধিৰ যোগেদি তাক দাঙি ধৰিছে। গতিকে অনায়াসে ক'ব পাৰি যে গল্পকাৰ হিচাপে মুনীন বৰকটকীয়ে আৱাহন যুগৰ গল্প-সাহিত্যত ন-মাটি ভাঙিছিল। সেইকাৰণেই তেওঁৰ এখনি বিশিষ্ট আসন থাকিব। তেওঁ যদি তেওঁৰ সতীৰ্থ কৃষ্ণ ভূঞাৰ নিচিনাকৈ পাছলৈকো গল্প লিখি থাকিলেহেঁতেন, তেনেহলে এতিয়ালৈকে কিছু অৰ্দ্ধবিকশিত হৈ থকা তেওঁৰ মনোবিশ্লেষণে এটা প্ৰকৃষ্ট ৰূপ গ্ৰহণ কৰিলেহেঁতেন। কিবা কাৰণত হয়তো অধিক 'ছিৰিয়াছ' অধ্যয়নৰ কাৰণে তেওঁ বেছিকৈ মনোনিবেশ কৰাত গল্প লিখাৰ প্ৰচেষ্টা আদৰাটতে এৰি দিলে। তাৰ ফলত সাধাৰণভাৱে হয়তো অসমীয়া গল্প-সাহিত্য ক্ষতিগ্ৰস্ত হ'ল। কিন্তু তেওঁ যিখিনি দি থৈ গ'ল, তাক কেতিয়াও অনাদৰ কৰিব নোৱাৰি। □

মুনীন বৰকটকী : ব্যক্তিত্বৰ সাঁচ

অতুলানন্দ গোস্বামী

এবাৰ সান্নিধ্যলৈ আহিলে মনত মচিব নোৱৰা সাঁচ বহুৱাব পৰা ব্যক্তিত্ব আছিল মুনীন বৰকটকীৰ। যোৱা প্ৰায় ত্ৰিশ বছৰ আগৰ চিনাকিৰে মই তেখেতৰ লগত সততে যোগাযোগ ৰাখি আছিলো। এই যোগাযোগৰ সৰহ ক্ষেত্ৰতে ভাষা-সাহিত্যৰ কথাই ওলাইছিল। মতামত বিচাৰি কেতিয়াবা কাজিয়া কৰিছিলো, ভাবি খাইছিলো আৰু বেছিভাগ ক্ষেত্ৰতে মৰমেৰে দিয়া পৰামৰ্শ পাই নিজকে চহকী চহকী যেন উপলব্ধি কৰিছিলো। সেইজন বৰকটকীলৈ শ্ৰদ্ধা জনাই দুআষাৰ লিখিবলৈ লৈ মই বিযোৰত পৰিছোঁ।

সাধাৰণতে প্ৰচাৰবিমুখ বৰকটকী ঘাইকৈ এজন পঢ়ুৱৈহে আছিল। আমি চেষ্টা কৰিছিলো সেই অধ্যয়নলব্ধ অভিজ্ঞতাৰ আভাস দিবলৈ কলমটোৰো ব্যৱহাৰ কৰি আমাক উপকৃত কৰাবলৈ। অধ্যয়নপুষ্ট মনটোক মুকলি কৰি দিবলৈ। শ্ৰীউপেন্দ্ৰ বৰকটকীয়ে বৰ ভালকৈ চিনি পাইছিল এইজন বৰকটকীক। সেই চিনাকি সুন্দৰকৈ দাঙি ধৰিছে তেওঁৰ 'ব্যক্তিত্বৰ সংবাদ আৰু সংঘাত' নামৰ সৰু পুথিখনত সন্নিবিষ্ট কৰা প্ৰবন্ধ এটাত। সেই এটা প্ৰবন্ধতে বৰকটকী মানুহজনৰ সামগ্ৰিক পৰিচয় এটা ফুটি ওলাইছে। তেখেতৰ সাহিত্য-চৰ্চা, সংবাদ-সেৱা আৰু কৰ্মজীৱনৰ সুন্দৰ বৰ্ণনা এটাৰে প্ৰবন্ধটো ভৰাই পেলোৱা হৈছে। তাত উপেন্দ্ৰই কৈছে: "শ্ৰীমুনীন বৰকটকীয়ে পঢ়ে প্ৰচুৰ, লিখে কম। ইয়াৰ লগতে তেওঁৰ এলাহো কম দায়ী নহয়।"

উপেন্দ্ৰ বৰকটকীৰ লগতে আমাৰো ক'বৰ মন যায় — তেনে তাকৰীয়া লেখাৰেও তেখেতে 'অসমীয়া সাহিত্যক যিখিনি দিছে সেইখিনি অনন্য, অনৱদ্য আৰু অগতানুগতিক।'

অগতানুগতিক হোৱাই স্বাভাৱিক। সেইটো মুনীন বৰকটকীৰ স্বভাৱ আৰু বৈশিষ্ট্য। চল্লিশৰ দশকত বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য, অজিতকুমাৰ শৰ্মা, অমূল্য বৰুৱা, ৰাজেন ভূঞা, যতীন্দ্ৰনাৰায়ণ শৰ্মা, বদন বৰুৱা আদিৰে গোট খোৱা ছাত্ৰৰ জুমটোৱে যোৰহাটৰ কছাৰী-ময়দানৰ এচুকত মহলা মাৰি থাকোতে তাত ভাগ লবলৈ সোমাই অহা ডেকা শিক্ষক মুনীন বৰকটকীৰ আচৰণ অগতানুগতিক আছিল। মহলাৰ মাজতে দেশ-বিদেশৰ সাহিত্যৰ কথা আলোচনা কৰা হৈছিল। সাম্প্ৰতিক গল্প-কবিতাৰ বিশ্লেষণ কৰা হৈছিল। এইবোৰ কথা

এখেতসকলে শ্ৰদ্ধাৰে সোঁৱৰে। আৰু সেইজন শিক্ষক বৰকটকীয়ে তেখেতৰ ছাত্ৰ অমূল্য বৰুৱাৰ বিষয়ে এনেকৈ কৈছিল: "দুৰ্দিনমানৱ বাবে অমূল্যৰ শিক্ষক হোৱাৰ সৌভাগ্য মোৰ ঘটিছিল। ভাবি বৰ লাগে যে ছাত্ৰ অমূল্যবপৰা সেই অৰ্জনীয়া সময়ছোৱাতে শিক্ষক মই নানা প্ৰকাৰে নানা শিক্ষা লাভৰ সুযোগ পাইছিলো।" এই উক্তিও মুনীন বৰকটকীৰ অগতানুগতিক ব্যক্তিত্বৰ এটা লক্ষণ।

মই প্ৰায়ে কথাই-বতৰাই হওক বা দূৰৈত থাকিলে চিঠিপত্ৰৰ যোগেদিয়ে হওক, আমাৰ বহুত ৰচনাত ধৰা পৰা আসোঁৱাহ কেতবোৰৰ বিষয়ে আলোচনা কৰিছিলো। এবাৰ তেখেতে গুৱাহাটীত হৈ যোৱা এখন নাটকৰ অভিনয়ৰ সমালোচনা আগবঢ়াইছিল কোনোবা এখন কাকতত। তাত ব্যৱহাৰ কৰা 'মঞ্চায়িত' শব্দৰ বিষয়ত তৰ্ক কৰিছিলো। এবাৰ বিশেষ বিষয় এটা লৈ মই লিখা প্ৰবন্ধ এটা তেখেতক চাবলৈ দিছিলো। মোৰ আপত্তি আছিল, আদৰ্শস্থানীয় বুলি ভাবিব পৰা বা ভাষা-সাহিত্যৰ ক্ষেত্ৰত নেতৃত্ব দি থকা লোকৰ লিখাত ওলাই পৰা সৰু সৰু ভুল কিছুমানে ভাষাৰ অনিষ্ট সাধন কৰাৰ থল থকা কথাত। কিছুমান আখৰ-জোঁটনিয়ে, বাক্যৰ গাঁথনিয়ে বিপাঙত পেলায়। এখন চিঠিৰে তেখেতে উত্তৰ দিছিল:

'তুমি থৈ যোৱা কাগজখিনি পঢ়ি চালোঁ। তোমাৰ যুক্তি সবল। পাছে তুমি এইবিলাক ভাষা বা বানানৰ ত্ৰুটিবোৰ বৰ seriously লোৱা নেকি? মোৰ বয়স হৈছে। সেইবোৰ আওকাণ কৰিবলৈ শিকিছোঁ। সৰু সৰু ভুল বহুতে কৰে— বিজ্ঞজনেও নকৰা নহয়, তুমিও কৰা...

'শব্দভাণ্ডাৰৰ সাৱলীলতা'ৰ নিচিনা ভুলতকৈ অনাৰ্তাৱ, দূৰদৰ্শন, বক্তৃতা আৰু লিখনিত নিতৌ দোহাৰি থকা 'বাহুল্যতা' 'আতিশয্যতা' 'কলাকৃতি'ৰ নিচিনা সাধাৰণ ভুলবোৰ সোঁৱৰাই দিলে শুদ্ধ নকৰাটো মোৰ বাবে বেছি দৃষ্টি আৰু শ্ৰুতিকটু।' (৪/১২/৮৬)

বৰকটকীৰ এই সমিধান আৰু সচেতন মন্তব্য মোৰ বৰ ভাল লাগে। উৎসাহ পাওঁ। সেইবাবেই মই বোধকৰো আসে পাইছিলোঁ। ১৯৭৭ চনত মই যোৰহাটত থাকোতে অসম সাহিত্য সভাৰ হীৰক জয়ন্তী উদযাপন কৰা হৈছিল। সেই উপলক্ষে প্ৰকাশ পোৱা স্মৃতিগ্ৰন্থ 'হীৰক জ্যোতি'ৰ সম্পাদনাৰ ভাৰ মোক দিয়া হৈছিল। দায়িত্ব লৈয়ে মই কেনে ধৰণৰ আঁচনি ল'ব পাৰো তাৰে দিহা বিচাৰি প্ৰথম চিঠিখন লিখিছিলো বৰকটকীলৈ। পিছে কিবা পাকত চিঠিখন পোৱাত মোৰ পলম হ'ল। তথাপি তেখেতে উত্তৰত দিয়া চিঠিৰ দিহাটো এতিয়াও অপ্ৰাসঙ্গিক নহয়। বৰকৈ নিলিখা বৰকটকীৰ চিঠিবোৰো একো একোটা প্ৰবন্ধই। সেইখনো যথেষ্ট দীঘল চিঠি। মোলৈ পৰামৰ্শ দি তেখেতে লিখিছিল—

"কিতাপখনত থাকিবলগীয়া সকল সম্পৰ্কে মোৰ দিহা-পৰামৰ্শ দিয়াত অলপ দিগদাৰ আছে। কাৰণ, সভাই ইতিপূৰ্বে বিবিলাক স্মৃতিগ্ৰন্থ উলিয়াই আছে সেইবিলাকৰপৰা তুমি দেখদেখকৈ আঁতৰি থোৱা যেনেকৈ টান হ'ব তেনেকৈ অনুচিতো হ'ব। তদুপৰি এক প্ৰাচীন প্ৰতিষ্ঠিত ব্যৱহাৰ প্ৰসঙ্গ যেতিয়া— ভাল ভাল প্ৰতিষ্ঠিত লেখকৰপৰাই প্ৰবন্ধ ল'ব লাগিব আৰু তেনে লোকক বিষয়বস্তু বাছি দৈ লিখোৱাও টান হ'ব। ব্যক্তিগতভাৱে মই ভাবো, কোনো সাহিত্যিকবিশেষৰ কৃতী নাইবা অৱদানৰ চৰ্চা কৰাতকৈ trendy tendencies আৰু সাহিত্যকৰ্মৰ dynamics সম্পৰ্কীয় আলোচনা থাকিলেহে গ্ৰন্থখনৰ্ মোল বাঢ়িব আৰু স্থায়ী মূল্যপ্ৰাপ্ত হ'ব। তাতে যাতে প্ৰবন্ধসমূহ অত্যন্ত নীৰস, academic নহৈ জীৱন্ত আৰু সাহিত্যিক সুষমা থকা হয় তালৈকো লক্ষ্য ৰাখিব লাগিব। সাহিত্য সভাৰ সৈতে মোৰ ব্যক্তিগত সম্পৰ্কটো বৰ বেছিদিনীয়া নহয় আৰু সভাৰ তথাকথিত establishment-অৰ সৈতে মোৰ সম্পৰ্ক সিমান ঘনিষ্ঠ নহয় বাবে মই সেই বিষয়ে উচ্চ-বাচ্য নকৰাই ভাল হ'ব যেন পাওঁ। মোৰ বোধেৰে সাহিত্য সভাৰ জীৱিত প্ৰাক্তন সভাপতিসকলৰ ওপৰত গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় দুখনত প্ৰতিষ্ঠিত অধ্যাপকসকলৰ সেৱা আদায় কৰিব পাৰিলে বস্তুটো ভাল হ'ব লাগে।"

অকল সিমানেই নহয়, চিঠিখনত আৰু কিছু পৰামৰ্শ দিয়া আছিল। সেইখিনি কাৰ্যকৰী কৰিব পাৰিলে আজিও যিকোনো অধিবেশন তথা প্ৰাসঙ্গিক প্ৰকাশন মূল্যবান হ'ব।

সাহিত্য সভা প্ৰসঙ্গত বৰকটকীয়ে নিজৰ সম্পৰ্ক 'সিমান ঘনিষ্ঠ নহয়' বুলি কৈছে যদিও, সভাৰ মৰ্যাদা আৰু স্থিতি সম্পৰ্কত অত্যন্ত সচেতন আছিল। বিহপুৰীয়া অধিবেশনৰ আগে আগে কেইবাগৰাকীও বিশিষ্ট লোকৰ অভিমত বিচাৰি 'প্ৰকাশ' আলোচনীত এটি শিতান প্ৰকাশ কৰা হৈছিল। তাত বৰকটকীয়ে স্পষ্ট ভাষাৰে কৈছিল: "তথাপি মোৰ ব্যক্তিগত দৃষ্টিৰে অসমীয়া সাহিত্যই এতিয়া অতীতৰ ৰাজনৈতিক অথবা জাতীয়তামূলক সমস্যা-সৰ্বস্বতে নিমগ্ন হৈ নেথাকি গুণগতভাৱে অসমীয়া সাহিত্যৰ সম্পদ সংবৰ্ধন আৰু সাহিত্যিক চমৎকাৰিত্বৰ উত্তৰণৰ প্ৰতিহে অধিক মনোযোগ দিয়াৰ সময় উপস্থিত হৈছে।"

অসম সাহিত্য সভাই অসমীয়াৰ বাহিৰে আৰু যিকোনো ভাষাকে নেসামৰক, এই বিৰাট অনুষ্ঠানৰ ভৱিষ্যত প্ৰকৃতপক্ষে অসমীয়া ভাষা-সাহিত্যক কেন্দ্ৰ কৰিয়ে গঢ় ল'ব আৰু ল'ব লাগিব।

আনহাতেদি মানুহ আকৰ্ষণ বা জনপ্ৰিয়তা বৃদ্ধিৰ মোহত পৰি সাহিত্য সভা লোকাৰণ্য হ'লে আত্মপ্ৰসাদ লাভ কৰি সভাৰ মূল উদ্দেশ্যৰ প্ৰতি আওকণীয়া হৈ পৰিলে সাহিত্য সভা হয়তো কংগ্ৰেছৰ দৰে বিৰাট মহা

সভা হ'ব কিন্তু সেয়া সাহিত্য সভা হৈ নাথাকিব, সাহিত্যৰ দিক্‌নির্ণয় কৰিব পৰা সংস্থা হৈ নাথাকিব।" (প্ৰকাশ: ফেব্ৰুৱাৰী/৮৫)

আন এবাৰ তেখেতে মোক চুইছে নিকিলালে। সাহিত্যৰ আলোচনী বুলি থিতি পোৱা সেই 'প্ৰকাশ' আলোচনীৰে এটা সংখ্যা প্ৰকাশৰ আগে আগে এটা বিজ্ঞাপন ওলাইছিল। সেই সংখ্যা 'প্ৰকাশ'ত ঠাই পোৱা লেখাবোৰৰ বিষয়ত এনে কিছুমান বহুল চৰোৱা, বাখৰ খটোৱা বৰ্ণনা দিয়া হ'ল যে সেইবোৰ পঢ়ি মানুহে আলোচনীখন বিচাৰি কিনক ছাৰি ছেই ছেই হে কৰিব যেন লাগিছিল মোৰ। তাকে এজন সম্পাদকীয় সদস্যলৈ লিখি, কাৰ্বন কপি এটা বৰকটকীলৈ পঠাই দিছিলোঁ। উত্তৰত লিখিলে: "এইখন তুমি literally... নহয়, উদ্দেশ্যৰ পিনৰ পৰাও ভুল ঠিকনালৈ লিখিলা।...

তোমাৰ দেখিছো মোৰ প্ৰতি অন্তৰত কোনোবা চুকত কিবা একপ্ৰকাৰ allergy বিদ্যমান। তাহানি এবাৰ বেণুধৰ শৰ্মালৈ 'একাঁজলি শ্ৰদ্ধাঞ্জলি' বোলাত কষ্ট হৈছিলা। তাত বোধহয় হক আছিল।... চিঠি তুমি পোনে পোনে প্ৰকাশ পত্ৰিকাৰ স্বনামধন্য সম্পাদক নাইবা 'প্ৰকাশ'ৰ সম্পাদনা সমিতিৰ যিকোনো এগৰাকী বিদগ্ধ সভ্যলৈ লিখিব লাগিছিল...।"

আচলতে বিশেষণৰ আতিশয্যই তেখেতকো আমনি দিছিল। চিঠিত ব্যৱহাৰ কৰা তেখেতৰ নিজৰ বিশেষণকেইটালৈ মন কৰিলেই ধৰিব পাৰি। কথাটো পাছত লগ পাওঁতে আলোচনা হৈছিল। আলোচনা ব্যক্তিগত পৰ্যায়তহে। মুকলিকৈ জঞ্জাললৈ সোমোৱাৰ মতি কাহানিও নাছিল মুনীন বৰকটকীৰ। বিবাদ বা বিতণ্ডাত ভাগ লোৱা মনো নাছিল। সংবাদজগতৰ লগত থকা ঘনিষ্ঠ সম্পৰ্কৰ বাবেই হয়তো তেখেতে সমাজখনক এক নিৰ্লিপ্ত দৃষ্টিৰে চাব পাৰিছিল।

সেইদৰে চাই থাকিও, অসমীয়া সমাজখনক বিভিন্ন ক্ষেত্ৰত বিভিন্ন অৱদানেৰে চহকী কৰা বিশেষ ব্যক্তি কেইগৰাকীমানৰ কৃতি আৰু কীৰ্তিবোৰ ফঁহিয়াই চাইছিল। সেইসকল, বৰকটকীয়ে "নিজে ভাল পোৱা আৰু আনেও ভাল পাবৰ লায়ক বুলি ভবা" পুৰুষৰ "জীৱদ্দশাতে তেওঁলোকৰ বিষয়ে চৰ্চা" কৰাৰ মানসেৰে কেইটিমান "জীৱন-কৰ্মভিত্তিক ৰেখা চিত্ৰ" আঁকি প্ৰকাশ কৰিবলৈ দিয়ে 'অসম বাতৰি' নামৰ দ্বি-সাপ্তাহিক কাকতত।

উপেন্দ্ৰ বৰকটকীয়ে কৈছে: "শ্ৰীমুনীন বৰকটকী নিজৰ লেখা-মেলা প্ৰকাশ কৰা সম্পৰ্কত নিৰ্বিকাৰ।"

সেই নিৰ্বিকাৰ স্বভাৱটো সলাই পেলাইছিল তেতিয়াৰ 'অসম বাতৰি' কাকতৰ সম্পাদক শ্ৰীচাৰু মহন্তই। মহন্তৰ অবিৰাম তাগিদাত কাকতলৈ সেই প্ৰবন্ধসমূহ পঠাইছিল। চাৰু মহন্তৰ মহা পয়মাল হৈছিল সেইবোৰ প্ৰকাশ কৰিবলৈ গৈ। মুনীন বৰকটকীৰ আখৰ পঢ়িব নোৱাৰি। চিন্তাবিদসকলৰ লক্ষণেই

নেকি সেইটো! মহন্তই প্ৰেছৰ বাবে প্ৰতিটো প্ৰবন্ধ নিজে নতুনকৈ লিখি দিব লগা হৈছিল। মহন্তইও কেতিয়াবা পঢ়োঁতে ভুল কৰিছিল। এবাৰ এটা প্ৰবন্ধৰ দুটা শব্দ পঢ়ি কোনোপধ্যে বুজিব পৰা নাছিল। নানাদিশে পোনাবলৈ চেষ্টা কৰিও বিফল হৈ লেখাটো মহন্তই ৰবকটকীৰ ওচৰলৈ লৈ আহিল শব্দ দুটা কি সুধি জানি ল'বলৈ। মূল লেখক নিজে বিপাঙত পৰিল। তেখেতে নিজেও শব্দ দুটাৰ পাঠ উদ্ধাৰ কৰিব নোৱাৰিলে! উপায় নাপাই বাক্যকেইটাকে সলাই লিখি দিব লগা হ'ল।

ৰবকটকীয়ে নিজেও এসময়ত খেদ কৰি কৈছিল "... তদুপৰি মোৰ ভালেখিনি পাণ্ডুলিপি বেয়া আখৰৰ বাবে, প্ৰতিলিপি কৰাৰ সুচল নথকাত আৰু নিগনি-পইতাচোৰাৰ উপদ্ৰৱত লোপ পাইছে।..." (প্ৰকাশ: অক্টোবৰ/৮৫)

'অসম বাতৰি'ত প্ৰকাশ পোৱা সেই প্ৰবন্ধকেইটাকে পুথি আকাৰে প্ৰকাশ কৰিবলৈ এজন প্ৰকাশকে খুজি লৈ গ'ল। লৈ গৈ বোধকৰো গাপ দি থ'লে। শেষত, ১৯৮১ চনৰ ১ ছেপ্টেম্বৰ তাৰিখে 'প্ৰথম প্ৰকাশ'ৰ তাৰিখ লৈ 'বিস্মৃত ব্যতিক্ৰম' নামে কিতাপখন প্ৰকাশিত হ'ল।

১৯৭৮ চনৰ ছেপ্টেম্বৰ মাহতে মোলৈ দিয়া এখন চিঠিত তেখেতে খেদ কৰিছিল: "নাই যে নাই মোৰ নিজৰে কেতিয়াবাই ওলোৱা প্ৰবন্ধ-পাতি যুগুতাই ছপাবলৈ দিয়া কামটো হাতত লৈয়ে এৰি পেলালে। পিছলৈ কিবা হয়গৈ নেকি নাজানো।"

কিতাপখন অৱশেষত ছপা হৈ ওলালত মোলৈ মৰম কৰি একপি দিওঁতে তাত সুকীয়াকৈ লিখি দিছিল: "কিতাপখনৰ বাবে পাছি ছপাৰ ভুল, বানান ভুল ইত্যাদিৰ বাবে মই দুঃখিত আৰু লজ্জিত। নীলমণি ফুকন বিষয়ক প্ৰবন্ধটোৰ শেহৰ পাতকেইটাই দফটৰীয়ে নাবান্ধিলে। সকলো শুধৰাই দিয়াৰ সময় নোহোৱাত নিজগুণে শুধৰাই লৈ পঢ়িবলৈ খাটিলো। মু.ৰ."

এই খেদ থাকি গ'ল। হ'লেও সেইখন কিতাপৰ বাবেই ৰবকটকীলৈ ১৯৮৪ চনৰ প্ৰকাশন পৰিষদ বঁটা যঁচা হ'ল। জীৱনীমূলক প্ৰবন্ধকেইটা লিখাৰ গুৰিতে আছিল সেইসকল ব্যক্তিৰ ব্যক্তিত্বৰ প্ৰতি ৰবকটকীৰ শ্ৰদ্ধা। ৰবকটকীয়ে প্ৰত্যয়েৰে বিশ্বাস কৰিছিল "তেওঁলোকৰ প্ৰত্যেক গৰাকীয়েই কম-বেছি পৰিমাণে অসমীয়াৰ আত্মপ্ৰতিষ্ঠা আৰু অসমৰ জাতীয় সত্তা পুনৰাবিষ্কাৰ অভিযানৰ নেতা, হোতা, প্ৰবক্তা আৰু অভিযাত্ৰী।"

দেশৰ, জাতিৰ প্ৰতি থকা সন্মানৰ পৰিচায়ক এই উক্তিৰ লগত ৰবকটকীৰ নিজৰ সমীহ একান্তভাৱে অনুকৰণীয় হৈ থাকিব। আৰু সেইবাবেই অগতানুগতিকভাৱে লিখা সেই জীৱন-আলেখ্যকেইটাও অসমীয়া সাহিত্যৰ উঁৰালৈ এটি অনবদ্য অৱদান হৈ থাকিব।

পৰিষদৰ পুৰস্কাৰ পোৱাৰ পাছত 'প্ৰকাশ' আলোচনীত প্ৰকাশ পোৱা

এটা সাক্ষাৎকাৰত বৰকটকীয়ে আন এটা খেদ কৰিছে: "... যোৰো পুৰস্কাৰ প্ৰাপ্তিৰ ক্ষণত বিবাদ যোগেই সমুপস্থিত হৈছিল। ভাবিছিলো আজি অতবছৰে একাধিক আৰু অনেক সাৰ্থক সৃষ্টি নিশ্চয় কৰিব পাৰিলোহেঁতেন আৰু সেই সৃষ্টিয়ে মোলৈ সাহিত্যিক বাঁটা কাঢ়িয়াই আনক নানক মই কৰিব পৰা সাহিত্য কৰ্মৰ অধিক পূৰ্ণতৰ পৰিচয় অন্ততঃ দিব পাৰিলোহেঁতেন।" (অক্টোবৰ/৮৫)

অসমীয়া সাহিত্যৰ বাবেও সেইটো এটা পৰিতাপৰ কথা হৈ থাকিল। বৰকটকীৰ প্ৰবন্ধসমূহেই কেইবাখনো পুথিৰ সম্বল হ'ব পাৰে। কিন্তু মোৰ ব্যক্তিগত দুখ হ'ল 'আৱাহন', 'জয়ন্তী', 'ঘৰ-জেউতি', 'গল্প-চিবিজ'ত প্ৰকাশ হোৱা গল্পকেইটাৰো এটা সংকলন উলিয়াব পাৰিলেহেঁতেন।

ত্ৰৈলোক্যনাথ গোস্বামীয়ে দুখ কৰিছিল: "মুনীন বৰকটকীয়ে অলপ কেইটামান গল্প লিখিয়েই এই দিশত আগবাঢ়ি নগ'ল।" (প্ৰকাশ: অক্টোবৰ/৮৪)

হোমেন বৰগোহাঞিৰ খেদ: "ত্ৰিশৰ দশকত আৱাহন আৰু জয়ন্তীত মাত্ৰ কেইটামান গল্প লিখিয়েই তেওঁ গল্প লিখিবলৈ এৰি দিলে। এতিয়া তেওঁ এজন বিদগ্ধ সাহিত্য-সমালোচক ৰূপত আত্মপ্ৰকাশ কৰিছে।... তেওঁৰ সেইটো গল্প (তাই আৰু মই) আৰু পাপ নে ভুল, নিয়মৰ বান্ধ আৰু প্ৰাণৰ টান, অপ্ৰকাশৰ বেদনা আদি কেইটামান গল্পই অসমীয়া সাহিত্যত এক বিশিষ্ট গল্প-প্ৰতিভাৰ পৰিচয় ঘোষণা কৰিছিল।" (অসমীয়া গল্প সংকলন-১ম খণ্ড)।

এতিয়াও তেনে সংকলন এটা উলিযাবৰ থল নথকা নহয়। বৰকটকীয়ে নিজে সেই বিষয়ে মনেই নকৰিলে। "মোৰ কিন্তু সময়ে সময়ে আলোচনী বাতৰি-কাকতত প্ৰকাশ পোৱা লেখাবোৰকে সামৰি-সুতৰি খনে খনে গ্ৰন্থাকাৰত প্ৰকাশ কৰাৰ বাবে তেনেকৈ ব্যাকুলতাও নাই, অত্যধিক আগ্ৰহো নাই।" এনে অনীহাও এক ব্যতিক্ৰম।

মৃত্যুৰ মাত্ৰ দহদিনমানৰ আগতে শ্ৰীচাৰু মহন্ত আৰু মই গৈ তেখেতৰ সতে বহি ভালেমান পৰ কথা পাতি আহিছিলো। সেইৰূপ সময়তে গম পাইছিলো, তেনেকৈ বহি কোনো কোনোৰ সতে কথা পাতিবলৈ তেখেতৰ কিমান আগ্ৰহ!

নিচেই পুৱাতে উঠি সেই অসুখীয়া গাৰেও তেখেতে ডায়েৰী লিখিছিল। মই এবাৰ কৈছিলো: "দাদা, আপোনাৰ ডায়েৰীবোৰ মই চাম, দিব।"

"চাবা, চাবা, পিছে একোকে নোপোৱা তাত।" হাঁহি এটা মাৰি মোক কৈছিল। মোৰ কিন্তু বিশ্বাস নহয়। ইমান সহজে মোক চাবলৈ দিম বোলা ডায়েৰীবোৰ কিন্তু তেখেতে জীয়েক মীনাক্ষীকো চাবলৈ দিয়া নাই। মীনাক্ষীয়ে নিজে কৈছিল আমাক। হ'লেও তেওঁক কৈছিলো, সেইবোৰ গোটাই যত্নলাই থয় যেন। মই ভাবো, প্ৰচাৰ নিবিচৰা, প্ৰকাশ কৰিব নোখোজা

তেখেতৰ মনৰ কথাবোৰ ডায়েৰীৰ পাতত নিশ্চয় টুকি থৈ গৈছে।

তেখেত ঢুকোৱাৰ পিছদিনা পুৱা, ভাগিনীয়েক হাবুলে কথা এটা মনত পেলাই দিলে। মুনীন বৰকটকীয়ে প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপেহে বি.এ. পৰীক্ষা দিছিল। ডিষ্টিংচন পোৱাই নহয়, ইংৰাজী বিষয়ত পোৱা সৰ্বোচ্চ নম্বৰৰ অভিলেখ কলিকতা বিশ্ববিদ্যালয়ত চল্লিশ বছৰমানলৈকে কোনেও ভাঙিব পৰা নাছিল।

তীক্ষ্ণধীৰ পৰিচয় সেইদৰেই প্ৰকাশ পাইছিল যদিও কিবা এক অজ্ঞাত কাৰণত মুনীন বৰকটকী মানুহজন আমৃত্যু অন্তৰ্মুখী হৈয়ে থাকিল। "কিবা এক অদৃশ্য শক্তিয়ে মোক কেৱল কোনোবা এক বিৰাট ভৱিষ্যতৰ পিনে টানি-আঁজুৰি নি থকা যেন লাগিছে। ... কেৱল অনিৰ্দিষ্ট, উদ্দেশ্যহীনভাৱে গৈ থাকিব লাগে গৈ আছো।" তেখেতে উপেন্দ্ৰ বৰকটকীলৈ লিখিছিল।

তেনে এক অনিৰ্দিষ্ট যাত্ৰাও শেষ হ'ল এয়া এবছৰ আগতে। ১৯৭৮ চনতে দিল্লীৰপৰা দিয়া চিঠি এখনত মোলৈ লিখিছিল: "তোমাক ইয়াত লগ পোৱা হ'লে খুবেই ভাল লাগিলহেঁতেন। মই ঠিক 'জিৰাবৰ' বাবে ইয়ালৈ অহা নাছিলো। বহুদিনৰপৰা স্নায়ু আৰু পেটৰ অসুখত ভুগি আছিলো। গুৱাহাটীত ডাক্তৰে হাৰ্টৰ অসুখ বুলি ভয়েই খুৱাইছিল ...।"

তেনে ভয়ৰ কোনো কাৰণ নাথাকিল। তাৰ পাছতো দাদা আৰু পাঁচ বছৰ থাকিল অতীতক ৰোমন্থন কৰি, অকলে অকলে, মনে মনে, আৰু নিশ্চয় ডায়েৰীৰ পাতত।

তাৰ পাছত জিৰণি। অনন্ত জিৰণি। সেই জিৰণি যেন শান্ত হয়, সকলো শান্তিৰ গৰাকীলৈ প্ৰাৰ্থনা জনালোঁ। □

মহানাগৰিক মুনীন বৰকটকী

অজিতকুমাৰ শৰ্মা

মুনীন বৰকটকীৰ সোঁৱৰণ মানেই হ'ল এজন মহানাগৰিকৰ সোঁৱৰণ। এজন কবিৰ সোঁৱৰণ, এজন সাহিত্যিকৰ সোঁৱৰণ, এজন সাংবাদিকৰ সোঁৱৰণ, এজন অনুভূতিপ্ৰৱণ পুৰুষৰ সোঁৱৰণ।

মুনীন বৰকটকীৰ নামটো ল'লেই মনত পৰে সেই ওখ-পাখ, গহীন-গম্ভীৰ, সভা-শুৱনী পুৰুষজনলৈ, যিজনে তেওঁৰ পঞ্জৰটীৰ ঘৰৰপৰা ধীৰে ধীৰে জিলা পুথিভঁৰাললৈ গৈ আছে।

আমি যোৰহাটত হাইস্কুলত পঢ়োঁতেই মুনীন বৰকটকীক প্ৰথম লগ পাইছিলোঁ। তেতিয়া তেওঁ যোৰহাটৰ মিছন স্কুলত কিছুদিনৰ বাবে শিক্ষক আছিল। আমি কেইবাজনো ছাত্ৰই স্কুলৰ বাহিৰত তেখেতক লগ পাবলৈ সুযোগ হৈছিল। তেখেতৰ সান্নিধ্যই আমাক অশেষ প্ৰেৰণা দিছিল। পিছৰ সময়ত তেখেতক লগ পাওঁহি গুৱাহাটীত। ইতিমধ্যে তেখেতে আসাম ট্ৰিবিউন কাকতত আৰু তাৰ পাছত চৰকাৰৰ জনসংযোগ বিভাগ আৰু আকাশবাণীৰ বাতৰি-বিভাগত যোগ দিয়ে। কিছুদিন গুৱাহাটী বিশ্ববিদ্যালয়ৰ সাংবাদিকতা বিভাগৰ ছাত্ৰ-ছাত্ৰীক শিক্ষাদান কৰে।

মুনীন বৰকটকীয়ে কবিতা লিখিলে, সাহিত্যচৰ্চা কৰিলে, সাংবাদিক হ'ল, সাহিত্যৰ সমালোচনা কৰিলে আৰু চিন্তাশীল প্ৰবন্ধ লিখিলে। এই সকলো ক্ষেত্ৰতে তেওঁ অসমৰ জাতীয় জীৱনলৈ অৰিহণা যোগাই গ'ল। কিন্তু এই সকলোৰে উপৰিও তেওঁ আছিল জ্ঞানসাধক। মহানুভৱ নাগৰিক। কবি, সাহিত্যিক, সাংবাদিকতাতকৈ তেওঁৰ আচল পৰিচয় আছিল এজন মহানাগৰিক ৰূপেহে। তেওঁৰ আদৰ্শ আছিল জাতীয়তাবাদী আদৰ্শ। তেওঁৰ চিন্তাধাৰাত অসমীয়া জাতীয়তাবাদ ভাৰতীয় জাতীয়তাবাদৰ বিৰুদ্ধ নহয়, পৰিপূৰকহে। উল্লেখযোগ্য যে তেওঁৰ চিন্তাধাৰাত কোনো প্ৰকাৰৰ সংকীৰ্ণতা নাছিল। কিন্তু সৰ্বভাৰতীয়ৰ নামত কোনোবাই যদি অসমীয়া জাতীয়তাৰ বিৰুদ্ধাচৰণ কৰে, তেওঁ সহ্য কৰিব নোৱাৰিছিল।

মুনীন বৰকটকীৰ অধ্যয়নৰ সৈতে লাইব্ৰেৰীৰ সম্বন্ধ আছিল গভীৰ। এই ক্ষেত্ৰত অসমীয়া মানুহৰ মাজত তেৱেঁই এক বিৰল উদাহৰণ। তেওঁ জীৱনত যিমান পাৰে কিতাপ পঢ়িলে, পঢ়াতকৈও বেছি চিন্তা কৰিলে আৰু

কথা খুব কমমে ক'লে। অন্যন্যো কিতাপ পঢ়া মানুহ বহুত আছে, কিন্তু পঢ়াৰ অনুপাতে চিন্তা কৰা মানুহ পোৱা টান। বহুতে আকৌ অল্প পঢ়িয়েই বিত্তৰ অহংকাৰ কৰি ফুৰে নাইবা বেটুপাত পঢ়িয়েই অধ্যয়ন শেষ কৰে। কিন্তু বৰকটকী আছিল সুকীয়া। নিজৰ পাণ্ডিত্য তেওঁ কেতিয়াও জাহিৰ কৰা নাছিল। তেওঁৰ সৈতে যিকোনো আলোচনাত সকলো সময়তে এজন নিৰহংকাৰ পণ্ডিতকহে পাইছিলোঁ। তেওঁ নিজে কিতাপ পঢ়াৰ কথা উল্লেখ নকৰে; কিন্তু আনক কিতাপ পঢ়িবলৈ অনুপ্ৰেৰণা যোগায়। নতুন কিতাপ এখন পালে ততালিকে তাক পঢ়ি লেখকজনক উদগনি দিয়াটো আছিল তেওঁৰ স্বভাৱ। যোগ্যজনক যিকোনো ভাল কামৰ বাবে প্ৰশংসা কৰাত বৰকটকী সদায় আগ। পিছে আমাৰ বাবে দুখৰ কথা যে তেওঁৰ প্ৰতিভা আৰু অধ্যয়নৰ জোখাৰে বৰকটকীয়ে লিখিব নোৱাৰিলে। প্ৰচুৰ অধ্যয়নৰ যোগে তেওঁ যি জ্ঞানৰ উপলব্ধি কৰিলে তাৰ অংশ অসমীয়া সমাজে নাপালে। তেখেতৰ সাহিত্যচৰ্চা একপ্ৰকাৰ অন্তৰ্মুখী হৈয়েই থাকিল। 'আৱাহন' আৰু 'জয়ন্তী' যুগতে গল্প-কবিতা-সমালোচনা লিখি তেখেতে যি প্ৰতিষ্ঠা লাভ কৰিলে, অতেই সীমাবদ্ধ থাকিল। পিছৰছোৱাত তেখেতে সাহিত্যচৰ্চাতকৈ সাংবাদিকতাতহে হাত দিয়াত সাহিত্যকৰ্মত বাধা পৰিল। গ্ৰন্থ হিচাপে প্ৰকাশ পালে একমাত্ৰ 'বিস্মৃত ব্যতিক্ৰম'খনহে। তেখেতৰ জীৱন সৰহ সময় সাংবাদিকতাই ল'লে।

সাংবাদিকতাৰ ক্ষেত্ৰত বৰকটকীয়ে কৃতবিদ্য সাংবাদিক লক্ষীনাথ ফুকনৰপৰা শিকিছিল, তাক নিজেই বৰ্ণনা কৰিছে: "সাংবাদিকতাৰ যি অকণ শিকিছিলো তাকো ফুকনৰপৰাই পাইছিলোঁ বুলিয়েই ক'ব পাৰোঁ! আদিৰপৰা কিয় জানো ফুকনৰ মোৰ প্ৰতি কিবা এটা কোমল কোণ আছিল আৰু অস্থিৰতা, চঞ্চলতা আৰু আত্মনিৰ্ভৰযোগ্যতাৰ বাবে সাংবাদিক জীৱনলৈ প্ৰবেশ পৰ্যায়ত যদিও ফুকনক কম অলাকলা কৰা নাছিলোঁ, তথাপি তেওঁৰ নিজৰ জীৱনৰ অভিজ্ঞতা আৰু নিত্য-পৰিবৰ্তনীয়তালৈ পেলায়ে নেকি, মোৰ সকলো আমনি তেওঁ অসীম ধৈৰ্যেৰে আৰু সহিষ্ণুতাৰে সহ্য কৰি গৈছিল। ফুকনৰ অধীনত নাইবা লগত কাম কৰা বহুতো সাংবাদিকে তেওঁৰ নেতৃত্বৰপৰা পোৱা ভেকাহি নাইবা বিদ্ৰূপ নাইবা টিকচি-বিকচিৰ কথা মনত পেলালে মোৰে সৈতে একমত হ'বলৈ টান পাব হয়তো। ময়ো সেই চানেকীয়া সম্পাদক ফুকনজনৰ নমুনা বাৰকৈয়ে দেখিছিলোঁ। সামান্য 'ডটিং দি আইজ আৰু ক্ৰচিং দি টিজ'ৰ ভুলৰ বাবে ডাঙৰ-সৰু সকলোৱে মাজে-সময়ে ফুকনৰ যি ঢেৰেকণি-গোজৰণি শুনিব লগা হৈছিল, তাৰ ভাগ পোনপটীয়াকৈ মই যদিও পোৱা নাছিলোঁ, তথাপি ডিব্ৰুগড়ত সাদিনীয়া আসাম ট্ৰিবিউনৰ শেষৰ দিনকেইটাত আৰু গুৱাহাটীত দৈনিক আসাম ট্ৰিবিউনৰ প্ৰাৰম্ভিক পৰ্যায়ত ফুকনৰ অধীনত দুদিনমান কাম কৰোঁতে চকুৰ চাৱনি আৰু অন্য প্ৰকাৰ উপায়ৰ জৰিয়তে

যেতিয়া মোৰ ওপৰত বিতুষ্ট হয়, তাক বাহিৰত ঢাকিবলৈ চেষ্টা কৰিলেও মোৰ বুজিবলৈ বৰ দিগদাৰ হোৱা নাছিল। এটা সময় আছিল যেতিয়া ফুকনক ফাঁকি দিবলৈ টান পাম দেখি দায়িত্ব কান্ধত থকাতো অন্যায়নীয়ভাৱে মই ভালেমান দিন তেওঁক দেখাকে নিদি আলেগে-আলেগে ফুৰিছিলোঁ। ফুকনে তেতিয়া অফিচৰ সকলো কথা অফিচতে এৰি অগ্ৰজৰ দৰে মোক ঘৰলৈ বিচাৰি আহি অপৰিসীম সহানুভূতিৰে মোৰ সকলো ত্ৰুটি-অপৰাধ আওকাণ কৰাই নহয়, মোৰ মনৰ অভিকচিমতে কিবা কৰিবলৈ উদগনি দিছিল। কাস্চিং কেতিয়াবা ষ্টাকৰ লীডাৰ বাইটাৰ বা সম্পাদকীয় প্ৰবন্ধ লিখাক হিচাপে লিখা দুই-এটা অপেক্ষাকৃত ভাল ধৰণৰ প্ৰবন্ধৰ উচ্চ প্ৰশংসা কৰিছিল। আৰু দহজনক তাৰে গুণ বখানি ক'বলৈকো কাৰ্পণ্য কৰা নাছিল। তথাপি ফুকনৰ সৈতে সম্পাদকীয় দপ্তৰত কাম কৰাৰ অভিজ্ঞতা মোৰ নিচেই তাকৰ হৈয়েই ব'ল আৰু কিবা এটা অদ্ভুত অস্থিৰভাৱ আক্ৰমণে মোক পিছলৈ ফুকনৰে সৈতে কাম কৰাৰপৰা আঁতৰাই আনিলে।" (লক্ষীনাথ ফুকন সোঁৱৰণী গ্ৰন্থ) উক্ত কথাখিনি হ'ল মুনীন বৰকটকীৰ আত্মপ্ৰকাশ।

মৰ্হানাগৰিকৰূপে মুনীন বৰকটকীৰ দৃষ্টিভঙ্গী আছিল উদাৰ। এই সম্পৰ্কত অসম সাহিত্য সভাৰ ভূমিকা সম্পৰ্কত লিখিছিল যে অসম সাহিত্য সভাই বছৰেকীয়া অধিবেশনবোৰলৈ বাহিৰৰ অন্য ভাষাভাষী প্ৰখ্যাত সাহিত্যিক অতিথিসকলক আমন্ত্ৰণ কৰি অনাটো উচিত কাম হৈছে। পিছে তেনে কৰাৰ লগতে অসমৰ বুকুতে থকা বিভিন্ন জনজাতীয় ভাষাভাষী সাহিত্যিকসকলকো মাতি আনি সম্মানীয় আসন যাচিব লাগে। এই ক্ষেত্ৰত তেওঁ সাহিত্য সভাক সোঁৱৰাই দিছিল যে "সংৰক্ষণশীলতাতকৈ গতিশীলতাত অধিক মনোযোগ দিলেহে সভাই সামাজিক-বৌদ্ধিক পৰিক্ৰমাৰ বাঞ্ছনীয় ভূমিকা ল'ব পাৰিব।"

অসমত হোৱা ছুৰছুৰীয়া বিদেশী বহিষ্কাৰ আন্দোলনৰ পূৰ্ণ সমৰ্থন কৰিছিল বৰকটকীয়ে। এই ক্ষেত্ৰত তেওঁ অসমীয়া জাতীয়তাৰ পক্ষপাতী আছিল। এই সম্পৰ্কতে তেখেতে মোলৈ দিয়া কেইবাখনো চিঠিত তেখেতৰ মনৰ কথা প্ৰকাশ কৰিছিল। তাৰে এখন চিঠি আছিল এনে (দিল্লীৰপৰা ১৯৭৯ চনৰ ৩১ ডিচেম্বৰত লিখা) :

"মৰমৰ অজিত, বহুত দিন তোমাৰ খা-খবৰ পোৱা নাই। যোৱা ১৬ ডিচেম্বৰত আমি ঘৰ সলালো। এতিয়া মথুৰা ৰোডত আছোঁহি।... আজি হঠাতে তোমালৈ এই চিঠি লিখাৰ উদ্দেশ্য হ'ল এটা কথাত তোমাক অভিনন্দন জনোৱা আৰু আন এটাত তোমাক সোঁৱৰাই দিয়া।"

"অভিনন্দন জনাইছোঁ— পৰহিৰ আসাম ট্ৰিবিউনত মুখ্য নিৰ্বাচনী আয়ুক্তলৈ দিয়া তোমাৰ মুকলি চিঠিৰ বাবে। আৰম্ভণিৰেপৰা মই অবিচ্ছিন্নভাৱে থাকিয়ো তোমাৰ দৰে study কৰি থকা অথচ প্ৰকাশ কৰিব নোৱৰা কথাটোকে

তুমি অতি সুস্পষ্ট ভাষাত সুন্দৰকৈ ব্যক্ত কৰিলা। মইয়ো তোমাৰ দৰেই দ্ব্যৰ্থহীনভাৱে ভাবোঁ, অসমৰ বৰ্তমান নিৰ্বাচনৰ সমস্যাটোৰ বাবে আচলতে জগৰীয়া হৈছে obstinate, prejudiced এই শাকধৰ। He is the devil of the piece. বিশেষকৈ ইলেকচন postpone কৰাটোত। "এতিয়া অসমৰ মানুহে হেঁপাহ পলুৱাই ভোটাৰ তালিকা শুধৰাই থাকক।" এই মন্তব্যটো অসহ্য। আচৰিত কথা, আমাৰ কোনেও আজিলৈকে এইবাৰ কথালৈ কাণ দিয়া নাই।

"মোৰ বোধেৰে তোমাৰ open letterখন Statesman, Times of India, Indian Express-অৰ দৰে national dailyত প্ৰকাশ হ'লেহে আচল কাম দিব। আশা কৰোঁ সেইবোৰলৈ তুমি পঠিয়াইছা। অৱশ্যে সেইবোৰ কাগজে এনে খাটাং কথা প্ৰকাশ কৰে নে নকৰে তাকো ক'ব নোৱাৰি। Hindusthan Times আৰু Times of Indiaই prejudiced editorial হে লিখিছে। এই দুখন কাকতৰ সম্পাদকে objective report দিব লাগিছিল, নিদিলে। C.E.C.ক দোষাৰোপ কৰি মইও দুয়োখন কাগজলৈ চিঠি দিছিলোঁ, নুলিয়ালে। তোমাৰ প্ৰবন্ধটো এই ক্ষেত্ৰত আটাইতকৈ পথ নিৰ্দেশক হৈছে।"

দেশৰ বাবে এনেদৰে চিন্তা কৰাই নহয়, দৰকাৰ মতে নিজে আগবাঢ়িও আহিছিল বৰকটকী।

এইজনেই আছিল মহানাগৰিক মুনীন বৰকটকী। জয়তু মুনীন বৰকটকী। □

মুনীন বৰকটকী :
সমালোচনামূলক সাংবাদিকতা

ৰঞ্জিৎ কুমাৰ দেৱগোস্বামী

মুনীন বৰকটকীদেৱে অনুশীলনৰ বাবে বাছি লোৱা বিভাগ এটা আছিল সমালোচনামূলক সাংবাদিকতা। তেখেতৰ বৃত্তি আৰু প্ৰবৃত্তি দুয়োটাই যেন তেখেতক ঠিক ইয়াৰ বাবে মানসিকভাৱে প্ৰস্তুত কৰি তুলিছিল। অনাতাঁৰ মাধ্যম, দৈনিক বাতৰিকাকত, অৰ্দ্ধ-সাপ্তাহিক, সাপ্তাহিক আৰু সাময়িক পত্ৰিকাৰ জৰিয়তে তেখেতে আগবঢ়োৱা কথিকা, পৰ্যালোচনা, প্ৰবন্ধ-নিবন্ধ, টোকা আদিত অসমীয়া সমালোচনামূলক সাংবাদিকতাৰ কিছু উৎকৃষ্ট নিদৰ্শন পোৱা যায়।

শেষ উনবিংশ শতিকাৰ ইংৰাজী ইম্প্ৰেশ্যনিষ্টিক সমালোচনা, জনপ্ৰিয় সাহিত্যিক বক্তৃতাৰ আৰ্হিৰ 'ৰস-ৰচনা' (belles-lettres), তথা কিছু পৰিমাণে কাৰ্লাইলীয় বীৰবন্দনাৰ প্ৰেৰণাসম্ভূত কেতবোৰ ৰচনাৰ জৰিয়তে বৰকটকীদেৱে অসমীয়া পাঠকৰ সমুখত সমালোচনামূলক সাংবাদিকতাৰ এটা বিশেষ আদৰ্শ দাঙি ধৰিছিল। *বিস্মৃত ব্যতিক্ৰম*ৰ প্ৰথমখন ৰচনাকেই এই বিষয়ৰ এখন প্ৰতিনিধিত্বমূলক ৰচনা হিচাপে গ্ৰহণ কৰিব পৰা যায়। কিয়দংশৰ উদ্ধৃতি :

["জীৱন্ত আগ্নেয়গিৰি। ৰূপকল্পটো শুনাত আপচু, এনেকি উদ্ভট যেনো লাগিব পাৰে। কিন্তু অসমৰ আন এগৰাকী সমগোত্ৰীয়, ত্ৰিকালদৰ্শী, ঋষিসদৃশ দাৰ্শনিক, পূৰ্বসূৰী কমলাকান্ত ভট্টাচাৰ্যৰ অগ্নিবহ্ণ ঐতিহ্যৰ উত্তৰসাধক অম্বিকাগিৰী ৰায়চৌধুৰীক আন কোনো ৰূপত কল্পনা কৰিবলৈ সত নাযায়, অন্য কোনো বৰ্ণনা এই অগ্নিস্ফুলিঙ্গ-সম ব্যক্তিত্বৰ আৰু প্ৰতিভাৰ প্ৰকৃত পৰিচায়ক যেন নেলাগে। অম্বিকাগিৰীয়ে যাৱজ্জীৱন বিদ্ৰোহৰ অগনি বৰবিছিল— breathed fire, উশাহ্ নিশাহত বিপ্লৱৰ জুইৰ আঙনি সিঁচিছিল— যদিও তেওঁ অকল fire eater আছিল বুলি ক'লে অন্যায় কথা হ'ব। তেওঁৰ স্থান আছিল ইংৰাজী 'প্ৰফেট'ৰ শাৰীত। কাৰ্লাইলৰ বা বাইবেলৰ 'প্ৰফেট'ৰ অগ্নিৰতা, তীব্ৰতা, দৃঢ়প্ৰত্যয়ৰ উন্মাদনাই অম্বিকাগিৰীক প্ৰদান কৰিছিল এটা অসাধাৰণ ব্যক্তিত্ব।]"

বিস্মৃত ব্যতিক্ৰমৰ ৰচনাৰাজিক বৰকটকীদেৱে "জীৱন-কৰ্মভিত্তিক ৰেখাচিত্ৰ" হিচাপে চিহ্নিত কৰিছে, আৰু "বীৰ-বন্দনাৰ লগৰে হ'লেও ইয়াক

সমালোচনামূলক জীৱনচৰ্চা বোলাহে বেছি যুগুত হ'ব" বুলি উনুকিয়াই থৈছে। ৰায়চৌধুৰীৰ ব্যক্তিত্বত প্ৰকেটৰ 'অস্থিৰতা', 'তীব্ৰতা' আৰু 'দৃঢ়প্ৰত্যয়ৰ উন্মাদনা' অনুভৱ কৰা বৰকটকীদেৱে মোৰ বোধেৰে লেখাটোৰ শেষৰ অনুচ্ছেদত হঠাতে ইকবালৰ প্ৰসঙ্গটো আনি আলোচনাটিত এক নতুন আয়তন যোগ দিব পাৰিছে:

[“যোগী আৰু 'কমিচাৰ'ৰ অদ্ভুত সংমিশ্ৰণ একাধাৰে দেশপ্ৰেমিক আৰু সৌন্দৰ্যপ্ৰেমিক, ৰাজনীতিবিদ আৰু দাৰ্শনিক, কবি আৰু ক্ৰান্তিকাৰী; অতলস্পৰ্শী আধ্যাত্মিকতা, বিশ্বচৰাচৰৰ হৃদয়ত ডান্টেসুলভ অতীন্দ্ৰিয় প্ৰেমৰ বাবে আকুতি, ধ্যানবিভোৰ মিষ্টিক ৰহস্যবাদী তন্ময়তা, দেশপ্ৰেমৰ অগ্নিস্ফুলিঙ্গ, ঐকান্তিক সত্যাগ্ৰহ— এনে কিছুমান অসাধাৰণ বৈশিষ্ট্যৰ অধিকাৰী অম্বিকাগিৰী প্ৰকৃততে আছিল আমাৰ মাজত এজন 'টাইটান', শৃঙ্খলিত প্ৰমিথিউছ। উত্তৰকালৰ পাকিস্তানৰ আদিম দীক্ষাগুৰু, একালৰ “সাৰা জাহাঁ সে আচ্ছা হিন্দুস্তাঁ হমাৰা” জাতীয়সঙ্গীতৰ ৰচক, মহান দাৰ্শনিক কবি ছাৰ মহম্মদ ইকবালে ক'ৰবাত লিখিছিল: I weep on the loneliness of God.”]

ইয়াৰ পাছত আৰু দুটামান বাক্যৰ জৰিয়তে বৰকটকীদেৱে তেখেতৰ বক্তব্য এইদৰে পৰিষ্কাৰ কৰিছে:

[“ঈশ্বৰৰ নিঃসঙ্গতা উপলব্ধি কৰিব পৰা কবি ৰবীন্দ্ৰনাথ আছিল নে নাই নাজানো; কিন্তু অম্বিকাগিৰী ৰায়চৌধুৰী আছিল। প্ৰকৃত অৰ্থত 'যোগী' আৰু 'কমিচাৰ' ইকবালৰ পৰা পাকিস্তানৰ আজন্মবিৰোধী অম্বিকাগিৰীয়ে প্ৰেৰণা পাইছিল নে নাই নাজানো; কিন্তু এই মহান কবি-দাৰ্শনিক ৰাষ্ট্ৰনীতিজ্ঞজনৰ সৈতে অম্বিকাগিৰীৰ অদ্ভুত সাদৃশ্য লক্ষ্য কৰিলে অভিভূত হ'ব লাগে। অৱশ্যে অৰ্দ্ধ-চুফী, অৰ্দ্ধ-পেগান ছাৰ মহম্মদ ইকবাল আৰু ডেকাগিৰিৰ পাৰ্থক্য যে আকাশ-পাতালৰ পাৰ্থক্য সিও সঁচা।” (বিস্মৃত ব্যতিক্ৰম, পৃ:৫)।]

যুক্তিশৃংখলিত, আটিল গঢ়ৰ পৰিমিত গদ্য সচৰাচৰ এইবিধ ৰচনাৰ সাধাৰণ লক্ষণ নহয়। ড° কাকতিৰ 'নামঘোষা' বা সন্দিকৈদেৱৰ 'স্পেনীশ সাহিত্যৰ ৰোমিও-জুলিয়েট'ৰ বিচাৰ-বিশ্লেষণ, সিদ্ধান্ত-অনুসিদ্ধান্তৰ কঠোৰতাৰ বিপৰীতে বৰকটকীদেৱৰ অধিকাংশ ৰচনাতে বৰং পোৱা যায় সাহিত্যানুৰাগী মন এটাৰ আজৰিপৰৰ আত্মকথন বা কথোপকথনৰ লেখীয়া মুক্ত অবাধ বিচৰণৰ প্ৰৱণতা। সাধাৰণীকৰণৰ প্ৰবৃত্তি ইয়াত বিশ্লেষণমুখী মননৰদ্বাৰা সদা-শৃংখলিত নহয়, বৰং 'ৰসগ্ৰাহী' (অথবা dilettante অৰ্থত 'পল্লৱগ্ৰাহী') মনৰ স্বনিমগ্নতাই ইয়াত বিস্তাৰমুখী গদ্যৰ ৰীতিকেই সততে বাছি লৈ বিষয়ৰ পৰা বিষয়ান্তৰ পৰিক্ৰমণ কৰে। 'মানৱিক পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ' শীৰ্ষক তেখেতৰ দীঘলীয়া ৰচনাখনৰ কথা এই প্ৰসঙ্গত স্মৰণ কৰিবলগীয়া।

সাহিত্যৰ প্ৰতি থকা বৰকটকীদেৱৰ আগ্ৰহক অন্যান্য সুকুমাৰ কলাৰ প্ৰতি থকা তেখেতৰ স্বাভাৱিক আগ্ৰহে সঞ্জীৱিত কৰি ৰাখিছিল। চিত্ৰকলা,

সঙ্গীত, ভাস্কৰ্য, চলচ্চিত্ৰ, থিয়েটাৰ — এটাইবোৰে প্ৰতি থকা লেখকৰ আকৰ্ষণৰ গুৰিতে আছিল এক সংবেদনশীল, আধুনিক সুকুমাৰ মন। অৱশ্যে প্ৰতিশ্ৰুতি অনুপাতে সেই বিকাশ চৰিত্ৰৰ মনটোক (অন্ততঃ অসমৰ পৰিৱেশত) লেখকে যথাযথভাৱে বিকশাই তুলিব পাৰিলে নে নাই তাৰ আহল-বহল বিচাৰ লেখকৰ ৰচনাৱলী প্ৰকাশৰ পৰৱৰ্তী কালতহে বোধহয় প্ৰশস্ত হৈ পৰিব। কিন্তু লেখকৰ অধ্যয়ন, আগ্ৰহ আৰু সহানুভূতিৰ পৰিসৰ যে সমসাময়িক সাহিত্যিক দৃশ্যপটত কিছু লেখত ল'বলগীয়া আছিল তাৰ নিদৰ্শন এতিয়াও সহজতে পাব পৰা দুখনমান পুৰণি আলোচনী আৰু সংকলনত স্পষ্ট হৈ আছে। সাহিত্যৰ এক স্বতন্ত্ৰ বিভাগ (genre) হিচাপে প্ৰবন্ধ-নিবন্ধৰ চৰ্চা, ঐতিহ্য আৰু আধুনিকতাৰ বিষয়ে লেখকৰ বক্তব্য, সৃজনীমূলক সাহিত্যৰ অনুবাদৰ সমস্যাৰ বিষয়ে লেখকৰ বক্তৃতাৰ উপৰিও নতুন নতুন গ্ৰন্থৰ বিষয়ে লেখকে কৰা বিভিন্ন আলোচনাৰ কথা এই প্ৰসঙ্গত স্মৰণ কৰিব লাগিব। ছলঝেনিটছিনৰ *গুলাগ আৰ্কিপেলেগোৰ* বিষয়ে লেখকে কৰা আলোচনাটিৰো সুকীয়া গুৰুত্ব আছে।□

মুনীন বৰকটকীৰ 'বিস্মৃত ব্যতিক্রম'

উপেন্দ্ৰ নাথ শৰ্মা

আৱাহন যুগৰ প্ৰসিদ্ধ গল্প লেখক ৺মুনীন বৰকটকীয়ে তেওঁৰ জীৱদ্দশাত মাথোন এখন কিতাপ প্ৰকাশিত অৱস্থাত এৰি থৈ গৈছে। ১৯৮১ চনত প্ৰকাশ পোৱা জীৱনীসংগ্ৰহ 'বিস্মৃত ব্যতিক্রম' এতিয়া নিজেই এক ব্যতিক্রমত পৰিণত হোৱাৰ সম্ভাৱনা আছিছে। গ্ৰন্থখন যুদ্ধোত্তৰকালৰ অসমৰ জীৱনযাত্ৰাৰ তথা ধ্যান-ধাৰণাৰ অসামান্য দলিল বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। কিন্তু প্ৰকাশন পৰিষদৰ পুৰস্কাৰপ্ৰাপ্ত গ্ৰন্থখনক আমি কিমানে খৰচি মাৰি পঢ়িছো বা তাৰ লেখকক মনত ৰাখিছো, সেয়া চিন্তনীয় বিষয়। সেয়া হ'লেও গ্ৰন্থখন ৺পদ্মনাথ গোঁহাইবৰুৱা সম্পাদিত— 'জীৱনী সংগ্ৰহ'ৰ লগত স্থান পাবৰ যোগ্য, এই কথাত মুঠেও অতিৰঞ্জন নাই।

এইটো অৱশ্যে সঁচা যে মুনীন বৰকটকীৰ ধ্যান-ধাৰণাত জোনাকী যুগৰ অন্যতম কৰ্ণধাৰজনাৰ ধ্যান-ধাৰণাৰ বিশেষ মিল নাই। মিল এইখিনিতে যে গোহাঁইবৰুৱাৰ সংকলনখনে তেওঁৰ সমসাময়িক অসমীয়া জীৱনক উদ্ভাসিত কৰিছিল, ঠিক তেনেদৰে 'বিস্মৃত ব্যতিক্রম' গ্ৰন্থখনেও যুগটোক সম্পূৰ্ণভাৱে উদ্ভাসিত কৰি তুলিছে। মুনীন বৰকটকীয়ে চুটি গল্প, প্ৰবন্ধ, জীৱনীমূলক আলেখ্য, সমালোচনা, সাংবাদিকতা — যিহতে হাত দিছে তাতেই অবিস্মৰণীয় স্বৰগুণি আগবঢ়াইছে। তথাপি হয়তো আজি আমাৰ জাতীয় জীৱনৰ এই সন্ধিক্ষণত তেওঁৰ 'বিস্মৃত ব্যতিক্রমে'ই তেওঁৰ 'মেগ্নাম অপাছ' বুলি স্বীকৃত হৈছে।

গ্ৰন্থখনত সন্নিৱিষ্ট প্ৰবন্ধৰাজিত অম্বিকাগিৰী ৰায়চৌধুৰী, জ্ঞাননাথ বৰা, মহেন্দ্ৰনাথ ডেকা ফুকন, মাধৱ চন্দ্ৰ বেজবৰুৱা, হলীৰাম ডেকা, হৰেন্দ্ৰ নাথ কলিতা, বিষ্ণুপ্ৰসাদ ৰাভা, ফণী শৰ্মা, গুণাভিৰাম বৰুৱা, অমূল্য বৰুৱা, লক্ষ্মীনাথ ফুকন, হেম বৰুৱা, নীলমণি ফুকন আৰু কৃষ্ণকান্ত সন্দিকৈ আদি কেইগৰাকীমান 'অধুনা বিস্মৃত, প্ৰয়াত আৰু জীৱন্মৃত' চৈধ্যজন অসমীয়াৰ চৰিত্ৰ আৰু কৰ্মৰাজিৰ ওপৰত পোহৰ পেলোৱা হৈছিল। বেছিভাগ প্ৰবন্ধ ১৯৬১ চনত 'অসম বাতৰি' কাকতত প্ৰকাশিত হৈছিল।

আধুনিক পৰ্যায়ৰ জীৱনীমূলক প্ৰবন্ধ ৰচনাৰ বাবে মুনীন বৰকটকীৰ অইতো সন্দেহৰ অতীত। তেওঁৰ বিষয়বস্তুকেইটাৰ ওপৰত অসামান্য দখল

আছিল। Zeitgeist বা টাইমস্পিৰিটৰ অনুভৱো তেওঁৰ অতুলনীয়। তদুপৰি তেওঁৰ আছিল এটা অধ্যয়নপুষ্ট উদাৰ মন। অসমীয়াৰ ভিতৰত পণ্ডিত আৰু সাহিত্যিকৰ সংখ্যা তাকৰীয়া নহয়। কিন্তু যাক মেন অব লেটাৰ্ছ (man of letters) বুলি কোৱা হয় তাৰ সংখ্যাহে তাকৰীয়া। এইবুলি ক'লেও অত্যুক্তি কৰা নহ'ব, যে মুনীন বৰকটকী তেওঁৰ যুগৰ একমাত্ৰ মেন অব লেটাৰ্ছ। প্ৰবন্ধবোৰ যুগুত কৰাৰ কথা মনলৈ অহাৰ পাছতো তেওঁ লীটন ষ্ট্ৰেচী, হেৰল্ড নিক'লছন, আৰু হেস্কেথ পিয়াৰছন আদি পশ্চিমীয়া জীৱনীকাৰৰ নতুন জীৱনী আগ্ৰহেৰে পাঠ কৰিছিল। শেষত তেওঁ এই পদ্ধতিৰ জীৱনীলিখনকাৰ্যৰ চিন্তা সমূলি পৰিত্যাগ কৰিছিল। তাৰ কাৰণ হিচাপে বৰকটকীয়ে দিয়া যুক্তি প্ৰণিধানযোগ্য — 'আমাৰ সমাজত হয়তো বিদেশৰ জীৱনীকাৰৰ কঠোৰ মানদণ্ড আচলতে প্ৰযোজ্যই নহয়। আমাৰনো প্ৰকৃততে 'ডাঙৰ মানুহ' — যি সাধাৰণ লেখৰ ওপৰত — কেইজন? জীৱনী লিখিব পৰাকৈ বিপুল আৰু প্ৰচুৰ অভিজ্ঞতা নাইবা চৰিত্ৰৰ বৈভব-বিবিধতা থকা লোক কিমানজন? প্ৰকৃততে গুণী মানুহকো যিখন সমাজে সমাদৰ কৰা দূৰত থাকক বিদ্বেষ-সংক্ৰান্তিয়ে মনত শেলাবলৈ গহৰি কৰে তেনে এখন সমাজৰ আঙুলিমূৰত লেখিব পৰা এমুঠি গুণী মানুহকো আমি যদি সম্প্ৰতিষ্ঠাৰ চেষ্টা নকৰি তেওঁলোকৰ দোষ-ত্ৰুটিবোৰহে খুচৰি ফুৰিবলৈ যাওঁহক, তেনেহ'লে আমাৰ জীৱনী লিখিবলৈ উপযুক্ত বিষয়-ব্যক্তি থাকিবগৈ ক'ত? অতীতৰ নায়কসকলৰ জীৱন-চৰ্চাত হয়তো আধুনিক জীৱনীকাৰৰ এই 'ডিছেকশ্যন' বা শৱ-ব্যৱচ্ছেদৰ কৌশল প্ৰয়োগ কৰা সহজ হ'ব পাৰে, কিন্তু জীৱন্ত, আমাৰ মাজতে নিতৌ বিচৰণ কৰি থকা একোজনক তেনেকুৱা সমীক্ষণ-বিশ্লেষণৰ পাত্ৰ কৰা যেনেকৈ অস্বস্তিকৰ, তেনেকৈ বিপদজনকো।

বৰকটকীৰ 'জীৱন্ত আগ্নেয়গিৰী' এখন অসাধাৰণ ৰচনা। এই সৰু ৰচনাখনত অম্বিকাগিৰীৰ বহুধাবিভক্ত কৰ্মৰাজি আৰু অসাধাৰণ ব্যক্তিত্বৰ সামগ্ৰিক ছবি ফুটি উঠিছে। বৰকটকীয়ে ৰায়চৌধুৰীক কমলাকান্ত ভট্টাচাৰ্যৰ 'অগ্নিমন্ত্ৰ ঐতিহ্যৰ উত্তৰসাধক' বুলি অভিহিত কৰিছে। স্বৰাজোত্তৰ কালত আন ৰাজ্য দোপতদোপে উন্নতিৰ জখলাত উঠি আগবাঢ়ি গৈছে, সেই সময়ত আমাৰ জাতীয়জীৱনত এটা কাণ্ডাৰীবিহীন, নিঠৰুৱা অৱসাদগ্ৰস্ত অৱস্থাই ক্ৰিয়া কৰিছিল, তেনে এটি অৱস্থাতে অম্বিকাগিৰীৰ দেহান্তৰ হয়। এই সন্দৰ্ভত অমিয়কুমাৰ দাসৰ দৰে বৰকটকীদেৱেও মিল্টনৰ অভাৱত ৱৰ্ডছৱৰ্থে চিঞৰাৰ দৰে চিঞৰি ক'ব খোজে — "Thou shouldst be living at this hour, Assam hath need of thee"। আমাৰ সৰ্বভাৰতীয় দলৰ জাতীয় নেতাসকলেও সম্প্ৰতি অনুভৱ কৰিছে — অম্বিকাগিৰীৰ সকীয়নীলৈ মন দিয়া হ'লে উত্তৰকালৰ সংঘৰ্ষসমূহৰণৰা হাত সাৰিব পৰা গ'লহেতেঁন। বৰকটকীৰ মনত অম্বিকাগিৰী

আছিল এটা অনির্বাণ জ্বালামুখী, এটা জ্বলন্ত আগ্নেয়গিৰী, যাৰ দেশপ্ৰেমৰ উত্তাপে সকলো অন্যায়, সকলো অবিচাৰ দহন কৰিবলৈ বিচাৰিছিল, যাৰ অগ্নিকণা উদ্গীৰণে স্বদেশপ্ৰীতি, ভূমাকাংক্ষা আৰু সৌন্দৰ্যপ্ৰেম, সকলো একাকাৰ কৰি একস্ৰোতৰূপে বোৱাইছিল।

"যোগী আৰু কৰ্মিচাৰৰ অদ্ভুত সংমিশ্ৰণ, একাধাৰে দেশপ্ৰেমিক আৰু সৌন্দৰ্যপ্ৰেমিক, ৰাজনীতিবিদ আৰু দাৰ্শনিক, কবি আৰু ক্ৰান্তিকাৰী, অতল আধ্যাত্মিকতা, বিশ্বচৰাচৰ হৃদয়ত ডাণ্টেসুলভ অতীন্দ্ৰিয় প্ৰেমৰ বাবে আকুতি, ধ্যানবিভোৰ ৰহস্যবাদী তন্ময়তা, দেশপ্ৰেমৰ অগ্নিস্ফুলিংগ, ঐকান্তিক সত্যাগ্ৰহ এনে কিছুমান বৈশিষ্ট্যৰ অধিকাৰী অম্বিকাগিৰী প্ৰকৃততে আছিল আমাৰ মাজৰ এজন টাইটান — শৃংখলিত প্ৰমিথিউছ। ৰবকটকীয়ে অম্বিকাগিৰীৰ মাজত ইকবালৰ দৰে গুণ কেইটামানো প্ৰত্যক্ষ কৰিছিল।

ৰবকটকীৰ কথনভংগী মনোৰম। তেওঁৰ ৰীতি প্ৰাঞ্জল আৰু ওজস্বী। এই ওজস্বিতাৰ গুণত তেওঁৰ ৰীতি অম্বিকাগিৰীৰ দৰে দুৰ্দ্ধৰ্ষ ব্যক্তিৰ চৰিত্ৰাংকনৰ কাৰণে যথোপযুক্ত হৈছে।

ৰবকটকীৰ অন্যতম শ্ৰেষ্ঠ ৰচনা 'ডাঙৰীয়া অসমীয়া'ত ৰবকটকীয়ে জ্ঞাননাথ বৰাৰ এখন বস্তুনিষ্ঠ প্ৰতিচ্ছবি দাঙি ধৰিছে। প্ৰবন্ধটো পঢ়িলে ৰোমাণ্টিক প্ৰবন্ধকাৰ হেজলিট আৰু লেম্বৰ কোনো কোনো ৰচনালৈ মনত পৰে। এই প্ৰতিচ্ছবিত যেন শেষৰ অসমীয়া ডাঙৰীয়াজনাৰ হুবহু চিত্ৰ ফুটি উঠিছে। জীৱনীকৃতিসুলভ চৰিত্ৰায়নৰ ক্ষেত্ৰত প্ৰবন্ধটোক এটা masterpiece আখ্যা দিব পাৰি। জ্ঞাননাথ বৰাৰ সাহিত্যকৰ্ম সম্পৰ্কে ৰবকটকীয়ে কৰা মন্তব্য অতিশয়োক্তিৰূপৰা মুক্ত, কিন্তু ন্যায়নিষ্ঠ (just)। তৰুণ জ্ঞাননাথ বৰাৰ শ্ৰেষ্ঠ গ্ৰন্থ 'যুগতত্ত্ব' সম্পৰ্কে ৰবকটকীয়ে অসাধাৰণ ব্যাখ্যা আগবঢ়াইছে। জ্ঞাননাথ বৰাৰ পিতৃ সত্যনাথ বৰাৰ 'সাৰথি'ৰ লগত তুলনা কৰি তেওঁ দেখুৱাইছে যে সাৰথিত যুগধৰ্মৰ স্পন্দন নাছিল। লৰ্ড বেকন প্ৰভৃতি পশ্চিমীয়া প্ৰবন্ধকাৰৰ ৰচনাত থকাৰ দৰে তাত এক অৰ্ধদাৰ্শনিক আৰু নীতিশিক্ষামূলক ভাবৰ জগতহে উদ্ভাসিত হৈ উঠিছিল। আনহাতেদি যুগতত্ত্বত ৰবকটকীদেৱে এটা সময়-চেতনা (Zeitgeist) বা 'টাইমস্পিৰিট' প্ৰত্যক্ষ কৰিছে। সত্যনাথ বৰাৰ ল'ৰা জ্ঞাননাথ বৰাই ভাষাৰ ক্ষেত্ৰত সকলো সম্ভৱপৰ শুচিতা ৰক্ষা কৰি পিতাকৰ পদাংক অনুসৰণ কৰিও যেতিয়া ভাবৰ ক্ষেত্ৰত সমসাময়িক বিশ্বৰ গতিধাৰাৰ প্ৰতি সক্ৰিয় সচেতনতা প্ৰদৰ্শালে তেতিয়া সি হৈ পৰিছিল এটা বিভেলেশ্যনৰ নিচিনা।

বৰাভাতৃদ্বয় — অম্বিকানাথ বৰা আৰু জ্ঞাননাথ বৰাৰ ব্যক্তিত্বৰ তুলনামূলক বিৱৰণেও ৰবকটকীৰ অসাধাৰণ নিৰীক্ষণ ক্ষমতাৰ পৰিচয় বহন কৰিছে। ৰবকটকীয়ে একোজন মহান ব্যক্তিৰ এছেনচিয়েল (essential) অৱদানৰ

ওপৰত আচম্বিত পোহৰ পেলাই তাক উদ্ভাসিত কৰে। আনন্দনাথ বৰাৰ ৰাজনৈতিক নিবন্ধবোৰত তেওঁ গভীৰ ৰাজনৈতিক অন্তৰ্দৃষ্টি, অসমৰ আৰ্থিক আৰু ব্যৱহাৰিক অৱস্থিতিৰ নিৰীক্ষণ আৰু সুসংহত চিন্তাশীলতাৰ ছাপ দেখিবলৈ পাইছে। বৰাই অসমক মনে-প্ৰাণে ভাল পাইছিল যদিও সেই ভালপোৱা প্ৰকাশ কৰোঁতে উচ্ছ্বসিত ৰোমাণ্টিকতা পৰিহাৰ কৰি সকলো মত যুক্তিৰে থিয় কৰাইছিল।

মহেন্দ্ৰনাথ ডেকাফুকনক বৰকটকীয়ে 'অগ্নিযুগৰ এটি ফিৰিঙতি' বুলি সাৰ্থকভাৱেই অভিহিত কৰিছে। তেওঁ ডেকাফুকনক লাচিত বৰফুকন, আনন্দৰাম ঢেকিয়ালফুকন, আৰু তৰুণৰাম ফুকনৰ লগতো তুলনা কৰি চাইছে। ডেকাফুকনৰ দৰে বহুমুখী প্ৰতিভা অসমত আৰু দ্বিতীয়জন নাছিল। তেওঁ আছিল একাধাৰে কবি, শিল্পী, কলাকাৰ, বাগ্মী, উদ্যোগিক এণ্টাৰপ্ৰেনাৰ, দুঃসাহসিক সাংবাদিক, সংগীতজ্ঞ, ক্ৰীড়াবিদ, চলচ্চিত্ৰানুৰাগী আৰু চিন্তাবিদ। বিশ্বক ভাল পাইও তেওঁ এখন নতুন ডেকা অসমৰ সপোন দেখিছিল। বৰকটকীয়ে ডেকাফুকনৰ অধুনাবিস্মৃত কবিত্বশক্তিৰো ভাল খতিয়ান দাঙি ধৰিব পাৰিছে। তেওঁ ফুকনক বিদ্ৰোহী কবি নজৰুল ইছলামৰ লগত ৰিজাইছে। অৱশ্যে ডেকাফুকনৰ সৃষ্টিৰ প্ৰেৰণা স্থায়ী নাছিল, ছেগাচোৰোকাহে (spasmodic) আছিল। কমলাকান্ত ভট্টাচাৰ্য ডেকাফুকনৰ প্ৰেৰণাৰ উৎস আছিল। বৰকটকীয়ে কমলাকান্তৰ মৃত্যুত ডেকাফুকনে লিখা 'অস্থিবজ্ৰ' নামৰ শক্তিশালী কবিতাৰ সঠিক মূল্যায়ন দাঙি ধৰিছে। 'অস্থিবজ্ৰ'ৰ কবিক নজৰুলৰ সমগোত্ৰীয় বুলি নকৈ নোৱাৰি। ডেকাফুকনৰ আন এটা কবিতাক তেওঁ শ্ৰীঅৰবিন্দৰ 'সাবিত্ৰী'ৰ লগত তুলনা কৰিছে। কবিতাটোৰ লয়, ছন্দ, মৰ্ম আৰু মূৰ্চনাত তেওঁ প্লেটো'নিক স্ক্ৰিয়াবৰ সাংগীতিক ধ্বনিও শুনিছে। বৰকটকীয়ে গভীৰ অন্তৰ্দৃষ্টিৰে নিৰীক্ষণ কৰি ডেকাফুকনৰ কবিতাত বোধি আৰু বুদ্ধি, অন্তৰ্দৃষ্টি আৰু কল্পনাৰ সুসমন্বয় আৱিষ্কাৰ কৰিছে। ডেকাফুকনৰ অনিন্দ্যসুন্দৰ কবিতাৰ নিজৰা তেওঁৰ জীৱনৰ ৰুক্ষ মধ্যাহ্ন আৰু প্ৰখৰ ৰৌদ্ৰতাপদগ্ধ অপৰাহ্নত শুকাই কৰ্কৰীয়া মৰাৰ দৰে হৈছিল যদিও বাভা আৰু চন্দ্ৰ ফুকনৰ মৃত্যুত লিখা কবিতা দুটাই সেই কথা মিছা বুলি প্ৰমাণিত কৰিলে। বিষ্ণু ৰাভা আৰু ডেকাফুকনৰ 'অন্তৰ্জীৱন, মানসিকতা আৰু সামগ্ৰিক অন্তৰ্মুখিতাত বৰকটকীয়ে এক গভীৰ সংগতি আৰু সামঞ্জস্য দেখা পাইছিল। সেয়া হ'লেও বৰকটকী ডেকাফুকনৰ উদ্ভট কাৰ্যকলাপৰ প্ৰতি অমনোযোগী হৈ থকা নাই। বলিয়ালি আৰু প্ৰতিভাৰ মাজত থকা ক্ষীণ সীমাৰেখা সম্পৰ্কেও তেওঁ সম্পূৰ্ণভাৱে সচেতন আছিল। সেইকালৰপৰা চালে পৃথিৱীৰ অসংখ্য কবি-কলাকাৰেই ডেকাফুকনৰ সমগোত্ৰীয় বুলি প্ৰতীয়মান হ'ব। এই সন্দৰ্ভত বৰকটকীয়ে গ্ৰহণ কৰা সিদ্ধান্ত দুঃসাহসিক হ'লেও অকাট্য।

প্ৰকৃততে এইখিনি উন্মাদনা আছিল বাবেই তেওঁ আমাৰ মাজত জীয়াই আছে। শেষ মুহূৰ্তলৈকে বুকুত উমি উমি জ্বলি থকা জুইকুৰাৰ বাবেই আজিও

তেওঁৰ পৰিচয় বৈ গৈছে, অগ্নিযুগৰ এটি অনিৰ্বাণ অগ্নিশিখাৰূপে, যাৰ বুকুত সৃষ্টি আৰু সংহাৰৰ অগনি কোনোদিনে নিৰ্বাপিত নহ'ল।

স্বৰাজোত্তৰ কালৰ 'ভাৰতীয়কৰণৰ' ধামখুমীয়াত আমি অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে অক্লান্ত, সংগ্ৰামী ৰাজনীতিজ্ঞ আৰু কৰ্মী মাধৱচন্দ্ৰ বেজবৰুৱাক পাহৰি যোৱাৰ দৰে হৈছো, 'অ মোৰ আপোনাৰ দেশ' গীতটি পাহৰি যোৱাৰ দৰে। গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনৰ বাবে বেজবৰুৱাই আহোপুৰুষাৰ্থ কৰিছিল। তেওঁ তেতিয়াৰ দিনত ভয়ংকৰভাৱে সক্ৰিয় বৃহত্তৰ বাংলাৰ ভাৱনাৰ বিৰুদ্ধে নিৰ্ভীকভাৱে থিয় দিছিল। তেওঁৰ শ্ৰেষ্ঠতম কীৰ্তি লক্ষ্মীনাথ বেজবৰুৱাৰ 'বাঁহী'ক পুনৰ জীৱনদানৰ প্ৰয়াস। আজিৰ আঞ্চলিকতাবাদৰ পুনৰুত্থানৰ দিনতো তুলনীয় ৰাজনীতিত বিশ্বাসী ব্যক্তিজনাক অসমীয়াই পাহৰণিৰ গৰ্ভলৈ ঠেলি দিলে — এই ধাৰণাটোৱে প্ৰবন্ধটোত লাইটমটিফৰ দৰে ক্ৰিয়া কৰিছে।

আৱাহন যুগৰ অনন্যসাধাৰণ প্ৰতিভা হলীৰাম ডেকাৰ জীৱনীৰ ওপৰত লিখা আলেখ্য 'এজন লেখৰ অসমীয়া গ্ৰেডফাই' বৰকটকীৰ অসাধাৰণ কৃতিত্বৰ ভিতৰত পৰে। প্ৰবন্ধটো বৰকটকীৰ ব্যক্তিসাপেক্ষ (subjective) ভাবচিন্তাৰে সিক্ত হৈ অনিৰ্বচনীয় ৰূপত নিবদ্ধ হৈছে। হলীৰাম ডেকাক আমি অসমৰ প্ৰথম প্ৰধান বিচাৰপতি আৰু বিচক্ষণ আইনজীৱী বুলি ভাবোঁ। কিন্তু বৰকটকীৰ ব্যক্তিগত স্মৃতিত জীৱন্ত হৈ থকা ডেকাজন সম্পূৰ্ণ বেলেগ। লেখকৰ ভাষাত "হলীৰাম ডেকাক মই পাহৰিব নোৱাৰো, তেওঁৰ ব্যক্তিত্বৰ দুৰ্লভ আকৰ্ষণীয়তা, তেওঁৰ expansive, ফেৰমেলা, বিস্তাৰপ্ৰৱণ, ৰসাৰ্দ্ৰ সংগপ্ৰিয় মনটোৰ বাবে, আমোদভৰা ৰসাত্মক কথোপকথনৰ বাবে আৰু বয়সতো অকণো পোটোকা নপৰা, মামৰে নধৰা তেওঁৰ মৌলিক স্বকীয় শাণিত উইট আৰু বাক্যবাণৰ বাবে আৰু সৰ্বগ্ৰাহী উদাৰ 'কেথলিক' মাৰ্জিত ৰুচিবোধৰ বাবে"।

হলীৰাম ডেকা আৱাহন যুগৰ এজন শ্ৰেষ্ঠ গল্পকাৰ হিচাপে সৰ্বজন বিদিত। বৰকটকীয়ে তেওঁৰ চিত্ৰসেন যখবীয়াৰ ছদ্মনামত লিখা বুদ্ধিদীপ্ত আক্ৰমণাত্মক ৰচনাবোৰকহে অধিক মূল্য দিছে। এই ৰচনাখিনিৰ সৌন্দৰ্য, শৈলী আৰু সম্পদ (richness) আৰু আবেদন দেখি তেওঁৰ গাত বৰকটকীয়ে বঙলা সাহিত্যৰ পৰশুৰাম আৰু বীৰবলৰ দৰে বিখ্যাত লেখকৰ গুণ প্ৰত্যক্ষ কৰিছিল।

'সৎসংগৰ সোঁৱৰণী'— সদাহাস্যময়, মৃদুভাষী, সদালাপী, ঋজু, শান্তিৰ প্ৰতিমূৰ্তি, সৰৱৰহী, পৰোপকাৰী, আৱাহনৰ অন্যতম ৰোমাণ্টিক গল্প লেখক আৰু এসময়ত কলিকতাত অসমৰ একপ্ৰকাৰৰ বেচৰকাৰী ৰাষ্ট্ৰদূত হৰেন্দ্ৰনাথ কলিতাৰ স্মৃতিৰ উদ্দেশ্যে আগবঢ়োৱা শ্ৰদ্ধাঞ্জলি।

'এহাতে তৰবাৰি আনহাতে লিখনী' বিষ্ণুপ্ৰসাদ ৰাভাৰ সোঁৱৰণত লিখা এখন অনুপম জীৱন-আলেখ্য। বৰকটকীয়ে ৰাভাৰ কলাগুৰু আখ্যাত সন্তুষ্ট

হ'ব পৰা নাই। তেওঁৰ মতে 'অকল কলাগুৰু বুলি অভিহিত কৰিলে জনতাৰ প্ৰাণৰো প্ৰাণৰ, হিয়াৰো হিয়াৰ, তাণ্ডৱ-মধুৰ লীলাৰে লীলায়িত , জননায়ক, গণনট, বিষ্ণু ৰাভাৰ প্ৰতি অন্যায় কৰা হ'ব'। বিষ্ণু ৰাভাতকৈ ডাঙৰ কলাকাৰ থাকিব পাৰে, কিন্তু তেওঁৰ দৰে কমসংখ্যক কলাকাৰেহে জনতাৰ ইমান ওচৰ চাপিব পাৰিছে। এই প্ৰবন্ধতে সংস্কৃতিৰ নীৰৱ, সাধক বৰকটকীয়ে জনতামুখী কলাৰ জয়গান গাইছে। বিষ্ণু ৰাভাৰ দৰে সৃষ্টিকাৰে জনজীৱনৰ সমস্যা, সংঘাত আৰু উদ্বেগৰপৰা সাহিত্য-শিল্পকলাক শুচিবায়ুগ্ৰস্তৰ দৰে একাষৰীয়া কৰি নাৰাখে।

শম্ভু মিত্ৰ আৰু উৎপল দত্তৰ দৰে মহান অভিনেতাৰদ্বাৰা উচ্চপ্ৰশংসিত হৈও সৰ্বভাৰতীয় সন্মানৰপৰা অনিবাৰ্যভাৱে বঞ্চিত কলাকাৰ ফণী শৰ্মাৰ সোঁৱৰণীত লিখা প্ৰবন্ধটো 'নটসূৰ্যৰ জীৱন নাটৰ সামৰণি' নামত প্ৰকাশিত হৈছে। বৰকটকীয়ে ফণী শৰ্মাক 'আজন্ম থেছপিয়ান' আখ্যা দিছে। প্ৰচাৰবিমুখ অসমীয়াৰ মাজত জন্ম নোলোৱা হলে হয়তো ফণী শৰ্মাই ভাৰতীয় মঞ্চশিল্পৰ জগতত তেওঁৰ যোগ্য আসন লাভ কৰিব পাৰিলেহেঁতেন। এই ভাবে প্ৰবন্ধটোত ক্ৰিয়া কৰিছে।

মনোভিৰাম বৰুৱাই অসমৰ কলাজগতত এখন বিশিষ্ট স্থান অধিকাৰ কৰিছিল যদিও তেওঁ অখ্যাতনামাই হৈ থাকিল। বৰকটকীৰ 'মনোদাৰ সজল স্মৃতিত' প্ৰবন্ধত বৰুৱাৰ বিশিষ্ট গুণবোৰৰ ওপৰত পোহৰ পৰিছে। বহুতে নাজানে যে তেতিয়াৰ দিনত বৰুৱা অসমৰ গণনাট্য সংঘৰ মুখিয়াল আছিল। বামপন্থী ৰাজনীতিজ্ঞ হিচাপে সেই সময়ত তেওঁ অসমৰ ৰাজনৈতিক সচেতনতা আৰু সক্ৰিয়তা সৃষ্টিৰ ক্ষেত্ৰতো যথেষ্ট অৰিহণা যোগাইছিল। তেওঁ কম বয়সতে জ্যোতিপ্ৰসাদৰ জয়মতী আৰু ইন্দ্ৰমালতীতো অভিনয় কৰিছিল। সমধুৰ ভদ্ৰতা, উদাৰতা, সহৃদয়তা, চিৰতৰুণতা আৰু সৰলতাৰ বাবে মনোভিৰাম বৰুৱা বহুতৰে মনত চিৰস্মৰণীয় হৈ ৰ'ব, এই কথা বৰকটকীৰ প্ৰবন্ধৰপৰা ঠাৱৰ কৰিব পাৰি।

'অমূল্যৰ অমূল্য স্মৃতি' বৰকটকীৰ আন এটি চুটি অথচ মূল্যবান প্ৰবন্ধ। অমূল্যৰ শিক্ষক হিচাপে বৰকটকীয়ে তেওঁৰ তীক্ষ্ণ, উন্মুক্ত, জিজ্ঞাসু-মন আৰু সচেতন কবি চিত্তৰ সান্নিধ্য অনুভৱ কৰিছিল। অমূল্য বৰুৱাৰ চিন্তা আৰু কৃতি সম্পৰ্কে বৰকটকীয়ে কৰা মূল্যায়ন অনতিক্ৰম্য — "যি সময়ত আমাৰ গল্প-কবিতা কূপমণ্ডুকতাৰ দোষেৰে দূষিত আছিল, যি সময়ত অক্ষম অনুকৰণৰ বাহিৰে দেশ-বিদেশৰ নতুন ভাব-চিন্তাধাৰাক আয়ত্ত কৰি আত্মস্থ কৰাৰ প্ৰয়াস আমাৰ নাছিল, সেই শতিকাৰ চতুৰ্থ দশকতে অমূল্য বৰুৱাই প্ৰাদেশিক আৰু ভাষিক সংকীৰ্ণতাৰ ওপৰলৈ উঠি মন-অন্তৰৰ দুৱাৰ-খিৰিকী খিৰাটি বিশ্বৰ প্ৰতি সমগ্ৰ মানৱতাৰ প্ৰতি মুকলি কৰি দিবলৈ সাহস কৰিছিল।"

এই উক্তিত গভীৰ সমালোচনাত্মক অন্তৰ্দৃষ্টিৰ পৰিচয় লোৱা যায়।

"নেতা সাংবাদিক : কৃতী সাহিত্যিক" বৰকটকীদেৱৰ এখন কালোত্তীৰ্ণ ৰচনা। লক্ষ্মীনাথ ফুকন অসমৰ শ্ৰেষ্ঠ গল্পকাৰসকলৰ অন্যতম। আহ্বান যুগৰ অন্যতম শ্ৰেষ্ঠ কবি হিচাপেও তেওঁ সুপ্ৰতিষ্ঠিত। কিন্তু মুনীন বৰকটকীৰ এই প্ৰবন্ধটো পঢ়ি ধাৰণা হৈছে যে ফুকন কিজানি সকলো সময়ৰে শ্ৰেষ্ঠ সাংবাদিকো আছিল। লেখক আৰু সাংবাদিক হিচাপে লক্ষ্মীনাথ ফুকনৰ গাত বৰকটকীয়ে অকাট্য নিৰাসক্ততা প্ৰত্যক্ষ কৰিছে। তেওঁৰ এই গুণৰ বাবে বৰকটকীয়ে ফুকনক লিটন ষ্ট্ৰেচীৰ নিচিনা পাশ্চাত্য ৰীতিকাৰৰ ওচৰ চপাই আনিছে। এই গুণটোৰ বাবেই ফুকন আমাৰ সমকালীন। ফুকন নিভাজ দেশপ্ৰেমিক আছিল, কিন্তু দেশপ্ৰেমৰ তাগিদাতো বা তেওঁৰ প্ৰিয় সাহিত্যিক কাৰু-কাৰ্য্যৰ খাতিৰতো তেওঁ সাংবাদিকতা কৰ্মৰ মান বিসৰ্জন নিদিছিল। সেইবাবে আজিৰ সাংবাদিক জগতৰ বহুলভাৱে প্ৰাপ্তি লাভ কৰা নৈৰাজ্যৰ দিনত ফুকনৰ দৰে 'সাংবাদিকতাৰ সঁচা পেনিল'পি'ৰ বৰ প্ৰয়োজন হৈছে। এই নিৰপেক্ষতাই তেওঁৰ গল্প-সাহিত্যৰ মানো ওপৰলৈ তুলিছে।

'হেম বৰুৱা : আগৰ আৰু আজিৰ' বৰকটকীৰ এখন আপুৰুগীয়া ৰচনা। প্ৰবন্ধটো বৰুৱাৰ জীৱদ্দশাতে 'মোৰ দেশ' আলোচনীত প্ৰকাশ হৈছিল। তেতিয়া হেম বৰুৱা অৱশ্যে শেষ জীৱনৰ কাজী নজৰুল ইছলামৰ দৰে তেওঁৰ নিজৰ অবিস্মৰণীয় অতীতৰ ধ্বংসস্তূপত পৰিণত হৈছিল। এই প্ৰবন্ধত বৰকটকীয়ে হেম বৰুৱাৰ তৈলচিত্ৰসদৃশ ছবি অংকনত তেওঁৰ সমস্ত শক্তি নিয়োজিত কৰিছে। তেতিয়াৰ হেম বৰুৱা আছিল প্ৰাণোচ্ছল, জীৱন্ত আৰু গতিশীল— চিৰনবীন, চিৰসেউজ, যৌৱনোচ্ছাসেৰে তজবজীয়া প্ৰতিমূৰ্তি'। বৰকটকীয়ে লক্ষ্য কৰিছে, হেম বৰুৱাই পৰিৱেশ আৰু পৰিস্থিতিৰ ওপৰত নিজৰ ব্যক্তিত্বৰ ছাপ বহুৱাব পাৰিছিল। তেওঁ যেনেকৈ জীৱনৰ আৰু মানুহৰ সংকট আৰু সমস্যাৰ প্ৰতি সদাসচেতন আছিল, তেনেকৈয়ে আছিল জীৱনৰ অনন্ত মুহূৰ্তবোৰৰ সোৱাদ বা ৰস চেপি ল'ব জনা নিৰুদ্বেগ, নিবিড় জীৱনৰসিক, ভোগী। এসময়ৰ লাজকুৰীয়া, পিছলৈ হুটি যোৱা, কোনো প্ৰকাৰ কেৰিজমা নথকা হেম বৰুৱাৰ প্ৰতিষ্ঠাৰ উত্তুংগ শৃংগত কৰা অৱৰোহণৰ বৰকটকীয়ে দিয়া বৰ্ণনা কালাতীত হোৱাৰ সম্ভাৱনা নাই। বৰকটকীয়ে হেম বৰুৱাক আধুনিক অসমীয়া কবিতাৰ দুৱাৰ মুকলি কৰোতা বুলি অভিহিত কৰিছে। এই বিচাৰৰ শুদ্ধতা সম্পৰ্কে আমি নিঃসন্দেহ। বৰকটকীয়ে তেওঁৰ নিতান্ত সমসাময়িক, একেলগে ডাঙৰ হোৱা সাধাৰণ ব্যক্তিজনৰ জীৱন-আলেখ্য ৰচনাকাৰ্যত যথেষ্ট দক্ষতাৰ পৰিচয় দিব পাৰিছে।

১৫ বছৰ বয়সত নীলমণি ফুকন বাইবেলৰ অন্যতম মূল চৰিত্ৰ মেথুছেলাৰ লগত তুলনীয় — এনে এটা ভাবে বৰকটকীৰ 'আমাৰ মেথুচেলা ককা

ফুকন' প্ৰবন্ধৰ প্ৰথমভোখৰত ক্ৰিয়া কৰা দেখা যায়। এই ক্ষেত্ৰত বৰকটকীদেৱে জৰ্জ বাৰ্নাৰ্ড শ্ব'ৰ Back to Methuselahবো জেৰ টানিছে। অৱশ্যে বিশেশ্বৰাইয়াৰ দৰে দেশ নিৰ্মাতাও ১০২ বছৰতো সতেজ হৈয়েই আছিল। কম বয়সত বৰকটকীয়ে সাৰ্বজনীন ককাজনক তৰুণৰাম ফুকনৰ লগত বিজাই অলপ সমালোচনাৰ দৃষ্টিভংগীৰে চাইছিল যদিও এনে দৃষ্টিভংগীৰ প্ৰভাৱতে পাছত তেওঁ pamphleteering আৰু কাব্য-সাধনা একেলগে চলাই যাব পৰা ব্যক্তিগৰাকীক চেলচিৰ ঋষি নাম পোৱা কাৰ্লাইলৰ দৰে যোৰহাটৰ ঋষি আখ্যা দিবলৈকো কুণ্ঠিত হোৱা নাই। সাংবাদিক হিচাপে লক্ষ্মীনাথ ফুকনৰ লগত নীলমণি ফুকনৰ প্ৰভেদ এয়ে যে নীলমণি ফুকনে অসমৰ স্বাতন্ত্ৰ্য আন্দোলনৰ হোতা হিচাপেহে সাংবাদিকজগতত সোমাই পৰিছিল। পিছৰ জীৱনত অৱশ্যে সংৰক্ষিণীৰ বা-মাৰলি বোৱাই দিয়া বিপ্লৱী বাগ্মীৰজনাই নতুনৰ লগত সন্ধি কৰি জাতীয় আন্দোলনৰ আগশাৰীত ঠাই লৈ মূল্যবান বৰঙণি আগবঢ়ালে। এই পৰ্যায়ৰ নীলমণি ফুকনক বৰকটকীয়ে সংনম্যতা গুণৰ বাবে সপ্ৰশংস দৃষ্টিৰে চাইছে। বৰকটকীয়ে অৱশ্যে ফুকনক মধ্যম পৰ্যায়ৰ ৰাজনীতিজ্ঞ বুলিছে আৰু তেওঁৰ উচ্চতৰ সাহিত্যকৃতিৰ ময়দানলৈ কৰা উত্তৰণক অভিনন্দন জনাইছে। এজন তৰুণ লেখক-সমালোচকৰপৰা প্ৰাপ্ত এই উদাৰ স্বীকৃতি অভিনন্দনৰ যোগ্য।

'মানৱিক পণ্ডিত সন্দিকৈ' আনন্দৰামৰপৰা কৃষ্ণকান্ত আৰু তিনি 'ম'ৰ অক্সফ'ৰ্ড যাইকৈ সন্দিকৈৰ জীৱন আৰু পাণ্ডিত্যৰ ওপৰত কৰা মন্তব্যৰে সমৃদ্ধ। বেণুধৰ শৰ্মা, অমিয়কুমাৰ দাস, লক্ষ্মীনাথ ফুকন আৰু কৃষ্ণকান্ত সন্দিকৈ— এই চাৰিগৰাকী ব্যক্তিৰ জীৱনচৰ্যা আৰু চিন্তাকৰ্মই বৰকটকীৰ ওপৰত গভীৰভাৱে ৰেখাপাত কৰিছিল। তেওঁ চাৰিওজন সমবয়স্ক ব্যক্তিৰ জীৱনকে একেলগ কৰি চোৱাৰ প্ৰয়াস কৰিছিল। বহুত অমিলৰ মাজতো চাৰিওজনৰ মাজত এডাল যোগসূত্ৰও আৱিষ্কাৰ কৰিছিল। বৰকটকীয়ে সন্দিকৈক মানৱিক পণ্ডিত বা হিউমেনিষ্ট আখ্যা দিয়াটো যুক্তিসংগত হৈছে। বহুতে বৰকটকীৰ প্ৰবন্ধৰপৰা প্ৰথমে জানিব যে পশ্চিমৰ আৰু কলিকতাৰ মঞ্চত সন্দিকৈয়ে সমসাময়িক কালৰ মঞ্চাভিনয়, মনোযোগেৰে অধ্যয়ন কৰিছিল আৰু অসমত নাট্য আন্দোলন এটাৰ বাবে উৎকণ্ঠিত হৈছিল। অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধিৰ হকে এই অসাধাৰণ পণ্ডিতজনাৰ চিন্তা-ভাৱনা বিস্ময়কৰ। বৰকটকীয়ে দিয়া সন্দিকৈৰ প্ৰবন্ধাৱলীয়ে কেনেকৈ অসমীয়া সাহিত্যলৈ ইংৰাজীৰ বাহিৰেও কণ্টিনেণ্টেল ইউৰোপীয় সাহিত্যৰ সোণসেৰীয়া সম্পদ কঢ়িয়াই আনিলে তাৰ সশ্ৰদ্ধ বিৱৰণ প্ৰণিধানযোগ্য। সংস্কৃত সাহিত্যৰ ক্ষেত্ৰত অৱতীৰ্ণ হোৱা অসমীয়া পণ্ডিত আনন্দৰাম বৰুৱা, হীৰেশ্বৰাচাৰ্য আৰু সন্দিকৈৰ যুগপৎ সংযুক্তিয়েও তুলনামূলক অধ্যয়নৰ বাট এটা মুকলি কৰিছে। ভাৰতীয় কলা সম্পৰ্কে সন্দিকৈৰ

অসাধাৰণ জ্ঞানে আনন্দকুমাৰ স্বামীৰ দৰে পণ্ডিতৰ অকুণ্ঠ স্বীকৃতি লাভ কৰিছিল — এই খবৰেও নজনা পাঠকৰ মনত উদ্দীপনাৰ ভাবৰ সৃষ্টি কৰিব। সন্দিকৈক মেক্সমুলাৰৰ লগত তুলনা কৰি কৰা বিশ্লেষণো প্ৰণিধানযোগ্য।

মুঠতে 'বিস্মৃত ব্যতিক্ৰম' এখন অসাধাৰণ জীৱনীমূলক প্ৰবন্ধ সংকলন। প্ৰবন্ধবোৰৰ বিভিন্ন চৰিত্ৰক বৰকটকীয়ে ওচৰৰপৰা নিৰীক্ষণ কৰিছিল। অনিবাৰ্যভাৱে ব্যক্তিসাপেক্ষ (subjective) চিন্তা-ভাৱনাও প্ৰবন্ধবোৰত সোমাই পৰিছে। বহুত ক্ষেত্ৰতে তেওঁ প্ৰবন্ধাকাৰে কৰা স্মৃতিচাৰণ ৰোমাণ্টিক প্ৰাবন্ধিকৰ প্ৰবন্ধৰ দৰে ব্যক্তিনিষ্ঠ হ'লেও বৰকটকীয়ে পৰাপক্ষত বস্তুনিষ্ঠভাৱে তেওঁৰ বিষয়বস্তু বা চৰিত্ৰক বিশ্লেষণ কৰি চালি-জাৰি চাইছে। তেওঁৰ মূল চৰিত্ৰসমূহৰ প্ৰায়ভাগেই সাহিত্যিক, কলাকাৰ আৰু সাংবাদিক, গতিকে জীৱনৰ পৰ্যালোচনাৰ লগতে কলাকৃতি আদিক সমালোচনাৰ কষটি শিলত যাচাই কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। বৰকটকী নিজে বস্তুনিষ্ঠ সমালোচক। অনৰ্থক প্ৰশংসাৰ ফুলজাৰি মৰাটো তেওঁৰ স্বভাৱবিৰুদ্ধ। গতিকে এই প্ৰবন্ধবোৰে ব্যক্তিবিশেষৰ চৰিত্ৰ আৰু কৰ্মৰাজিৰ ওপৰত পোহৰ পেলোৱাৰ দৰে তেওঁৰ যুগৰ সামগ্ৰিক জীৱনকো উদ্ভাসিত কৰিছে। বৰকটকীয়ে এই গ্ৰন্থত এজন জীৱনীকাৰতকৈও অধিকতৰ সাৰ্থকভাৱে এজন এছেয়িষ্ট হিচাপেহে নিজকে প্ৰতিষ্ঠিত কৰিছে। এই গ্ৰন্থ যিয়েই স্পৰ্শ কৰিব সিয়েই এজন মানুহৰ স্পৰ্শ লাভ কৰিব। □

বৰকটকী : এক অনন্য প্ৰতিভা

চাৰু মহন্ত

প্ৰয়াত বৰকটকী ডাঙৰীয়াৰ প্ৰসঙ্গ ওলালেই মোৰ চকুৰ আগত ভাঁহি উঠে কিছুমান স্পষ্ট আৰু কিছুমান ধূসৰ চিত্ৰ, ঠিক যেন এখন কথাছবিৰ কিছুমান 'ফ্ৰেম' ইটোৰ পিছত সিটোকৈ অহা-যোৱা কৰা নাতি-দীৰ্ঘ, চাই থাকিবৰ মন যোৱা টুকুৰাহে, সেইবোৰে মনৰ পৰ্দাত দোলা দিয়ে, মনক পুলকিত কৰে, কেতিয়াবা ভৰাই তোলে আৰু কেতিয়াবা হঠাতে, অজানিতে, অলক্ষিতে পৰ্দাখনৰ সেই ভুখৰীয়া ছবিবোৰ মচ খাই যায়।

'অসম বাতৰি'ত চাকৰি কৰাৰ সময়ৰ কথা। সাংবাদিক হিচাপে চাকৰিৰ দায়তে বিভিন্ন সভা-সমিতি আদিত সুন্দৰ-সুঠাম চেহেৰাৰ, হৃষ্ট-পুষ্ট, গুৰু-গম্ভীৰ, অকল কথা-বতৰাতে নহয়, খোজ-কাটলতো ব্যক্তিত্ব আৰু গাম্ভীৰ্য পৰিস্ফুট হোৱা প্ৰয়াত বৰকটকীৰ লগত ঘনিষ্ঠতা ক্ৰমাৎ বাঢ়িছিল। চাকৰিৰ খাতিৰতে কেতিয়াবা তেখেতৰ কাষ চপাৰ প্ৰয়োজন হৈছিল। আৰু যেতিয়াই, যি প্ৰয়োজনতে নহওক লাগে, কাষ চাপিলেই প্ৰথমে ওঁঠত এটা হাঁহিৰে, এক বিৰল অধ্যয়নপুষ্ট মনৰ মানুহজনে একান্ত আন্তৰিকতাৰে, ঘনিষ্ঠতাৰে আমাৰ কথা শুনিছিল, আমাৰ মনৰ খু-দুৱনি মাৰিছিল আৰু তেখেতক লগ কৰি ওলাই আহোঁতে অসন্তুষ্ট বা অৱহেলিত হৈ অহাৰ কোনো সুবিধাই নিদিছিল।

সেই সময়ত অসমত বাতৰিকাকতৰ সংখ্যা এনেয়ে আঙুলিৰ মূৰত লেখিব পৰা ধৰণৰ আছিল, অথচ সেইবোৰ বচাই ৰখাৰ খাতিৰতে প্ৰতিখন কাকতেই সীমিতসংখ্যক পঢ়ুৱৈৰ সন্তুষ্টিৰ খাতিৰতে ভিন্ন স্বাদৰ আৰু ভিন্ন ভিন্ন বিষয়বস্তুৰ ওপৰত আলোকপাত কৰা গল্প-প্ৰবন্ধ বা কাহিনী বিচাৰি চালি-জাৰি প্ৰকাশ কৰিব লগা হৈছিল। আৰু তেনে এক সূত্ৰেই এটা সময়ত বৰকটকী ডাঙৰীয়াৰ কাষ চাপিবলগীয়া হৈছিলোঁ।

তেতিয়া মোৰ বাসস্থান আছিল চানমাৰিত, কাৰ্যক্ষেত্ৰ ভৰলুমুখত। গতিকে অহা-যোৱাৰ বাট বৰকটকীৰ দুৱাৰমুখেৰে হোৱাত সঘনে তেখেতক, বা ৰাজনীতি আৰু সামাজিক কামত নিজকে ব্যস্ত ৰখা শ্ৰীযুতা ৰেণুকা দেৱী বৰকটকীক লগ পোৱাটো মোৰ বাবে অতি সহজ আছিল। তেখেত্‌সকলৰ পত্নীব্ৰতীৰ সেই তেতিয়াৰ অসম-আৰ্হিৰ ঘৰটোলৈ সেয়ে এজনক অথবা দুয়োকে লগ পোৱাৰ মানসে সোমোৱাটো মোৰ বাবে সাধাৰণ, স্বাভাৱিক কথা হৈ পৰিছিল।

ৰৰকটকী ডাঙৰীয়াই কথা কম কৈছিল; স্বল্পভাষী আছিল বুলিয়েই মোৰ ক'বৰ মন যায়। কিন্তু কেতিয়াবা তেখেতৰ প্ৰিয় বিষয়বস্তু হ'লে, বিশেষকৈ সাহিত্য আৰু সাহিত্য সমালোচনাৰ প্ৰসঙ্গ হ'লে, বৰকটকীৰ কাষৰপৰা সোনকালে উঠি অহাটো টান হয়। এনেধৰণৰ আলোচনাকালত তেখেতৰ প্ৰগলভতাই মোক তেখেতৰ গাঢ় অন্তদৃষ্টি, গভীৰ অধ্যয়নপুষ্টতা আৰু প্ৰজ্ঞাৰ সমলে স্তম্ভিত কৰি তুলিছিল।

এনেদৰে কেইবাদিনো আলোচনা-বিলোচনা চলাৰ পাছত এদিন হঠাতে মোৰ মনত এটা দুষ্টবুদ্ধি খেলালে — এই মানুহজনে মোক অসমৰ ভাষা-সাহিত্যৰ বিষয়ে যিবোৰ কৈ আছে, সেইবোৰ যদি তেখেতক লিখিবলৈ কওঁ, যদি প্ৰকাশ কৰোঁ, 'অসম বাতৰি'ৰ পঢ়ুৱৈয়ে যদি তাৰ ভাগ পায়, মুখৰ কথাবোৰ আখৰত ওলাই যদি পঢ়ুৱৈসকলক চিন্তা-চৰ্চাৰ সমল যোগায়, কেনে হ'ব?

শ্ৰীমতী বৰকটকীয়ে মাজে-সময়ে চাহ-বিস্কুটৰ যোগান ধৰোতে এটা কথা প্ৰায়ে কৈছিল: বৰকটকী মানুহজন বৰ এলেহুৱা, কিতাপ-কাকতৰ মাজতে থাকে, কেৱল পঢ়িয়েই থাকে, কিন্তু লিখিবলৈ টান পায়।

মোৰ মনৰ খু-দুৱনি বাঢ়িল। কথা পেটত ৰাখিব নোৱাৰা দুই-এক বন্ধুকো মোৰ আঁচনিখনৰ কথা মনে মনে ক'লো। তেওঁলোকে প্ৰস্তাৱটো শলাগিলে, কিন্তু শংকা প্ৰকাশ কৰিলে যে এলানি প্ৰবন্ধ বিচাৰিবা হয়, এটাতে যদি পৰালি পৰে?

গভীৰ শংকাৰ দোমোজাত এদিন আবেলি বৰকটকী ডাঙৰীয়াৰ ওচৰত মোৰ প্ৰস্তাৱ উত্থাপন কৰিলোঁ। অনুৰোধ জনালোঁ যেন তেখেতে অসমীয়া সাহিত্যৰ গতিধাৰা, বৰেণ্য লেখকসকলৰ ৰচনা-সম্ভাৰ আদি সাহিত্যকৰ্মৰাজিৰ সমালোচনাত্মক এলানি লেখা দিয়ে। প্ৰথমে অলপ ইতস্ততঃ কৰিছিল যদিও চেলাপটী জোক লগাদি লগা দেখিয়েই বোধহয়, তেখেতে গভীৰ মহানুভৱতাৰে এটা সময়ত মোৰ অনুৰোধ ৰক্ষা কৰিবলৈ সন্মত হ'ল।

আৰু মই পুলকিত হ'লোঁ — হাফ্ দ্যা বেটল্ ইজ ৱ'ন বুলি। বৰকটকী ডাঙৰীয়াৰ মুখত প্ৰায় সদায় 'নাই' 'নহব' শুনাৰ পাছত এই হঠাৎ সন্মতি প্ৰদানৰ পাছত মোৰ দিগ্বিজয় কৰা যেনেই লাগিল!

তেখেতক কথা দিলো — নিয়মিতভাৱে, তেখেতৰ লেখাৰ ওপৰত সম্পাদকৰ ৰঙা কাঠপেঞ্চিলেৰে সামান্য অংশও নকটাকৈ, বৰ্ণাশুদ্ধি নোবোৱাকৈ প্ৰবন্ধৰাজি প্ৰকাশ কৰিম, কেৱল তেখেতে যেন সময় ৰক্ষা কৰে।

তেখেতে লিখিবলৈ ল'লে! কিতাপৰপৰা মূৰ নোতোলা, প্ৰতিদিনে দিনটোৰ প্ৰায় ৪/৫ ঘণ্টা, বা কেতিয়াবা ততোধিক, জিলা পুথিভঁৰালত সোমাই দেশীয়-অন্তৰ্দেশীয় কিতাপৰ মাজত সোমাই থকা মানুহজনৰ মনৰ সঞ্চিত প্ৰজ্ঞা ক্ৰমাৎ নিৰ্গত হ'ল!

মই তেতিয়া জনা নাছিলো যে মই আচলতে খুটি পুতি নিজেই উজুটি খাবলৈ ল'লোঁ!

ৰবকটকীয়ে লিখিবলৈ আৰম্ভ কৰিলে। ক্ৰমীয়া ল'বা-ছোৱালীয়ে হ'ম-ৱৰ্ক কৰাৰ দৰেই নিৰ্দ্ধাৰিত দিনত মোৰ হাতত তেখেতৰ লেখা তুলি দিব পৰাকৈ লিখিবলৈ ল'লে। মোৰ সন্দেহ নাই, সপ্তাহৰ অন্ততঃ দুটামান দিনৰ ভালেখিনি সময় কিতাপৰ পোক হৈ নকটাই তেখেতে কাগজ-কলম লৈ লিখিবলৈ বহিছিল। জোক লগাদি লগাৰ মোৰ অভ্যাসতো আছেই, আৰু ঘনাই তেখেতক লেখা সম্পূৰ্ণ কৰাৰ বাবে তাগিদা দিয়াও হৈছিল — কেতিয়াবা হঠাতে তেখেতৰ সন্মুখত সোঁশৰীৰে উপস্থিত হৈ, বা কেতিয়াবা টেলিফোনযোগে।

ৰবকটকীক আগতেই কথা দিছিলোঁ — বৰ্ণাশুদ্ধি নোহোৱাকৈ প্ৰবন্ধ প্ৰকাশ কৰিম বুলি। আৰু সেয়ে, তেখেতে লেখা প্ৰতিটো প্ৰবন্ধ মন'টাইপ কম্পজিটৰে বুজিব পৰাকৈ, শুদ্ধকৈ কম্প'জ কৰিব পৰাকৈ মই নিজৰ আখৰেৰে লিখি দিবলগীয়া হৈছিল — গোট গোট আখৰেৰে। ৰবকটকীৰ আখৰ বেয়া নাছিল, কিন্তু লতা-আখৰ, দুটা শাৰীৰ মাজত সুবিধাজনকভাৱে থাকিবলগীয়া ব্যৱধান নথকা বাবে, তেখেতৰ আখৰবোৰ সৰু হোৱাৰ বাবে, প্ৰতিটো প্ৰবন্ধৰ নকল নিজ হাতে লিখি দিছিলোঁ। মোৰ নিজৰ সময় কিছু খৰচ হৈছিল ঠিকেই, কিন্তু কম্পজিটৰে শুদ্ধকৈ কম্প'জ কৰিব পাৰিব আৰু মাজে মাজে শব্দ বা বাক্যাংশ এৰি যাব বুলি থকা ভয় মোৰ নোহোৱা হৈছিল।

কেইটামান প্ৰবন্ধৰ কাম ঠিকেই চলিল। তাৰ পাছত এদিন প্ৰায় ছয় পৃষ্ঠা জোৰা প্ৰবন্ধ এটাৰ লতা আখৰৰ মাজত দুটা শব্দই মোক বিপদত পেলালে। শব্দ দুটা কি মই পঢ়িব নোৱৰা হলোঁ। এটা শব্দ আছিল বাক্য এটাৰ আৰম্ভণিতে, আনটো অন্য এটা বাক্যৰ মাজভাগত, বহুবাৰ বিভিন্ন এঙ্গোলৰপৰা ঘূৰাই-পকাই চালো হে চালো, অভিধান লৈ সাম্ভাব্য শব্দৰ লগত মিলাই চালো — লাভ নহ'ল। হাতত সময়ো কম, নিৰ্দ্ধাৰিত দিনত ছপা হ'বই লাগিব। সেয়ে ফোনযোগে বাক্য দুটাৰ আগে-পিছে থকা দুটামানকৈ শব্দ সম্পূৰ্ণকৈ পঢ়ি শুনাই তেখেতৰপৰা কিবা আভাস পাব পাৰো নেকি চালোঁ। একো নহ'ল। শেষত তেখেতৰ পৰামৰ্শক্ৰমেই প্ৰবন্ধসহ তেখেতক লগ ধৰি ৰঙা পেন্সিলেৰে চিহ্নিত কৰা শব্দ দুটা তেখেতক দেখুৱাবলৈ নিয়াটোকে স্থিৰ কৰিলোঁ।

আগতেই কৈছোঁ, তেখেতৰ লতা আখৰবোৰ, সৰু সৰু আখৰবোৰ, দুটা শাৰীৰ মাজৰ ব্যৱধান কম হোৱা আদি কাৰণত মই লিখি দিবলগীয়া হৈছিল। এটা কথা মন কৰিছিলো যে অসমীয়া বৰ্ণমালাৰ দুটা আখৰ লিখোতে তেখেতৰ লেখাত কোনো ব্যৱধান নাছিল। দেখাত দুয়োটাই আছিল সম্পূৰ্ণ একে। আখৰ দুটা আছিল 'ে' (একাৰ) আৰু 'ল'। আৰু মোক বিপদত

পেলাইছিল এই দুটা আখৰেই!

তেখেতৰ ওচৰত যেতিয়া তেখেতৰে প্ৰবন্ধ লৈ হাজিৰ হলোঁ, তেখেতে দুয়োটা বাক্যই কেৱল নহয়, প্ৰাসঙ্গিক গোটেইছোৱাকে পঢ়িও, দুৰাই-পকাই চায়ো একো ধৰিব নোৱাৰিলে। অৱশেষত তেখেতে ক'লে: 'মহন্ত, মৰো ধৰিব পৰা নাই দেখোন। আপুনিয়েই কিবা এটা কৰি দিব আৰু।'

কৰি দিলোঁ — প্ৰাসঙ্গিকতা আৰু সৃষ্টিৰ ধাৰাত যতি নপৰাকৈ।

এবাৰ এনেকুৱাকৈ প্ৰবন্ধ সংগ্ৰহৰ কামত বৰকটকীক লগ পাবলৈ যাওঁতে কাষতে বহিলহি শ্ৰীযুতা (ৰেণুকা) বৰকটকী। চাহ-বিস্কুট চলিল কথাৰ লগতে। এটা সময়ত আকৌ প্ৰবন্ধৰ প্ৰসঙ্গ ওলাল, শ্ৰীযুতা বৰকটকীয়ে ক'লে: 'মহন্ত, আপুনিতো কম সাংঘাতিক মানুহ নহয়!' মোৰ ভয় লাগি গ'ল, কি বা জগৰ লগালো! খন্তেক পাছতে তেখেতেই মোৰ মনৰ ভয় নিৰসন কৰিলে। ক'লে: 'এওঁ, বৰকটকীৰ নিচিনা এনেহুৱা মানুহ এজনৰ পৰা আপুনি যে লেখা উলিয়াব পাৰিছে, সেইটো কম ডাঙৰ কথা নহয়। কিমান আহে প্ৰবন্ধ বিচাৰি, কাকো নিদিয়ে। একমাত্ৰ আপুনিয়ে এওঁক বলে পাৰিছে।... লাইব্ৰেৰীলৈ গ'লে ঘৰলৈ পাহৰে, ঘৰত থাকিলেও কিতাপৰপৰা মূৰ নোতোলে। ছোৱালীজনী কাষ চাপিলে অকণমান সময় তাইৰ লগত কটাই 'খেলাগৈ যোৱা' বুলি পঠিয়াই দিয়ে। এওঁ voracious reader, কিন্তু এনেহুৱা, নিলিখে।'

বহুত বছৰৰ পাছত, অৱশেষত প্ৰবন্ধকেইটা কিতাপৰ আকাৰত প্ৰকাশ পালে। এদিন তেখেত লাইব্ৰেৰীলৈ বুলি ওলাই যাওঁতে হঠাতে ফুটপাথত লগ পালোঁ। তেখেতে ক'লে, 'মহন্ত, আপুনি উলিওৱা সেই প্ৰবন্ধবোৰ কিতাপ হৈ ওলাল। আপোনালৈ কিতাপ এখন থৈ দিছোঁ, ব'লক এতিয়াই দিওঁ।' চাকৰিৰ তাগিদাত সেইদিনা অনা নহ'ল। আনিলো পাছত। কাৰণ, মই ঠিকেই ধৰিছিলোঁ, তেখেতৰ গন্তব্যস্থল আছিল জিলা পুথিভঁৰাল।

মৃত্যুৰ প্ৰায় পোন্ধৰ-বিশ দিনৰ আগতে বীৰেন লহকৰে ক'লে, বৰকটকীৰ অসুখ। তেখেতৰ দুখ — আজিকালি তেখেতৰ ওচৰলৈ মানুহ নাহে, প্ৰবন্ধ-পাতি বিচাৰিও নাহে, কথা এষাৰ পাতিবলৈও নাহে।

মোৰ চেৰেংকৈ মনত পৰি গ'ল হেম বৰুৱা ডাঙৰীয়ালৈ। তাহানি দেশৰ সংসদত নেহৰুৰ লগত সমানে কথা কটাকটি কৰা, প্ৰভূত বাক্‌পটুতাৰ গৰাকী, অসম-প্ৰাণ সাংসদ হেম বৰুৱালৈ। তেতিয়াৰ গুৱাহাটীৰ দহ-বাৰজনকৈ মানুহে যিজন হেম বৰুৱাৰ পিছে পিছে ফুটপাথৰ ওপৰেৰে তেখেতৰ সঙ্গী হিচাপে ঘূৰিছিল, খদ্দৰৰ ধূতি-পাঞ্জাবীৰে ওখ-পাখ, প্ৰগল্‌ভ বৰুৱাৰ কথা শুনি আমোদ পাইছিল, সেইজন বৰুৱাৰ মৃত্যুৰ আগতে হোৱা অসুখৰ সময়তো তেখেতৰ ঘৰলৈ কিন্তু মানুহ নগৈছিল। তেতিয়া হেম বৰুৱা ডাঙৰীয়াৰ একমাত্ৰ

সঙ্গী আছিল তেখেতৰ পত্নী অণু বৰুৱাহে!

বৰকটকী ভাণ্ডাৰীয়াৰ ওচৰলৈ মোৰ সেইদিনা যোৱা নহ'ল। কেইদিনমানৰ পাছত, কোনোৱা এটা দেওবাৰে পুৱা, লগত গোস্বামীক (অতুলানন্দ) লৈ তেখেতসকলৰ ঘৰ পালোঁগৈ।

আৰু তাৰ প্ৰায় পোন্ধৰ দিনৰ পাছতে সেই দুঃসংবাদে অসম ছানিলে।

অসমে আৰু এজন চিন্তাবিদ, voracious reader, প্ৰভূত বুদ্ধিমত্তা-সম্পন্ন, এজন চালে চকুৰোৱা, অসম আৰু অসমীয়াপ্ৰেমী, গভীৰ আত্মপ্ৰত্যয়সম্পন্ন আৰু আত্মবিশ্বাসী ব্যক্তি হেৰুৱালে।

আমি কিমান দুখীয়া হ'লো সেয়া সময়ে ক'ব! □



মুনীন বৰকটকীৰ হাতৰ আখৰৰ আৰ্হি
অধ্যাপক অজিত শৰ্মালৈ লিখা এখন চিঠিৰ অংশ



মীনাক্ষীলৈ লিখা এখন চিঠিৰ অংশ

মুনীন বৰকটকী : অসামান্য সাংবাদিক

ৰাধিকামোহন ভাগৱতী

সাংবাদিক হিচাপে মুনীন বৰকটকীৰ বিষয়ে লিখিবলৈ লওঁতে সমস্যাত পৰিছোঁ — সাংবাদিকতা তেওঁৰ ব্যক্তিত্বৰ সামান্য প্ৰকাশ মাত্ৰ। আনহাতে তেওঁ আজিকালি সচৰাচৰ চলা মতে — বৃত্তিধাৰী সাংবাদিকো নাছিল। অৱশ্যে আকাশবাণীৰ সংবাদবিভাগৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি তেওঁ জাতত উঠিছিল বুলি ধৰিলে ক'বলৈ একো নাই। কিন্তু আমাৰ মতেৰে বৃত্তিধাৰী লেখক-সাংবাদিক নহ'লেও বৰকটকী অসমীয়া সংবাদজগতৰ এগৰাকী বিৰল ব্যক্তিৰূপে প্ৰতিষ্ঠিত হ'বৰ বহুতো কাৰণ আছে। যি অৰ্থত ত্যাগবীৰ হেম বৰুৱা সাংবাদিক আছিল, একেই অৰ্থত বৰকটকী সংবাদজগতৰ এজন প্ৰেৰণাপুৰুষ আৰু অসমৰ জনমত গঠন কৰোঁতা অসামান্য ব্যক্তিত্বসম্পন্ন লোক। বৃত্তি সাংবাদিক নহ'লেও সাংবাদিকসকলৰ বাবে কেনেকৈ প্ৰেৰণাৰ আশ্ৰয় হ'ব পাৰে, বৰকটকীৰ জীৱনত সেইটো স্পষ্ট হৈ পৰিছিল। এই বিষয়ে বহুতো কথা ক'ব পাৰি। সেইবিলাকৰ বেছি দূৰলৈ নগৈও থোৰতে ক'ব লাগিলে, আমাৰ সাংবাদিক জীৱনৰ 'নতুন অসমীয়া'ৰপৰা আৰম্ভ কৰি — 'আজিৰ অসম'ৰ সময়লৈকে বৰকটকীৰ প্ৰেৰণাৰ কথা সদায় স্মৰণীয় হৈ ৰ'ব। সেই প্ৰেৰণা ব্যক্তিৰপৰা উৰ্ধলৈ যোৱাত আৰু সংবাদপত্ৰৰ জৰিয়তে তাৰ প্ৰতিফলন ঘটাত স্বাভাৱিকতে তাৰ গুৰুত্ব বাঢ়ি গ'ল আৰু সেই সময়ৰ একোখন কাকতেই তাৰ চিহ্ন বহন কৰি আছে আৰু থাকিব। স্বৰ্গীয় অতুলচন্দ্ৰ হাজৰিকাই এঠাইত মন্তব্য দিছে যে তাহানিৰ চন্দ্ৰকুমাৰ আগৰৱালাৰ 'অসমীয়া' কাকতখনত নিগাজিকৈ কাম নকৰিও ত্যাগবীৰে কাকতখন নিজেই পৰিচালনা কৰাৰ দৰে হৈ পৰিছিল — অৰ্থাৎ ইয়াৰ গুৰিত দিহা-পৰামৰ্শ, লেখা-মেলাৰে ত্যাগবীৰ থিয় দি সেই সময়ৰ প্ৰয়োজনীয় জনমত গঢ়ি তুলিবলৈ তেওঁ তৎপৰ হৈছিল। ত্যাগবীৰৰ সেই প্ৰচেষ্টাই ৰাজহুৱা মহত্ত্বৰে পৰিণতি লাভ কৰাত অসমৰ ইতিহাসৰ এছোৱাৰ সেইবিলাক সম্বলস্বৰূপ হ'ল। 'অসমীয়া', ত্যাগবীৰ আৰু অসমৰ ৰাজনৈতিক ইতিহাসৰ বিবৰ্তন অভিন্ন হৈ পৰিছিল। মুনীন বৰকটকীয়ে সম্পূৰ্ণ তেনে ভূমিকা অৱলম্বন কৰিব নোৱাৰিলেও (এখন দৈনিক কাকতৰ সম্পাদনাৰ দায়িত্ব লোৱাৰ ঠিক হৈছিল যদিও মূৰকত নহ'লগৈ।) তাৰ নাম-নাচ ভূমিকাৰে নিজৰ অভিজ্ঞতা জ্ঞান-প্ৰজ্ঞাৰে অসমীয়া জাতীয়তাবাদৰ

প্ৰসাৰ আৰু অসমবাসীৰ স্বাৰ্থৰ অনুকূলে জনমত গঠনৰ ক্ষেত্ৰত অন্যতম কাণ্ডাৰী হোৱাৰ মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈ পৰিছিল। এইটো তেওঁৰ সাংবাদিকতাৰে এক বৈশিষ্ট্য আছিল আৰু এইহোৱাৰ সাংবাদিকতাৰ ইতিহাস তথা অসমৰ জনমতৰ গতিপথ বৰ্ণনা কৰিব লাগিলেই মুনীন বৰকটকীক বাদ দিব নোৱাৰি, কোনেও নোৱাৰিব কেতিয়াও। এজন ব্যক্তিৰ জীৱনত এইটো কম ডাঙৰ গৌৰৱৰ বিষয় নহয়। জাতীয় জীৱনৰ লগত একাত্মীয়তা যাৰে তাৰে ভাগ্যত নঘটে। ধন-দৌলতৰ ওপৰত ইয়াৰ স্থান।

ইয়াৰ বাবে মুনীন বৰকটকীয়ে গভীৰ সাধনাৰ জীৱন-কাল অতিবাহিত কৰিছিল। ৰেডিঅ'ৰ উপৰি, চৰকাৰী প্ৰচাৰ বিভাগৰ উৰ্ধ্বতন বিষয়া, সেই সময়ত নতুনকৈ স্থাপিত হোৱা প্ৰেছ ইনফৰমেশ্যন ব্যুৰ'ৰ তথ্য বিষয়া, শিক্ষকতা আদিৰে বৰকটকীয়ে জীৱনৰ বিচিত্ৰ অভিজ্ঞতা অৰ্জন কৰিছিল আৰু সেই হিচাপে গণজ্ঞাপনৰ (mass communication) ক্ষেত্ৰত বিশেষ বৰঙণি আগবঢ়াবলৈ সক্ষম হৈছিল। তেওঁৰ সাংবাদিকতাৰ আৰম্ভণি ইংৰাজী কাকত 'আসাম ট্ৰিবিউন'ৰ যোগেদি। 'বাঁহী'ৰ মাধৱ বেজবৰুৱাৰ সান্নিধ্যত তেওঁ জাতীয় প্ৰেৰণাৰ আৰু সেৱাৰ যি আদিপাঠ আৰম্ভ কৰিছিল তাৰ পূৰ্ণতাৰ বিৱৰণেই তেওঁৰ জীৱন চৰ্চাৰ বহল অধ্যায় হ'ব নিশ্চয়। ডেকা বেজৰ উপৰি বৰকটকীয়ে জাতীয় সেৱাৰ ছিটিকনি অম্বিকাগিৰীৰপৰা লাভ কৰাটো বুজিব পাৰি। বহুতো বিষয়ত অম্বিকাগিৰীৰ লগত তেওঁৰ মিল নাছিল যদিও জাতীয় চিন্তা-ভাৱনাত দুয়ো সমগোত্ৰীয় আছিল। সেই অনুসাৰেই কাকত-পত্ৰৰ আদৰ্শ হোৱাটো তেওঁ কামনা কৰিছিল। কথাত কথা ওলায়। এই প্ৰসংগত বহুতো তথ্য-পাতিৰ উল্লেখ কৰিব পাৰি যদিও এদিনৰ অভিজ্ঞতা ইয়াত সংযোগ কৰিব খুজিছোঁ।

এদিনৰ কথা। সদ্যপ্ৰকাশিত গুৱাহাটীৰ এখন ইংৰাজী কাকতৰ 'ডেট লাইন' লুকাই ৰাখি তেওঁ প্ৰশ্ন কৰিছিল — এইখন কাকত ক'ৰপৰা প্ৰকাশ পায় — অৰ্থাৎ এইখন অসমৰপৰা প্ৰকাশ পোৱা কাকতনে?

প্ৰশ্নটো আশ্চৰ্য আৰু বিবুধিজনক আছিল যদিও পিছতে একোখনহঁত কাকতৰ আদৰ্শ আৰু ভিত্তিৰ ব্যাখ্যা দাঙি ধৰি তেওঁ প্ৰতিপন্ন কৰিব খুজিছিল যে ইংৰাজী হ'লেও জাতীয়তা বিসৰ্জন দি সাংবাদিকতা কৰিব নালাগে। আমি অসমীয়া হৈও ভাৰতীয় কিয় — আন্তঃৰাষ্ট্ৰীয় হোৱাত ক্ষতি কি?

অসমীয়া কাকতৰ বিষয়বস্তু, তাৰ উপস্থাপন-ৰীতি আদি সম্পৰ্কত তেওঁ নিজা মত পোষণ কৰিছিল। সাহিত্য সভাই তেজপুৰত পতা এক ছেমিনাৰত তেওঁ এই মত প্ৰকাশ কৰিছিল যে সময়ৰ লগত খাপ খুৱাই কাকতবিলাকে বিষয়বস্তুৰ নিৰ্বাচন আৰু তাৰ উপযোগী উপস্থাপন কৰিব নোৱাৰিলে তেনে কাকত আধুনিক আখ্যা পোৱাৰ বাবে উপযোগী হ'ব নোৱাৰিব। কাকত

আলোচনীৰ ভাষা সম্পৰ্কতো তেওঁ নিজস্ব মত পোষণ কৰিছিল। যিমান দূৰ পাৰি মুখৰ (চলতি) ভাষাৰ ওপৰত প্ৰাধান্য দি গণজ্ঞাপনৰ কাৰ্যকাৰিতা তথা জনপ্ৰিয়তা বৃদ্ধি কৰাত তেওঁ গুৰুত্ব দিছিল।

মাতৃভাষা সম্পৰ্কত তেওঁ স্বকীয় মত আৰু ইয়াৰ নিজস্ব লিখনৰীতিবো অনুশীলন কৰিছিল। এনে লিখনৰীতিৰ প্ৰতিফলনেই আছিল তেওঁৰ ব্যক্তিত্ব। ইয়াৰ আভাস আৱাহনৰ পাতত পোৱা গৈছিল আৰু শেহতীয়াকৈ 'আজিৰ অসম'ত লিখা ব্যক্তিগত স্তম্ভ 'মোৰ দৃষ্টি'ৰ মাজত ইয়াৰ পূৰ্ণতা দেখিবলৈ পোৱা যায়। বৰকটকী যে আদ্যান্ত মনৰ সিজা সিধা গোটাই স্বতন্ত্ৰ ধাৰাৰ বাহক আছিল তাক আজিৰপৰা ৫৮ বছৰ পূৰ্বেই মাহেকীয়া আলোচনী 'আৱাহন'ৰ পাতত লিখা 'কনফেশ্যনছ্'ৰ যোগেদি প্ৰতিপন্ন কৰিছিল। অসমীয়া সাহিত্য জগতত বৰকটকী এক বিৰল প্ৰতিভাধৰ লেখক বুলি পৰিচিত হৈ পৰিছিল। তেওঁ কলিকতীয়া বৌদ্ধিক জাগৰণৰ অংশীদাৰ হৈছিল সঁচা, কিন্তু তাৰ অন্ধ অনুকৰণকাৰী তেওঁ নাছিল। বৰং তেওঁ ইয়াৰ কটু সমালোচনা কৰি ভেদ জ্ঞানৰ পৰিচয় দিছিল। 'আৱাহন'ত প্ৰকাশ পোৱা উক্ত প্ৰবন্ধটিত তেওঁ লিখিছিল — 'অসমৰ ওচৰ-চুবুৰীয়া বংগদেশৰ সাহিত্যৰ বজাৰত এতিয়া কিহৰ হৈ-চৈ উঠিছে। 'কন্টিনেন্ট'ৰ সোৱাদ টেঁটুলৈকে আহি বঙালী ছিভিলিয়ানসকলে অতি আধুনিক— অৰ্থাৎ ultra modern সাহিত্য বতিয়াবলৈ আৰম্ভ কৰিছে। ... আপুনি ক'ব, বঙালীয়ে যি কৰিলে নকৰিলে, আমাৰ তাত কি! হওঁতে হয়, আজি-কালি চাৰিওফালে Assam for the Assamese — তাৰ মাজত বঙালীৰ নাম লোৱা যে কিমান বিপদজনক, বেচকৈ বুজিছোঁ। আচল কথাটো কি জানে? এই অতি আধুনিকতাটোক বঙালীয়ে কণ্টিনেণ্টৰপৰা চুৰ কৰি আনি ভাৰতবৰ্ষক ক'ব খোজে — তেওঁবিলাকেহে এই নয়া চীজটোৰ মহাজন। সেই কাৰণেহে কথাটোলৈ আঙুলিয়ালো। অৱশ্যে এইটোত সন্দেহ নাই যে west-অক ape কৰাত বঙালী ভাৰতবৰ্ষৰ সকলোতকৈ বেছি 'ওস্তাদ'।' বৰকটকীয়ে আজিৰপৰা ৫৮ বছৰৰ আগতেই নিজা অস্তিত্বৰ ধাৰণা স্পষ্ট কৰি ল'ব পাৰিছিল আৰু অসম এছোছিয়েচনৰ গংগা গোবিন্দ ফুকন— যি অসম কংগ্ৰেছত জাহ যোৱাৰ বিৰোধিতা কৰিছিল — পিছৰ সংৰক্ষিণী যুগৰ অগ্নিকাগিৰীৰ মানসতাৰ অধিকাৰী যে তেওঁ আছিল, তাক তেওঁৰ মাতৃভাষা চৰ্চাৰ মাজত পোৱা যায়। দুখৰ বিষয়, ৬০ চনত ভাষা আন্দোলন কৰিও আৰু পিছৰচাম অসমীয়াই অস্তিত্ব ৰক্ষাৰ আন্দোলন কৰা সত্ত্বেও মানসিক দাসত্ব ত্যাগ কৰিব পৰা নাই। নক'লেও চলে, বৰকটকী অসমীয়াৰ প্ৰতিবাদী আৰু আত্মপ্ৰতিষ্ঠাৰ যুগৰ বৰ নৈষ্ঠিক অসমীয়া। গড্ডালিকা প্ৰৱাহত উটি যোৱা বুদ্ধিজীৱী নাছিল।

এনে মানসতাৰ বাবেই তেওঁ অসমীয়া ভাষাৰ প্ৰকাশিকাশক্তি বলিষ্ঠ

কৰি তুলিবলৈ সক্ষম হৈছিল, য'ত ঐতিহ্য, অভিজ্ঞতা, বৈশ্বিক বোধ, বিশ্বসাহিত্যৰ জ্ঞান আদিৰ অপূৰ্ব মিলন ঘটিছিল। তাৰ যোগেদি, অৰ্থাৎ মাতৃভাষাৰ চৰ্চাৰ যোগেদি তেওঁৰ স্বতন্ত্ৰ ব্যক্তিত্ব, স্বতন্ত্ৰ মনুষ্যত্ব তথা মানসিকতাৰ প্ৰকাশ ঘটিছিল। সেই ভাষা তেওঁৰ চিন্তাৰ চিৰ চেনেহী জননী, তেওঁৰ আত্মাৰ, তেওঁৰ আত্মিক জীৱনৰ পৰিচালিকা হৈ পৰিছিল বাবেই তেওঁৰ লেখাবিলাক বিৰল বৈভৱেৰে সমৃদ্ধ, সৃষ্টিশীলতাৰে উজ্জ্বল। সাধাৰণতে এটা ভাষাৰ পিছত সদায় সুদীৰ্ঘ সাধনা থাকে। একোটাহঁত চামে সেই ধাৰাশৈ বৰঙণি যোগাই তাক সমৃদ্ধতৰ, চিৰনতুন কৰি ৰাখে। সেইবাবেই ভাষা বোৱঁতী সুঁতি। বৰকটকীয়ে বিস্তৃৰ অধ্যয়নৰ মাধ্যমত নিজা মানসিক সিধাৰে এই ভাষাৰ ধাৰাটোক বৈশিষ্ট্য প্ৰদান কৰিছিল মাথোন। যিটো কাম কবিৰ — জীৱনক বাক্-প্ৰতিভাৰে পোহৰ কৰি তোলাৰ — সেই কাম যিকোনো সৃষ্টিশীল ৰচনাৰ যোগেদিও সম্ভৱ হ'ব পাৰে। কবি নহ'লেও, কবিতাৰ ৰসজ্ঞ পাঠক বৰকটকীয়ে সাহিত্যৰ, বিশেষকৈ মননশীল ৰচনাৰে মাতৃভাষাক আধুনিক জগৎ আৰু মানসতাৰ বাহন কৰি তুলিবলৈ সক্ষম হৈছিল। এই বৈশিষ্ট্যই দৰাচলতে তেওঁৰ সাংবাদিকতাৰ পৰিপ্ৰেক্ষি (perspective) প্ৰদান কৰাত তেওঁক এজন বেলেগ ধৰণৰ অসমীয়া সাংবাদিক হিচাপেও পৰিগণিত কৰিব লাগিব। সম্পাদক দেৱকান্ত বৰুৱা 'দৈনিক অসমীয়া'ৰ সম্পাদকীয় ৰচনাৰ যিদৰে এটা trend setter আছিল, পাছত কীৰ্তিনাথ হাজৰিকা আৰু তিলক হাজৰিকাৰ (আড্ডা) মাজত ইয়াৰ অন্য ৰূপ বিকশিত হৈ পৰিছিল, ঠিক সেইদৰেই মুনীন বৰকটকীয়ে নিজস্ব লিখনি বা স্তম্ভৰ যোগেদি এক সুকীয়া ট্ৰেণ্ড বা ধাৰাৰ প্ৰবৰ্তন কৰিবলৈ সক্ষম হৈছিল। সুদীৰ্ঘ কাল সাংবাদিকতা কৰা হৰেন্দ্ৰনাথ বৰুৱাও সুকীয়া ধাৰাৰ প্ৰবৰ্তক আছিল। বৰ্তমান আলোচনাৰ কম পৰিসৰত উদ্ধৃতিসহকাৰে এই কথাৰ বিশদ ব্যাখ্যা নকৰি মাত্ৰ ইমানকে আঁকিয়াই থোৱা হ'ল।

শেহত হ'লেও ক'ব লাগিব, সংবাদপত্ৰৰ ভূমিকা সম্পৰ্কত তেওঁৰ নিজা মত আছিল আৰু য'তেই সুবিধা পাইছিল তেওঁ এই বিষয়ে কৈছিল। আজিও মনত পৰে, জয়প্ৰকাশ নাৰায়ণে সংঘৰ্ষ সমিতিৰ যোগেদি দুৰ্নীতিৰ বিৰুদ্ধে ভাৰত জোৰা (গুজৰাটত আৰম্ভ হোৱা ছাত্ৰ আন্দোলনৰ পাছত) সংগ্ৰামৰ সময়ত ছয়গাঁৱত অনুষ্ঠিত দক্ষিণ কামৰূপ সাংবাদিক সন্থাৰ এক অধিবেশনত (১৯৭৪) সভাপতিৰ ভাষণত বৰকটকীয়ে স্পষ্টভাৱে মত দিছিল যে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হিচাপে সংবাদপত্ৰই বিৰোধী ভূমিকা গ্ৰহণ কৰি সৎ জনমত গঢ়ি তুলিব লাগিব। বৰকটকীৰ এই কথাষাৰে আমাক ভাৰতীয় সংবাদপত্ৰৰ ঐতিহ্য মনত পেলাই দিছিল (ময়ো এই অধিবেশনত এজন বক্তা হিচাপে যোগ দিছিলোঁ)। ১৮৮০ চনৰ মাৰ্চ মাহত কলিকতাৰপৰা প্ৰকাশিত The Statesman কাকতৰ সম্পাদকীয়ত লিখিছিল — Press fulfils all

functions of opposition. মন কৰিবলগীয়া কথাটো হ'ল — উক্ত কাকতখনৰ সম্পাদকগৰাকী ভাৰতীয় নাছিল, আছিল এগৰাকী ইংৰাজ। আজিৰ চৰকাৰৰ শৰণীয়া সাংবাদিকতাৰ বিৰুদ্ধে বৰকটকীৰ ঘৃণা সদায় স্পষ্ট আছিল।

সুকীয়া মানসতাৰ অধিকাৰী, চিৰি-চেহেৰাৰে বেলেগ ধৰণৰ ব্যক্তিত্বসম্পন্ন মুনীন বৰকটকী অসমীয়াৰ এছোৱা সাধনা-যুগৰ প্ৰতিনিধি বুলি সহজে ক'ব পাৰি, যাৰ মতামতৰ মূল্য সকলো অসমীয়া বিদ্বানজনেই স্বীকাৰ কৰি গৈছে, লাগিলে সেয়া পুথি সমালোচনা বা অন্য লিখনি, যিয়েই নহওক, সাংবাদিকতাৰ বেলিকাও বৰকটকী বিকশিত মনুষ্যত্বৰ বিৰল শ্ৰেণীৰ অসামান্য সাংবাদিক— Journalist, Extra Ordinary □

ব্যতিক্ৰমী ব্যক্তি মুনীন বৰকটকী

ড° শিৱনাথ বৰ্মন

[‘প্ৰকাশ’ৰ আগষ্ট ’৮৮ সংখ্যাত মুনীন বৰকটকীৰ বিষয়ে লিখি জীৱিত অৱস্থাতে শ্ৰদ্ধা জনোৱা ড° শিৱনাথ বৰ্মনৰ প্ৰবন্ধটি আমি বৰকটকীলৈ শ্ৰদ্ধা জনাই লেখকৰ সম্মতিসাপেক্ষে ইয়াত পুনৰমুদ্ৰণ কৰিলোঁ।— সম্পাদক]

ভালেমান বছৰৰ আগৰ কথা। গুৱাহাটীৰ এটা বিশেষ পথত এগৰাকী ব্যক্তিক নিতৌ আবেলিপৰত দেখাৰ সৌভাগ্য হৈছিল। তেখেত নিৰ্দিষ্ট সময়ত পুঞ্জৰটীত থকা তেখেতৰ বাসগৃহৰপৰা ওলায় আৰু খোজকাঢ়ি জিলা পুথিভঁৰাল পাযগৈ। তাত কিছু সময় কটাই তেখেত পুনৰ খোজকাঢ়ি ঘৰলৈ ওভতে। মানুহগৰাকীক সদায় নিয়মিতভাৱে এনেকৈ দেখা পাই কিয় জানো মোৰ মনত পৰিছিল কাণ্টলৈ। কাণ্টৰো ভ্ৰমণ-কাল ইমানেই নিয়মীয়া আছিল যে তেওঁ বাটলৈ ওলোৱা চায়েই হেনো সময় ঠাৱৰাব পৰা গৈছিল।

সাম্প্ৰতিক কালৰ অন্যতম বযোবৃদ্ধ সাহিত্যিক তথা সাংবাদিক শ্ৰীমুনীন বৰকটকীৰ বিষয়ে এই আলোচনাটিৰ ওৰা পাতিছিলো। ওপৰত লিখা ধৰণে। কেইশাৰীমান লিখি অঁটোৱাৰ পাছত তেখেতৰ ‘বিস্মৃত ব্যতিক্ৰম’ নামৰ পুথিখন এবাৰ লুটিয়াই চাবলৈ মন গ’ল। দেখিলো, তেখেতে ইয়াত জ্ঞাননাথ বৰা সম্পৰ্কীয় আলোচনাটিৰ অৱতাৰণা কৰিছে প্ৰায় একে ধৰণেই। ‘বিস্মৃত ব্যতিক্ৰম’ পুথিখন প্ৰকাশ হোৱা কালতে পঢ়িছিলো। তেখেতে দিয়া কাণ্টৰ সতে বৰাদেৱৰ উপমাটো তেতিয়াই হযতো মোৰ অৱচেতন মনত কিবাকৈ খাঁজ খাই ধৰিছিল। সেযে তেখেতৰ বিষযে লিখিবলৈ লওঁতে মোৰ কাপৰ আগতো উপমাটো অজানিতে আহি ওলালহি। প্ৰভাৱ কিজানি এনেকৈয়ে পৰে! মুনীন বৰকটকীৰ প্ৰভাৱশালী লেখনী-বৈভৱৰ প্ৰমাণ প্ৰবন্ধটো লিখাৰ আৰম্ভণিতেই এইদৰে হাতে হাতে পালো।

বৰকটকীদেৱে জিলা পুথিভঁৰাললৈ নিয়মিতভাৱে অহা-যোৱা কৰা কালছোৱাৰপৰাই তেখেতক আলেঙে-আলেঙে জানিছিলো। বিভিন্ন আলোচনাচক্ৰ আদিতো তেখেতক দেখাৰ সৌভাগ্য মোৰ হৈছিল। এবাৰ তেখেতক দেখা পাইছিলো পদাৰ্থবিজ্ঞানসম্পৰ্কীয এখন আলোচনা সভাত। তেতিয়াই বুজিছিলো, মানুহগৰাকী এটি সন্ধিৎসু, সম্প্ৰসাৰী মনৰ অধিকাৰী। ‘He decided not

to live, but to learn' — ব্ৰাউনিঙৰ দৰে ঠিক এনেকৈ ক'ব নোৱাৰিলেও ভাটী বয়সতো মনন-বৃক্ষৰ মৌচাক হাঁকুটিয়াই ফুৰাত তেখেতৰ উৎসাহ দেখি নিজেও উৎসাহিত হৈছিলো। বেশ-ভূষা আৰু খোজ-কাঢ়নত আভিজাত্যৰ চাপ থকা এই গৌৰবৰ্ণ, গজেন্দ্ৰ পুৰুষগৰাকীৰ সান্নিধ্যলৈ অহাৰ এটি বাসনা মোৰ তেতিয়াই উপজিছিল। কিন্তু স্বাভাৱিক সংকোচবশতঃ এই বাসনা মই পূৰণ কৰিব পৰা নাছিলো।

এদিন প্ৰকাশন পৰিষদৰ কাৰ্যালয়ত (কাৰ্যালয়টো তেতিয়া শিলপুখুৰীত আছিল) এজন বন্ধুৰ সৈতে মেল মাৰি আছো। এনেতে আমি থকা কোঠাটোলৈ সোমাই আহক মুনীন বৰকটকী। কোঠাটোত আন কোনো চকী নথকাত মই উঠি তেখেতক বহিবলৈ অনুৰোধ কৰিলো। কিন্তু তেখেতে মোৰ অনুৰোধ উপেক্ষা কৰি ওচৰৰে এখন টুলত বহিলহি আৰু মোৰ পৰিচয় ল'লে। পৰিচয় দিলো। তেখেতে মই লিখা প্ৰবন্ধকেইটা ভাল হৈছে বুলি শলাগিলে। মই পুলকিত হোৱাৰ লগতে কিছু বিস্মিতও হ'লো। কাৰণ, মই তেতিয়া লিখা-মেলা কৰিবলৈ আৰম্ভ কৰিছোহে মাথোন আৰু সেইবিলাক তেখেতৰ সহজে চকুত পৰাৰ কথা নহয়।

সি যিয়েই নহওক, প্ৰথম সাক্ষাততে তেখেতৰ দুটিমান বৈশিষ্ট্যই মোক বিমুগ্ধ কৰিলে। প্ৰথম, সাহিত্যজগতৰ প্ৰতিটো খুটি-নাটি খবৰৰ প্ৰতি তেখেতৰ অনুৰাগ। দ্বিতীয়, সকলো প্ৰকাৰৰ দৃষ্টিভঙ্গীক সহনশীলতাৰে, এনেকি সপ্ৰশংস দৃষ্টিৰে চাব পৰা তেখেতৰ গণতান্ত্ৰিক উদাৰতা (মোৰ প্ৰবন্ধৰ বক্তব্যসমূহৰ লগত তেখেতৰ মতাদৰ্শৰ মিল নাছিল)। তৃতীয়, ন-লেখাকক লগ পালেই 'তিনি কতপা' দিবলৈ ছেগ বিচাৰি ফুৰা যিটো 'মাষ্টাৰ মশায়গিৰি' স্বভাৱ আমাৰ বহুতৰে আছে, তেখেতৰ চৰিত্ৰত সেইটোৰ লক্ষণীয় অনুপস্থিতি। শেষত, বৰকটকীয়ে নিজে লিখা ঢঙত ক'ব লাগিলে, 'লাষ্ট বাট নট দ্য লিষ্ট' — তেখেতৰ সহজাত বিনয় আৰু ভদ্ৰতা।

বিনয়ী আৰু ভদ্ৰ নহ'বইবা কিয়? 'বিদ্যা দদাতি বিনয়ম্'— বুলি বিদ্যাসাগৰে জানো কৈ যোৱা নাই? তদুপৰি তেখেততো আৰু ভুটুংকৈ হোৱা 'ভদ্ৰলোক' নহয়! পদ্মাৱতী দেৱী ফুকননী যাৰ মাতামহী, একালৰ স্কুল পৰিদৰ্শক দুৰ্গাধৰ বৰকটকী যাৰ পিতৃ, জীৱনৰ বিয়লি বেলিকা লিখিবলৈ লৈ অসমীয়া ভাষাৰ চমক দেখুওৱা সত্যেন বৰকটকী যাৰ ভ্ৰাতৃ, তেওঁৰ চৰিত্ৰত এক স্তোকনম্ৰ, স্বস্তিদায়ক শোভা-বিৰাজ কৰাটোৱেই স্বাভাৱিক।

বৰকটকীদেৱৰ জন্ম যদিও যোৰহাটত তথাপি তেখেতে স্কুলীয়া জীৱনৰ সৰহকাল কটাইছিল কলিকতাত। সেই কালত কলিকতা আছিল ভাৰতৰ বৌদ্ধিক জীৱনৰ স্নায়ুকেন্দ্ৰ। ৰবীন্দ্ৰনাথ ঠাকুৰৰ উপৰিও শৰৎচন্দ্ৰ, তাৰাশংকৰ, মাণিক বন্দোপাধ্যায়, সুধীন দত্ত, বুদ্ধদেৱ বসু প্ৰভৃতি কোৱিদ কথাশিল্পীসকলৰ চেষ্টাত

বঙালী সাহিত্যে চিহ্নিত হৈছিল ভাৰতৰ শ্ৰেষ্ঠতম আঞ্চলিক ভাষাৰূপে। এনে এক ঈৰ্ষণীয় পৰিমণ্ডলে বৰকটকীদেৱৰ কুমলীয়া মনক প্ৰভাৱিত নকৰাকৈ থকা নাছিল নিশ্চয়।

নৱম শ্ৰেণীত বৰকটকী পুনৰ যোৰহাটলৈ আহে আৰু ইয়াৰ চৰকাৰী হাইস্কুলত নাম লগায়। সেইকালৰ কৃতী শিক্ষক জেহিৰুদ্দিন আহমেদৰ তত্ত্বাৱধানত পঢ়ি তেখেতে প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাৰ দুৱাৰ-ডলি পাৰ হয়। উল্লেখযোগ্য যে কলিকতাত অসমীয়া শিক্ষাৰ ব্যৱস্থা নথকাত তেখেতে পৰীক্ষা দিছিল বঙলা ভাষাত। অধ্যক্ষ জে. বৰুৱাই তেওঁৰ কৈশোৰ কালটো ইংলেণ্ডত কটায়ো ইংৰাজৰ পেখম নধৰাৰ দৰে বৰকটকীদেৱেও বঙলা ভাষাত পৰীক্ষা দিলেও তেখেত অন্ধ বঙালীভক্ত হৈ নপৰিল। বৰং এই কালৰপৰাই তেখেতৰ ধাউতি জন্মিল অসমীয়া সাহিত্যচৰ্চাৰ প্ৰতি। ইয়াৰ কাৰণো হয়তো আছিল। যদিও যোৰহাটত হয়তো আজি 'নাই জন-কোলাহল পক্ষীৰ সুস্বৰ', তথাপি বৰকটকীদেৱৰ কৈশোৰত অসমৰ সাহিত্য-কাননখন জকমকাই ৰাখিছিল, ক'বলৈ গ'লে, যোৰহাটেই। ঘৰত পাশ্চাত্য সাহিত্যৰ প্ৰতি ৰাপ বহুৱাবলৈ ককায়েক সত্যেনতো আছিলেই, তদুপৰি যোৰহাট হাইস্কুলত পঢ়া চমু কালছোৱাত বৰকটকীদেৱে শিক্ষকৰূপে পাইছিল অসমৰ দুগৰাকী বৰেণ্য সাহিত্যিক মিত্ৰদেৱ মহন্ত আৰু ডিম্বেশ্বৰ নেওগক।

পিতৃৰ আকস্মিক বিয়োগ হেতু বৰকটকীদেৱে যোৰহাট কলেজতে (এতিয়াৰ জে.বি. কলেজত) পঢ়িবলৈ লয়। এই কলেজত অধ্যক্ষতা কৰিছিল কৃষ্ণকান্ত সন্দিকৈয়ে। সন্দিকৈদেৱৰ বিশ্ব-বিশ্ৰুত পাণ্ডিত্য আৰু বিয়াগোম ব্যক্তিত্বই তৰুণ বৰকটকীৰ মনত কেনে মচিব নোৱৰা সাঁচ বহুৱাইছিল, তাৰ প্ৰমাণ আমি পাওঁ সন্দিকৈৰ বিষয়ে লিখা তেখেতৰ একাধিক প্ৰবন্ধত। সন্দিকৈৰ সান্নিধ্যই বৰকটকীক হয়তো মুধাফুটা পণ্ডিত কৰি নুতুলিলে ; কিন্তু জ্ঞানৰ প্ৰতি তেখেতৰ যি মধুময় আকুলতা আজিও দেখা যায়, সি নিশ্চয় তেখেতৰ সন্দিকৈ সংসৰ্গৰে পৰিণাম।

সন্দিকৈ আছিল বৰকটকীৰ বাবে শিক্ষকতকৈয়ো বৰং অভিভাৱক, যাৰ অদৃশ্য উপস্থিতিয়ে তেখেতক কৰি ৰাখিছিল সদা-সতৰ্ক। অন্যান্য শিক্ষকসকলৰ ভিতৰত আছিল আজিৰ অসমীয়া সাহিত্যৰ দ্ৰোণাচাৰ্যস্বৰূপ শ্ৰীযজ্ঞেশ্বৰ শৰ্মা। শ্ৰীশৰ্মাৰ মোহনীয় ব্যক্তিত্বৰদ্বাৰা মোহিত হোৱাৰ উপৰিও সাহিত্যিকৰূপে গঢ় লোৱাৰ পথত এই প্ৰাক্তন শিক্ষকগৰাকীৰ অৱদান বৰকটকীদেৱে আজিও সোঁৱৰে।

যোৰহাট কলেজত দুবছৰ পঢ়ি বৰকটকীয়ে কটন কলেজত নাম লগায়হি। ইয়াত তেখেতে শিক্ষকৰূপে পাইছিল অসমৰ আন দুগৰাকী প্ৰথিতযশা পুৰুষক— বাণীকান্ত কাকতি আৰু সূৰ্যকুমাৰ ভূঞা। দুয়োগৰাকীৰ ব্যক্তিত্ব আছিল ভিন্নমুখী ;

তথাপি দুয়োজনৰে প্ৰভাৱ এৰাব নোৱৰা বিধৰ আছিল। ১৯৩৮ চনত কটন কলেজৰপৰাই বৰকটকীয়ে ডিষ্টিংচনত প্ৰথম হৈ বি.এ. উপাধি লাভ কৰে।

হেন সময়তে 'ডেকা বেজ' মাধৱ বেজবৰুৱাই খুৰাক লক্ষ্মীনাথৰ 'পুৰণি বাঁহীত নতুন ফু দিবলৈ' মন মেলে আৰু এই কাৰ্যত সহায় কৰিবলৈ মামাশহুৰ বৰকটকীক কলিকতালৈ আমন্ত্ৰণ জনায়। সাহিত্য আৰু সাংবাদিকতাৰ চৰ্চাও হ'ব, লগতে ইংৰাজী সাহিত্যত এম.এ. পঢ়াও হ'ব — এনে মনোভাৱ লৈ বৰকটকীয়ে কৰি থকা শিক্ষকতাৰ চাকৰি এৰি কলিকতালৈ ঢাপলি মেলিলে। কিন্তু তেখেতৰ এটিও সপোন ভালকৈ নফলিয়ালে। এম.এ. পঢ়া হ'ল, কিন্তু পৰীক্ষা দিয়া নহ'ল। ভাগিন জোঁৱাইৰ লগ লাগিল, কিন্তু যুটীয়া সম্পাদকৰূপে এসংখ্যা থাকিয়েই 'বাঁহী'ৰপৰা তেখেতে মেলানি মাগিলে। বৰকটকীৰ নিজৰ ভাষাতেই কোৱা যাওক: 'আমি আদৰাটতে এৰা-এৰি হ'লো। We agreed to differ — আমি ভিন্ন মত পোষণ কৰিবলৈ একমত হ'লোহঁক। পিছৰ আৰু তিনি-চাৰি সংখ্যালৈকে মই এৰি যোৱা আৰ্যা আৰু গোটাই থোৱা সমলেৰেই যদিও 'বাহী' ওলাই থাকিল, লক্ষ্মীনাথ বেজবৰুৱাৰ স্মৃতিৰ যথাযোগ্য সন্মান ৰখাৰ বাবে বংশানুক্ৰমিকভাৱে (মাধৱ) বেজবৰুৱাই অধিক উপযুক্ত হ'ব বুলি মই নিজেই আঁতৰি আহিলো।' (বিস্মৃত ব্যতিক্ৰম, পৃ. ৩৮)

'বাঁহী'ত ন সুৰ উলিওৱা নহ'লগৈ যদিও বৰকটকীৰ সাংবাদিক জীৱনৰ ইয়েই সূত্ৰপাত। পাছত তেখেতে বহু ঠাইত সাংবাদিকতা কৰিলে — প্ৰথমে ডিব্ৰুগড আৰু পাছত গুৱাহাটীৰপৰা ওলোৱা 'আসাম ট্ৰিবিউন'ত, কেন্দ্ৰীয় আৰু অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগত, আকাশবাণীত— ইত্যাদি নানা ঠাইত। অৱসৰৰ পাছত পুৰণা শিক্ষকতা বৃত্তিয়ে আকৌ উঁক দিছিল, গুৱাহাটী বিশ্ববিদ্যালয়ত ন-কৈ খোলা সাংবাদিকতা বিভাগৰ তেখেত কিছুকাল প্ৰবক্তা হৈছিলগৈ।

পঢ়াশলীয়া কালতে গাঁজ মেলা তেখেতৰ সাহিত্য-কৰ্মৰ পুলিটো লহপহীয়াকৈ বাঢি আহিছিল যদিও চাকৰিৰ হেঁচাতেই হওক বা আন কোনো কাৰণতেই হওক, ভালেমান বছৰ ই ৰুদ্ধ হৈ আছিল। ই পুনৰ জাতিষ্কাৰ হৈ উঠিল ষাঠিৰ দশকমানৰপৰাহে।

আগবয়সত বৰকটকীদেৱে সাহিত্যচৰ্চা কৰিছিল — বেছ মনপুতিয়েই কৰিছিল আৰু তাৰ ফচলো আছিল বেছ চকুতলগা। 'ঘৰ-জেউতি', 'ন-জোন', 'বাঁহী' (প্ৰথমে লক্ষ্মীনাথ বেজবৰুৱা, পিছলৈ অমিয়কুমাৰ দাস সম্পাদিত), 'আৱাহন', 'জয়ন্তী' আদি সেইকালৰ প্ৰায় সকলোবোৰ আলোচনীতে তেখেতৰ গল্প, প্ৰবন্ধ, কবিতা, ৰস-ৰচনাই বিজুলীয়াইছিল; যদিও প্ৰায়বোৰ কুমলীয়া সাহিত্যিকৰ নিচিনাকৈ তেখেতৰো হাউচটো আছিল হ'বলা গল্পত।

ভালেমান গল্প লিখাৰ উপৰিও টাই ভাষাবিদ গোলাপচন্দ্ৰ বৰুৱাৰ পুত্ৰ

বিপিনচন্দ্ৰ বৰুৱাই উলিওৱা 'গল্প চিৰিজ'ত দুটামান বিদেশী গল্পও তেখেতে অনুবাদ কৰি দিছিল। ৰস-ৰচনাতো তেখেতে নিশ্চয় বেছ হাত পকাইছিল। 'আৱাহন'ত লিখা 'কনফেশ্যনছ' নামৰ ৰস-ৰচনাখানিয়ে পৰৱৰ্তী কেইবাগৰাকীও সাহিত্যিকক তেনে ধৰণৰ ৰচনা লিখিবলৈ উদগনি যোগাইছিল বুলি অ'ত ত'ত কোৱা শুনিছো। গদ্যৰ প্ৰবন্ধ-পাতিও তেখেতে লিখিছিল অনেক। যোচেফ কনৰাড, ৰোমা ৰোলাঁ, চিনক্ৰেয়াৰ লুইছ, আপটন চিনক্ৰেয়াৰ, মেটাৰলিংক, মাৰ্ক্স আদি বিশ্ববন্দিত অনেক ব্যক্তিৰ বিষয়ে লিখা তেখেতৰ ভালেমান প্ৰবন্ধ আলোচনীসমূহত প্ৰকাশ হৈছিল।

বৰকটকীদেৱৰ সাহিত্যিক জীৱনৰ এই আদিপৰ্বটোৰ বিষয়ে মাত মতাৰ অধিকাৰ মোৰ নাই, কিয়নো এই পৰ্বৰ সাহিত্যসম্ভাৰৰ সোৱাদ লোৱাৰ সুযোগ মোৰ হোৱা নাই। সুযোগ, ক'বলৈ গ'লে, তেখেতে আমাক দিয়াও নাই। কেইবাখনো গ্ৰন্থৰ সমল তেখেতৰ আদিপৰ্বৰ ৰচনাৱলীত নিশ্চয় আছে। কিন্তু এইবোৰ গ্ৰথিত কৰাৰ ক্ষেত্ৰত মুনীন বৰকটকী গীতাৰ স্থিতধী মুনিগৰাকীৰ দৰেই — বিগতস্পৃহ: সৰ্বত্ৰানভিস্নেহ:।

নগৈ গড়গাঁৱৰ বাতৰি কোৱা উচিত নহয়। তথাপি আদিপৰ্বৰ প্ৰবন্ধ-পাতিৰ নামবিলাকৰপৰা এটা কথা অনুমান কৰিব পাৰি নিশ্চয়। ইংৰাজৰ বহতীয়া হৈ থকা হেতুকে প্ৰাক-স্বাধীনতা কালত আমাৰ মানুহে বিদেশী সাহিত্য বুলিলে মাথোন ইংৰাজী সাহিত্যকহে বুজিছিল। কিন্তু বৰকটকীয়ে অভিনিবেশ কৰিছিল ইউৰোপৰ মহাদেশীয় সাহিত্যতহে (Continental literature)। ইংৰাজ সাহিত্যক আওকাণ কৰি মহাদেশীয় সাহিত্যৰ বাদুলি-সঁচাৰ খোলাত তেখেতৰ আগ্ৰহৰ উঁহ ক'ত ? পৰাধীন যুগৰ শেষৰ ফালে 'ভাঙ্ ভাঙ্ ভাঙ্, লোহাৰ শিকলি ভাঙ্' — বুলি ভাৰতৰ বিভিন্ন প্ৰান্তৰপৰা যি উদাত্ত আহ্বান আহিছিল, তাত ৰাজনৈতিকভাৱে বৰকটকীয়ে কিমান সঁহাৰি দিছিল নাজানো। কিন্তু সঁহাৰি যে দিছিল, তাৰ উমান পাব পাৰি তেখেতে সেই কালত নিৰ্বাচন কৰা ইংৰাজী সাহিত্যবৰ্জিত বিষয়-বস্তুসমূহৰপৰা। মহাদেশীয় সাহিত্যৰ লগত অসমীয়া মানুহক পৰিচয় কৰাই দিয়া অগ্ৰণীসকলৰ ভিতৰত বৰকটকী নিঃসন্দেহে অন্যতম।

এই বিষয়ে অধিক কোৱাৰ ধৃষ্টতা আৰু নকৰোঁ, কাৰণ বৰকটকীদেৱৰ দুই পৰীয়া সাহিত্য মহাভাৰতৰ আদিপৰ্বটোৰ সবিশেষ মই নাজানো। গতিকে অলমিতি।

অন্তিমপৰ্বত গল্প আৰু ৰস-ৰচনাৰ বহুঘৰাটো নাই, কবিতা-কুঁৱৰীও অন্তৰ্হিত। কিন্তু এই অভাৱবোৰ বাৰুকৈয়ে পৰিপূৰণ কৰিছে তেখেতে লিখা বিবিধ প্ৰবন্ধ আৰু সমালোচনাৰ প্ৰাচুৰ্যই। খেদৰ কথা, এইপৰ্বৰো সকলোবোৰ ৰচনা থূপতে পাবলৈ তেখেতৰ গ্ৰন্থ মাথোন এখনেই। কিন্তু হ'লে কি হ'ব ? খিয়াতি লভিবৰ বাবে খনে খনে কিতাপ নিলিখিলেওতো চলে ! তাহানিতে মফিজুদ্দিন আহমদ হাজৰিকাই জানো মাথোন এখন কিতাপ লিখিয়েই আজিও অমৰ হৈ থকা নাই ? 'প্ৰতিমাখনি সৰু, কিন্তু

নিভাঁজ সোণৰ' বুলি তাহানিতে বেজবৰুৱাই চন্দ্ৰকুমাৰৰ 'প্ৰতিমা'ৰ বিষয়ে কোৱাৰ দৰে 'বিস্মৃত ব্যতিক্ৰম'কো অসমীয়া সাহিত্যৰ এক 'অবিস্মৰণীয় ব্যতিক্ৰম' হয়তো বুলিব পাৰি। এনেজাতীয় গ্ৰন্থ যে অসমীয়া সাহিত্যত আগেয়ে ওলোৱা নাই, এনে নহয়; ওলাইছে। বেণুধৰ শৰ্মাৰ 'অৰ্ঘ্যাৱলী' আৰু লক্ষ্মীনাথ ফুকনৰ 'মহাত্মাৰপৰা ৰূপকোঁৱৰলৈ' এই দিশত বাটকটীয়া। 'বিস্মৃত ব্যতিক্ৰম'ৰ প্ৰায় সমসাময়িকভাৱেই লিখা (যদিও এতিয়া ওলোৱা) তীৰ্থনাথ শৰ্মাৰ 'ৰত্ন সঙ্গম'ও এনেসুৰীয়া এখন অনুপম গ্ৰন্থ। কিন্তু 'বিস্মৃত ব্যতিক্ৰম'ৰ ব্যতিক্ৰমী দিশটো লুকাই আছে ইয়াত প্ৰকাশ পোৱা তেখেতৰ ক্ষুৰধাৰ বুদ্ধিৰ চমকত, তেখেতৰ অধ্যয়নৰ বিশালতাত, তেখেতৰ অন্তৰ্ভেদী চৰিত্ৰ বিশ্লেষণত।

এইটো হ'ল 'বিস্মৃত ব্যতিক্ৰম'ৰ উজ্জ্বল দিশ। কিন্তু বিশ্ব-চৰাচৰৰ প্ৰতিটোৱেই দ্বিদিগ্‌ধৰ্মী। 'বিস্মৃত ব্যতিক্ৰম'ৰো এটা ঈষদকৃষ্ণ দিশ যেন নথকা নহয়। দোষদৰ্শিতাৰ দোষে চুলেও ক'ব লাগিব, বৰকটকীৰ ৰচনাত বুদ্ধিয়ে যেনেকৈ তিৰবিৰায়, তেখেতৰ ভাষাই তেনেকৈ আমাক মুহিব নোৱাৰে। তেখেতৰ ভাষা বীৰ্যশালী, বলদৃপ্ত; কিন্তু ই বহুলাংশে বিজতৰীয়া শব্দৰ বশম্বদ। বিশেষকৈ তেখেতৰ ইংৰাজী শব্দৰ সঘন প্ৰয়োগত আমি ইমানেই উজুটি খাবলগীয়া হওঁ যে পঢ়াৰ জুতিটো যেন মাজে মাজে হেৰাই যায়। ইংৰাজী নজনা মানুহৰ পক্ষে তেখেতৰ ৰচনা পঢ়া দুঃসাধ্য। এনেকি অলপ-অচৰপ ইংৰাজী জনা মানুহেও তেখেতে ব্যৱহাৰ কৰা প্ৰতিটো ইংৰাজী শব্দৰ অৰ্থ বুজিবলৈ টান পাব। এটা মাত্ৰ দৃষ্টান্ত দিওঁ। হলীৰাম ডেকা সম্পৰ্কীয় তেখেতৰ প্ৰবন্ধটোৰ নাম হ'ল — 'এজন লেখৰ অসমীয়া গেডফ্লাই'। গেডফ্লাই বস্তুটোনো কি, এই বিষয়ে খোকোজা লগাত মই সন্দেহ নিৰসন কৰিছিলো ইংৰাজী অভিধান মেলিহে।

বিভাষী শব্দৰ ওচৰত হাত পতাত অনীহা আমাৰ নাই। কিন্তু আমি আগ-বাছনি দিয়া উচিত বোধকৰোঁ সেইবোৰ শব্দকহে, যিবোৰৰ উপযুক্ত প্ৰতিশব্দ আমাৰ ভাষাত অভাৱ। পৃথিৱীৰ প্ৰতিটো ভাষাৰ নিচিনাকৈ আমাৰ অসমীয়া ভাষাৰো এটা নিজা কালিকা, নিজস্ব ঠাঁচ আছে। গতিকে সামৰিব খোজা শব্দবিলাকো আমাৰ নিজা ভাষাৰ সাঁচত গঢ়ি-পিটি সেইবিলাক যিমান পাৰি নিভঁজুৱা কৰিহে আমি গ্ৰহণ কৰা উচিত।

আমাৰ ভাষাৰ কালিকাৰ প্ৰতি বৰকটকী খুব সচেতন নহয়, অন্ততঃ নহয় যেন লাগে। এইটো, মই ভাবোঁ, তেখেতৰ ৰচনাৰ আটাইতকৈ ডাঙৰ ত্ৰুটী।

কিন্তু এহো বাহ্য। 'অধমে কেৱল দোষ/লৱয় মধ্যমে গুণ/দোষ লৱে কৰিয়া বিচাৰ। উত্তমে কেৱল গুণ/লৱয় উত্তমোত্তমে/অল্প গুণ কৰয় বিস্তাৰ'। বৰকটকীদেৱে অসমীয়া সাহিত্যলৈ এতিয়ালৈকে যিখিনি অৰিহণা আগবঢ়াইছে, সেইখিনি মেটমৰা হয়তো নহয়; কিন্তু সেইখিনি যে অসমীয়া সাহিত্যৰ মূল্যবান সম্পত্তি, তাক কোনেও অস্বীকাৰ নকৰে, কৰিব নোৱাৰে।

শ্ৰীমুনীন বৰকটকী সহস্ৰ শৰৎ শ্ৰীমন্ত থাকক — এয়ে কামনা। □

প্ৰকাশন পৰিষদ পুৰস্কাৰবিজয়ী মুনীন বৰকটকী

[সু-সাহিত্যিক আৰু প্ৰবীণ সাংবাদিক শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়াই মুনীন বৰকটকীদেৱৰ লগত কৰা আন্তৰিক কথোপকথন একাদশ বছৰ, প্ৰথম সংখ্যা 'প্ৰকাশ'ত (অক্টোবৰ ১৯৮৫) প্ৰকাশ পাইছিল। ভাষা-সাহিত্য সম্পৰ্কীয়ৰ বাহিৰেও মুনীন বৰকটকী মানুহজনৰ ব্যক্তিত্ব আৰু চিন্তাধাৰা আলোচনাটিৰ মাজেদি সুন্দৰকৈ ফুটি ওলাইছে। গ্ৰন্থখনিত সেই কথাখিনি পুনৰ প্ৰকাশ কৰা হ'ল। —সম্পাদক]

কেইদিনমানৰ আগতে ১৯৮৪ চনৰ প্ৰকাশন পৰিষদ পুৰস্কাৰ লাভ কৰা 'বিস্মৃত ব্যতিক্ৰম' শ্ৰীমুনীন বৰকটকীৰ একমাত্ৰ প্ৰকাশিত গ্ৰন্থ। তথাপি শ্ৰীবৰকটকী আমাৰ ৰাজ্যৰ এজন খ্যাতনামা সাহিত্যিক, সাংবাদিক আৰু বুদ্ধিজীৱী হিচাপে প্ৰখ্যাত। এই খ্যাতি সাধাৰণ নহয়, এই খ্যাতি তেওঁৰ যথাযোগ্যভাৱে প্ৰাপ্য। সাহিত্যৰ ৰসজ্ঞ লোক তেওঁ, সাহিত্যৰ বিভিন্ন ধাৰাৰ বিষয়ে তেওঁৰ মন্তব্য-সমালোচনা প্ৰণিধানযোগ্য। সাহিত্য-সংস্কৃতিৰ বিষয়ে কথা কওঁতে তেওঁৰ বুদ্ধিদীপ্ত তীক্ষ্ণ চিন্তাৰ বাৰে বাৰে পৰিচয় পোৱা যায়: প্ৰতিটো মন্তব্য উইটৰ মাজেদি প্ৰকাশ পায়। 'জয়ন্তী' যুগৰেপৰা তেওঁৰ অসমীয়া ভাষা-সাহিত্যৰ লগত ওতপ্ৰোত সম্পৰ্ক : সেই যুগৰ তেওঁক সাৰ্থক প্ৰতিনিধি আখ্যা দিব পাৰি। সাংবাদিক হিচাপেও তেওঁ প্ৰসিদ্ধ আছিল : এতিয়াও তেওঁৰ লেখনীত আমাৰ সামাজিক সমস্যাবোৰৰ সমাধানৰ নিশ্চিত ইংগিত পোৱা যায়।

পুৰস্কাৰ ঘোষণা হোৱাৰ প্ৰায় এসপ্তাহমানলৈ শ্ৰীবৰকটকীক তেওঁৰ পঞ্চৱটীৰ ঘৰত নিৰলে লগ পোৱাটো কষ্টসাধ্য আছিল সম্ভাষণ জনাবলৈ অহা লোকৰ বাবে। তথাপি তাৰ মাজতে আমাৰ ভাষা-সাহিত্য সম্পৰ্কে তেওঁৰ লগত হোৱা আমাৰ এক আন্তৰিক সাক্ষাৎকাৰৰ মূল কথাখিনি তলত প্ৰকাশ কৰা হ'ল।

চন্দ্ৰপ্ৰসাদ শইকীয়া

চন্দ্ৰপ্ৰসাদ শইকীয়া: সাহিত্য-পুৰস্কাৰে পাওঁতাজনৰ মনত কিছু সময়ৰ বাবে আনন্দ আৰু অনুপ্ৰেৰণাৰ সৃষ্টি কৰি থাকিলেও, তেওঁৰ মনত বিষাদৰ

সৃষ্টি কৰাটোৰ সম্ভাৱনাহে বেছি। পুৰস্কাৰ পোৱা ৰচনাতকৈ আৰু বেছি সাৰ্থকতৰ সৃষ্টি কৰিব পাৰিলোহেঁতেন, অথবা পাঠকসমাজৰ এনে ধৰণে অভূতপূৰ্ব সঁহাৰি-সম্ভাষণ পাম বুলি ভবাহেঁতেন সাহিত্যসৃষ্টিত অধিক মনোযোগ দিব পাৰিলোহেঁতেন, আদি ভাবে লেখকজনক অশান্তি দিয়ে। প্ৰকাশন পৰিষদ পুৰস্কাৰ লাভ কৰি আপোনাৰ মনত কেনে ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল, জনাবনে?

মুনীন বৰকটকী: প্ৰকাশন পৰিষদৰ ১৯৮৪ চনৰ বঁটা লাভ কৰি পোনতে মোৰ মনত বিষাদৰ সৃষ্টি হোৱাতকৈ, আশ্চৰ্য্য ভাবহে উদয় হৈছিল। প্ৰথমতে মোৰ 'বিস্মৃত ব্যতিক্ৰম' পুথিখন পুৰস্কাৰ পোৱাৰ উপযুক্ত বুলি মোৰ মনত ভাবেই খেলোৱা নাছিল। বছৰেকৰ পাছত মোৰ প্ৰকাশকে যেতিয়া কথাই কথাই ক'লে যে 'বিস্মৃত ব্যতিক্ৰমো' পুৰস্কাৰ লাভৰ অযোগ্য নহয়, তেতিয়াহে ভাব হ'ল — হয়তো কেনেবাকৈ বঁটা পাই যাবও পাৰো। কিন্তু প্ৰকাশ হোৱাৰ দুবছৰৰ মূৰতো যেতিয়া মোৰ প্ৰয়াস বাছনিত নুঠিল তেতিয়া আৰু এই সম্পৰ্কত মোৰ মনত কোনো ভাব-চিন্তাই নোহোৱা হ'ল। সেয়ে সময়সীমাৰ শেষৰ বাবত এইবাৰ যেতিয়া পুৰস্কাৰ মোৰখনৰ ভাগ্যতে মিলিল, আচৰিত নহৈ পাৰোনে? অৱশ্যে আপুনি ঠিকেই অনুমান কৰিছে, পুৰস্কাৰে আনন্দ-অনুপ্ৰেৰণাতকৈ বিষাদৰ ভাব অনাৰ সম্ভাৱনাই সৰহ আৰু মোৰো পুৰস্কাৰপ্ৰাপ্তিৰ ক্ষণত বিষাদ-যোগেই সমুপস্থিত হৈছিল। ভাবিছিলো, আজি অত বছৰে একাধিক আৰু অনেক সাৰ্থক সৃষ্টি নিশ্চয় কৰিব পাৰিলোহেঁতেন আৰু সেই সৃষ্টিয়ে মোলৈ সাহিত্যিক বঁটা কঢ়িয়াই আনক-নানক, মই কৰিব পৰা সাহিত্য-কৰ্মৰ অধিক পূৰ্ণতৰ পৰিচয় অন্ততঃ দিব পাৰিলোহেঁতেন। ই ঠিক 'বিষাদ' হয়নে নহয় নাজানো। কিন্তু এনে এটা আক্ষেপ বৈ গ'ল। 'মাইট হেভ বিন' — 'কি হ'ব পাৰিলোহেঁতেন' ভাবৰ সুদূৰপ্ৰসাৰী ঐতিহাসিক তাৎপৰ্য কেনেকৈ নুই কৰিব?

প্ৰশ্ন: আপোনাৰ তীক্ষ্ণ মানসিকতা আৰু প্ৰচুৰ সম্ভাৱনা থকা সত্ত্বেও, আপুনি সাহিত্য ৰচনাত যথেষ্টভাৱে আশাশুধীয়াকৈ নিজক ব্ৰতী নকৰিলে কিয়? এই বিষয়ত আপুনি লিপিবদ্ধ কৰা গ্ৰন্থৰ সংখ্যা হ'ল মাত্ৰ এখন। এই বিষয়ে আপুনি কি ভাবে?

উত্তৰ: যোৱা তিনিকুৰি বছৰে (কেঁচুৱাকাল বাদ দি) গ্ৰন্থ-প্ৰণয়নকামী সাহিত্য-ৰচনাত আশাশুধীয়াকৈ নিজক ব্ৰতী কৰিব নোৱাৰিলো কিয় তাৰ উত্তৰ সম্পূৰ্ণকৈ মোৰ নিজা পুৰুষকাৰ কিম্বা প্ৰয়াসৰ ওপৰত নিৰ্ভৰ নকৰে; ইয়াত ভাগ্যৰো, ভৱিতব্যৰো ভূমিকা আছে। মোৰ কিন্তু সময়ে সময়ে আলোচনী-বাতৰিকাকতত প্ৰকাশ পোৱা লেখাবোৰকে সামৰি-সুতৰি

খনে খনে গ্ৰন্থাকাৰত প্ৰকাশ কৰাৰ বাবে তেনেকৈ ব্যাকুলতাও নাই, অত্যধিক আগ্ৰহো নাই। এই বিষয়ে কোনোৱা এখন কাকতত মই এবাৰ নিবন্ধ নে পত্ৰ এখনো লিখিছিলো। সেইবুলি এই ধৰণৰ ৰচনাসমূহ ক্ষণস্থায়ী কাকত-আলোচনীৰ পাততে জাহ যোৱাটো নিশ্চয় কাম্য হ'ব নোৱাৰে। আৰু যথাসম্ভৱ কাকতে-পত্ৰে প্ৰকাশ হৈ নোযোৱা নতুন সুকীয়া ৰচনা সন্নিৱিষ্ট কৰি পুথি প্ৰকাশ কৰা যিকোনো লেখকৰ বাবে অপৰিহাৰ্য। এই ক্ষেত্ৰতো লিখা আৰু ছপোৱাৰ মাজত এটা time lag অথবা অৱধাৰিত ব্যৱধানৰ কথাও মনত ৰখা দৰকাৰ। লিখিলেই তাক প্ৰকাশ কৰিবলৈ প্ৰকাশ কৰিবৰ সামৰ্থ্য-সুবিধা নাথাকিবও পাৰে। আমাৰ প্ৰকাশকসকলৰ সৈতে মোৰ সম্পৰ্ক বৰ ফলপ্ৰসূ হৈ উঠা নাই। কিতাপৰ আকাৰে প্ৰকাশ কৰিব নোৱাৰিলেও ৰচনাকাৰ্য্যৰপৰা মই তেনেকৈ একেবাৰে আঁতৰি থকা নাই। ছেগা-চোৰোকাকৈ বহুত লেখাই লিখিছো যদিও তাত ধাৰাবাহিকতা ৰক্ষা পোৱা নাই। তদুপৰি মোৰ ভালেখিনি পাণ্ডুলিপি বেয়া আখৰৰ বাবে, প্ৰতিলিপি কৰাৰ সুচল নথকাত আৰু নিগনি-পইতাচোঁৰাৰ উপদ্ৰৱত লোপ পাইছে। এতিয়া সত্তৰৰ দেওনা গচকি বিগত বিফলতা পৰিপূৰণ কৰাৰ চেষ্টা নিৰৰ্থক হ'ব। ইংৰাজীত যিটো of the making of books —সেই কিতাপ কৰা কাৰ্য্যৰ প্ৰতি মোৰ আগ্ৰহ নাই যদিও কমিউনিকেশ্যান বা সংযোগ সাধনৰ বাবে গ্ৰন্থ ৰচনাৰ অত্যাৱশ্যকতা কেতিয়াও উলাই কৰিব নোৱাৰি।

প্ৰশ্ন: আপুনি 'জয়ন্তী' যুগৰ লগত গভীৰভাৱে সম্পৰ্ক ৰাখিছিল। সেই যুগৰ সাহিত্যিক আৰু সাহিত্যৰ মূল লক্ষ্য বা উদ্দেশ্য কি আছিল? 'জয়ন্তী' আলোচনীক অসমীয়া সাহিত্যত এটা যুগৰ সৃষ্টিকাৰী আখ্যা দিব পাৰিনে?

উত্তৰ: আমাৰ প্ৰায়বিলাক আলোচনীৰ দৰে 'জয়ন্তী' আলোচনীৰো দুটা সুস্পষ্ট সুকীয়া পৰ্যায় আছিল। আতা ৰঘুনাথ চৌধাৰীৰ সম্পাদনাত নকৈ ওলোৱা প্ৰথম পৰ্যায়ৰ 'জয়ন্তী'ৰ সৈতে মোৰ সম্বন্ধ অতি ঘনিষ্ঠ আৰু নিবিড় আছিল। সেই পৰ্যায়ৰ 'জয়ন্তী'ৰ চৰিত্ৰ সচৰাচৰ আন দহখন গতানুগতিক অসমীয়া সাময়িক আলোচনীৰ চৰিত্ৰেৰে প্ৰায় একেই আছিল। তেতিয়া মূল ধাৰা আছিল নৱন্যাসিক গণ-কবিতা কুৰিতকৈ উনৈশ শতিকাৰহে বেছি প্ৰভাৱ-পুষ্ট ৰচনা, ওপৰ-মধ্য আৰু মধ্যবিত্তৰ 'ইথোছ' প্ৰতিবিম্বিত কৰা সাহিত্যৰ পয়োভৰ। তথাপি সেই বাতাবৰণতে 'জয়ন্তী'য়ে এটা নতুন সুৰৰ সংকেত দিছিল — বিহগী কবিয়ে সেই সময়ৰ সাহিত্য সভাৰ সভাপতি হিচাপে দিয়া উল্লেখযোগ্য অভিভাষণত প্ৰতিধ্বনিত হোৱা পৰিৱৰ্তন, বিপ্লৱ আৰু আধুনিকতাৰ সুৰ। ৰোমাণ্টিক 'বিহগী' কবি হ'লেও আতাৰ মনোবিজ্ঞান পৰৱৰ্তী যুগৰ বাস্তৱবাদী আৰু আদৰ্শবাদী দৃষ্টিভঙ্গীৰে অধিক

সম্পৃক্ত আছিল আমি ডেকাচাম 'জয়ন্তী'ৰ সেই চৰিত্ৰবন্থাবাহে বিশেষকৈ আকৃষ্ট হৈছিলো আৰু সাহিত্য-কলাৰ নতুন পৰীক্ষা-নিৰীক্ষাৰ বাবে 'জয়ন্তী'ত এক উপযুক্ত মাধ্যম বিচাৰি পাইছিলো। মই নিজে চল্লিশৰ দশকত ভাৰ্জিনিয়া উল্‌ফ-লোৰেন্স ডিকিন্সন প্ৰভৃতিৰ সাহিত্যিক-দৰ্শনেৰে প্ৰভাৱিত হৈ 'চেতনাস্ৰোতপন্থী' গল্প-ৰচনাৰ সম্পৰীক্ষা চলাইছিলো। পাছৰ পৰ্যায়ৰ 'জয়ন্তী' হৈ পৰিছিল সেই সময়ৰ তথাকথিত 'প্ৰগতিবাদী' (প্ৰগ্ৰেছিভ) সাহিত্য-আন্দোলনৰ বাহন। সেই পৰ্য্যায়ৰ 'জয়ন্তী'ৰ সৈতে মই সম্পৰ্ক ছিন্ন কৰা নাছিলো যদিও আৰু বাস্তৱবাদী সমাজ-সচেতন দৃষ্টভঙ্গীৰ প্ৰতি মোৰ আনুগত্য শিথিল হোৱা নাছিল যদিও সম্বন্ধ পাতলীয়া আৰু দূৰণিবটীয়া যেন হৈছিল। সেই যুগৰ দ্বিতীয় পৰ্যায়ৰ 'বাঁহী', 'আৱাহন' আদি আলোচনীৰ দৰে 'জয়ন্তী'ৰো মূল লক্ষ্য আছিল অসমীয়া সাহিত্য-সৃষ্টিৰ কলেবৰ বৃদ্ধি কৰা, অসমীয়া জাতীয়তাক বাহিৰৰ প্ৰত্যাহ্বানৰ সমুখত সক্ষম কৰি ৰখা আৰু দেশ-বিদেশৰ নতুন ভাব-চিন্তা অসমীয়া সাহিত্যলৈ প্ৰসাৰিত কৰি সময়ৰ সৈতে সংগতি ৰখা। 'জয়ন্তী' আলোচনীয়ে দুয়োটা পৰ্যায়তে অসমীয়া সাহিত্যত এটা নতুন যুগৰ সৃষ্টি কৰিছিল বুলি নিঃসন্দেহে কোৱা যায়। আগৰ পৰ্যায়ৰ 'জয়ন্তী' যদি 'আৱাহন'ৰ উত্তৰসূৰী আছিল, পাছৰ পৰ্যায়ৰ 'জয়ন্তী' চৰিত্ৰৰ পিনৰপৰা এক একক আৰু অভিনৱ বস্তু হৈ পৰিছিল। মোৰ বোধেৰে পাছৰ 'জয়ন্তী'ত এই প্ৰগতিশীল পৰম্পৰাৰ এক হিচাপে তাৰ অপমৃত্যুৰ লগে লগে অৱসান ঘটিল। সাম্প্ৰতিক কালত এনে বিশেষ প্ৰকৃতিৰ আলোচনী ওলাইছে কিন্তু 'জয়ন্তী'ৰ গ্ৰাহ্যতা অৰ্জা নাই।

প্ৰশ্ন : অসমত বৰ্তমান কল্পনাশ্ৰয়ী সাহিত্যৰ, যেনে গল্প, উপন্যাস, কবিতা, নাটক আদিৰ প্ৰভাৱ বা শক্তি ক্ষয় হোৱাটো আমি লক্ষ্য কৰিছো। এইবিলাক পঢ়ি মানুহ আগৰ দৰে অনুপ্ৰাণিত নহয়। তাত্ত্বিক দিশৰপৰা ইয়াৰ কাৰণ কি? আপুনি আমাৰ সাহিত্যত নতুন শক্তি সঞ্চৰণৰ কাৰণে কিবা পৰামৰ্শ আগবঢ়াব পাৰিবনেকি?

উত্তৰ : অসমত বৰ্তমান কল্পনাশ্ৰয়ী সাহিত্যৰ প্ৰভাৱ বা শক্তি ক্ষয় হোৱা আংশিকভাৱেহে সত্য। এনে সাহিত্যৰ সকলো বিভাগৰ ক্ষেত্ৰতে এই ক্ষয় বা নিম্নগামিতাৰ সিদ্ধান্ত নাখাটে। গল্পৰ ক্ষেত্ৰত প্ৰভাৱ ক্ষয় অথবা জনপ্ৰিয়তা সংকোচন সম্প্ৰতি অনুভূত হৈছে যদিও উপন্যাসৰ প্ৰসাৰ আৰু প্ৰচলনে গল্পৰ অভাৱ কিছু পৰিমাণে পূৰণ নকৰাকৈ থকা নাই। পুনৰ কবিতাৰ জনপ্ৰিয়তা কেতবোৰ নিৰ্দিষ্ট কাৰণত আজিকালি যথেষ্ট কমিছে যদিও নাটকৰ ক্ষেত্ৰত সময়ৰ তাগিদাত নাট্য-সাহিত্যৰ কলেবৰ বাঢ়িছে আৰু নাট্যাভিনয়ৰ পৰিসৰ বিস্তৃত হৈছে। তথাকথিত 'আধুনিক' কবিতাৰ আবৃত্তিযোগ্যতা নাইবা শ্ৰুতিমাধুৰ্য হ্ৰাস পোৱাত আৰু কবিতা

ক্ৰমাৎ ব্যক্তিগত মানসৰ অন্তঃক্ৰিয়া হৈ পৰাত তাৰ সামূহিক আবেদন কমিছে আৰু ই ক্ৰমে আগৰ দৰে প্ৰেৰণাৰ সঞ্চৰণ কৰিব নোৱৰা হৈছে। চুটি গল্পৰ কলা-কৌশল অতিপাত 'ডাইলুটেড' বা সেৰেকা হৈ পৰাত গল্পৰ পাঠক ধাৰাবাহিক উপন্যাসৰ পিনে ধাবিত হৈছে। কিন্তু মোৰ বোধেৰে আজিৰ নাটকে চলচ্চিত্ৰ, ভ্ৰাম্যমান মঞ্চ ইত্যাদিৰ জৰিয়তে আগতকৈ বেছিহে লোক আৰু শ্ৰেণী মনোৰঞ্জক হ'বলৈ সক্ষম হৈছে।

প্ৰশ্ন: আলেকজেণ্ডাৰ ছলঝেনিট্‌ছিনৰ মতে, এগৰাকী পৰম শক্তিশালী লেখক সেই দেশৰ পৰম শক্তিশালী চৰকাৰৰ সমকক্ষ। আমাৰ সাহিত্যত তেনে শক্তিসম্পন্ন সাহিত্যিক সৃষ্টি নোহোৱাৰ মূল কাৰণসমূহ কি?

উত্তৰ: 'আমাৰ সাহিত্য' বোলোতে যদি কেৱল অসমীয়া ভাষাৰ সাহিত্যকে বুজোৱা হৈছে তেনেহ'লে মই কম আমাৰ মাজত ছলঝেনিট্‌ছিনে কল্পনা কৰা ধৰণৰ শক্তিশালী সাহিত্যিকৰ আবিৰ্ভাৱ নোহোৱাৰ অন্যতম কাৰণ হ'ল আমাৰ সৃষ্টিপ্ৰয়াসৰ অন্তৰালত বৃহত্তৰ বিশ্বজাগতিক পৰিসীমাৰ ভিতৰত চিন্তা-চৰ্চা কৰাৰ অসমৰ্থতা, আমাৰ সহজতে হীনমন্যতা আৰু সাহিত্যৰ নৈতিক আৰু আধ্যাত্মিক শক্তিৰ দিশতকৈ তাৰ সীমাবদ্ধ সাহিত্যিক মূল্য লৈযে বেছিকৈ মূৰ ঘমোৱাটো। সাহিত্য প্ৰচাৰধৰ্মী হ'ব নালাগে সঁচা, কিন্তু নিচক সাহিত্যিক-সৌন্দৰ্যৰ প্ৰতি বেছিকৈ মন দিলে কৃতকাৰ্য 'সাহিত্যিক'ৰ আবিৰ্ভাৱ সম্ভৱ হ'ব কিন্তু অম্বিকাগিৰী, নীটঝে, ৰবীন্দ্ৰনাথ নাইবা ফৈজ আহমদ ফৈজৰ লেখীয়া সৌন্দৰ্যমণ্ডিত শক্তিশালী সাহিত্যিকৰ উদ্ভৱ নহ'ব।

প্ৰশ্ন: আজি কিছুদিন ধৰি প্ৰাচীন সাহিত্যৰ ৰচনা, যেনে ধৰ্মমূলক, আখ্যানমূলক, পৰম্পৰামূলক কাহিনী আদিৰ প্ৰকাশ বৰ বেছি ধৰণে বৃদ্ধি পাইছে। ইয়াৰ কাৰণ এয়ে নেকি যে আধুনিক লেখকে আজিৰ মানুহক সন্তুষ্ট কৰিবলৈ ব্যৰ্থ হৈছে?

উত্তৰ: বৰ্তমানে প্ৰাচীন সাহিত্য-গন্ধী ৰচনাৰ পযোভৱ বৃদ্ধিৰ সংখ্যাগতভাৱে বৃদ্ধি পোৱা কথাটো মই নিজে তেনেকৈ লক্ষ্য কৰা নাই যদিও হয়তো সত্য। ই সম্পৰ্কে নিৰাশাব্যঞ্জক নহয়। পাৰম্পৰিক কাহিনীৰ প্ৰতি সম্প্ৰতি এটা নতুন চেতনা আহিছে। পাশ্চাত্যৰ ভাবৰ ধুমুহাই আমাক বহুদিন ধৰি কোবাই যোৱাৰ অন্তত আমি আক্ষেপেৰে অনুভৱ কৰিছো, আমাৰো ঐতিহাসিক ঐতিহ্য বাহিৰৰপৰা ধাৰে অনা কোনো সম্পদতকৈ হীন নহয়, আমিহে মোহান্ধ হৈ আমাৰ সমাজসম্পদৰ উচিত মূল্যায়ন আৰু আত্মসাত কৰিব পৰা নাই। ধৰ্ম আৰু দৰ্শনৰ ক্ষেত্ৰতে পশ্চিমীয়া 'গড্‌ছ' অৰ্থাৎ দেৱতাসকল আমাৰ সহায়ত নাহিল — 'ফেইল' কৰিলে বুলি আমি অনুভৱ কৰিছোঁ। তদুপৰি আজিৰ লেখকে নিতান্ত ক্ষণিক, আশু আৰু ব্যক্তিগত কথা লৈ নাইবা সূক্ষ্ম বৌদ্ধিক মূল্য লৈ এনে ব্যস্ত থাকে যে অধিকাংশ

পাঠকে তেওঁবিলাকৰ লিখাত আজিৰ জীৱনযুদ্ধ জয়ৰ কোনো পথ্য নাপাই প্ৰাচীন আৰু সনাতনৰ প্ৰশান্তিত আশ্ৰয় ল'বলৈ ভাল পায়।

প্ৰশ্ন: এখন মাহেকীয়া সাহিত্য-আলোচনী উপযুক্তভাৱে প্ৰকাশ কৰি থাকিবৰ বাবে কি প্ৰতিভা আৰু আয়োজনৰ প্ৰয়োজন?

উত্তৰ: এখন মাহেকীয়া সাহিত্য-আলোচনী ভালদৰে চলাই থাকিবলৈ যি প্ৰতিভাৰ প্ৰয়োজন তাক কোনেও সৃষ্টি কৰি দিব নোৱাৰে। কিন্তু আজিকালি যি বিৰাট প্ৰায়োগিক, কাৰিকৰী, যান্ত্ৰিক আৰু বাহ্যিক 'ফিজিকেল' আয়োজন বা সম্ভাৰ লাগে সেইটো সহজলভ্য নহয়। নিয়মীয়াকৈ ভাল আলোচনী এখন উলিয়াবলৈ আটাইতকৈ বেছিকৈ লাগে এদল নিয়মীয়া নিজা কৃতী লেখক-লেখিকাৰ। যান্ত্ৰিক আৰু ইংৰাজীত যিবোৰৰ infrastructural সমল বোলা যায়, তেনে সমল অৰ্থ-বিনিয়োগেৰে সম্পন্ন হ'ব পাৰে; কিন্তু এদল পৈণত সুদক্ষ লেখক-লেখিকা সৃষ্টি কৰা আৰু একোখন কাকতৰ সৈতে সংযুক্ত কৰি ৰাখিব পৰাৰ কুশলতা নাথাকিলে আলোচনীৰ ভৱিষ্যত সুনিশ্চিত হ'ব নোৱাৰে।

প্ৰশ্ন: মানুহেই যদি কল্পনাশ্ৰয়ী সাহিত্যৰ মূল লক্ষ্য হয়, তেন্তে আধুনিক মানুহৰ মূল্যবোধহীনতা আৰু আপোচমূলক মনোবৃত্তিৰ কাৰণে সেই মানুহক লৈয়েই কৰা ৰচনা সাৰ্থক হ'ব বুলি আপুনি ভাবেনে?

উত্তৰ: মানুহে মানুহৰ কথাকে নিলিখি আৰু কাৰ কথা লিখিব? মানুহৰ অমনোযোগ মনোবৃত্তি নাইবা মূল্যবোধহীনতা বোধ কৰিবলৈ হ'লে মানুহৰ বাবে সাহিত্য ৰচনা কৰিবলৈ এৰি গ্ৰহান্তৰৰ কল্পিত জীৱৰ বাবে নাইবা কেৱল নিৰালম্ব কল্পনাবিলাসৰ খাতিৰতে সাহিত্য কৰিবলৈ ল'লে সেইটো জানো সাহিত্যিকৰ মুখ্য কৰ্তব্যৰপৰা পলায়ন কৰা নহ'ব? মানুহৰ বুকুৰ সম্বাদ দিবৰ বাবে আৰু মানুহক নতুন মূল্যবোধ আৰু নৈতিক সবলতা প্ৰদান কৰিবৰ বাবেইতো সাহিত্যৰ দৰকাৰ। মানুহলৈ নহেনো সাহিত্যৰ প্ৰয়োজন কাৰ বাবে?

প্ৰশ্ন: সুদীৰ্ঘ কাল আপুনি সাংবাদিকতাৰ লগত জড়িত আছিল। আজিৰ দিনৰ সাংবাদিকতাত আপুনি সন্তুষ্টনে?

উত্তৰ: আজিৰ দিনৰ সাংবাদিকতা লৈ মই সন্তুষ্ট বুলি একে আষাৰে ক'ব নোৱাৰো। সেইবুলি বিগত যুগৰ সাংবাদিকতালৈ আকৌ ঘূৰি যোৱাৰো কোনো প্ৰয়োজন নেদেখো। আজিৰ ধনতান্ত্ৰিক দেশৰ সাংবাদিকতাত নানান দোষ-দুৰ্বলতা আছে, আনকি কলঙ্কও নোহোৱা নহয়। তথাপি তাকো জাৰি-জোকাৰি বাছ-বিচাৰ কৰি কামত লগায়ে আজিৰ সাংবাদিকে বাট বুলিব লাগিব। সম্প্ৰতি investigative journalism বা অনুসন্ধানমূলক সাংবাদিকতাৰ নামত, 'এক্সপোজাৰ'ৰ নামত কৰাৰ দৰে বহুত গুপুত

ৰহস্য পোহৰলৈ আনি সমাজৰ সেৱা কৰা হৈছে। আন সত্যৰ পম খেদিবলৈ গৈ 'সুন্দৰ'লৈ একেবাৰে পিঠি দিয়া সাংবাদিকৰ প্ৰভাৱ হয়তো বৃদ্ধি পাব কিন্তু সাহিত্য বা আৰ্ট হিচাপে সাংবাদিকতাৰ গুণগত বৈশিষ্ট্য মেধাচ্ছন্ন হ'ব। সাংবাদিকতাত তাৎকালিক সাংবাদিকতাতকৈ মই পূৰ্ববৰ্তী যুগৰ আদৰ্শনিষ্ঠ, প্ৰমূল্যসমৃদ্ধ সাংবাদিকতাৰহে পক্ষপাতী। এইটো অৱশ্যে একে আষাৰে সামৰিব পৰা প্ৰশ্ন নহয়। ইয়াৰ উত্তৰত 'হয়' আৰু 'নহয়' দুয়োটাই থাকিব।

প্ৰশ্ন : প্ৰত্যেকজন লেখকৰে নিজৰ জীৱনৰ এক দৰ্শন থাকে। মানে, আপুনি মানুহ আৰু পৃথিৱীক কি দৃষ্টিৰে চাবলৈ সক্ষম। আপোনাৰ জীৱন-দৰ্শনৰ বিষয়ে অলপ জানিব পাৰিমনে?

উত্তৰ : সকলো লেখকৰে জীৱন-দৰ্শন থাকে। মোৰো প্ৰচ্ছন্নভাৱেই হওক বা প্ৰকটভাৱেই হওক, নিশ্চয় আছে। মানুহ আৰু পৃথিৱীক মই কি দৃষ্টিৰে 'চাবলৈ সক্ষম' সেইটো মোৰ বাবে আচল প্ৰশ্ন নহয়। কাৰণ সক্ষমতা-অক্ষমতা এটা আপেক্ষিক কথা আৰু সেইটো নিজে নিৰ্ণয় কৰা কথা নহয়। মোৰ বাবে জীৱন আৰু জগত সম্বন্ধে মোৰ অন্তৰ্নিহিত ভাবধাৰাটোহে মুখ্য। এই ক্ষেত্ৰত মোৰ মনোভাৱ যোগাত্মক, 'পজিটিভ'। মানুহৰ অক্ষম বাস্তৱতাক মই অস্বীকাৰ নকৰো, কিন্তু মোৰ বাবে মানুহৰ আটাইতকৈ ডাঙৰ কথা হ'ল — মানুহে নিজক অতিক্ৰম কৰি যাব পাৰে — man can transcend himself। ইতিহাসত অনেক মহাজনে সেইদৰে উত্তৰণ সাধন কৰিছে। যিখন জগতত বাস কৰা-নকৰাটো আমাৰ ইচ্ছাধীন নহয় (অৱশ্যে আত্মহত্যাৰ কথা এৰি) সেইখন পৃথিৱীক আমাৰ বাসোপযোগী কৰি গঢ়ি তুলিব পৰাতে আমাৰ মনুষ্যত্বৰ সাৰ্থকতা। নিজেও শ্ৰেয়ৰ কাৰণে সাধনা কৰিম, আনকো নিজৰ পটভূৰ আৰু সাহিত্যৰ মাধ্যমেৰে মহত্ত্বৰ জীৱনৰ বাবে উদ্বুদ্ধ কৰিম — মোটামুটিকৈ এয়ে মোৰ জীৱন-দৰ্শন। কেইবছৰমান পূৰ্বে সাহিত্যৰ নোবেল প্ৰাইজ গ্ৰহণ কৰিয়েই নে প্ৰত্যাখ্যান কৰি জাঁ-পল ছাৰ্ত্ৰেই কোৱা কথা কেইটামান মোৰ মনৰ কাণত প্ৰতিধ্বনিত হৈ থাকে। দুখৰ বিষয়, কথাবিলাক মোৰ মনত নাই। অসুন্দৰ আৰু অসম্পূৰ্ণ হ'লেও বাস্তৱক গ্ৰহণ কৰি তাৰ মাজৰপৰাই সুন্দৰ আৰু মঙ্গলময়ৰ কামনা আৰু বন্দনা কৰাই মোৰ বোধেৰে মোৰ জীৱনৰ দৰ্শন। অকল প্ৰেয়ই নহয়, শ্ৰেয়হে আমাৰ লক্ষ্য। □

মুনীন বৰকটকীৰ গদ্যৰ নিদৰ্শন

[১]

"ৰজাঘৰ নাইবা প্ৰজাঘৰে লক্ষ্মীনাথ ফুকনক মান ধৰক বা নধৰক, ৰাজকীয় বা শাসকীয় মহলে ফুকনৰ মোল বুজক বা নুবুজক, ফুকন প্ৰকৃততে আমাৰ ঐতিহাসিক ফুকনসকলৰে অন্যতম এজন স্বনামধন্য অসমীয়া আৰু অসমৰ এক উজ্জ্বল ভূষণস্বৰূপ। ফুকন! কি এক অপাৰ মহিমা আৰু কি সুদূৰ প্ৰসাৰী তাৎপৰ্য অসমৰ বুৰঞ্জীত, জাতীয় পৰিক্ৰমাত আৰু সাংস্কৃতিক জীৱনত এই এটা নিভাঁজ থলুৱা অসমীয়া শব্দ তথা উপাধিৰ। ...ফুকন! ইতিহাসৰ পাতত অঙ্কিত হৈ যোৱা লাচিত বৰফুকন, পিয়লি ফুকন, বদন বৰফুকন। অসমৰ জাতীয় জীৱন আৰু বৌদ্ধিক অভ্যুত্থানৰ গুৰি ধৰোঁতাৰ লেখীয়া হলিৰাম ঢেকিয়াল ফুকন, আনন্দৰাম ঢেকিয়াল ফুকন, ৰাধিকাৰাম ঢেকিয়াল ফুকন। অসমক ভাৰতীয় ৰাজনৈতিক ৰঙমেলত অবিস্মৰণীয়ভাৱে পৰিচিত কৰাই দি যোৱা আৰু ব্যক্তিত্ব আৰু বিচক্ষণতাৰ বলত আধুনিক অসম গঢ়াত লেখত ল'বলগীয়া অৰিহণা যোগাই যোৱা নামনিৰ তৰুণৰাম ফুকন, উজনিৰ গঙ্গা গোবিন্দ ফুকন, ৰাধানাথ ফুকন আৰু আমাৰ মেথুচলা, বয়স আৰু চিৰতৰুণতাত বাৰ্ণাড শ্ব আৰু বাট্ৰাণ্ড ৰাছেলৰ সৈতে নাম ল'ব পৰা অসমৰ গৌৰৱোজ্জ্বল অদূৰ অতীতৰ সাৰ্থক সাক্ষীৰূপে নব্বৈ বছৰৰ পিছতো, আমাৰ মাজত দহজন ডেকাৰ বল-বিক্ৰমেৰে দপ দপাই থকা শ্ৰীনীলমণি ফুকন আৰু অধুনা প্ৰচ্ছন্ন জীৱনী শক্তিৰ আগ্নেয়গিৰি শ্ৰীমহেন্দ্ৰ নাথ ডেকাফুকন কিমান বিচিত্ৰ, কিমান ব্যাপক, কিমান গভীৰ, কিমান বহুমুখী, কিমান উদ্দীপনাময় অসমৰ ৰাজনীতিত, প্ৰশাসনত, পাণ্ডিত্যত, সুকুমাৰ কলা আৰু চাৰু শিল্পত, অসমৰ সংস্কৃতি আৰু বুৰঞ্জীত এই ফুকনসকলৰ ইমপেক্ট বা প্ৰভাৱ আৰু প্ৰতিষ্ঠা।"

[২]

"বিষ্ণু ৰাভা এতিয়া নাই। তথাপি তেওঁৰ অশৰীৰী উপস্থিতি এতিয়াও আছে বহুজনৰ অন্তৰত। মোৰ নিজৰ অন্তৰতো কিজানি এই বয়সত

আগৰ নবীনতা, সতেজতা নাই। কিন্তু বাৰে বাৰে দেখিছোঁ— জীয়াই থাকোঁতে যেনেকৈ বহুতে বাভাৰ আহ্বানত এলাহ নিহালি ত্যাগ কৰি জাপ মাৰি থিয় হোৱাৰ প্ৰেৰণা পাইছিল, জীয়াই নাথাকোঁতেও বহুতৰে হৃদয়-মন বাভাৰ নামত চঞ্চল হৈ উঠে, জীৱন্ত হয়, বহুতে ন-জীৱন পোৱাদি পায়। কিহত আছিল বিষ্ণু বাভাৰ এই দুৰ্নিবাৰ ব্যক্তিত্ব 'মেগনেটিজম্' ? কিহৰ বাবে তেওঁৰ সৈতে পূৰাপূৰি মতৰ মিল নথকা, দূৰৱৰপৰা মাথোন 'এডমায়াৰ' কৰা কবিয়েও আকুলভাৱে উচ্চাৰণ কৰিবলৈ অনুপ্ৰেৰিত হৈছিল— 'বিষ্ণু বাভা, এতিয়া কিমান ৰাতি?' ক'ত লুকাই আছিল তেওঁৰ অন্তৰ আৰু বহুজনৰ অন্তৰৰ মাজৰ অদৃশ্য যোগসূত্ৰ?"

[৩]

"দুদিনমানৰ বাবে অমূল্যৰ শিক্ষক হোৱাৰ সৌভাগ্য মোৰ ঘটিছিল। ভাবি ৰং লাগে যে ছাত্ৰ অমূল্যৰপৰা সেই অলপীয়া সময়তে শিক্ষক মই নানা প্ৰকাৰে নানা শিক্ষা লাভৰ সুযোগ পাইছিলোঁ। অমূল্যৰ উপস্থিতিত এটা তীক্ষ্ণ, উন্মুক্ত, জিজ্ঞাসু মন আৰু সচেতন কবি চিত্তৰ সান্নিধ্য পোৱা যেন অনুভৱ কৰিছিলোঁ। যি সময়ত আমাৰ গল্প-কবিতা কূপমণ্ডুকতাৰ দোষেৰে দূষিত আছিল, যি সময়ত অক্ষম অনুকৰণৰ বাহিৰে দেশ-বিদেশৰ নতুন ভাৱ চিন্তাধাৰাক আয়ত্ত কৰি আত্মস্থ কৰাৰ প্ৰয়াস আমাৰ নাছিল, সেই শতিকাৰ চতুৰ্থ দশকতে অমূল্য বৰুৱাই প্ৰাদেশিক আৰু ভাষিক সংকীৰ্ণতাৰ ওপৰলৈ উঠি মন অন্তৰৰ দুৱাৰ-খিৰিকি বিৰাট বিশ্বৰ প্ৰতি সমগ্ৰ মানৱতাৰ প্ৰতি মুকলি কৰি দিবলৈ সাহ কৰিছিল।"

[৪]

"হেম বৰুৱাৰ নামৰ আগত 'শ্ৰী' লিখা সাধাৰণতে চকুত নপৰে। মই ইচ্ছা কৰিয়েই সেইটো লগাই দিছোঁ। কাৰণ একালৰ অফুৰন্ত প্ৰাণশক্তিৰে ছপছপীয়া, তজবজীয়া, অসমৰপৰা গৈ ভাৰতৰ জাকত জিলিকা সংসদী সদস্য হোৱা, একালত প্ৰায় প্ৰতিদিনেই বাতৰি কাকতৰ 'হেডলাইন' অৰ্জন কৰা হেম বৰুৱাজন আজি প্ৰায় একদশক কাল এনে লক্ষণীয়ভাৱে বাতৰি কাকতৰ শিৰোনামা কিয় আমাৰ ৰাজহুৱা জীৱনৰ পৰাই আঁতৰি পৰিছে, তেওঁৰ নাম এনে অপ্ৰত্যাশিতভাৱে ৰাজহুৱা স্মৃতিৰপৰা অন্তৰ্হিত হৈছে যে ই অস্বাভাৱিক নহয় যে অন্ততঃ গুৱাহাটী মহানগৰীৰ বাহিৰৰ আন বহু ঠাইত বহুতে খা-খবৰ লোৱা অসম্ভৱ নহয়— হেম বৰুৱা

আছেনে, ক'ত আছে, কেনে আছে? এক সময়ত স্কুল-কলেজত একেলগে পঢ়া বন্ধুবৰ হেম বৰুৱা গুৱাহাটীতে অতীতৰ দৰেই বৰ্তমানেও মোৰ গাৰ ওচৰতে থাকে। সেইবাবে মই জানো হেম বৰুৱা আছে, জীয়াই আছে। কিন্তু অকলে 'জীয়াই থকাই' জানো প্ৰকৃততে 'থকা'? অস্তিত্ববাদী দৰ্শনৰ মতে একজিষ্টেনছৰ গূঢ়াৰ্থ উপলব্ধি কৰা সহজ নহয়। মই কিন্তু সদায় ভাবো, আন বহুতেও অনুভব কৰে— হেম বৰুৱা আছে, জীৱিত আছে, কিন্তু জীৱন্ত শ্ৰীহেম বৰুৱা হয়তো নাই। ভেলটো আছে, এক বৰ্ণাঢ্য জীৱনৰ তথা জীৱন্ত মানসৰ অৱশেষখিনি আছে, কিন্তু সাহটো নাই; য'ত এসময়ত এটা আগ্নেয়গিৰি আছিল সি নুমাই ছাই হৈ গৈছে।"

['বিস্মৃত ব্যতিক্ৰম'ৰ পৰা]

লক্ষীনাথ ফুকন সোঁৱৰণী গ্ৰন্থ প্ৰকাশৰ সময়ত
বাওঁফালৰপৰা উপেন্দ্ৰ বৰকটকী, ৺মুনীন বৰকটকী, ৺লক্ষীনাথ ফুকন,
শ্ৰীঅজিত কুমাৰ শৰ্মা আৰু বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য
(২৭/১/৭৪ চনত লোৱা ফটো)

গুৱাহাটীৰ এটা অনুষ্ঠানত কেইবাগৰাকী সাহিত্যিক সাংবাদিকৰ সৈতে
বাওঁফালৰপৰা (বহি থকা) তৃতীয়জন মুনীন বৰকটকী

পত্নী ৰেণুকাদেৱী বৰকটকীৰ সৈতে



নাতি অম্লানৰ সৈতে ককা আৰু আইতা

Some Messages

...I knew Shri Barkotoki since his days in Avenue Club, Calcutta. I was, as a matter of fact, very loving to him. The same way I used to respect him.

Jogesh Hazarika
Calcutta.

I wonder why good souls leave this planet without a complaint. They leave their message, wisdom and accomplishments behind. I remember Shri Barkotoki who was so balanced and composed, with lots of life's experience.

Padma Seth
New-Delhi.

...It is not that he only wrote immaculate English but his writings bear the stamp of an alert and versatile mind. Whatever he has written may be small in volume, but will have to be reckoned with in the intellectual and literary circles. He did not have any intellectual pretensions.

Munin Hazarika
Shillong.

Some people do little for the society, but can die for an award. Some people do little for an award but can die for the society. Munin Barkotoki definitely belonged to the second category of people.

Padmapani
Guwahati.

A tribute to Munin Barkotoki

Maheshwar Neog

Bismrita Byatikram or *Forgotten Exceptions* is the tiny publication which brought Munin Barkotoki public recognition and a year's annual Prakashan Parishad Award. Though tiny, the book is worth its weight in gold. It celebrates the lives of some eminent men, who have fallen into oblivion, in a few biographical essays.

'Forgotten' is ironically the word for Munin Barkotoki's literary career; else how much do we remember of his attractive short stories, written on the pages of the *Awahon* which appealed to the readers in the thirties ? He abandoned writing short stories with a determination, ending in a sort of whimper. His literary career marked its culmination in a personal essay titled 'Confessions' published in the *Awahon* which was written in a highly intellectual vein.

Barkotoki worked for some time with Madhab Bezbarua at Calcutta working on the *Banhi* He then became an officer in the publicity department of the Government of Assam and also a News Editor of the All India Radio, Guwahati. He contributed occasionally to newspapers and journals of Assam. But his outstanding contribution remains his *Bismrita Byatikram*

In the last few years of his life he attended public meetings and sittings of the Asom Sahitya Sabha and took active part in the discussions. His writings were marked by a beautiful Assamese style. □

In memory of a cultured man

Sheelabhadra

I must begin by explaining how I became an ardent admirer of Munin Barkotoki. I have some mental inhibitions — I cannot take the initiative to get acquainted with a person, even if I have a great admiration and respect for him. The initiative has to be taken by the other side. This was exactly what Sri Barkotoki did.

I had heard of Barkotoki from some of my friends who spoke very highly of him. I took their remarks at face value. I did not know if they were exaggerating. Sri Barkotoki did not have much to show for his erudition. Then I read his review of Solzhenitsyn's *Gulag Archipelago* in *Prakash* His comments about the book were extremely perceptive and incisive. The review differed from that by an average Assamese critic because Sri Barkotoki told the readers about the book and not about his own vast knowledge. His review induced me to purchase the book, and I think that I could read and appreciate the content of the book because of the useful guidance provided by Barkotoki in his review. I believe that such objective reviews are essential for Assamese books also, for the development of Assamese literature.

I had another serious handicap. Before I started writing, I had been outside the periphery of the Assamese literary circle. I was hardly familiar with any of the Assamese writers who dominated the field.

As such, it was one of the happiest days of my life when I suddenly received a letter from Munin Barkotoki. He must have really put in a lot of effort to write to me as he did not even know my address. It was a pleasant surprise for me to learn that he was familiar with most

of my writings. I do not think that I should reproduce what he wrote about my writings — he was rather too generous in his praise of them. He also wondered why... No, that is irrelevant in the present context. Sri Homen Borgohain and late Principal Troilokya Nath Goswami also wrote to me to express their appreciation of my writings.

Why do I mention these things? Is it to declare that I am a great writer? Certainly not! It is only to show that the writers of these letters are great men. It would be quite in order for my intimate friend Dr. Binoy Kumar Tamuli to write eulogistically about me but Sri Barkotoki wrote to me without even knowing me personally. This gesture shows his greatness.

I consider it my great misfortune that I came in close contact with Sri Barkotoki very late in his life. He was not keeping very well at that time. After I received his letter I went to meet Sri Barkotoki. Thus began a sequence of pleasant sessions with him and I gained much from our discussions. I observed with awe and surprise the extent of his study and knowledge. His illness had not weakened his mental perceptions or the agility of his mind.

In my long life I have observed that a man of learning need not necessarily be a man of culture. But Sri Barkotoki was both a learned and a cultured man.

We talked about everything under the sun including cabbages and kings. I told him that while reading a book I follow the 'Thumb Rule'. I finish and often re-read a book if I like it but put it aside if it is not to my liking.

Barkotoki was very amused by my assertion but opined that one often had to read a book thoroughly to discover its merits and demerits. That rule must have been easy for Barkotoki to follow for he was in love with books. I have been told that he used to visit the District Library regularly, as long as he was physically fit, and was often the last man to leave the Library.

I am very pained by the fact that there is not much visible evidence of Barkotoki's vast erudition. I have, over the years, met many learned men, professors and academicians whose professional duty was to know of and about

things, but only a few of them had a grasp or clear conception of the subject it was their business to know. Someone while speaking of a knowledgeable person said that the man knew everything from Kalidasa to Kafka. Barkotoki did not stop at Kafka, and could move effortlessly from Kalidasa to Kundera.

Again on a personal note, I had once presented him with a copy of my book *Madhupur Bahudur.* After a few days I received a letter from him informing me that he had written a review of the book and had sent it to the *Dainik Asom* for publication. He wrote the review of his own accord at a time when he was not physically fit. The review was, unfortunately, never published, possibly because his hand writing at that time was not very legible, as I noticed in the letters he wrote to me.

Although I intend to write about Barkotoki in my proposed memoirs, I do not know enough to write an account of his life here, for I came into close contact with him for a brief period only. From the little I know of him I can say that he was an unassuming man with a very big heart, devoid of pettiness and jealousy, and ever ready to come out in support of a person who, according to his own opinion, deserved it. His only book *Bismrita Byatikram* may be taken as proof of this.

We, some old men who came in contact with Sri Munin Barkotoki, got some glimpse of the extraordinary qualities of that self-effacing man. I am afraid, however, that when we are gone his memory will be erased from the collective memory of the future generations. I earnestly request his daughter Meenaxi to try her best to bring out a volume of his writings. Many of his articles lie scattered in various journals and magazines, a few of which may be probably lost forever. Compiling his writings and publishing them as a book will not only help to introduce him to the younger generation but also provide them with a model of how one should proceed to attain intellectual excellence. □

A Scholar Passes Away

Ram Goswamee

Munin Barkotoki's death on November 6, 1993 is a heavy loss to the people of Assam. Looking back on his life's work I am of the opinion that his talent and style, ideas and experiences were all distinctly his own, and served to characterise him.

Barkotoki started writing since his early days and his work drew the attention of the young generation for his creative style and consistency of views. As a journalist, his role was full of penetration and understanding. He won everyone over with his thoughts and experiences. He helped his readers gain a better understanding of social and political events even while giving them the freedom to form their own judgements.

As a literary critic, Barkotoki's place in our society was unique. His criticisms covered a wide range of subjects. He was free from fear and came out openly against such writing which he considered below standard or harmful to society. He wrote regularly in newspapers and magazines. His style was original and popular, although some called him cynical as he never compromised with quality.

From his creative writings, literary circles always recognised his great talent and artistic sense. True, his writings in book form were few. Yet he was awarded the Assam Prakashan Parishad's literary prize for his only book *Bismrita Byatikram* In this book, he built up a well-rounded picture of contemporary life by narrating several isolated interesting events and incidents from the lives of several interesting and eminent people. Though he pointed out new trends in Assamese society, he took a progressive view of the changes. His writings were marked

by intermingling of tradition with modern attitudes.

I was in constant touch with him when I was Librarian of the State Central Library. He was a regular visitor and spent hours at a stretch in the Reading Room reading all the newspapers thoroughly. My impressions of this great writer are naive, yet his charm and genius never failed to impress me.

Barkotoki never pursued his profession with the hope of material gain — it was more of a life-long dedication to his interests. Barkotoki's many splendid qualities were, in many ways, symbolic of various aspects of humanity. It will be difficult to find another such delightful personality for many years to come. □

Some Memories Of My Friend, Munin

Krishna Bhuyan

To write about a man who was my friend for over half a century and who is no more with us today is not only immensely difficult but also profoundly distressing. Destiny ordained that we go on our life's journey oftentimes together and share with each other the exhilaration of successes and the frustration of failures in our adolescence, the joys and sorrows of our youth, and the anguish and ennui of old age.

Munin was born in Jorhat on the *Sankranti* of Kati Bihu (October 16-17) in the year 1915. He was the younger son of the distinguished educationist and Assam's first Indian Divisional Inspector of Schools, the late Raisaheb Durgadhar Barkotoki, and the late Srijuta Kamalini Devi, daughter of Assam's earliest woman writer, Padmaboti Devi Phukanani, and granddaughter of the celebrated Anandaram Dhekial Phukan. Munin's elder brother was Satyen Barkotoki, who after a brilliant career in the Indian Civil Services, took to writing and wrote more than 15 books in English and Assamese

After retirement from Government service, Raisaheb had lived in Calcutta with his family for some time, where Munin got part of his early education. The family returned to Jorhat in 1930 and Raisaheb died soon after. I was a student of Class IX in the Jorhat Govt. High School then. Munin got himself admitted into the came class in our school.

Fresh from his Calcutta background, Munin found himself amongst strangers and so was shy of the company of the other boys in the class. It so happened that we sat side by side, on the same bench in the class. I took the initiative to converse with him; in a few days it was clear that we had many common interests; we began to like each other and found our mutual company delightful. In course of time

this liking grew into a bond of abiding friendship between us.

As I became more and more familiar with his habits, whims and hobbies, I discovered that he had developed a habit of reading good books, newspapers, magazines etc. regularly. While at Calcutta, he must have got plenty of scope to nourish his habit. He surprised me by the sweep of his knowledge of the famous books by great Bengali writers.

We both had a natural fancy, with perhaps a little talent as well, for creative literary work. Soon after my promotion to Class X, I proposed to bring out a handwritten monthly literary magazine in Assamese with the support of a group of students. The first issue titled *Kumudini* was edited by me. Munin immediately produced and edited another one titled *Aroti* with the help of another group of students. *Aroti* was received with much acclaim.

After we had produced six or seven issues, Munin wrote an editorial in *Aroti* criticising the British administration for hanging the Bengali patriot and revolutionary named, if I remember aright, Dinesh Gupta. Someone brought this to the notice of the school authority. All the issues of our magazines along with their back-numbers were seized and destroyed and we both were sternly warned not to bring out any more. That was the beginning of our literary activities, which in the course of time did achieve some positive results, notwithstanding the initial damper.

We passed the Final School Leaving Exam. in 1932 and took admission in the first year I.A. class in Jorhat College. The next two years were happy times for us. We stuck to each other most of the time. His home was only about a kilometre away from mine. He often came to our home and endeared himself to all the members of our family by his amiability and good manners. With his father dead, his elder brother away from home at his post, his two elder sisters married off, Munin did not have much company at home and spent a lot of his leisure time with us.

After passing the I.A. Exam. of the Calcutta University in 1934, we came to Guwahati and joined the Cotton College for higher studies, living together in shared accommodation for some time. Those two years seemed to us the most pleasant

period of our lives. We had entered the spring of life — the season of love, of romance, of excitement and of hope — and we were aware of it. We turned our youthful energies to enjoyable occupations in our free time. Literature, music and patriotism were Munin's favourites, but his first love was the acquisition of knowledge. So when we would be out in the streets seeking fun and frolick, Munin would often retire into the privacy of the Curzon Hall Library, and read for hours, late into the night.

While at Calcutta, Munin had learnt Rabindra Sangeet. God had endowed him with a sweet voice. Many an afternoon when he came to our house, he would play on the harmonium and entertain us with divinely melodious songs.

At this time he also acquired a substantial standing in the literary field. He had written his first few short stories in *Awahon* and *Jayanti* which had immediately caught the attention of the readers. So much so that the intelligentsia welcomed him among them as a well-read, well-informed and scholarly intellectual with great promise as a writer.

Munin was one of the brightest students in the college. But about a couple of months before the commencement of the B.A. Final Exam. (of the Calcutta University in 1936), Munin called on me one afternoon and to my utter surprise casually declared that he had decided to drop out of the exam that year, as he was neither prepared nor disposed to sit from them. I requested, pleaded and argued with him to reconsider his decision but in vain. After a few days of introspection I discovered that even I was not fully prepared to take the exam. So we both cut the exams and returned to Jorhat.

The next two years, separated from each other, we wondered from place to place doing nothing worth our while and wasting two precious years of our youth. Sometime in 1938 we came together again at Jorhat and decided to sit for the final B.A. Exam of the year.

As the exams were only five or six weeks away, we dropped honours, made a hasty revision of the pass course subjects and sat for the exam. I was unsure of my success but my friend appeared to be even more so. When the results

were out, Munin was really surprised at his own results — he stood first among the distinguished graduates of the 'varsity and won a university gold medal for his splendid performance.

It he had not expected such a wonderful result it did not mean that he lacked self-confidence, but that he never believed that anything he did was the best that he could do and that he could do no better. This peculiar trait in his character was perhaps responsible for the fact that he suddenly gave up writing short-stories, despite his initial success. He was always after some imaginary perfection — elusivè and beyond reach.

After graduation we both started with teaching in schools. Munin joined the Jorhat Christian Missionary School as a subject teacher. Around that time, we jointly wrote a series of articles in the *Batori* (an Assamese newspaper edited by Bagmibor Nilmoni Phukon and published from Jorhat) in which we suggested abolition of the dipthongs in the Assamese alphabets, and advocated spelling of the words by a new technique to simplify the vocabulary. This was perhaps the first attempt by anyone to amend the vocabulary and we met with much adverse criticism. But today many of our suggestions have got incorporated into present day writing out of sheer necessity and convenience. Those articles were our first experiment with journalism.

Munin retained a perpetual interest in journalism which along with his literary abilities came handy when he could use it to his advantage. Such an opportunity presented itself when Munin met late Madhab Chandra Bezbaruah who persuaded him to join the Calcutta office of the monthly magazine *Banhi* as one of the editorial staff.

Munin went to Calcutta in 1939 and joined his new assignment. He probably edited three issues of the magazine, in one of which he published one of my short-stories written with the spellings of the words modified as we had earlier proposed in the *Batori* Soon however, difference of opinions concerning editorial responsibilities and rights of discretion began to surface between Bezboruah and Munin. Munin resigned and returned to Guwahati.

I arrived in Calcutta in June 1941 to sit for the ensuing

M.A. Exam as a private candidate. I was delighted to meet Munin who had also gone there earlier for the same purpose. Hardly a week later, however, Munin told me that he was going to Guwahati for a few days on some business and that he would return in time for the exam. Munin never came back!

In my subsequent meetings with him I reminded him that we had made a big mistake in 1936 and that he had repeated it again by withdrawing from his M.A. Exam. But it seemed he had no regrets for his past mistakes, nor did he seem concerned about his future prospects. His cool indifference to his own future good surprised me and I attributed it to a streak of childish waywardness in his nature. But eventually a few more such instances of his apathy for grabbing at opportunities for self-help convinced me that unlike others, Munin was not interested in building up a successful professional career.

By this time the Second World War had entered a critical stage. Urgent and brisk war preparations were made by the Allied forces in the eastern sector to meet the threat posed by the advancing Japanese army. Publicity and propaganda received special attention as a means to enlist India's co-operation and support for the Allies' war efforts. Munin got himself employed in the publicity wing of the Defence Dept. of the Central Govt. in Assam. Meanwhile I went to Shillong in 1943 as an editor of a war-time publication of the State Government.

We two got totally involved in our work during that time — the most momentous period in the history of India's freedom struggle. Alarming war situations raised hopes of the British Government coming to some agreement with our top leaders on the question of our country's independence. Soon after came Gandhiji's 'Quit India' call and its aftermath of violent disturbances with everybody caught in the whirl. Then followed the great tragedies of Hiroshima and Nagasaki which brought all hostilities to an end. All war-time publications were discontinued. Munin and I were thrown out of employment.

After having done similar types of work during the same period we lost our jobs at the same time. Destiny brought

us together again to face the same situation once more. As luck would have it, we were both employed again in the Publicity Department in Shillong as additional editors with the same status and scales of pay. We joined on the same day and began to work, sitting side by side in the editor's room. Soon however, both our posts were abolished, yet once again.

Munin was appointed later as Publicity Officer of the Combined Co-operative and Rural Development Department, I continued to officiate against a leave vacancy at the Publicity Dept. Munin stayed with us (I had got married by then) in Labán for a spell before shifting to a small suite in a building at Laitumukrah.

Alone he lived in his secluded retreat with no other company save his reveries and his books. I could clearly discern the dark shadow of loneliness creeping over his handsome pensive countenance. Close upon its heels came the boredom of his official work. Munin resigned from his job and returned to Guwahati before Independence Day, 1947.

Had he continued with his job Munin would have undoubtedly risen to a high post in the department. But he decided otherwise. Many of his decisions were perhaps the results of his caprice or whims or whatever, but one thing that stands out clearly is the fact that he never planned his future ahead of time. Thinking of this now, it reminds me of the time when he told me of the most important decision of his life — that of getting married. He told me that the idea of marrying did not occur to him at all till he met Renuka, whom he later married in 1959.

Back in Guwahati, Munin was again looking for a job. Shri Radha Govinda Baruah invited him to join the editorial staff of the *Assam Tribune*. Munin, who had very high regard for both the founder, Sri Baruah, and the first editor, Sri L.N. Phukan, of the paper accepted the job gladly. But after working for some time, Munin resigned, yet again, and joined the Guwahati station of All India Radio.

During that period he actively helped in organising the Press Information Bureau at Guwahati, which he eventually joined in 1956 as its first Press Information Officer. At long

